# দেৱৰাজীয়ান

debrajian

৫৬ সংখ্যক প্ৰকাশ, ২০১৭-১৮ বৰ্ষ

তত্ত্বাৱধায়ক ঃ দেৱজিৎ ফুকন

সম্পাদক ঃ বৰ্ণালী কলিতা

# মহাবিদ্যালয় সংগীত

সত্যম শিবম সুন্দৰম
বিদ্যা দদাতি বিনয়ম।।
আমাৰ জীৱনৰে জেউতিৰে চাকি
এই বৰণেৰে জ্বলে
আমাৰ সাধনাৰে সৰগী মলয়া
এই সুবাসেৰে বলে।।
আ ..................................
আমাৰ ধমনীৰে তেজত উথলিছে
মহা মনীষাৰে দান।
আমাৰ কলিজাতে খলকি উঠিছে
নৱ জোৱাৰৰে বান।।
লুইতৰ পাৰৰে জীয়া গৰিমাৰে
সবল দুবাহু মেলি।।
দেৱৰাজী আমি উজাওঁ জাকেৰে
কালৰ বান্ধোন খুলি।।
দৃপ্ত দাপেৰে দলদোপ দোপেৰে,
এই ফালেদিয়েই গ'ল।।
লুইত পৰীয়া মহামনীষাৰ দল,
মৃত্যু বিজয়ী আইতা ককাৰ দল,
গ'ল আগুৱাই গ'ল
গ'ল আগুৱাই গ'ল
গ'ল আগুৱাই গ'ল
উষা হিড়িম্বা অমৃতপ্ৰভা সাধনী জয়া মূলা ৰাধিকা
পৃথু ভাস্কৰ ৰজা শংকল বীৰ চুকাফা নৰনাৰায়ণ।
সেই মনিষাৰ সতি-সন্ততি
আমি দেৱৰাজী দল
আমাৰো উৰ্দ্ধগতি
সিদ্ধ লুইপাৰ সাধনা ধৌত
আমাৰো শুদ্ধ মতি।।




শংকৰ মাধৱ চাঁদ খাঁ পীৰৰ
আজান চাহেব ভট্টদেৱৰ
বিষ্ণু লক্ষ্মী জ্যোতি নেথনৰ
উদাৰ মহান ব্ৰত জীৱনৰ
আমাৰ পাথেয় হ'ল।
অৰুণাচলৰ গোপালদেৱৰ
নগা পাহাৰৰ নৰোত্তমৰ
আশিস শিৰত ৰ'ল।।
লাচিতৰ চিত্তেৰে আমি দেশসেৱী
চিলাৰায় বলেৰে বলী
দলদোপ দোপ
হেন্দোল দোপেৰে
আমিও আহিছোঁ দেৱৰাজী হৈ
আশাৰ দুবাহু মেলি
আমাৰ ৰিঙত জাগিব লাগিব
নতুন পুৱাৰ বেলি।।

গীতিকাৰ ঃ ড° মোহিনী কুমাৰ শইকীয়া




# দেবৰাজীয়ান

debrajian

৫৬ সংখ্যক প্ৰকাশ, ২০১৭-১৮ বৰ্ষ

তত্বাৱধায়ক ঃ দেৱজিৎ ফুকন

সম্পাদক ঃ বৰ্ণালী কলিতা







DEBRAJ ROY COLLEGE MAGAZINE
# DEBRAJIAN
56th Issue, 2017-18
Annual Magazine of Students' Union, D.R. College
Edited by Bornali Kalita
Published on Behalf of
Students' Union 2017-18, D.R. College
Printed at Saraighat offset Press, Bamunimoidam
Guwahati - 781021

## সম্পাদনা সমিতি

সভাপতি ঃ ড° পুতুল চন্দ্ৰ শইকীয়া
তত্বাৱধায়ক ঃ দেৱজিৎ ফুকন
সম্পাদক ঃ বৰ্ণালী কলিতা
শিক্ষক সদস্য ঃ
মৌচুমী বৰুৱা
ড° ৰাজীৱ বসুমতাৰী
লক্ষ্মীনাথ ৰাভা
ড° জয়া কলিতা
ছাত্ৰ সদস্য ঃ
প্ৰিয়াংকুৰ বৰা
মৃদুপৱন দত্ত
যজুৰ্বেদ ৰাজখোৱা বৰুৱা
ৰশ্মিৰেখা নাথ
প্ৰয়াত ৰাজকিশোৰ গগৈ

প্ৰচ্ছদ আৰু শিল্প সজ্জা ঃ
মনজিৎ ৰাজখোৱা (প্ৰাক্তন ছাত্ৰ)
আলোকচিত্ৰ ঃ
দিপাংকৰজিৎ বৰা
আঁক-বাক ঃ
মনজিৎ, বৰ্ণালী, মৌচুম দত্ত
বৰ্ণাশুদ্ধি ঃ
পলাশ শইকীয়া
প্ৰীতি তালুকদাৰ
নীকিতা ওৰাং
প্ৰকাশক ঃ
দেৱৰাজ ৰয় মহাবিদ্যালয়
ছাত্ৰ একতা সভা
মুদ্ৰণ ঃ লিপি অফছেট, যোৰহাট

বিশেষ কৃতজ্ঞতা ঃ
শ্ৰীযুত হেম ফুকন, ড° জ্যোতিময়ী ভট্টাচাৰ্য, ড° ৰমেন চুতীয়া, শ্ৰী অংশুমান বৰা




## অধ্যক্ষৰ শুভ বাৰ্তা

I congratulate the magazine committee of D. R. College for successfully bringing out the 56th edition of 'Debrajian'. 'Debrajian' is a platform for our students to showcase their literary passion and creativity. I wish that our magazine continues to prove that excellence is a continuous process.

Dr. Putul Ch. Saikia
Principal




৫৬ সংখ্যক প্ৰকাশ
২০১৭-১৮ বৰ্ষ

# দেৱৰাজীয়ান সম্পাদনা কক্ষত



সভাপতি
ড° পুতুল চন্দ্ৰ শইকীয়া



তত্বাৱধায়ক
দেৱজিৎ ফুকন



সম্পাদক
বৰ্ণালী কলিতা

## শিক্ষক সদস্য



মৌচুমী বৰুৱা



ড° ৰাজীৱ বসুমতাৰী



লক্ষ্মীনাথ ৰাভা



ড° জয়া কলিতা

## ছাত্ৰ সদস্য



প্ৰিয়াংকুৰ বৰা



মৃদুপৱন দত্ত



যজুৰ্বেদ ৰাজখোৱা



ৰশ্মিৰেখা নাথ



ৰাজকিশোৰ গগৈ



দেশ আৰু দহৰ বাবে
ভাষা আৰু কৃষ্টিৰ বাবে
মাটি আৰু মানুহৰ বাবে
দুহাত মেলি দিয়া
নৱ প্ৰজন্মৰ হাতত
এই সংখ্যাৰ

দেৱৰাজীয়ান

# সম্পাদকীয়

## দেৱৰাজীয়ান



### আলোকৰ সন্ধানত এজাক পক্ষী ঃ

নতুন উদ্যম বুকুত বান্ধি
চকুত নতুন আশাৰ জিলিকনি
এয়াই হৈছে একেছীয়া নগৰীৰ বাণী।

মুক্ত আকাশৰ তলত ৰঙীণ দলিচাৰে উজলে নানান সপোন। সপোনে পাখি মেলা এজাক পখীৰ আপোন পৃথিৱীত জ্ঞানৰ আলোকেৰে মহিমামণ্ডিত আমাৰ মৰমৰ দেৱৰাজ ৰয় মহাবিদ্যালয়খনি। ই কেৱল জ্ঞানৰ সাগৰেই নহয়, ইয়াত অংকিত হয় নানান পখীৰ স্বকীয় প্ৰতিভাৰ আৰ্বিত ৰং-তুলিকাৰ কাহিনী।

### জাতীয় চেতনাৰ উন্মেষ ঃ

বৰ্তমান সমাজ-ব্যৱস্থাত শোষণ আৰু অত্যাচাৰৰ মাত্ৰা দিনক দিনে বৃদ্ধি পাইছে আৰু তাৰ ফলশ্ৰুতিত দেশৰ ছাত্ৰ সমাজ সচেতন হ'বলৈ বাধ্য হৈছে। 'ছাত্ৰানাং অধ্যয়নং তপঃ' এইষাৰ বাক্যৰ সাৰমৰ্ম প্ৰতিজন ছাত্ৰই উপলব্ধি কৰে, কিন্তু আজিৰ সমাজ-ব্যৱস্থাত সমগ্ৰ জনসাধাৰণে যিখিনি মৌলিক সমস্যা ভোগ কৰি আছে, ছাত্ৰসকলো সমাজৰে অবিচ্ছেদ্য অংগ হিচাপে তাৰ ভুক্তভোগী। দেশৰ ছাত্ৰসকল সমূহ জনগণৰ সমস্যাবিলাকৰ দ্বাৰা সমানেই আক্ৰান্ত। দেশৰ প্ৰচলিত শাসন ব্যৱস্থাই জনগণৰ ন্যায্যদাবী লগতে ছাত্ৰসকলৰ ন্যায্যদাবী পূৰণ নকৰাৰ প্ৰতিবাদত শাসকগোষ্ঠীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা উদাহৰণ বিশ্ব ইতিহাসৰ পাতত পোৱা যায়।

'ছাত্ৰই আন্দোলন কৰা অনুচিত'— স্থিতাৱস্থাৰ বাহকসকলে ছাত্ৰৰ এনে জাগৰণৰ নাম শুনিলেই চক্ খায়। পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ বহতীয়াসকলে কোনো বিশ্লেষণ নকৰাকৈ ছাত্ৰৰ জাগৰণবোৰক ৰাজনৈতিকভাৱে উদ্দেশ্য-প্ৰণোদিত বুলি অভিহিত কৰে।



কিন্তু ছাত্রসকল সমাজৰ এটা অবিচ্ছেদ্য অংগ। ছাত্র জাগৰণ আজিৰ কথা নহয়। স্বাধীনতাৰ আগৰ পৰা ছাত্র সমাজে দেশৰ জনগণৰ বাবে মাত মাতি আহিছে আৰু অদূৰ ভৱিষ্যতে মাত মাতি যাব। জনগণৰ স্বাৰ্থত আঘাত কৰা যি কোনো সমস্যাৰ ওপৰত মাত মতাৰ অধিকাৰ ছাত্র সমাজে সাব্যস্ত কৰি আহিছে। 'ছাত্র শক্তি এক বৃহৎ শক্তি' তেজত সৃষ্টিৰ প্ৰেৰণা থকা ছাত্র সমাজে স্বাধিকাৰ প্ৰতিষ্ঠাৰ দাবীত চলোৱা সংগ্ৰামত অগ্ৰণী ভূমিকা ল'ব পাৰে। প্ৰাণ-চঞ্চল যৌৱনৰ তেজত সৃষ্টিৰ প্ৰেৰণাৰে শিৰাই-উপশিৰাই প্ৰৱাহিত হয় তপত ৰক্ত। জাতীয় সমস্যাবিলাকে মন-মগজুত আবেগ আৰু বিবেকক উৎকণ্ঠিত নকৰাকৈ নাথাকে। ভাৰতবৰ্ষৰ লগতে অসমৰ ছাত্র-সমাজো একে প্ৰত্যাহ্বানৰ সন্মুখত —

*"সকলো দেশত মধ্যাহ্ন আলোক*
*চোৱাঁ অসমত আজিও নিশা।*
*সকলো দেশতে বসন্ত হাঁহিছে*
*চোৱা অসমত ঘোৰ বাৰিষা।"*— হেমচন্দ্ৰ গোস্বামী।

অসমত আজি ঘোৰ বাৰিষা। এন.আৰ.চি. আৰু নাগৰিকত্ব সংশোধনী বিল ২০১৬ই নমাই আনিছে অসমলৈ অমানিশা এন্ধাৰ। ভাৰতৰ এচাম কুটিল ৰাজনীতিৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে প্ৰচলন কৰা হিন্দুত্ববাদৰ বলি হ'ব লগা হৈছে অসমৰ জনগণ। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে বৃহত্তৰ অসমীয়াৰ ওপৰত এয়া জাপি দিব বিচাৰিছে বলপূৰ্বক ভাৱে। এনে দুষ্কৃতিকাৰীয়ে অসমৰ সমাজ জীৱন যাতে বিপন্ন কৰিব নোৱাৰে তাৰ বাবে সচেতন আৰু সামাজিকভাৱে দায়বদ্ধ অসমৰ জনগণ আৰু ছাত্র-সমাজ সচেতন হৈ সকলো আগবঢ়ি আহিব লাগিব। তেহে আমাৰ দেশৰ জাতি, মাটি, ভেটি ৰক্ষা হ'ব।

**আশাৰ ৰেঙণি ঃ**

জীৱনৰ সহস্ৰ সংঘাতৰ সৈতে সাহসেৰে যুঁজ দি আগুৱাই যোৱাৰ অন্তত সফল্যবোৰ বুটলিব পৰা যায়। এই কাঁইটীয়া পৰিক্ৰমাৰ মাজেদিয়েতো সৃষ্টি হয় ইতিহাস। ভিৰৰ মাজতো নিজক চিহ্নিত কৰি তোলাৰ ইতিহাস। এনে কিছু সাধনা আৰু সংগ্ৰামৰ মাজেৰেই ফুলি উঠিছে হিমা দাস, ৰীমা দাসৰ দৰে উদ্যমী, সাহসী আৰু পৰিশ্ৰমৰ সুবাসেৰে সুৱাসিত, শুনিলে গৌৰৱৰ ভাব জাগ্ৰত কৰা ফুলবোৰ।

ফুলবোৰ ফুলি যায়, সুবাস বিলাই যায় আৰু সেই সুবাসে একো একোটি নতুন ৰেঙণিৰ বীজ ৰুই যায়। এনে যুৱ প্ৰজন্ম আমাৰ গৌৰৱ, আমাৰ স্বাভিমান, গৌৰৱৰ হাতত হাত ধৰি আমিও ওলাই আহিব লাগিব। জগতখনত নিজক বিচাৰি উলিওৱাৰ দুৰ্বাৰ হেঁপাহেৰে আমিও গাব লাগিব জীৱন যুঁজৰ গান, দেৱৰাজীয়ানৰ সপোনৰ সংগীত, সেৱন কৰিব পাৰিব লাগিব প্ৰকৃতাৰ্থত মানুহ হোৱাৰ অমৃত।

**পোহৰৰ বেগত দেৱৰাজীয়ান ঃ**

অসমৰ প্ৰথিতযশা জ্ঞানৰ মহাদ্ৰুম দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ মুখপত্ৰ 'দেৱৰাজীয়ান' বিশাল জ্ঞান সমুদ্ৰত বিচৰণ কৰা পৰিয়ালটিৰ বাৰ্তা বহনকাৰী।

জ্ঞানৰ সাগৰত আলোকেৰে মানিক বিচাৰি উটি-বুৰি থকা দেৱৰাজীয়ানৰ ভৱিষ্যৎ সপোনৰ পাখি লগা সত্তাই আমাক চিৰ নতুনৰ সন্ধান দিয়ে। এই জ্ঞানৰ মহাদ্ৰুমৰ ছত্ৰ-ছাঁয়াত পত্ৰে-পুষ্পে জাতিষ্কাৰ হৈ গৰিমামণ্ডিত হৈছে অযুত দেৱৰাজীয়ান। নষ্টালজিক হৈ পৰোঁ এক সুন্দৰ অতীতক ৰোমন্থন কৰি।

**— বৰ্ণালী কলিতা**

# এই সংখ্যাত




**প্ৰবন্ধ** ⏭

| | | |
|---|---|---|
| ❖ প্ৰেক্ষাপটত আমাৰ উচ্চ শিক্ষা জগত | হেম ফুকন | ১৫ |
| ❖ গোলাবাৰুদৰ ঘৰৰ ঘাট> গোলাবাৰুদৰ ঘাট> গোলাঘাট | দীনেশ গগৈ | ১৯ |
| ❖ অনুবাদ সাহিত্যত গোলাঘাটৰ লেখিকা | ড° জ্যোতিময়ী ভট্টাচাৰ্য | ২২ |
| ❖ কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য আৰু পৰিৱৰ্তনৰ দিশ... | ড° জয়া কলিতা | ২৫ |
| ❖ অসমীয়া আধুনিক গীতৰ গতিবিধি | ড° যদুমণি দাস | ২৯ |
| ❖ Civil Society | Biplob Gogoi | ৩৩ |
| ❖ পাকিস্তান সীমান্তৰ উজাগৰী নিশাটো | দেৱজিৎ ফুকন | ৩৬ |
| ❖ অসমৰ ক্ৰমবৰ্দ্ধমান সামাজিক অস্থিৰতা আৰু বৈদ্যুতিন মাধ্যম | চাইদ নেকিব | ৩৯ |
| ❖ অন্ধবিশ্বাসী সমাজ আৰু পীড়িত জনতা | শিল্পী দত্ত | ৪১ |
| ❖ জুনা | অনুৰাগ কল্যাণ বৰগোহাঁই | ৪৩ |
| ❖ Stephen Hawking | Bibekananda Sarma | ৪৫ |

**মুখামুখি** ⏭

| | | |
|---|---|---|
| ❖ ৰংবং তেৰাং | ...................... | ৪৯ |
| ❖ উদয়ন বৰুৱা | ...................... | ৫৩ |

**ভ্ৰমণ** ⏭

| | | |
|---|---|---|
| ❖ এটি সুন্দৰ যাত্ৰাৰ অভিজ্ঞতাৰে... | সঞ্চিতা শইকীয়া | ৫৫ |

**দৃষ্টিপাত** ।। *এক পৃষ্ঠাৰ চিন্তা* ⏭

| | | |
|---|---|---|
| ❖ পৃথক ৰাজ্যৰ দাবী আৰু অসমৰ ভৱিষ্যৎ | পৰিস্মিতা বৰা | ৫৯ |
| ❖ নতুন পুৰুষলৈ কিছু প্ৰশ্ন, কিছু চিন্তা | শুভ্ৰাজ্যোতি বৰা | ৬০ |
| ❖ অসমীয়াৰ হেঁপাহৰ ৰং 'জেতুকা' | হিমাশ্ৰী দাস | ৬১ |
| ❖ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু অসম | সঞ্চিতা শইকীয়া | ৬২ |
| ❖ কেইবিধমান হেৰাই যাব ধৰা সম্পদ | দুলুস্মৃতা বৰা | ৬৩ |
| ❖ অসমত গ্ৰাম্য পৰ্যটনৰ বিকাশৰ সম্ভাৱনীয়তা | দেৱজিৎ বৰা | ৬৪ |
| ❖ বন্ধৰ ৰাজনীতি | পৰিস্মিতা শইকীয়া | ৬৫ |
| ❖ মানৱতাৰ নিদৰ্শন | আৰজুমান আহ্নাজ আলমিন | ৬৬ |
| ❖ অন্ধবিশ্বাস আৰু সমাজ | মুনমী হাজৰিকা | ৬৭ |
| ❖ HIJDA The Reflection of Black | Yojurved Rajkhowa | ৬৮ |

| | | |
|---|---|---|
| ❖ Tea Garden Tourism In Upper Assam | Aditi Verma | ৬৯ |
| ❖ Road to Glory | Prakash Randhani | ৭০ |
| ❖ Assam Movement and The Youth | Sasanka Nath | ৭১ |
| ❖ Skill Based Education | Bhaskar Jyoti Gogoi | ৭২ |
| ❖ Did an apple really fall on Issac Newton's head | Pooja Sikdar | ৭৩ |
| ❖ Human Uman Rights And Human Trafficking | Aloksparkha Borah | ৭৪ |
| ❖ Hip Hop Culture | Sumit Robidas | ৭৫ |
| ❖ Mathematics and hallucinations | Angshuman Borah | ৭৬ |
| ❖ Karbi Youth Festival A Time to come Together | Chelleng Engti Katharpi | ৭৭ |
| ❖ The Karma Festival | Justin Kujur | ৭৮ |
| ❖ INDIA The desires of youth | Ishani Hazarika Singhha | ৭৯ |
| ❖ Peatlands : ValuableEcosytems on Earth | Swagata Gogoi | ৮০ |




**গল্প ⏭**


| | | |
|---|---|---|
| ❖ কোকলোঙা | শৰৎ চেতিয়া | ৮৩ |
| ❖ আলি-কেঁকুৰি | দিব্যজ্যোতি শইকীয়া | ৮৫ |
| ❖ অভিশপ্ত বৰষুণ | য়াছ্মিন আলম | ৮৭ |
| ❖ দৰ্পচূৰ্ণ | ঋত্বিজ ঠাকুৰ | ৮৮ |
| ❖ অব্যক্ত বেদনা | জ্ঞানশ্ৰী বৰা | ৯০ |
| ❖ সেই ছোৱালীজনী | অংকিতা দত্ত | ৯২ |
| ❖ এজাক সপোন যেন বৰষুণ | ময়ুৰাক্ষী শইকীয়া | ৯৩ |
| ❖ প্লেটফৰ্মত এতিয়া কোনো নাই | কাবেৰী চেতিয়া | ৯৫ |
| ❖ অতীতে মাতে ৰিঙিয়াই ... | প্ৰণতি কলিতা | ৯৭ |
| ❖ জীৱনৰ শেষত | বিভা ফুকন | ৯৮ |
| ❖ উভতি অহাৰ গল্প এটা | অভিজিৎ বৰা | ১০০ |



**কবিতা ⏭** ......................... ১০৩—১২৭

দিগন্ত শইকীয়া, বৰ্ণালী কলিতা, ৰশ্মি শইকীয়া, দীপজ্যোতি হাজৰিকা, পাৰ্থ প্ৰতিম শৰ্মা, ৰশ্মিৰেখা নাথ, লাকী দাস, ৰাফেল কিং দুৱৰা, পুলিন শইকীয়া, শতাব্দী পূজাৰী, দৃষ্টি বনিয়া, বিভা ফুকন, সংগীতা তামুলী, তপন গগৈ, দিকিমণি শইকীয়া, দুলুমণি বৰা, চয়নিকা শইকীয়া, শুভ্ৰাজ্যোতি বৰা, হৰি বৰগোঁহাই, লাকী দাস, সজাগ বৰা, ঋত্বিজ ঠাকুৰ, দেৱাশ্ৰী শইকীয়া, শৰৎ চেতিয়া, দিব্যজ্যোতি শইকীয়া, চুমী গগৈ, আকিপ আহমেদ, কাবেৰী চেতিয়া, প্ৰণতি কলিতা, মনীশ কুমাৰ থাপা, ৰিকিমণি হাজৰিকা, প্ৰিয়াংকী বৰা, প্ৰস্তুতি চুতীয়া, গীত বৰুৱা, ধ্ৰুৱজ্যোতি কলিতা, অনুব্ৰতা চন্দ্ৰ, Jugal Kishore Saikia, Himadri Rekha Gogoi, Raju Sisty, Rosmita Gogoi, Himadri Rekha Gogoi, Neekita Urang, Priyanus Hazarika, Aloksparsa Borah, Jaya Dubey, Saif Ali, Ilyne Lakra, Purnima Limbu, Yojurveds Rajkhowa Baruah

**Tribute to Raj Kishore Gogoi** ⏭ ১২৮—১৩০

| | | |
|---|---|---|
| ❖ The Climax | Yojurved Rajkhowa Baruah | ১২৮ |
| ❖ A Mother's Regrets | Raj Kishore Gogoi | ১২৯ |
| ❖ ৰাজকিশোৰ গগৈৰ দুটি কবিতা | .................................... | ১২৮ |

**উপন্যাসিকা** ⏭

| | | |
|---|---|---|
| ❖ ত্ৰয়ম্বকে' গৌৰী ... | যুগল কিশোৰ নাথ | ১৩১ |

**অনুভৱৰ গদ্য আৰু অন্যান্য** ⏭

| | | |
|---|---|---|
| ❖ দেৱৰাজ ৰয় মহাবিদ্যালয় মোৰ স্বাভিমানৰ অন্য নাম | ৰক্তিম নাথ | ১৪৩ |
| ❖ আমাৰ মহাবিদ্যালয়ৰ 'পুৰস্কাৰ' | মণিষা চলিহা | ১৪৪ |
| ❖ অনুভৱৰ কৰণিত গ্ৰাম্য সমাজ | কাব্যশ্ৰী বৰা | ১৪৪ |
| ❖ আকাশ (কথা কবিতা) | নয়নজ্যোতি হাজৰিকা | ১৪৫ |
| ❖ জীৱশ্ৰেষ্ঠ মানুহ,... আৰু ভিন্ন ভাবনাৰ স্বৰলিপি ... | ৰশ্মিৰেখা নাথ | ১৪৬ |
| ❖ কাৰুণ্য | বিক্ৰম ফুকন | ১৪৬ |
| ❖ দিল্লী ভ্ৰমণৰ কিছু অভিজ্ঞতা | প্ৰতীক্ষা শইকীয়া | ১৪৭ |
| ❖ গ্ৰন্থমেলাই দিয়া এক বিক্ষিপ্ত অভিজ্ঞতা | জয়ন্ত দত্ত | ১৪৯ |
| ❖ এটি আশাৰ ৰেঙণি | এনিশা শইকীয়া | ১৫১ |
| ❖ গছৰ ৰসায়ন | মাৰ্ধুয্য বৰা | ১৫২ |
| ❖ অপমৃত্যু | সীমাশ্ৰী বৰা | ১৫২ |
| ❖ টিভি | উদয় দাস | ১৫২ |
| ❖ গ্ৰাম্য সমাজৰ সৌন্দৰ্য | অম্লানদীপ বৰা | ১৫৫ |
| ❖ লিমাৰিক | দৰ্শনা দত্ত | ১৫৬ |
| ❖ বিচিত্ৰ সংবাদ | কল্পনা শইকীয়া | ১৫৬ |
| ❖ কৌতুক | আচমিনা বেগম | ১৫৬ |
| ❖ শায়ৰী | নাৰায়ণ ঠাকুৰ | ১৫৬ |

| | | |
|---|---|---|
| **নীলা খামৰ চিঠি** ⏭ | ........................ | ১৫৯—১৫৯ |
| **ছাত্ৰ একতা সভাৰ প্ৰতিবেদন** ⏭ | ........................ | ১৬০—১৬৮ |
| **চিত্ৰ বীথিকা** ⏭ | ........................ | ১৭১—১৭৮ |
| **মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল** ⏭ | ........................ | ১৭৯—১৮১ |
| **দেৱৰাজীয়ানৰ সম্পাদকসকল** ⏭ | ........................ | ১৮২ |




# প্রবন্ধ

# দেৱ্‌ৰাজীয়ান





# প্রেক্ষাপটত আমাৰ উচ্চ শিক্ষা জগত

**হেম ফুকন**

অধ্যাপক, ইংৰাজী বিভাগ

> ১৯৯১ চনৰ পৰা আমাৰ দেশত প্ৰৱৰ্তন হোৱা নতুন অর্থনৈতিক নীতিয়ে ভাৰতীয় অর্থনীতিলৈ প্রভূত পৰিৱৰ্তন আনিছে পূর্বৰ মিশ্র অর্থনীতিৰ ঠাইত মুক্ত অর্থনীতিক চৰকাৰীভাৱে আদৰণি জনোৱা হৈছে, মিশ্রিত অর্থনীতিত ব্যক্তিগত খণ্ডক স্থান দিয়া হৈছিল যদিও মূল চাবিকাঠি আছিল ৰাজহুৱা খণ্ডৰ হাতত। কিন্তু মুক্ত অর্থনীতিত ব্যক্তিগত খণ্ডৰ স্থান হ'ল মুখ্য আৰু ৰাজহুৱা খণ্ড হৈ পৰিল গৌণ। অর্থনীতিৰ এনে দিক-পৰিৱৰ্তনৰ প্ৰভাৱ শিক্ষানীতিৰ ওপৰতো অনুভূত হ'ল। ...

অর্থনীতিক যদি এখন সমাজৰ ৰাজহাড় বুলি ক'ব পাৰি, তেনেহ'লে শিক্ষা হৈছে সেইখন সমাজৰ মগজুস্বৰূপ। মগজুৰ বিকাশ সুস্থ আৰু সঠিক ৰূপত নঘটিলে সমাজ নামৰ দেহাটো ঘূণীয়া আৰু ৰুগীয়া হ'বলৈ বাধ্য। অর্থনীতি হৈছে সৌধ। ৰাজনীতি, শিক্ষা, সংস্কৃতি আদি হৈছে উপৰিসৌধ। অর্থনৈতিক ক্ষেত্ৰখনত হোৱা পৰিৱৰ্তনে শিক্ষা জগতখনকো সেয়েহে প্ৰভাৱান্বিত কৰে।

ব্রিটিছসকলে বিভিন্ন দেশীয় ৰাজ্যসমূহ জয় কৰি ভাৰত নামৰ এক প্ৰশাসনীয় ভূ-খণ্ড গঢ়ি তুলিছিল। ব্রিটিছৰ দিনতে আমাৰ দেশখনত আধুনিক শিক্ষা-ব্যৱস্থাৰ প্ৰৱৰ্তন হয়। ১৮৫৭ চনত প্রতিষ্ঠা হয় কলিকতা, মাদ্রাজ আৰু বোম্বাই বিশ্ববিদ্যালয়। সাম্রাজ্যবাদী ব্রিটিছ নিজৰ শাসনৰ সুবিধার্থে এমুঠিমান ভাৰতীয়ক পশ্চিমীয়া শিক্ষাৰে শিক্ষিত কৰাৰ উদ্দেশ্যেৰেই ভাৰতত গঢ়ি তুলিছিল উচ্চ শিক্ষা ব্যৱস্থা। ১৯৪৭ চনত ব্রিটিছ শাসনৰ ওৰ পৰিল। কিন্তু ব্রিটিছ প্ৰৱৰ্তিত শিক্ষা ব্যৱস্থা আমাৰ দেশত অটুট থাকিল। স্বাধীনোত্তৰ ভাৰতত ৰাধাকৃষ্ণন, মুদালিয়াৰ, কোঠাৰী আদি বিজ্ঞ ব্যক্তিসকলে নেতৃত্ব দিয়া শিক্ষা আয়োগসমূহৰ পৰামর্শৱলীৰ ভিত্তিত অৱশ্যে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সংস্কাৰো নঘটাকৈ থকা নাই। উচ্চ শিক্ষা নিয়ন্ত্রণৰ বাবে ১৯৫৬ চনত গঠন কৰা হৈছিল বিশ্ববিদ্যালয় অনুদান আয়োগ, চমুকৈ ইউ.জি.চি.।

১৯৯১ চনৰ পৰা আমাৰ দেশত প্ৰৱৰ্তন হোৱা নতুন অর্থনৈতিক নীতিয়ে ভাৰতীয় অর্থনীতিলৈ প্রভূত পৰিৱৰ্তন আনিছে, পূর্বৰ মিশ্র অর্থনীতিৰ ঠাইত মুক্ত অর্থনীতিক চৰকাৰীভাৱে আদৰণি জনোৱা হৈছে। মিশ্রিত অর্থনীতিত ব্যক্তিগত খণ্ডক স্থান দিয়া হৈছিল যদিও মূল চাবিকাঠি আছিল ৰাজহুৱা খণ্ডৰ হাতত। কিন্তু মুক্ত অর্থনীতিত ব্যক্তিগত খণ্ডৰ স্থান হ'ল মুখ্য আৰু ৰাজহুৱা খণ্ড হৈ পৰিল গৌণ। অর্থনীতিৰ এনে দিক-পৰিৱৰ্তনৰ প্ৰভাৱ শিক্ষানীতিৰ ওপৰতো

অনুভূত হ'ল। পূৰ্বতে আমাৰ দেশত ব্যক্তিগত খণ্ডৰ শিক্ষাৰ উপস্থিতি আছিল যদিও ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাকেই প্ৰোৎসাহ যোগোৱা হৈছিল। যোৱা শতিকাৰ নৱৈ দশকৰ পৰা পৰিস্থিতি সলনি হ'ল। অৰ্থনীতি দৰে শিক্ষা খণ্ডতো বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণৰ বাবে দুৱাৰ মুকলি কৰি দিয়া হ'ল, বিশেষকৈ উচ্চ শিক্ষাখণ্ডত। "Higher Education : The Lessons of experience, 1994" শীৰ্ষক দলিলখনত যুক্তি প্ৰদৰ্শন কৰা হ'ল যে ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনত উচ্চ শিক্ষাৰ ঠাইত প্ৰাথমিক শিক্ষাতহে অধিক গুৰুত্ব দিয়া উচিত। শিক্ষাক সেৱা (Service)ৰ ঠাইত দ্ৰব্য (Goods) হিচাপে গণ্য কৰি প্ৰাথমিক শিক্ষাক গুণবিশিষ্ট দ্ৰব্য (Merit Goods) আৰু উচ্চ শিক্ষাক অগুণবিশিষ্ট দ্ৰব্য (Non-Merit Goods) হিচাপে ঘোষণা কৰা হ'ল। লগে লগে কৰ্তন কৰা হ'ল উচ্চ শিক্ষাৰ বাবে নিৰ্ধাৰিত চৰকাৰী বাজেটৰ ধন। ১৯৯০-৯১ চনত শিক্ষাখণ্ডৰ মুঠ খৰচ আছিল জাতীয় উৎপাদনৰ ২.০৯ শতাংশ আৰু উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষাত চৰকাৰী খৰচত আছিল ০.৬১ শতাংশ। ২০০৪-০৫ বৰ্ষত এই পৰিমাণ ০.৩৪ শতাংশলৈ কমিল। ফলত উচ্চ শিক্ষাৰ খৰচৰ বোজা বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত দিনে দিনে বেছিকৈ পৰিবলৈ ধৰিছে। National Sample Surveyৰ তথ্যই দেখুৱাইছে যে ১৯৮৩-৯৯ সময়ছোৱাত উচ্চ শিক্ষাত ব্যক্তিগত খৰচ ১০.৮ শতাংশলৈ বাঢ়িছে। ইয়াৰ বিপৰীতে, ২০০০ বৰ্ষত শিক্ষাত চৰকাৰী খৰচ ১৯৯০-৯১ বৰ্ষতকৈ ৩০ শতাংশলৈ কমিল। জলপানি (Scholarship)ৰ ক্ষেত্ৰত খৰচ কৰা ধনৰ পৰিমাণ ১৯৯০-৯১ বৰ্ষৰ ০.৬১ শতাংশৰ পৰা ২০০৪-০৫ বৰ্ষত ০.২৪ শতাংশলৈ কমিছে। এনে অৱস্থাত দুখীয়া তথা নিম্ন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰা বিষয়টো দিনে দিনে জটিল হৈ পৰিছে। বিশ্ববিদ্যালয়, গৱেষণা কেন্দ্ৰসমূহলৈ গৱেষণাৰ বাবে আবণ্টিত ধন দিনে দিনে কমিহে আহিছে। অসুবিধাত পৰিছে দলিত বা অনুসূচিত জাতি। জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকল। JNU, IIT, IIM আদি দিনে দিনে ব্যয়বহুল হৈছে। কোঠাৰী আয়োগে শিক্ষাৰ বাবে বাজেটৰ ৬ শতাংশ ধন ধাৰ্য কৰিবলৈ দিয়া পৰামৰ্শ এতিয়া সুদূৰপৰাহত।

অন্যহাতেদি উচ্চ শিক্ষাক পুনৰ গঠনৰ কৰাৰ নামত কৰ্প'ৰেট খণ্ডক অধিক ঠাই এৰি দিয়াৰ সিদ্ধান্ত চৰকাৰীভাৱে গ্ৰহণ কৰা হৈছে। ব্যৱসায়-বাণিজ্য আৰু উদ্যোগৰ বাবে গঠিত প্ৰধানমন্ত্ৰীৰ সংসদীয় কমিটিয়ে বিৰলা-আম্বানী প্ৰতিবেদনখন গ্ৰহণ কৰি সেই পথ অধিক প্ৰশস্ত কৰিছে। ব্যক্তিগতখণ্ডৰ উচ্চ শিক্ষানুষ্ঠান বৃদ্ধি কৰিবৰ বাবে চৰকাৰীভাৱে উদ্যোগ ল'বলৈ এই কমিটিয়ে পৰামৰ্শ দিছে। শিক্ষাখণ্ডত সেয়েহে আৰম্ভ হৈছে Public-Private Partnership, চমুকৈ PPP। বিদেশী শিক্ষানুষ্ঠানক আমাৰ চৰকাৰে আইন প্ৰণয়ন কৰি আদৰণি জনাইছে। ফলত, অতি সম্প্ৰতি বিদেশী বিশ্ববিদ্যালয়ৰ অবাধ প্ৰৱেশ ঘটিছে। শেহতীয়াকৈ ৰাজহুৱা শিক্ষা খণ্ডক ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অভিযান (RUSA) আৰম্ভ কৰা হৈছে। এই অভিযানত ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনিৰ বাবে মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে পুঁজিৰ যোগান ধৰে। গৃহ নিৰ্মাণ, আচ-বাব, বিজ্ঞান গৱেষণাগাৰৰ যন্ত্ৰ-পাতি, Language Lab, খেলপথাৰ আদিৰ বাবে লাখ লাখ টকা কলেজবিলাকে পাইছে। লগে লগে কলেজসমূহত পুঁজিপতি গোষ্ঠীৰ প্ৰৱেশ ঘটিছে। কিছুমান সামগ্ৰী দিল্লী, দিশপুৰৰ পৰা পোনে পোনে কলেজবিলাকলৈ যোগান ধৰা হৈছে। আনহাতে কিন্তু শিক্ষণ-শিকন (Teaching-Learning)ৰ ক্ষেত্ৰত হোৱা খৰচ এই অভিযানে বহন নকৰে। সেয়েহে কৰ্প'ৰেট খণ্ডৰ লগত বুজাবুজিৰ চুক্তি কৰি শিক্ষাৰ খৰচ জোৰা মাৰিবৰ বাবে বা Self-Financing Course খুলিবৰ বাবে চৰ্ত বান্ধি দিয়া দেখা গৈছে। চৰকাৰী নীতিত এনেকুৱা যিমানেই PPP হ'ব সিমানেই চৰকাৰে আন্তঃগাঁথনিৰ বাবে দিয়া ধনৰ পৰিমাণ বাঢ়িব। NAACৰ মূল্যায়নৰ সময়ত PPP সেয়েহে এটা গুৰুত্বপূৰ্ণ বিষয়। RUSAৰ কৃপাধন্য হৈ কলেজবিলাকে ওখ-পাখ অট্টালিকা সাজিবলৈ সুবিধা পাইছে হয়, কিন্তু অদূৰ ভৱিষ্যতে সেই অট্টালিকাসমূহ কৰ্পৰেট খণ্ডই ব্যৱহাৰ কৰাৰ বাটহে মুকলি হৈছে। প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়বোৰ যেনেকৈ ওচৰৰ বা একে চৌহদ হাইস্কুলবিলাকৰ লগত চামিল কৰি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে , ডি.আৰ.কলেজৰ দৰে ৰাজহুৱা খণ্ডৰ কলেজসমূহো ক'প্ৰেট খণ্ডৰ অধীনস্থ হ'বলৈ বৰ বেছি সময় নালাগিব। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ বৃহৎ এলেকাৰ চৌহদবোৰত এতিয়া শিক্ষাৰ বাণিজ্যিকীকৰণত আগভাগ লোৱা বৃহৎ পুঁজিপতি গোষ্ঠীৰ শেনচকু পৰিছে। কথাবোৰ এনে গতিত গৈ থাকিলে আমাৰ ডি.আৰ. কলেজখনৰো ৰেহৰূপ কম সময়ৰ ভিতৰতে বদলি হ'ব। হয়তোবা কম দিনৰ ভিতৰতে আম্বানীৰ দৰে কোনোবা পুঁজিপতিৰ হাতত আমাৰ দৰে কলেজবোৰ গতাই দিয়া হ'ব। সেই কথাটোক লৈ কোনো কোনোৱে গৰ্ববোধো কৰিব। কিন্তু তেনে এটা দিন আহিলে সৰ্বসাধাৰণ ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজসমূহ দুৱাৰ বন্ধ হৈ যাব। তেতিয়া খৰচ কমোৱাৰ নামত শিক্ষকৰ নিয়মীয়া পদসমূহ বিলুপ্ত কৰি ন্যূনতম মজুৰীৰ ঠিকাভিত্তিক শিক্ষকৰ ব্যৱস্থা কৰা হ'ব। অৰ্থাৎ কৰ্মসংস্থাপন সংকুচিত হ'ব। EDUSAT, MOOK, DIGITAL CLASS ROOM, VIDEO CONFERENCING আদি ব্যৱস্থাবোৰেৰে শিক্ষকসকলৰ শ্ৰেণীকোঠাৰ পাঠদানক অপ্ৰাসংগিক কৰিবলৈ ইতিমধ্যে উদ্যোগ লোৱা হৈছে। এইবোৰ তথাকথিত আধুনিক ব্যৱস্থাক আদৰণি জনোৱা অতুৎসাহী শিক্ষক-প্ৰশাসকসকলে জ্ঞাতে বা অজ্ঞাতে নিজৰ কবৰ নিজে কবৰ খন্দাৰ নিচিনা হৈছে।

২০১০ চনমানৰ পাছৰে পৰা অসমৰ কলেজীয়া শিক্ষাৰ ধৰণ-কৰণ দ্ৰুতভাৱে সলনি হৈছে। স্নাতক পৰ্যায়ত ছেমিষ্টাৰ পদ্ধতি প্ৰৱৰ্তন



২০১০ চনমানৰ পাছৰে পৰা অসমৰ কলেজীয়া শিক্ষাৰ ধৰণ কৰণ দ্ৰুতভাৱে সলনি হৈছে। স্নাতক পৰ্যায়ত ছেমিষ্টাৰ পদ্ধতি প্ৰৱৰ্তন হৈছে। সমৰ্থনত কোৱা হৈছে যে এইটো এটা আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা। আচলতে ই এটা আমেৰিকান ব্যৱস্থাহে। অক্সফ'ৰ্ড, কেম্ব্ৰিজ আদি বিশ্ববিদ্যালয়ত ছেমিষ্টাৰ পদ্ধতি এতিয়াও পূৰ্ণ পৰ্যায়ত প্ৰৱৰ্তন হোৱা নাই। ছেমিষ্টাৰ পদ্ধতিত অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাসমূহত পূৰ্বতকৈ অধিক নম্বৰ পাবলৈ সক্ষম হৈছে।

হৈছে। সমৰ্থনত কোৱা হৈছে যে এইটো এটা আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা। আচলতে ই এটা আমেৰিকামন ব্যৱস্থাহে। অক্সফৰ্ড, কেম্ব্ৰিজ আদি বিশ্ববিদ্যালয়ত ছেমিষ্টাৰ পদ্ধতি এতিয়াও পূৰ্ণ পৰ্যায়ত প্ৰৱৰ্তন হোৱা নাই। ছেমিষ্টাৰ পদ্ধতিত অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাসমূহত পূৰ্বতকৈ অধিক নম্বৰ পাবলৈ সক্ষম হৈছে। আগতকৈ পাঠদানৰ পৰিমাণো বাঢ়িছে। কিন্তু আমাৰ অসমৰ কলেজসমূহত উচ্চতৰ মাধ্যমিক শ্ৰেণীটো এতিয়াও সংলগ্ন হৈ থকা বাবে অনেক সমস্যাৰ সৃষ্টি হৈছে। উচ্চতৰ মাধ্যমিক স্তৰটো বাৰ্ষিক পৰীক্ষা পদ্ধতিৰ অন্তৰ্গত। এনে অৱস্থাত মহাবিদ্যালয়কৰ শৈক্ষিক দিনপঞ্জীখন প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰা অসম্ভৱ। পৰিস্থিতি এনে হৈছেগৈ যে, হয় উচ্চতৰ মাধ্যমিক স্তৰ, নহয় স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীসকল ক্ষতিগ্ৰস্ত হোৱাটো নিশ্চিত। আচলতে উচ্চতৰ মাধ্যমিক স্তৰটো বাহাল থকা অৱস্থাত কেৱল স্নাতক পৰ্যায়ত ছেমিষ্টাৰ পদ্ধতি ফলপ্ৰসূ হ'ব বুলি আশা কৰাটোৱে ভুল। ২০১৬ চনৰ ভিতৰত উচ্চতৰ মাধ্যমিক স্তৰটো কলেজসমূহৰ পৰা উঠাই নিয়াৰ চৰকাৰী প্ৰতিশ্ৰুতি আজি পৰ্যন্ত প্ৰতিশ্ৰুতি হৈয়েই ৰ'ল। ভূতৰ ওপৰত দানহ পৰাদি এতিয়া আকে চি.বি.চি.এছ. (Choice Based Credit System) পদ্ধতি কলেজসমূহত প্ৰৱৰ্তন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। এই পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পছন্দ অনুসৰি পঢ়িবলগীয়া বিষয়সমূহ বাছনি কৰিব পাৰিব। পৰীক্ষাত নম্বৰৰ সলনি Credit পাব। দেখাত কথাটো ভাল। কিন্তু বৰ্তমান কলেজসমূহত যি আন্তঃগাঁথনি আছে, যি পৰিমাণৰ শিক্ষক-কৰ্মচাৰী আছে, যি ধৰণে উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহলাৰ মাজত খিচিৰি পকোৱা কাৰ্য চলি আছে, তেনে অৱস্থাত CBCS পদ্ধতিয়ে গোটেই ব্যৱস্থাটো পথভ্ৰষ্টহে কৰিব আৰু এই পদ্ধতিটো ৰাজহুৱা খণ্ডৰ কলেজসমূহৰ বাবে ব'ব নোৱৰা বোজা হৈ পৰিব। ফলত, এটা সময়ত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল ৰাজহুৱাখণ্ডৰ কলেজসমূহকৰ ওপৰত খৰ্গহস্ত হৈ পৰিব। সেই সুযোগতেই বেচৰকাৰী খণ্ডৰ কলেজ কিছুমান গঢ় লৈ উঠিব বা PPPৰ যোগেদি ৰাজহুৱাখণ্ডই নিজে ব্যক্তিগত খণ্ডক আদৰি আনিবলৈ বাধ্য হ'ব। কিন্তু PPP বা Private Sectorত মাচুল বৃদ্ধি অনিবাৰ্য। অসমত বৰ্তমান গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ কাৰিকৰী শিক্ষানুষ্ঠান বা বিশ্ববিদ্যালয়সমূহেই ইয়াৰ জ্বলন্ত প্ৰমাণ। মুঠৰ ওপৰত ৰাজহুৱা খণ্ডৰ কলেজবোৰ এদিন নাইকিয়া গৈ গ'লে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰখন বন্ধ হৈ যাব।

অতি সম্প্ৰতি Autonomous Collegeৰ ধাৰণাটো অসমত প্ৰবল হৈছে। এই ব্যৱস্থাটোৰ কথা তাহানি কোঠাৰী আয়োগেই কৈ গৈছে। কাজেই ধাৰণাটো নতুন নহয়। অসমত কিন্তু Autonomous College দুখনমান আজি দুবছৰৰমানৰ আগৰ পৰাহে গঢ়ি উঠিছে। এই ক্ষেত্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্তৃপক্ষই কলেজসমূহক প্ৰোৎসাহ যোগাইছে বুলি কোৱা হয়। উজনি অসমৰ নৰ্থ লক্ষিমপুৰ কলেজ, জে বি কলেজ আদি কলেজসমূহ ইতিমধ্যে স্বায়ত্ত শাসিত হৈছেই। NAACৰ দ্বাৰা উচ্চ স্তৰত মূল্যাংকিত হোৱা কলেজসমূহক UGCয়ে স্বায়ত্ত শাসনৰ সুবিধা দিওঁ দিওঁকৈ আছে। স্বায়ত্ত শাসিত হ'লে কলেজসমূহ স্বতন্ত্ৰ হ'ব, বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণ মুক্ত হ'ব নিজে পৰীক্ষা পাতিব পাৰিব, ফলাফল স্বতন্ত্ৰভাৱে নিৰ্ণয় কৰিব পাৰিব। এইবোৰ কথা ইতিবাচক। কিন্তু উচ্চতৰ মাধ্যমিক স্তৰটো বিলোপ নকৰাকৈ স্বায়ত্ত শাসিত পদ্ধতিলৈ যোৱাটো সম্ভৱপৰ নহয়। তদুপৰি বিশ্ববিদ্যালয় এখনৰ পৰা স্বতন্ত্ৰ হোৱাৰ পাছত কলেজ এখনৰ পৰা স্নাতক পৰ্যায়ত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ

বাবে স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰাৰ সুবিধাও সীমিত হৈ পৰিব। নৰ্থ-লক্ষিমপুৰ কলেজ বা জে.বি. কলেজ এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সংলগ্নিত কলেজ নহয়। সেয়েহে সেই কলেজকেইখনৰ ছাত্ৰ-ছাত্ৰী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাবে বহিৰাগত (Outsider)। সেয়েহে নামভৰ্তিৰ ক্ষেত্ৰত পূৰ্বতে পাই থকা সুবিধাবোৰ এতিয়া তেওঁলোকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত নাপায়। (কালিলৈ ডি.আৰ. কৰেলজন স্বায়ত্ত শাসিত হ'লেও একে অৱস্থাই হ'ব)। এই অভিজ্ঞতাই প্ৰমাণ কৰে যে স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা নকৰাকৈ খৰখেদাকৈ স্বায়ত্ত শাসন পদ্ধতিলৈ গ'লে ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষতি হ'ব অধিক। প্ৰতিটো বিভাগতে স্নাতকোত্তৰ শ্ৰেণীৰ ব্যৱস্থা নকৰা পৰ্যন্ত শাসন ব্যৱস্থাই বুমেৰাঙৰ সৃষ্টি কৰিব। স্বায়ত্ত শাসন ব্যৱস্থালৈ যোৱাৰ আগেয়ে এই বিষয়বোৰৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ মতামত সংগ্ৰহ কৰা উচিত। কাৰণ খৰ-ধৰকৈ এই ব্যৱস্থা গ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰীসকলেই বিপদত পৰাৰ আশংকা থাকিব। CBCS সন্দৰ্ভতো আৰু এটা প্ৰসংগ উল্লেখ কৰাৰ প্ৰয়োজন আছে। নম্বৰৰ সলনি ক্ৰেডিট্ দিয়াৰ ব্যৱস্থা হাইস্কুল শিক্ষান্ত পৰীক্ষাত CBCS য়ে আৰম্ভ কৰিছিল। কিন্তু শেহতীয়াকৈ CBCS কৰ্তৃপক্ষ পুনৰ নম্বৰ দিয়া ব্যৱস্থালৈ ঘূৰি আহিছে। ইয়াৰ অন্তৰালত নিশ্চয় কিবা গুৰুতৰ কাৰণ আছে। কলেজসমূহত CBCS প্ৰৱৰ্তন কৰাৰ আগতে এই কাৰণটো পৰ্যালোচনা কৰাৰ প্ৰয়োজন আছে। তদুপৰি CBCS পদ্ধতিটো দেখাত মুকলিমূৰীয়া যেন লাগিলেও বাস্তৱ ক্ষেত্ৰত কিন্তু তেনে নহয়। উদাহৰণস্বৰূপে পৰম্পৰাগত ব্যৱস্থাত অৰ্থনীতি বিষয়টো কলা আৰু বিজ্ঞান উভয় শাখাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি হৈ আছে। কিন্তু CBSE ব্যৱস্থাত এই বিষয়টো পঢ়িবলৈ হ'লে উচ্চতৰ মাধ্যমিক স্তৰত গণিত বিষয়টো থকা বাধ্যতামূলক হ'ব। এনে অৱস্থাত অৰ্থনীতি বিষয় পঢ়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা স্বাভাৱিকতেই কমি আহিব। কেৱল কলা শাখা থকা কলেজসমূহত অৰ্থনীতি বিভাগটো নিশ্চিতভাৱেই বন্ধ হৈ যাব।

আমাৰ দেশৰ উচ্চ শিক্ষাৰ প্ৰশাসনীয় ব্যৱস্থাটোত অতি সম্প্ৰতি সংস্কাৰ আনিবলৈ বিচৰা হৈছে। উচ্চ শিক্ষাক চৰকাৰীভাৱে নিয়ন্ত্ৰণ কৰিবলৈ HEERA (Higher Education Empowerment Regulatory Authority), HEFA (Higher education Financing Agency) গঠন কৰা হৈছে। UGCৰ ঠাইত Higher education Commission of India গঠনৰ কুচ-কাৱাজ চলিছে। আমাৰ দেশৰ সংবিধান প্ৰণেতাসকলে শিক্ষা বিষয়টো ৰাজ্য চৰকাৰৰ তালিকাত ৰাখিছিল। সেই সময়ত শিক্ষা বিষয়টোত ৰাজ্য চৰকাৰসমূহে নিজাকৈ সিদ্ধান্ত ল'ব পাৰিছিল। পৰৱৰ্তী সময়ত শিক্ষাক উমৈহতীয়া তালিকাৰ অন্তৰ্ভুক্ত কৰা হ'ল। অৰ্থাৎ শিক্ষা বিষয়ত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ উভয়কে জড়িত কৰা হ'ল। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অতিকেন্দ্ৰিক মনোভাৱ দিনে দিনে বৃদ্ধি পোৱাৰ ফলত ৰাজ্য চৰকাৰসমূহে বৰ্তমান সময়ত নীৰৱ দৰ্শকৰ ভূমিকাহে পালন কৰা দেখা গৈছে। কেন্দ্ৰ আৰু ৰাজ্যত একে দলৰ চৰকাৰ থাকিলেতো কথাই নাই। ভাৰতবৰ্ষ এখন বিশাল দেশ, বৈচিত্ৰ্যপূৰ্ণ দেশ। 'এক ৰাষ্ট্ৰ এক শিক্ষা'— এই কথাষাৰ ভাৰতত কিমানদূৰ প্ৰযোজ্য সেয়াও এক বিচাৰ্যৰ বিষয়। আঞ্চলিক ভূগোল, ইতিহাস, জনগোষ্ঠীয় বিচিত্ৰতাক আওকাণ কৰি ৰাষ্ট্ৰীয় জ্ঞান আয়োগ, RUSA আদিৰ যোগেদি উচ্চ শিক্ষাক সমগ্ৰ দেশতে একাকাৰ (Homogenous) কৰাৰ যি প্ৰক্ৰিয়া আৰম্ভ হৈছে সেই প্ৰক্ৰিয়াত গৰিষ্ঠ সংখ্যক লোক বঞ্চিত আৰু প্ৰান্তীয় (Marginalized) হৈ পৰাৰ দুৰ্ভাৱনা আছে। শেহতীয়াকৈ, UGCক বাতিল কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত অনুদান দিয়াৰ ধাৰণাটোকে নাইকিয়া কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। 'Higher Education Commission of India'ৰ খচৰাখনত চৰকাৰী আমোলাসকলকহে উচ্চ শিক্ষাৰ নিয়ন্ত্ৰকৰ দায়িত্ব দিবলৈ বিচৰা হৈছে। উপাচাৰ্যৰ বাহিৰে সেই Commissionখনত বিদ্যায়তিক ক্ষেত্ৰখনৰ কোনো প্ৰতিনিধি নাথাকিব। অৰ্থাৎ অনাগত দিনত ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাটো সম্পূৰ্ণৰূপে চৰকাৰৰ নিয়ন্ত্ৰণাধীন হ'বগৈ। তেনে অৱস্থাত স্বায়ত্ত শাসনৰ কথাটোও হাস্যকৰ হৈ পৰিব। এই বিষয়বিলাক কলেজ, বিশ্ববিদ্যালয়সমূহত আলোচনা-বিলোচনা কৰি সপক্ষে বা বিপক্ষে এটা স্থিতি গ্ৰহণ কৰাটো শিক্ষক বা ছাত্ৰ সমাজৰ বাবে এই মুহূৰ্তত অত্যন্ত জৰুৰী হৈ পৰিছে।⏭

> লাচিত বৰফুকনে গোলাবাৰুদবোৰ ধনশিৰি নদীৰ ঘাটৰ কাষতে থকা এটা ঘৰত জমা কৰি থৈছিল। স্থানীয় লোকে ঘৰটোক ‘গোলা বাৰুদৰ ঘৰ’ আৰু ঘাটটোক ‘গোলা বাৰুদৰ ঘৰৰ ঘাট’ বুলি কৈছিল। পাছলৈ ‘গোলাবাৰুদৰ ঘৰৰ ঘাট’ ৰ পৰা ‘গোলাবাৰুদৰ ঘাট’ আৰু শেষত হয়গৈ ‘গোলাঘাট’।

# গোলাবাৰুদৰ ঘৰৰ ঘাট> গোলাবাৰুদৰ ঘাট> গোলাঘাট

**দীনেশ গগৈ**

১৮৪৬ চনত মহকুমা আৰু ১৯৮৭ চনৰ ১৫ আগষ্টত জিলাৰ মৰ্যাদা লাভ কৰা ঐতিহাসিক দৈয়াং-ধনশিৰি উপত্যকাৰ অন্তৰ্গত গোলাঘাট জিলাৰ সদৰ ঠাই গোলাঘাটৰ বিষয়ে সবিশেষ জানিবলৈ হ'লে এই উপত্যকাটোৰ আয়ুস ৰেখাস্বৰূপ দৈয়াং আৰু ধনশিৰি তটিনী দুখনৰ বিষয়ে জানি লোৱাটো নিতান্তই প্ৰয়োজন।

**দৈয়াং নদীঃ** - দৈয়াং বড়ো ভাষাৰ শব্দ। দৈ মানে পানী আৰু য়াং মানে পাক। অৰ্থাৎ অধিক পকনীয়া থকা নদী। দৈয়াং নগালেণ্ডৰ সবাতোকৈ দীঘল নৈ। নগালেণ্ডত নাম দ্‌জু (Dzu) বা জুলু (Dzulu)। দৈয়াঙৰ উৎপত্তি মণিপুৰৰ মেও চহৰৰ দক্ষিণ দিশৰ নগালেণ্ডৰ জাফু (Japhu) পাহাৰত। তাৰ পৰা বৈ আহি দক্ষিণ-পশ্চিম দিশলৈ গতি কৰি কোহিমা জিলাৰ মাজেদি বৈ গৈ চজু নৈত লগ লাগে। পুনৰ জোনেবট' জিলা হৈ ঊষা জিলাত প্ৰৱেশ কৰি সীমান্তৰ কৰ'(Koro) গাঁৱত নগালেণ্ডৰ পৰিক্ৰমা শেষ কৰি সৰুপানী নামৰ ঠাইত গোলাঘাট জিলাত প্ৰৱেশ কৰে। সৰুপানীত থকা সৰুবিল এই দৈয়াং নদীৰে এৰা সুঁতি। দৈয়াঙে বাটত লগ ধৰে বানখাতী নৈক। শিশুপানী এই বানখাতী নৈৰে উপনৈ। আনুমানিক বাৰ শতিকাত ওৱাটিঙত ধনশিৰিৰ লগ লাগে। তাৰ আগতে দৈয়াং নদী ৰূপকলীয়া, বৰপথৰুৱা, চেৰেলিটিং, শগুনপৰা, দগাঁও, দীঘলীহোলা, ন-বিল, ঘিলাধাৰী, কমাৰবন্ধা আৰু বৰ্তমানৰ গোলাঘাট চহৰৰ মাজেদি বৈ গৈ কমাৰগাঁৱৰ পূৰ্বৰ হাতীশুঁৰীয়া আৰু বৰ্তমানৰ গেলাবিল নদীৰ লগত মিলি ব্ৰহ্মপুত্ৰত পৰিছিল। বৰ্তমান গোলাঘাট নগৰৰ মাজ-মজিয়াত থকা টোকানী চাৰ্কোলৰ কাষৰ আৰু বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ সন্মুখৰ যমুনাদুখন একালত আছিল দৈয়াং নৈৰ সুঁতি আৰু ৰাজহুৱা খেলপথাৰখন আছিল দৈয়াঙৰ বালিচৰ। দৈয়াং আকাৰত ধনশিৰিৰ প্ৰায় দুগুণ। ত্ৰিপুৰা ৰাজমালাত দৈয়াং নদীক ত্ৰৈৰঙ্গ বুলি কোৱা হৈছে। বাৰিষা এই নদীৰ পানীত তিনিটা ৰং দেখা পোৱা যায় কাৰণেই নাম ত্ৰৈৰঙ্গ। দুসুঁতিমুখত এই দৃশ্য সুন্দৰকৈ পৰিলক্ষিত হয়। দৈয়াং নদীৰ উপনৈসমূহ হ'ল চুবি(Chubi), এনঝু(Nzhu), চুই(Tsui) , টিছি(Tissi) আৰু টুল'(Tullo)।

**ধনশিৰি** ঃ- সাগৰপৃষ্ঠৰ পৰা প্ৰায় ১৮৬৮ মিটাৰ উচ্চতাত নগালেণ্ডৰ দক্ষিণ সীমান্তৰ মাও চাং নামৰ ঠাইৰ কুকি নগাৰ বাসভুমিত অৱস্থিত বৰাইল পৰ্বতৰ থিংতুবুম বা লাইছাং শৃঙ্গৰ উত্তৰ-পূৱ কোণত ধনশিৰি নদীৰ উৎপত্তি। ধনশিৰিৰ অন্য

নাম ডিমা। বড়োমুলীয় শব্দ। ডিমাৰ অৰ্থ বিশাল। তাই ভাষাত নামটিমা। অৰ্থ সৰ্পিল গতিৰ নৈ। এছিয়া মহাদেশৰ একমাত্ৰ সৰ্পিল গতিৰ নৈ। ধনশিৰি নদীৰ অৱবাহিকাৰ ক্ষেত্ৰফল প্ৰায় ১২,৫৮৪ বৰ্গ কিলোমিটাৰ। দৈৰ্ঘ প্ৰায় ৩৫২ কিলোমিটাৰ। গোলাঘাটৰ নামনি অংশত নদীখনৰ প্ৰস্থ প্ৰায় ১৩২ মিটাৰ। গভীৰতা প্ৰায় ৬.২০ মিটাৰ। বাৰিষা বছৰি ৩১ দিন পৰ্যন্ত পানী বিপদসীমাৰ ওপৰত থাকে। নৈপৰীয়া লোকক জুৰুলা কৰে গড়ে ১৭ দিন পৰ্য্যন্ত । ধনশিৰিৰ উপনৈ দুখন হ'ল দিজুৱা (Dzua) আৰু ডিফু (Diphu)।

২

আহোম স্বৰ্গদেউ প্ৰতাপসিংহৰ ৰাজত্বকালত মোমাই তামুলী বৰবৰুৱাই শাসনৰ সুবিধাৰ্থে দৈয়াং উপত্যকাক চাৰিটা ভাগত ভাগ কৰি লৈছিল— নাম দৈয়াং, বছা দৈয়াং, ওপৰ দৈয়াং আৰু মাজু দৈয়াং। ওপৰ দৈয়াঙৰ অন্তৰ্গত অঞ্চলসমূহ আছিল মৰঙ্গি, কছাৰীহাট, ফৰকাটিং, জামুগুৰি, মেৰাপানী, কাছমাৰী আৰু বৰপথাৰ। বছা দৈয়াঙৰ অন্তৰ্গত আছিল পুৰণি দৈয়ঙ্গীয়া অঞ্চল, কমাৰবন্ধা, আঠখেলীয়া আৰু তিতাবৰৰ পৰা নগাপাহাৰ। নাম দৈয়াঙৰ অন্তৰ্গত আছিল মৰিয়াহোলা, নুমলীগড়, কলিয়াবৰ, মৰঙ্গিৰ কিছু অঞ্চলৰ পৰা লুইতলৈ আৰু দেৰগাঁৱৰ পৰা বোকাখাত পৰ্যন্ত। গোলাঘাট নগৰখন মাজু দৈয়াঙৰ ভিতৰুৱা আছিল। গোলাঘাট নামটো সন্দৰ্ভত কেইবাটাও কাহিনী জড়িত হৈ আছে।

১) হামদৈ পথাৰখন এটা সময়ত কছাৰীহাটৰ পৰা বৰ্তমানৰ গোলাঘাট নগৰৰ কাষতে থকা ধনশিৰি নদীপৰ্যন্ত বিস্তৃত আছিল। নদীখনৰ উত্তৰ পাৰে আছিল এৰেঙ্গাপাৰ আৰু দক্ষিণ পাৰে আছিল মইনাপাৰ। তাতে নাও চলাচলৰ বাবে এটা ঘাট আছিল। ইংৰাজৰ আগমনৰ পাছত এৰেঙ্গাপাৰত টোপোলাসদৃশ চাৰিটা চাপৰিত ইংৰাজ সৈন্যই বাহৰ পাতিছিল। সেই অনুসৰি নদীত থকা ঘাটটোক কোৱা হৈছিল 'টোপোলা ঘাট' আৰু ঠাইখণ্ডক জনা গৈছিল 'টোপোলা চাপৰি' নামেৰে। এই টোপোলাঘাটতে পতান নামৰ এজন বণিকৰ নিমখৰ গোলা আছিল আৰু গোলা থকা ঘাটৰ পৰাই ঠাইখণ্ডৰ নাম হয় গোলাঘাট।

(২) পুৰন্দৰ সিংহৰ ৰাজত্বকালত ইংৰাজৰ বিৰুদ্ধে সংগ্ৰাম কৰা ভৈয়ামৰ লোকসকল পলাই গৈ নগাপাহাৰত আশ্ৰয় লৈছিল। সেই সময়ৰ নগাসকলক দুটা ভাগত ভাগ কৰা হৈছিল। বৰী নগা আৰু আবৰী নগা। আহোমৰ বশ্যতা স্বীকাৰ কৰাসকলক বৰী আৰু নকৰাসকলক কোৱা হৈছিল আবৰী নগা। আবৰী নগাই মাজে-সময়ে পাহাৰৰ পৰা নামি আহি ভৈয়ামৰ লোকৰ ওপৰত অত্যাচাৰ চলাইছিল। সেই কাৰ্য ৰোধ কৰিবৰ বাবে ইংৰাজ চৰকাৰে নগাপাহাৰক 'আনএডিমিনিষ্টাৰ্ড এৰিয়া'ৰ অন্তৰ্ভুক্ত কৰি 'ইনাৰ লাইন পাৰ্মিট'ৰ ব্যৱস্থা কৰে। এই কাৰ্যত ভৈয়ামৰ লোকসকল ব্ৰিটিছৰ প্ৰতি ক্ষুব্ধ হৈ উঠে। ইয়াৰ ওপৰঞ্চি শিৱসাগৰ জিলাৰ (সেই সময়ত গোলাঘাট শিৱসাগৰ জিলাৰ অন্তৰ্গত আছিল) সীমা নিৰূপণৰ নামত নগাপাহাৰলৈ গৈ ইংৰাজসকল নগাৰ বিৰুদ্ধে আক্ৰমণাত্মক হৈ উঠা কাৰ্যও ভৈয়ামৰ অসমীয়াই ভাল পোৱা নাছিল। কাৰণ সেইসকল নগা তেতিয়ালৈকে স্বাধীন অসমৰে প্ৰজা হৈ আছিল। তদুপৰি নগাপাহাৰলৈ যোৱাৰ পথ দেখুওৱা আৰু পাহাৰলৈ ৰচদ-পাতি কঢ়িওৱাৰ কামৰ ভাৰ পৰিছিল ভৈয়ামৰ অসমীয়াৰ ওপৰত। এই কাৰ্যত ক্ষুণ্ণ হৈ একাংশ লোকে ব্ৰিটিছৰ খাদ্যত বিহ মিহলাই দিছিল। আন একাংশই পাহাৰলৈ যাবৰ বাবে স্থলপথ সুচল নহয় বুলি ধনশিৰি আৰু দৈয়াঙৰ পুৰণি সুঁতিয়েদি দীঘলীয়া পথেৰে ব্ৰিটিছক পাহাৰলৈ নিয়াৰ পাং পাতি কিছুমানে গোপনে চমু বাটেৰে নগাপাহাৰলৈ গৈ ব্ৰিটিছৰ বিৰুদ্ধে নগাক সাজু হ'বলৈ উচটনি দিছিল। এই কথা গম পাই ব্ৰিটিছে ধনশিৰি নদীৰ বালিতে গোটাই লোৱা ৰচদ-পাতি, বয়-বস্তু আদি পাহাৰলৈ নিবৰ বাবে অসমীয়া সবল-সুঠাম ডেকাক বেছিকৈ ভাৰ ব'বলৈ লগাই জুৰুলা কৰি পেলাবলৈ হৰনাথ দাৰোগাক দায়িত্ব অৰ্পণ কৰিলে। পাহাৰৰ পৰা ঘূৰি অহাৰ সময়ত ভাগৰত জুৰুলা হৈ অহা ডেকাসকলক 'কি হ'ল' বুলি প্ৰশ্ন কৰাত কৈছিল.. 'নক'বা আৰু। দেহা একেবাৰে গোলাঘটীয়া হৈ আহিছে।' তেতিয়াৰ পৰাই 'দেহা গোলাঘটীয়া' খণ্ডবাক্যটোৰ সৃষ্টি হ'ল। ব্ৰিটিছে নগাপাহাৰলৈ নিবৰ বাবে ৰণুৱা, ৰচদ-পাতি আদি ধনশিৰি নদীৰ বালিতে (বৰ্তমান গোলাঘাটৰ দক্ষিণ দিশত অৱস্থিত ধনশিৰি নদীৰ দলংখনৰ কাষতে থকা

> ঐতিহাসিক শৰাইঘাটৰ ৰণৰ মুখ্য সেনাপতিৰ দায়িত্ব লাভ কৰি লাচিত বৰফুকনে ৰণৰ প্ৰধান ছাউনিটো কাজলীমুখত পাতি গোপনে অন্য এটা ছাউনি পাতিছিল দৈয়াং ধনশিৰি উপত্যকাত। অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ ৰাজ্যৰ বিভিন্ন ঠাইৰ কমাৰসকলক গোটাই আনি এখন গাঁও পাতি থাকিবলৈ দিছিল। সেইখনেই বৰ্তমানৰ কমাৰগাঁও।

বালিচৰটো) গোটাই লৈছিল। নগাপাহাৰৰ পৰা ব্ৰিটিছে ধৰি অনা নগাক প্ৰথমতে এই বালিতে থৈছিল। নগা থোৱা বালিৰ পৰাই নাম হয় 'নগাবালি'। এই নগাবালিৰ কাষতে থকা এটা ঘাটত এখন গোলা বা দোকানো আছিল আৰু এই ঘাটটোত পতা গোলাৰ পৰাই ঠাইখনৰ নাম গোলাঘাট হয় ।

(৩) বৰ্তমান গোলাঘাট নগৰৰ ধনশিৰিৰ নদীৰ এটা ঘাটৰ কাষতে ১৮৫০ আৰু ১৮৬০ চনৰ ভিতৰত বেহা-বেপাৰৰ বাবে এই স্থানলৈ অহা একাংশ অনা অসমীয়া লোকে গোলা বা দোকান পতাৰ পৰাই ঠাইখণ্ডৰ নাম গোলাঘাট হয়।

(৪) ব্ৰিটিছৰ ৰাজত্বকালত নগাপাহাৰলৈ নিয়া বয়বস্তুবোৰ দৈয়াং-ধনশিৰিৰ সঙ্গমস্থলীত (বৰ্তমানৰ দুসুঁতিমুখ) গোটাই লৈছিল। সেই স্থানতে থকা ঘাটটোত ইংৰাজসকলৰ সুবিধাৰ্থে এখন গোলা বা দোকান আছিল। গোলা থকাৰ পৰাই সেই ঘাটটোক গোলাঘাট বুলি কোৱা হৈছিল আৰু বহুতে তাৰ পৰাই ঠাইখনৰ নাম গোলাঘাট হয় বুলি ক'ব খোজে।

(৫) একাংশ বুৰঞ্জীবিদৰ মতে নাম দৈয়াং অঞ্চলতে জাতীয়বীৰ লাচিত বৰফুকনৰ জন্ম হৈছিল। পানী দিহিঙ্গীয়া ফৈদৰ আহোম স্বৰ্গদেউ চুক্লেনমুং কিছুদিনৰ বাবে নাম দৈয়াঙৰ ধোদাঙত বাস কৰিছিলহি। পানী দিহিঙ্গীয়া ফৈদৰ ৰজাই বাস কৰা অনুসৰি ঠাইখনৰ নাম হৈছিল পানী দিহিঙ্গীয়া। সেইজনা স্বৰ্গদেউৰে এজন তামুলী লাপ লাই লুপ বাস কৰিছিল তামুলীগাঁৱত। তেওঁৰে পুত্ৰ আছিল শুকুটী ওৰফে মচাই চেং কালুক ওৰফে মোমাই তামুলী বৰবৰুৱা। এই শুকুটীৰে সাত নম্বৰ সন্তান আছিল লাচিত। ঐতিহাসিক শৰাইঘাটৰ ৰণৰ মুখ্য সেনাপতিৰ দায়িত্ব লাভ কৰি লাচিত বৰফুকনে ৰণৰ প্ৰধান ছাউনিটো কাজলীমুখত পাতি গোপনে অন্য এটা ছাউনি পাতিছিল দৈয়াং ধনশিৰি উপত্যকাত। অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ ৰাজ্যৰ বিভিন্ন ঠাইৰ কমাৰসকলক গোটাই আনি এখন গাঁও পাতি থাকিবলৈ দিছিল। সেইখনেই বৰ্তমানৰ কমাৰগাঁও। বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰিছিল লোৱাচুৰ মাটি। লো-জৰা উলিয়াবলৈ সেই লোৱাচুৰ মাটিবোৰ গেৰেকিয়াইছিল ওপৰ দৈয়াঙৰ এখন ঠাইত। লোৱাচুৰ মাটি গেৰেকুৱাৰ পৰাই ঠাইখনৰ নাম হয় গেৰেকিয়াল আৰু পাছত হয়গৈ গেলেকিয়াল (বৰ্তমান বোকাখাত মহকুমাৰ অন্তৰ্গত)। গেৰেকিওৱাৰ পাছত লোৱাচুৰ মাটিবোৰ ধুইছিল ঢেকিয়াল মৌজাৰ গুৰযোগনীয়া গাঁৱৰ পৰা উদ্ভৱ হৈ দেৰগাঁৱৰ মিছামৰা মৌজাৰ মাজেৰে বৈ গৈ গেলাবিলত পৰা লোৱাডোং বা লোৱাজানত। লোৱাচুৰ মাটি ধোৱাৰ পৰাই জানটোৰ নাম লোৱাদোং বা লোৱাজান হয়। সেই লো-জৰাবোৰ গলাবৰ বাবে জুই জ্বলাবলৈ বৰহোলাৰ ইকৰাণিৰ পৰা অনা হৈছিল ইকৰা। গোলাঘাট নগৰৰ কাষতে থকা কাবৰু গাঁৱত গোলা আৰু কছাৰীহাটত হিলৈ তৈয়াৰ কৰিছিল। তিৰুৱালত সাজিছিল ধনুৰ তীৰ। সেই তীৰত বিহ সানিবলৈ বিহিয়াসকলক ৰাখিছিল এখন বিলৰ পাৰত। সেই অনুসৰি বিলখনৰ নাম হৈছিল বিহিয়া বিল। পৰৱৰ্তী সময়ত নাম হয় বিহৰা বিল। কাঁড়ীসকলক থৈছিল চংকলাত। তাই ভাষাৰ শব্দ চাংকলাৰ অৰ্থ ৰণুৱা কাঁড়ী। চাংকলাৰ পৰাই বৰ্তমান খুমটাই অঞ্চলত থকা গাঁওখনৰ নাম হৈছে চংকলা। শৰাইঘাটৰ ৰণত মোগল সৈন্যক ভয় খুৱাবলৈ লঠিয়া পৰ্বতত ভুত-পিশাচৰ ভাও দিয়া দানহৰ সৈন্যক থৈছিল কমাৰগাঁৱৰ দানহৰ চুকত। এই গোপন শিবিৰটোৰ কথা জানিছিল কেৱল স্বৰ্গদেউ চক্ৰধ্বজ সিংহ, প্ৰধানমন্ত্ৰী আতন বুঢ়াগোহাঁই আৰু সেনাপতি লাচিত বৰফুকনে। অন্য কাকো এই শিবিৰটোৰ বিষয়ে জানিবলৈ দিয়া হোৱা নাছিল। কোনোবাই ক'ৰবাত কাৰোবাক এই শিবিৰটোৰ কথা কৈছে বুলি গম পালে তেনে লোকক ধৰাই নি খুমটাইৰ চাউদাং চাৰিআলিত থকা শিবিৰত চাউদাঙৰ হতুৱাই শাস্তি দি সৈ কঢ়াইছিল। কাৰোবাক শিবিৰটোৰ কথা কৈছিল বুলি সৈ কঢ়াসকলক মৰঙ্গিৰ অন্তৰ্গত এখন দুৰ্গম ঠাইলৈ নি গৰম তেলত দিছিল। সেই অনুসৰিয়েই ঠাইখনৰ নাম হৈছিল তেলগৰম। বেতীয়নিৰ দোলাকাষৰীয়া আৰু কমাৰবন্ধা অঞ্চলৰ বৰজানৰ কাষত থকা ডেকা দোলাকাষৰীয়া গাৱঁত ডেকা ফুকনৰ অধীনত ঢোলত বুঢ়া চেও বজাই সৈন্যক হেংদান যুদ্ধৰ কৌশল শিকাইছিল। কাকদোঙাত কুকুৰাৰ খাট পাতি খাদ্যত লো-জৰা মিহলাই দিছিল। সেই লো-জৰা খাই কুকুৰাই ত্যাগ কৰা বিষ্ঠাত ধনুৰ কাঁড় আৰু তৰোৱালত শাণ দিয়া হৈছিল। লাচিত বৰফুকনে গোলাবাৰুদবোৰ ধনশিৰি নদীৰ ঘাটৰ কাষতে থকা এটা ঘৰত জমা কৰি থৈছিল। স্থানীয় লোকে ঘৰটোক 'গোলা বাৰুদৰ ঘৰ' আৰু ঘাটটোক 'গোলা বাৰুদৰ ঘৰৰ ঘাট' বুলি কৈছিল। পাছলৈ 'গোলাবাৰুদৰ ঘৰৰ ঘাট'ৰ পৰা 'গোলাবাৰুদৰ ঘাট' আৰু শেষত হয়গৈ 'গোলাঘাট'। দ্বিতীয় অসম আক্ৰমণৰ সময়ত মান সৈন্য যেতিয়া খিট্‌লি (বৰ্তমানৰ নাম শাওঁতলী) পাইছিলহি তেতিয়া সেই গোলা-বাৰুদবোৰ মানৰ হাতত পৰাৰ আশংকাত স্থানীয় লোকে ঘৰটোত জুই লগাই দিছিল। কথিত আছে যে সেই গোলা-বাৰুদবোৰৰ গোন্ধত বিশ দিনমানলৈকে মানুহ ঘৰৰ বাহিৰলৈ ওলাব নোৱৰা এটা অৱস্থাৰ সৃষ্টি হৈছিল।

ভালকৈ লক্ষ্য কৰিলে গোলাঘাট নামটো সন্দৰ্ভত শেষৰটো কাহিনীয়েই অধিক বিশ্বাসযোগ্য যেন অনুভৱ হয়।।□

প্ৰবন্ধ

# অনুবাদ সাহিত্যত গোলাঘাটৰ লেখিকা

ড° জ্যোতিময়ী ভট্টাচাৰ্য
অধ্যাপিকা, অসমীয়া বিভাগ

ভাৰতবৰ্ষত অনুবাদৰ ঐতিহ্য অতি প্ৰাচীন। অনুবাদে এটা ভাষাৰ সাহিত্যত নিহিত থকা ভাব-অনুভূতি, চিন্তা-চেতনা, আদৰ্শ-মহত্ত্বক আন এটা ভাষাৰ সাহিত্যলৈ প্ৰৱাহিত কৰি নিয়ে। অসমীয়া অনুবাদ সাহিত্যও ঐশ্বৰ্য আৰু প্ৰাচুৰ্যৰে পৰিপূৰ্ণ। অসমীয়া অনুবাদ সাহিত্যৰ ভঁৰাললৈ অসমীয়া নাৰীৰ অৱদানো যথেষ্ট। প্ৰথম মহিলা অনুবাদিকা, মিছনেৰী লেখিকা মিছেছ এ. কে. গাৰ্নী, যিগৰাকীয়ে 'অৰুনোদই' সংবাদপত্ৰত ১৮৭৭ চনতে বঙলাৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছিল 'ফুলমনি ও কৰুণা'। পৰৱৰ্তী কালত বহুসংখ্যক অসমীয়া মহিলা অনুবাদিকাৰ আত্মপ্ৰকাশ ঘটে। সেইসকলৰ ভিতৰত প্ৰথমে নাম ল'ব লাগিব প্ৰতিভা দেৱীৰ। প্ৰতিভা দেৱীৰ পৰৱৰ্তী অনুবাদিকাসকলৰ ভিতৰত বসুন্ধৰা শইকীয়া, নিৰুপমা ফুকন, প্ৰবীণা শইকীয়া, প্ৰীতি বৰুৱা, তোষপ্ৰভা কলিতা আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

গোলাঘাট জিলাৰ লেখিকাসকলৰ ভিতৰত অনুবাদৰ ক্ষেত্ৰত প্ৰথমে নাম ল'ব লাগিব যমুনেশ্বৰী (শইকীয়া) খাটনিয়াৰৰ। যিগৰাকীয়ে চেক্সপীয়েৰৰ বিখ্যাত নাট 'ৰোমিঅ'-জুলিয়েট'ৰ কাহিনীৰ মুকলি অনুবাদ কৰিছিল। এই অনুবাদ আছিল সাৱলীল আৰু চেক্সপীয়েৰৰ নাট্যকাহিনী সৰ্বসাধাৰণ পঢ়ুৱৈৰ ওচৰ চপাই নিব পৰাকৈ সুন্দৰ। তেওঁ 'কিং লিয়েৰো' অনুবাদ কৰিছিল যদিও আজি তাক পাবলৈ নাই।

যমুনেশ্বৰী খাটনিয়াৰৰ ভগ্নী ৰাসেশ্বৰী (শইকীয়া) খাটনিয়াৰে হিন্দী ভাষাৰ প্ৰচাৰিকা হিচাপে হিন্দী সাহিত্যৰ বহু মূল্যবান ৰচনা অসমীয়ালৈ অনুবাদ কৰিছিল। তেওঁ জৱাহৰলাল নেহৰুৱে জীয়েক ইন্দিৰা প্ৰিয়দৰ্শিনীলৈ লিখা চিঠিসমূহ 'সংসাৰপুথি' নামেৰে অনুবাদ কৰিছিল।

গোলাঘাটৰ কাৰণে গৌৰৱৰ কথা যে পঞ্চাছৰ দশকতে আত্মপ্ৰকাশ কৰি এতিয়াও অনুবাদ কাৰ্যত ৰত হৈ থকা 'ভাঙনি কুঁৱৰী' বুলি খ্যাত নিৰুপমা ফুকন জন্মসূত্ৰে গোলাঘাট জিলাৰ। ১৯২৮ চনৰ ৪ চেপ্তেম্বৰত বাদুলীপাৰৰ মাহৰা সত্ৰত (বৰ্তমান ৰাধাবাৰী চাহ বাগিচা) তেওঁৰ জন্ম। তেওঁৰ অনুবাদ কৰ্মৰ ভিতৰত আছে জয়শংকৰ প্ৰসাদৰ 'চন্দ্ৰগুপ্ত', কাকাচাহেব কালেলকাৰৰ জীৱনীমালা, কুৰতুলেন হায়দাৰৰ 'আগ কা দৰিয়া', উৰ্দু সামাজিক উপন্যাসৰ অনুবাদ 'অগনিৰ নৈ', যশপালৰ উপন্যাস 'ঝুঠা সচ'ৰ অনুবাদ 'মিছাসত্য' আৰু স্বামী প্ৰণৱানন্দৰ জীৱনী 'শিশুদেৱ প্ৰণৱানন্দ'ৰ অনুবাদ 'অকণিৰ প্ৰণৱানন্দ' আদি। প্ৰেমচান্দৰ 'গোদান' উপন্যাসৰ অসমীয়া অনুবাদৰ বাবে তেওঁ সাহিত্য অকাডেমি অনুবাদ বঁটা লাভ কৰিছে। অনুবাদ কৰ্মৰ বাবে ২০০৪ চনত গুৱাহাটীৰ হিন্দী সংসাধন কেন্দ্ৰ 'শব্দ ভাৰতী'য়ে 'অনুবাদশ্ৰী' আৰু হাৰিয়ানাৰ জেমিনী অকাডেমীয়ে তেওঁক 'অসম ৰত্ন' উপাধি প্ৰদান কৰিছে।

অনুবাদ কৰ্মৰে অসমীয়া সাহিত্যত এটি শক্তিশালী স্থান অধিকাৰ কৰিছে নিশিপ্ৰভা ভূঞাই। তেওঁৰ অনূদিত গ্ৰন্থ 'সীতায়ন' (মূল - মল্লিকা সেনগুপ্ত, ১৯২৪), 'মালঞ্চ' (মূল - ৰবীন্দ্ৰনাথ ঠাকুৰ), কাঞ্চীৰ প্ৰিঞ্চেস (মূল - অনন্ত শ্ৰীধৰ কাৰণিক), ৰাজৰ্ষি (মূল - ৰবীন্দ্ৰনাথ ঠাকুৰ) আৰু আনন্দমঠ (মূল - বংকিমচন্দ্ৰ)। ইয়াৰ বাহিৰেও দীপিকা চক্ৰৱৰ্তীৰ সৈতে

যুটীয়াভাৱে মিতালী ফুকনৰ ‘আইদেউ’, যোগানন্দ বৰাৰ ‘চুমুলাংমা’ আৰু এককভাৱে ড° অপূৰ্ব বৰাৰ ‘ড° ৰবীন বেনাৰ্জীৰ বিচিত্ৰ জীৱন কাহিনী’ বাংলালৈ অনুবাদ কৰে। তদুপৰি ৰবীন্দ্ৰনাথৰ ‘শেষৰ কবিতা’ আৰু সুনীল গংগোপাধ্যায়ৰ ‘ৰাণু আৰু অণু’ তেওঁ অনুবাদ কৰিছে। অনুবাদ কৰ্মৰ বাবে তেওঁ অসম লেখিকা সংস্থাৰ ‘নীলিমা দত্ত সোঁৱৰণী অনুবাদ সাহিত্য বঁটা লাভ কৰাটো তাৎপৰ্যপূৰ্ণ।

উৎপলা গোস্বামীয়ে (কালীপ্ৰসাদ গোস্বামীৰ লগ হৈ) কালিদাসৰ ‘শকুন্তলা’ৰ অনুবাদ আৰু আলোচনা প্ৰকাশ কৰিছিল। বোকাখাতৰ নিজৰা বৰঠাকুৰে ‘চিনাকি সুহুৰি’ নামৰ কাব্যগ্ৰন্থ অনুবাদ কৰিছে।

হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞিয়েও অনুবাদৰ ক্ষেত্ৰত যথেষ্ট কাম কৰিছে। বিশেষভাৱে শিশুৰ বাবে কৰা মাৰ্ক টোৱেইনৰ ‘দি প্ৰিন্স এণ্ড দি প্ৰপাৰ’ৰ অনুবাদ ‘ৰাজকুমাৰ আৰু ভিকহু’, ‘নানাৰঙী সাধু’, ‘সোণালী পিয়লা’, ‘দূৰণিৰ সাধু’, ‘পিলিপকা’, ‘দেশ-বিদেশৰ লোকসাধু’ আদি তেওঁৰ অনূদিত গ্ৰন্থই অসমীয়া শিশু সাহিত্যক চহকী কৰিছে।

গোলাঘাট জিলাৰ লেখিকাসকলৰ ভিতৰত সক্ৰিয় আৰু শক্তিশালী অনুবাদিকা হৈছে দীপ্তি গোস্বামী। শিক্ষাৰ্থী জীৱনৰ পৰাই বিভিন্ন কাকত, আলোচনীত অনুবাদ গল্প আৰু কবিতা প্ৰকাশ কৰা গোস্বামীৰ প্ৰকাশিত উপন্যাসসমূহৰ ভিতৰত জ্যোতি প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা ডেফনে ডু মাৰিয়াৰৰ ‘ৰেবেকা’ৰ অনুবাদেই প্ৰথম অনূদিত গ্ৰন্থ। ‘ৰেবেকা’ৰ সাৱলীল, সুন্দৰ অনুবাদ আৰু বিষয়বস্তুৰ কালজয়ী আকৰ্ষণীয়তাৰ বাবে ইয়াৰ মাজেদি গোস্বামীয়ে পাঠকৰ হৃদয়ত এডোখৰ ঠাই উলিয়াই ল’ব পাৰিলে। তেওঁ পৰৱৰ্তী অনুবাদ মেৰি কৰেলিৰ ‘ভেণ্ডেটা’ৰ অনুবাদ ‘ৰঙা গোলাপৰ পাহি’। ১৮৮৪ চনত ইটালিৰ নেপলচ’ৰ ঘটা এটি সঁচা ঘটনাৰ আলম লৈ লেখি উলিওৱা এই বিস্ময়কৰ বিষয়বস্তুৰ উপন্যাসখনিৰ অনুবাদ সম্পৰ্কে লেখিকাই কৈছে - *‘ঔপন্যাসিকা মেৰি কৰেলিৰ কাহিনী উপস্থাপন আৰু বৰ্ণনা অতুলনীয়। বিশেষকৈ বিচিত্ৰ বৰ্ণনাৰে পাঠকৰ মনত কৌতূহল জগাই তুলিব পৰাটো তেওঁৰ ৰচনাৰ অন্যতম বৈশিষ্ট্য। এইক্ষেত্ৰত কিমানদূৰ সফল হ’ব পাৰিছোঁ নাজানো। কাৰণ ঘটনা প্ৰবাহৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ কোনো কোনো বৰ্ণনাৰ কেৱল চমু আভাসহে দিবলৈ সমৰ্থ হৈছোঁ।’* লেখিকাৰ সাৱলীল অনুবাদে এইখন গ্ৰন্থকো পাঠকৰ ওচৰ চপাই নিছে।

এণ্টন চেখভৰ এটি বিখ্যাত কাহিনীৰ অনুবাদ ‘এজন অজ্ঞাত লোকে কোৱা কাহিনী’ কালজয়ী সাহিত্য চিৰিজৰ অন্তৰ্গত এখন গ্ৰন্থ। য’ত বয়স্ক শিশু আৰু কিশোৰসকল লক্ষ্য পঢ়ুৱৈ হোৱা সত্ত্বেও ডাঙৰসকলো ইয়াৰ পঠনৰ দ্বাৰা আনন্দিত হ’ব বুলি ভবা হৈছে।

চেখভৰ কাহিনীৰে তেওঁৰ অন্য দুটিমান অনুবাদ কৰ্ম হৈছে ‘ৱাৰ্ড নং ৬’ আৰু ‘চেখভৰ পৃথিৱীত ১ম ভাগ’ আৰু চেখভৰ পৃথিৱীত ২য় ভাগ’। শিশুৰ বাবে তেওঁ অনুবাদ কৰিছে ‘বঙ্গদেশৰ ৰূপকথা’।

গোস্বামীৰ শেহতীয়া অনুবাদ ‘ভগদত্তা ঃ হে নাৰী’ মূল ছাৰ থমাছ হেনৰী হল কেইনৰ 'The women thou Gavest me' ৰ অপূৰ্ব ভাঙনি। সুবৃহৎ এই উপন্যাসখনিৰ বিষয়বস্তুৰ অনন্যতা আৰু অনুবাদিকাৰ নিমজ অনুবাদে অনুবাদিকাৰ দক্ষতাকে তুলি ধৰিছে। অনুবাদৰ নামকৰণো অপূৰ্ব আৰু অৰ্থবহ।

ড° দীপালী বৰাই বিভিন্ন ভাষাৰ পৰা কৰা অনুবাদৰ জৰিয়তে অসমীয়া কাব্য সহিত্যলৈ বিশেষ অৱদান আগবঢ়াইছে। তেওঁৰ কাব্য সংকলন ‘ভিনৰঙী জীৱনৰ সুৰ’ৰ কবিতামুঠিৰ মাজত অনুবাদিকাৰ ৰুচি আৰু অনুবাদৰ স্বচ্ছন্দতা প্ৰকাশিত হৈছে। ইংৰাজী, হিন্দী আৰু বাংলা ভাষাৰ ৩০ টা নিৰ্বাচিত কবিতাৰ এই সংকলনটিৰ অনুবাদৰ “পদূলিতে......’ কোৱা কথাখিনিয়ে অনুবাদ কৰ্মৰ প্ৰতি অনুবাদিকাৰ আন্তৰিকতাকে প্ৰকাশ কৰিছে —

*“এই প্ৰচেষ্টাত অনুবাদৰ তত্ত্বৰ এদনীয়া প্ৰয়োগ কৰা হোৱা নাই। কেতিয়াবা যদি মূল ৰচনাৰ হুবহু আক্ষৰিক অনুবাদ হৈছে, কেতিয়াবা আংশিকভাৱে ভাবানুবাদৰো সহায় লোৱা হৈছে। কবিতা একোটাৰ ‘মুড’ ৰক্ষা কৰিবৰ বাবে কেতিয়াবা উৎস ভাষাৰ শব্দ অপৰিৱৰ্তিত ৰূপত ৰখা হৈছে। উদাহৰণ স্বৰূপে সুবোধ সৰকাৰৰ ‘মণিপুৰৰ মা’ কবিতাটিত ব্যৱহৃত ‘আশিনৰখ’ শব্দটো উনুকিয়াইছোঁ। এই শব্দটিৰ অৰ্থ বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছিল। বাংলা অভিধান আৰু বাংলাভাষী বন্ধু কেইজনেও বিশেষ সহায় কৰিব পৰা নাছিল। গতিকে কবিতাটোৰ ভাবৰ লগত সংগতি ৰাখি প্ৰথমতে ‘আশিনৰখ ভাষা’ৰ ঠাইত ‘তীক্ষ্ণ ভাষা’ ব্যৱহাৰ কৰিছিলোঁ। বহুদিনৰ পাছত এজন জ্যেষ্ঠ শ্ৰদ্ধেয় বন্ধুৰ জৰিয়তে বিশেষ ব্যৱস্থাৰে কবিৰ লগত যোগাযোগ কৰি জানিব পৰা গ’ল যে ‘আশিনৰখ’ শব্দটো বাংলা ভাষাতো নাই। কবিয়ে মণিপুৰী মহিলাৰ প্ৰতিবাদৰ ভাষাৰ তীব্ৰতা বুজাবলৈ এই শব্দটো নিজাকৈ তৈয়াৰ কৰি লৈছে। আ-শিৰ-নখ ঃ মূৰৰ পৰা ভৰিৰ নখ পৰ্যন্ত (যেনেকৈ আমৰণ - মৰণ পৰ্যন্ত)। বৰ্তমান অনুবাদত শব্দটো হুবহু ৰখা হৈছে। কেতিয়াবা মূল কবিতাৰ বাক অথবা ধ্বনি মাধুৰ্য ৰক্ষাৰ প্ৰয়োজনতো কোনো শব্দ অবিকল ৰখা হৈছে।”*

কথাখিনি দীঘলীয়াকৈ উদ্ধৃত কৰাৰ কাৰণ হৈছে এই

গোলাঘাটৰ কাৰণে গৌৰৱৰ কথা যে পঞ্চাছৰ দশকতে আত্মপ্ৰকাশ কৰি এতিয়াও অনুবাদ কাৰ্যত ৰত হৈ থকা ‘ভাঙনি কুঁৱৰী’ বুলি খ্যাত নিৰূপমা ফুকন জন্মসূত্ৰে গোলাঘাট জিলাৰ।

আন্তৰিকতা গোলাঘাটৰ বিশিষ্ট অনুবাদিকা কেইগৰাকীৰ ৰচনাৰ ছত্ৰে ছত্ৰে প্ৰকাশিত হৈছে।

ড০ দীপ্তি ফুকন পাটগিৰিয়ে বাংলা ঔপন্যাসিক সুনীল গঙ্গোপাধ্যায়ৰ 'নবজাতক' উপন্যাসৰ অনুবাদৰ উপৰিও ৫৫ টা অসমীয়া কবিতা 'লুইতৰু মহানদী যাএ' নামেৰে উড়িয়া ভাষালৈ অনুবাদ কৰিছে।

শক্তিশালী লেখিকা ডেইজী কলিতাৰ ৰচনাসমূহৰ মাজত পাকিস্তানী লেখিকা তেহমিনা দুৰাণীৰ My Feudal Lord ৰ অসমীয়া অনুবাদ 'মোৰ সামন্ত প্ৰভু'ৰ অনুবাদটি উল্লেখযোগ্য আছিল। অনিবাৰ্য কাৰণত গ্ৰন্থখনি এতিয়াও প্ৰকাশ হোৱা নাই।

ড০ ৰুবী বৰাই তিনিগৰাকী প্ৰধানমন্ত্ৰীৰ কবিতাৰ অনুবাদ সংকলন এটি 'এই মাটিৰ শপত' নামেৰে প্ৰকাশ কৰিছে।

সুপ্ৰিয়া হাজৰিকাৰ অনুবাদ গল্পসমূহেও তেওঁৰ অনুবাদ দক্ষতাৰ পৰিচয় বহন কৰি আছে।

ড০ জ্যোতিৰেখা হাজৰিকাই (১৯৬৫) স্বৰচিত কবিতাৰ ইংৰাজী আৰু হিন্দী অনুবাদ প্ৰকাশ কৰিছে Song of Myself নামেৰে।

কাব্যশ্ৰী মহন্তৰ শিশু উপযোগী অনূদিত গ্ৰন্থ 'জীৱন ৰণত ৰমনী' প্ৰকাশ কৰিছে নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়াই। মূল ৰিটু মেননৰ গ্ৰন্থখনিত একৈশ গৰাকী বিশিষ্ট ভাৰতীয় মহিলাৰ কাহিনী সন্নিৱিষ্ট হৈছে। তদুপৰি এমিলি ব্ৰণ্টৰ জনপ্ৰিয় উপন্যাস Wuthering Heightsৰ অনুবাদ তেওঁৰ অন্যতম কৃতি।

গীতাশ্ৰী তামুলীৰ 'পখিলা', এণ্টন চেখভৰ 'ৱাটাৰফ্লাই' নামৰ উপন্যাসোপম কাহিনী এটিৰ ভাষান্তৰ। ১৮৯২ চনত প্ৰকাশিত গ্ৰন্থখনিৰ 'নঙলামুখত' এই কথা কোৱা হৈছে - *'চেখভৰ গভীৰ জীৱনবোধ আৰু নিটোল কাৰিকৰীৰ উমান অনুবাদৰ অনুবাদ এই কাহিনীৰ পৰা নিশ্চয়কৈ পাব পৰা নাযাব। কিন্তু অসমীয়াৰ বাহিৰে আন ভাষাৰ দুৱাৰ যিসকলৰ বাবে বন্ধ, সেইসকল নিঃস্ব নতুন পাঠকক চেখভৰ লগত পৰিচয় কৰাই দিয়াৰ মানসেৰেই এই কাহিনীটো অনুবাদ কৰা হ'ল।'*

অসমীয়া সাহিত্যক ভাৰতীয় পাঠকৰ সৈতে পৰিচয় কৰাই দিয়া এগৰাকী শক্তিশালী অনুবাদিকা হৈছে গীতালী শইকীয়া। যিয়ে 'লিভিং স্মাইল বিদ্যা'ৰ আত্মজীৱনী 'I am Vidya' —ক 'মই বিদ্যা, সৰ্বানন বিদ্যা' নামেৰে অসমীয়ালৈ অনুবাদ কৰিছে। যিখন ব্যতিক্ৰমী গ্ৰন্থই তৃতীয় লিংগৰ দুখ আৰু যন্ত্ৰণাক পাঠকৰ ওচৰলৈ লৈ যাবলৈ সক্ষম হৈছে। তেওঁৰ উল্লেখযোগ্য অনুবাদৰ ভিতৰত আছে সাহিত্য অকাডেমি পত্ৰিকা 'Indian literature; ত প্ৰকাশ পোৱা ড° নগেন শইকীয়াৰ 'মিত -ভাষ'ৰ 'Aching void' নামেৰে প্ৰকাশিত ইংৰাজী অনুবাদটি। মিতভাষ অনুবাদৰ দৰে কঠিন অথচ গুৰুত্বপূৰ্ণ অনুবাদ কৰ্মৰ সৈতে জড়িত লেখিকাই অসমীয়াৰ পৰা ইংৰাজী আৰু ইংৰাজীৰ পৰা অসমীয়ালৈ কৰা অনুবাদৰ যোগে সাহিত্যৰ নতুন ৰীতি আৰু ধাৰণাৰ বিষয়ে পাঠকক অৱগত কৰাব বিচাৰে। (সাক্ষাৎ প্ৰসঙ্গ, দৈনিক জনমভূমি)

ড০ পৰী হিলৈদাৰীৰ অনূদিত মামাং দাইৰ 'দ্য লেজেণ্ডছ অৱ পেঞ্চাম'ৰ অসমীয়া ৰূপান্তৰ 'দাঁতিপাৰৰ মানুহ' অসমীয়া সাহিত্যলৈ অনন্য সংযোজন। দ্য লেজেণ্ডছ অৱ পেঞ্চাম, মানে দাঁতিপাৰৰ মানুহ, প্ৰান্তীয় মানুহৰ কাহিনী। ৰাকুট নামৰ উপন্যাসখনৰ এটা চৰিত্ৰৰ ভাষাৰেই *"আমি প্ৰান্তীয় মানুহ, দাঁতিৰ মানুহ। আমি সাম্ৰাজ্য নিৰ্মাণ নকৰোঁ। আমি বিজ্ঞানীও নহয়, ৰাজনীতিবিদো নহয়। আনকি নাগৰিক হিচাপেও আমাৰ বিশেষ খ্যাতি নাই। অখ্যাতিও নাই। আমি মাত্ৰ দাঁতিপাৰৰ মানুহ। নিজৰ ভাবত বিভোৰ প্ৰান্তীয় মানুহ।"*

এই প্ৰান্তীয় মানুহৰ অনুপম কাহিনীক অসমীয়ালৈ কৰা অনুবাদৰ সফলতাৰ বিষয়ে অনুবাদ গ্ৰন্থখনিৰ 'পাতনি'ত বিশিষ্ট লেখক অৰূপ দত্তৰ মন্তব্য —

*'দ্য লেজেণ্ডছ অৱ পেঞ্চাম'ৰ অসমীয়ালৈ ৰূপান্তৰ কৰাত পৰী হিলৈদাৰী সফল হৈছে। মূলৰ ভাবগত আৰু ৰূপগত সৰলতা অক্ষুণ্ণ ৰাখিও উপন্যাসখনৰ দাৰ্শনিক গভীৰতা আৰু সমাজখনৰ বিশ্বস্ত ছবিখন হুবহু ফুটাই তোলাত হিলৈদাৰী অনুবাদকৰ্ম এফেৰিমানো ইফাল-সিফাল নাই হোৱা। উত্তৰ পূৰ ভাৰতত ইংৰাজী ভাষাত লেখা মেলাৰ ধাৰাটো এতিয়া পৰিপক্ক অৱস্থাত উপনীত হৈছে আৰু কেইবাজনো লেখকৰ অতি উচ্চ মানৰ উপন্যাস আৰু কাব্যগ্ৰন্থই ৰাষ্ট্ৰীয় স্তৰত সমাদৰ লাভ কৰিছে। আমি আশা ৰাখিছোঁ যে 'দ্য লেজেণ্ডছ অৱ পেঞ্চাম'ৰ ৰসোত্তীৰ্ণ অনুবাদে অসমীয়া ভাষাত এনে ধৰণৰ অনুবাদ কৰ্মৰ ধাৰা এটা প্ৰতিষ্ঠা কৰিব আৰু নিশ্চিতভাৱে ইয়াৰ ফলত অসমীয়া সাহিত্যৰ ঐতিহ্য অধিক চহকী হৈ উঠিব।'* গল্প, প্ৰবন্ধ, অনুবাদ আদি মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ আলোচনী আৰু বিভিন্ন কাকত-পত্ৰত প্ৰকাশিত হোৱা হিলৈদাৰী এগৰাকী শক্তিশালী অনুবাদিকা।

স্ৰোতস্বিনী ভৰদ্বাজে অমৃতা প্ৰীতমৰ 'কোৰা কাগজ' অনুবাদ কৰিছিল দেৰগাঁৱৰ পৰা প্ৰকাশিত 'ৰাইজৰ দৰ্পণ'ত ২০০৩ চনতে। অনুবাদিকাৰ বয়স কম হ'লেও প্ৰতিভাৰ স্বাক্ষৰ আছিল সেই অনুবাদত। 'কোৰা কাগজ'ৰ গ্ৰন্থৰূপ প্ৰকাশ হ'লে অসমীয়া সাহিত্য সমৃদ্ধ হ'লহেঁতেন।

অন্য এগৰাকী অনুবাদিকা নয়নতৰা বৰাই বহুসংখ্যক গল্প, কবিতা বিভিন্ন ভাৰতীয় আৰু ইংৰাজী ভাষাৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছে। 'বাইবেলৰ সাধু' আৰু 'শ্যেইক্সপীয়েৰৰ নাটকৰ মনোৰম সাধু' আদি তাৰ ভিতৰত অন্যতম। অৱশ্যে এই সমীক্ষাত কোনো কোনো অনুবাদিকাৰ নাম অনিচ্ছাকৃতভাৱে বাদ পৰি যোৱাও মুঠেই অসম্ভৱ নহয়।

ভাষাৰ আদান-প্ৰদান আৰু বিকাশ বিস্তাৰিত অনুবাদ কৰ্মই এক মুখ্য ভূমিকা পালন কৰি আহিছে। এই পৰিক্ৰমাত গোলাঘাটৰ মহিলাৰ অন্তৰ্ভুক্তি সংখ্যাগত দিশত নহ'লেও গুণগত দিশত বেছ আশাব্যঞ্জক। সাহিত্য শিল্পৰ শেষ বিচাৰ নিশ্চয় লিংগভিত্তিক নহয় আৰু এজন প্ৰকৃত লেখকো নিৰ্দিষ্ট ভৌগলিক সীমাৰ পৰিধিত আৱদ্ধ নহয়। কিন্তু অসমীয়া সাহিত্যৰ ইতিহাসত গোলাঘাটৰ মহিলা লেখকসকলৰ সগৌৰৱ উপস্থিতিয়ে এইধৰণৰ সমীক্ষাৰ প্ৰতি সততে প্ৰৰোচিত কৰে।□



# কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য, পৰিৱৰ্তনৰ দিশ

## এটি ক্ষেত্ৰভিত্তিক অধ্যয়ন

ড° জয়া কলিতা
সহঅধ্যাপিকা, অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ**

অসম বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনৰ ক্ষেত্ৰ। ইতিহাসে ঢুকি নোপোৱাৰ কালৰে পৰা বিভিন্ন সময়ত বিভিন্নলোকৰ অসমলৈ প্ৰব্ৰজন ঘটিছিল। সেই অনুক্ৰমে ঐতিহাসিক প্ৰেক্ষাপটৰ আঁত ধৰিয়ে প্ৰব্ৰজিত লোকসকল সাম্প্ৰতিক সময়ৰলৈকে বিভিন্ন স্থানত বসবাস কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগাইছে।এইদৰে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰ্বত ভৈয়াম একাকাৰ কৰা বিভিন্ন জনগোষ্ঠীৰ সু-সমন্বয়ৰ মাজেদি অগ্ৰহৰ হ'লেও প্ৰত্যেক জনগোষ্ঠীৰে সাংস্কৃতিক ক্ষেত্ৰখনত সুকীয়া সুকীয়া বৈশিষ্ট্য দেখা যায়। অসমৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ গাঁথনিক দিশত অৰিহণা আগবঢ়োৱা বিভিন্ন জনগোষ্ঠীৰ ভিতৰত কাৰ্বিসকল অন্যতম। নৃতাত্ত্বিক বিচাৰত কাৰ্বিসকল মঙ্গোলীয় আৰু ভাষাতাত্ত্বিক বিচাৰত পৃথিবীৰ সৰ্ববৃহৎ চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বতবৰ্মীৰ অন্তৰ্গত। এই কাৰ্বিসকল সমাজপ্ৰিয় আৰু শান্তিপ্ৰিয় লোক। পিতৃ প্ৰধান সমাজ হিচাপে জ্ঞাত কাৰ্বিসকলৰ সমাজৰ নিয়ন্ত্ৰক হিচাপে গাঁওবুঢ়াৰ গুৰুত্বপূৰ্ণ ভূমিকা থাকে। গাঁৱৰ সমাজ ব্যৱস্থা, বিবাদ বিসম্বাদ আদি গাঁওবুঢ়াৰ যোগেদি নিষ্পত্তি হয়। অসমৰ বিভিন্ন স্থানত বসবাস কৰাৰ পৰিপ্ৰেক্ষিতত এওঁলোকৰ সাংস্কৃতিক উপাদানসমূহৰ আদান-প্ৰদান ঘটিছে। কাৰ্বি জনগোষ্ঠীৰ লোকসকলক হিন্দু আৰু খ্ৰীষ্টান দুয়োটা ধৰ্মীয় লোক পোৱা যায়। কাৰ্বিসকলৰ সমাজিক ৰীতি- নীতি- আচাৰ-ব্যৱহাৰ ধ্যান-ধাৰণা সকলোতে স্বকীয় বৈশিষ্ট্য অক্ষুন্ন ৰাখিছে। তেনেদৰে ভৌতিক সংস্কৃতিৰ অংগ খাদ্যাভাসসমূহে জনগোষ্ঠীটোক জনমানসত সুকীয়াভাৱে

পৰিচয় কৰাত সহায়ক হৈছে। অৱশ্যে, বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত তেনে পৰম্পৰাগত খাদ্যাভাসৰো পৰিৱৰ্তন হ'বলৈ ধৰিছে। তেনে পৰম্পৰাগত খাদ্যাভাসৰ নাম উল্লেখ কৰি পৰিৱৰ্তনৰ দিশক বিশ্লেষণ কৰিয়ে এই লেখাটি প্ৰস্তুত কৰিবলৈ যত্ন কৰা হৈছে।

**অধ্যয়নৰ বিষয়বস্তু ঃ**

কাৰ্বি জনগোষ্ঠীৰ সাংস্কৃতিক ক্ষেত্ৰখন বিশাল আৰু বৈচিত্ৰ্যময়। এওঁলোকৰ স্বকীয় সংস্কৃতিৰ বৰ্ণিত ব্যাখ্যা জনগোষ্ঠীটোক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। কাৰ্বিসকলৰ সংস্কৃতিত স্বকীয়তা অক্ষুন্ন ৰখা খাদ্যাভাসৰ প্ৰস্তুতকৰণ প্ৰণালীৰ পৰা আৰম্ভ কৰি ব্যৱহাৰৰ সময়লৈকে সুকীয়া। অৱশ্যে বিশ্বায়নৰ প্ৰভাৱত তেওঁলোকৰ কিছুমান খাদ্যলৈ পৰিৱৰ্তন আহিছে। এই আলোচনাত কাৰ্বিসকলৰ পৰম্পৰাগত খাদ্যাভাস আৰু সেই খাদ্যাভাসৰ পৰিৱৰ্তনৰ কাৰণবোৰ উল্লেখ কৰা হৈছে।



**অধ্যয়নৰ পদ্ধতি**

কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাভাস সম্পৰ্কীয় লেখাটি প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত প্ৰস্তুত কৰা হৈছে। তথ্য সংগ্ৰহ কৰোঁতে দুটা উৎসৰ সহায় লোৱা হৈছে ---

- মুখ্য উৎস
- গৌণ উৎস

মুখ্য উৎস হিচাপে মৰিগাঁও আৰু কাৰ্বি আংলঙৰ বিভিন্ন স্থানত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি তাৰ পৰা নমুনা সংগ্ৰহ কৰা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন পুথি পাঁজিৰ সহায় লোৱা হৈছে। প্ৰধানতঃ ক্ষেত্ৰ অধ্যয়নৰ স্থান হিচাপে মৰিগাঁও জিলাৰ আঁহতগুৰি ৰূপাইবাৰী কাৰ্বি গাঁও আৰু কাৰ্বি আংলঙৰ ৰংমং উৰে গাঁও, ৰংমিলি গাঁও আদিৰ অঞ্চলৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাভাস, পৰিৱৰ্তনৰ দিশৰ সম্পৰ্কীয় বিষয়টো প্ৰস্তুত কৰাৰ উদ্দেশ্য আছে।

☞ কাৰ্বি জনগোষ্ঠীৰ স্বকীয় খাদ্যাভাসৰ নমুনাসমূহ এই অধ্যয়নত পোহৰলৈ আহিব। সেই খাদ্যসমূহ কেতিয়া কোন অনুষ্ঠানত কি প্ৰয়োজন তাৰ প্ৰতিও মনোযোগ দিয়া হ'ব।

☞ বিশ্বায়নৰ ধামখুমীয়াত কাৰ্বিসকলৰ পৰম্পৰাগত কিছুমান খাদ্যাভাসৰ নমুনা নৱ-প্ৰজন্ম মাজত হেৰাই গৈছে। এই অধ্যয়নত হেৰাই যোৱা প্ৰত্যেকটো খাদ্যৰ নমুনা পোৱা যাব।

☞ আধুনিক জীৱন প্ৰৱাহত কাৰ্বিসকলে বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত খাদ্যৰ প্ৰতি মনোযোগ দিয়াত নিজস্ব খাদ্যাভাসৰ নমুনা হেৰাই যাবলৈ উপক্ৰম হৈছে। এই অধ্যয়ন পৰম্পৰাগত খাদ্যাভাসৰ নমুনা দিয়া হ'ব।

**কাৰ্বি জনগোষ্ঠীৰ খাদ্যাভাস ঃ**

অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত কাৰ্বিসকলৰ অৱদান আছে। এওঁলোকৰ সাংস্কৃতিক জীৱনত খাদ্যাভাসৰ গুৰুত্ব অপৰিসীম। কাৰ্বিসকলৰ নিজস্ব খাদ্যাভাস আছে। বিভিন্ন উৎসৱ-পাৰ্বণ লগত সংগতি ৰাখি তেনে পৰম্পৰাগত খাদ্যাভাস প্ৰস্তুত কৰে। জাতীয় খাদ্যভাসৰ যোগেদি জনগোষ্ঠীটোক জনমানসত পৰিচয় পোৱাটো সহায়ক হয়। ঘৰুৱা জীৱনৰ প্ৰয়োজনীয়তাৰ বাবেও কিছুমান খাদ্য প্ৰস্তুত কৰি লয়। তেনে পৰম্পৰাগত খাদ্যাভাসৰ সৈতে নমুনাৰ নাম উল্লেখ কৰা হ'ল-

**১.০ চুঙাত ভৰাই তৈয়াৰ কৰা খাদ্যাভাস ঃ**

**১.১ কিমুং ঃ**

কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত এবিধ খাদ্যাভাস হ'ল কিমুং। কাৰ্বিসকলে চাউলৰ পৰা বিশেষ পদ্ধতিৰে কিমুং তৈয়াৰ কৰে। কাৰ্বিসকলৰ ঘৰুৱা জীৱনত কিমুঙৰ ব্যৱহাৰ অধিক।

**প্ৰস্তুতকৰণৰ প্ৰণালী ঃ**

প্ৰথমে যিকোনো প্ৰকাৰৰ চাউল অলপ ভালদৰে ধুই লোৱা হয়। বাঁহৰ চুঙা এটা এফালে গাঁঠি ৰাখি কাটি লোৱা হয়। লৰ্ব্ধ নামৰ গছৰ পাতত চাউলখিনি মেৰিয়াই চুঙাটোত ভৰায়। নিৰ্দিষ্ট পৰিমাণত পানী দি মুখখন বন্ধ কৰি জুইৰ ওপৰত সিজিবলৈ দিয়ে। জুইৰ তাপতে চাউলখিনি সিজাটো অনুমান কৰি জুইৰ পৰা নমাই থয়।

**১.২ হাৰকিমুং ঃ**

কাৰ্বিসকলৰ স্বকীয় খাদ্যাভাসৰ নমুনাত হাৰকিমুঙৰ ভূমিকা আছে। হাৰকিমুং কাৰ্বিসকলে আলহি আপ্যায়নৰ লগতে ঘৰুৱাভাৱেও ব্যৱহাৰ কৰি খায়।

**প্ৰস্তুতকৰণৰ প্ৰণালী ঃ**

প্ৰথমতে, বাঁহৰ চুঙাত বিভিন্ন প্ৰকাৰৰ শাক- পাচলি ভৰায় হানকিমুং প্ৰস্তুত কৰে। লৰ্ব্ধ (এবিধ গছৰ পাত) পাতত বেঙেনা, তিল, নিমখ আৰু জলকীয়া কাটি একেলগে মেৰিয়াই চুঙাত ভৰাই জুইৰ ওপৰত দি সিজিলে নমাই থয়।

**১.৩ আককাংথু ঃ**

কাৰ্বিসকলৰ অন্য এবিধ প্ৰিয় খাদ্য হ'ল আককাংথু। কাৰ্বিসকলে আককাংথু নিজস্ব পদ্ধতিৰে ঘৰতে তৈয়াৰ কৰি লয়।

**প্ৰস্তুতকৰণৰ প্ৰণালী ঃ**

আককাথুং প্ৰস্তুত কৰিবলৈ প্ৰথমে সৰু সৰু তাৰলাং ( চেঙেলি মাছ ) আৰু চেহাং আকাৰ (গুই তেল) নিমখ, হালধি আদি সংমিশ্ৰণ কৰি চুঙাত ভৰাই ভাপত সিজিবলৈ দিয়ে।

**১.৪ ৰ'ৰেক ঃ**

কাৰ্বি জনগোষ্ঠীৰ অন্য এবিধ লোক-খাদ্য হ'ল ৰ'ৰেক। এইবিধ খাদ্য প্ৰধানকৈ বিশিষ্ট অতিথিক আপ্যায়ন কৰিবলৈ প্ৰস্তুত কৰে।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

ৰ'ৰেক প্ৰস্তুত কৰিবলৈ বনকুকুৰা মাংস টুকুৰা টুকুৰকৈ কাটি প্ৰথমে তাৰ লগত হিপি বৰত (সৰু বেঙেনা) একেলগে সানি চুঙাত ভৰাই সিজোৱা হয়। সিজাটো অনুমান কৰি জুইৰ পৰা নমাই ৰাখে।

**১.৫ ছিইম জিৰলাং ঃ**

কাৰ্বি জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাভাসৰ নমুনাত ছিইম জিৰলাঙৰ ভূমিকা আছে। সুৱাদযুক্ত ছিইম জিৰলাং সকলোৰে প্ৰিয় খাদ্য।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

প্ৰথমে এটা চুঙা ফুলকাটি দেখিবলৈ ধুনিয়া কৰি লয়। সেই চুঙাতে ছিইম, (আদা) জিৰলং ( নহৰু জাতীয় পাচলি) কচু, খৰিচা, মাছ, আদি একেলগে ব্যঞ্জন ৰন্ধা প্ৰক্ৰিয়াৰে ছিইম জিৰলাং খাদ্যাভ্যাস তৈয়াৰ কৰে।

**১.২ মাংস জাতীয় খাদ্যাভাসৰ প্ৰস্তুতকৰণ ঃ**

**২.১.১ অককিংকি ঃ**

মাংস খৰিকাত দি খোৱাটো কাৰ্বিসকলৰ পৰম্পৰাগত নিয়ম। যিকোনো মাংস খৰিকাত দি পুৰি সুস্বাদু কৰি লয়।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

প্ৰথমে যিকোনো মাংস নিমখ, হালধি সানি লয়। বাঁহৰ শলা তৈয়াৰ কৰি মাংসৰ টুকুৰাবোৰ সিলাই লয়। সেই সিলোৱা মাংসসমূহ গৰম জুইৰ ওপৰত সেকি অককিংকি তৈয়াৰ কৰে।

**২.১.৩ হেন উপ আৰ্হি ঃ**

কাৰ্বিসকলৰ খাদ্যৰ অন্য এক নমুনা হ'ল হেন উপ আৰ্হি। সকলোবোৰ পৰম্পৰাগত উৎসৱ-অনুষ্ঠানত হেন উপ আৰ্হিৰ বহুল ব্যৱহাৰ আছে।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

গাহৰি মাংস টুকুৰা টুকুৰ কৰি লগত খৰিচা মিহলাই হেন উপ আৰ্হি তৈয়াৰ কৰা হয়। খৰিচা আৰু মাংস একেলগে কেৰাহিত ভাজি প্ৰয়োজন অনুপাতে নিমখ হালধি দি সিজিলে নমাই ৰাখি এইবিধ খাদ্যাভাস তৈয়াৰ কৰে।

**২.১.৩ খাজি ঃ**

গাহৰি মাংস প্ৰস্তুতকৰণত ভৈয়ামৰ কাৰ্বিসকলৰ মাজত বিশেষত্ব দেখিবলৈ পোৱা য়ায়।

ক) অলথে পাতৰ খাজি

খ) সুকুতা পাতৰ খাজি

ক) **আলথে পাতৰ খাজি ঃ**

কাৰ্বি জনগোষ্ঠীৰ লোকসকলে বিশেষভাৱে আলথে পাত (লতিঅনা পাণ) দি গাহৰি মাংস প্ৰস্তুত কৰে। আলথে পাত আৰু গাহৰি মাংসৰ এই খাদ্যাভাস প্ৰত্যেকটো উৎসৱ-পাৰ্বণতে ব্যৱহাৰ কৰে।

**প্ৰস্তুককৰণৰ প্ৰণালী ঃ**

প্ৰয়োজন অনুপাতে গাহৰি মাংস টুকৰা টুকুৰ কৰি কেৰাহিত জুই দি জহাই (সিজাই) লৈ লগত আলথে পাত, বিহঢেকীয়াৰ পাত (বিহলঙনী) জালুকৰ গুটি আৰু পাত, নৰসিংহৰ পাত আদি মিলাই দিয়ে। সিজাৰ অনুমান কৰি আন্দাজমতে নিমখ, হালধি দি জুইৰ পৰা নমাই ৰাখে।

**খ) সুকুতা পাতৰ খাজি ঃ**

কাৰ্বি জনগোষ্ঠীৰ লোকসকলে সুকুতাৰ পাত দি সুস্বাদু গাহৰি মাংস প্ৰস্তুত কৰে। আলহি-অতিথিৰ আপ্যায়নৰ বাবে বিশেষভাৱে এইবিধ খাদ্য প্ৰস্তুত কৰে। এইবিধ খাদ্য প্ৰধানতঃ কেঁচুৱা জন্মৰ সাতদিনৰ দিনা ঘৰৰ সংস্কাৰ পালনৰ সময়ত প্ৰয়োজন হয়।

**প্ৰস্তুতকৰণৰ প্ৰণালী ঃ**

সুকুতাৰ পাত ৰ'দত শুকুৱাই গুৰি কৰি লোৱা হয়। গৰম কেৰাহিত গাহৰি মাংস সামান্য পৰিমাণে সিজিৰলৈ দি তাতে সুকুতাৰ পাতখিনি দি আন্দাজমতে পানী দি ঘিউ কচু কাটি একেলগে দিয়া হয়। সিজাৰ অনুমান কৰি জুইৰ পৰা নমাই ৰাখে।

**১.৩ পানীয় প্ৰস্তুতকৰণ প্ৰণালী ঃ**

**১.৩.১ হৰলং আৰু আৰাক ঃ**

কাৰ্বিসকলৰ প্ৰিয় পানীয় খাদ্য হ'ল হৰলং আৰু আৰাক। ভৈয়ামৰ কাৰ্বিসকলে আৰাকক পুহন নামেৰে নামকৰণ কৰিছে। যদিও আৰাক আৰু হৰলং দুয়োবিধ পানীয় প্ৰস্তুতকৰণ প্ৰণালী একেই কিন্তু এবিধত পানী দি প্ৰস্তুত কৰে আৰু অন্যবিধ পানী নিদিয়াকৈ প্ৰস্তুত কৰে।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

হৰলং আৰু আৰাক প্ৰস্তুত কৰোতে বাখৰ, পিঠাগুৰি বাহাৰ ( তিতাফুলৰ পাত) মিশ্ৰণ কৰি গুল গুলকৈ পিঠা বনোৱা হয়। দুই এটা



ধান থকা চাউল সিজাই কলপাতত মেলি ঠাণ্ডা হ'বলৈ দিয়ে। সেই ভাতৰ লগত বাখৰ সংমিশ্ৰণ কৰি কলপাতেৰে ঢাকি দিয়ে। এনেদৰে এটা ৰাতি ৰখাৰ পাছত তাৰ পৰা ওলোৱা ৰসসমূহেই হ'ল আৰাক (চোকামদ)। সেই একেই পদ্ধতিৰে প্ৰস্তুত কৰা আৰাকত যেতিয়া পানী দি মুঠিয়াত (কলহ) ভৰাই তৈয়াৰ কৰা হয় তাক কোৱা হয় হৰলং।

**১.৪ চাত্নি জাতীয় খাদ্য ঃ**

**১.৪.১ মাৰি ঃ**

কাৰ্বিসকলৰ চাত্নি জাতীয় এবিধ খাদ্য হ'ল মাৰি। মাৰি সকলো প্ৰকাৰ খাদ্যৰ লগতে ব্যৱহাৰ কৰে।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

মাৰি প্ৰস্তুত কৰা সামগ্ৰীকেইবিধ হ'ল- জিৰলং (বন জালুক) লপং(এবিধ বনত মছলা পাত)শুকান কাঠফুলা আৰু জলকীয়া পাত। এই আটাইকেইটা উপকৰণৰ একেলগে মিহিকৈ পিচি মাৰি প্ৰস্তুত কৰে।

১.৫ **কীট-পতংগৰ পৰা তৈয়াৰী খাদ্যাভাস ঃ**

১.৫.১ **ইংকিঅক ঃ**

কাৰ্বি জনগোষ্ঠীৰ লোকসকলে বিভিন্ন কীট-পতংগৰ পৰা তৈয়াৰী খাদ্য ভক্ষণ কৰে। সেইবোৰৰ ভিতৰত এৰি পলুৱে বিশেষ স্থান পায়।

**প্ৰস্তুতকৰণ প্ৰণালী ঃ**

এৰি পলু ভালদৰে চাফা কৰি তেলত ভাজি খায়। তদুপৰি সেই এৰি পলুক ভাজি পটাত পিচিও খায়। অন্য জনগোষ্ঠী লোকসকলৰো পলু প্ৰিয় খাদ্য।

২.০ **কাৰ্বি জনগোষ্ঠীৰ খাদ্যাভাসৰ পৰিৱৰ্তন ঃ**

কাৰ্বি জনগোষ্ঠীৰ লোকসকলৰ মাজত স্বকীয়ভাৱে তৈয়াৰী কিছুমান খাদ্যই যদিও জনগোষ্ঠীটোৰ জাতীয় জীৱনৰ পৰিচয়ত ভূমিকা লৈছে তথাপি বৰ্তমানত বিশ্বায়নৰ প্ৰভাৱত কিছুমান খাদ্যৰ পৰিৱৰ্তন হৈছে। এনে পৰিৱৰ্তনত সদাই কিছুমান কাৰকে ক্ৰিয়া কৰে। সেইবোৰ হ'ল—

☞ নৱপ্ৰজন্মৰ ধ্যান-ধাৰণাই তেওঁলোকৰ পৰম্পৰাগত কিছুমান খাদ্যাভাসৰ পৰিৱৰ্তন কৰিছে। তেওঁলোক বজাৰত কম আয়াসতে পোৱা বস্তুৰ প্ৰতি মনোযোগ দিছে। যাৰ ফলশ্ৰুতিত পৰম্পৰাগত খাদ্যৰ প্ৰতি আগ্ৰহ কমি গৈছে।

☞ নগৰীকৰণকো পৰম্পৰাগত খাদ্যাভাস পৰিৱৰ্তনৰ অভিহিত কৰিব পাৰি। কাৰ্বিসকলৰে বহু লোক আছে তেওঁলোকৰ নগৰকেন্দ্ৰিক ধ্যান-ধাৰণাত নিজৰ ৰুচিবোধৰো পৰিৱৰ্তন ঘটাইছে। বহুদিন নগৰত বাস কৰা পৰিপ্ৰেক্ষিতত বিভিন্ন জনগোষ্ঠীৰ সংস্পৰ্শত খাদ্যসমূহৰ সংমিশ্ৰণ ঘটিছে।

☞ পৰম্পৰাগত খাদ্যাভাস প্ৰস্তুত কৰা পৰিবেশৰ আভাৱতো কিছুমান খাদ্য বিলুপ্ত হৈছে। অৰ্থাৎ কিছুমান খাদ্য প্ৰস্তুতকৰণৰ বাবে জুহাল অপৰিহাৰ্য গ্ৰাম্য পৰিবেশ বাদ দি নগৰত বাস কৰাসকলৰ সেই জুহাল পাবলৈ নাই। গেছত আৰু প্ৰেছাৰ কুকাৰত কিছুমান খাদ্য প্ৰকৃতাৰ্থত প্ৰস্তুত কৰিব পৰা নাযায়। সেইবাবেও কাৰ্বিসকলৰ কিছুমান খাদ্য নাইকিয়া হৈ পৰিছে।

☞ বিভিন্ন উদ্যোগীক প্ৰতিষ্ঠানে গা কৰি উঠাৰ ফলশ্ৰুতিত হাবি-বন কাটি পেলোৱাত কিছুমান খাদ্য প্ৰস্তুতকৰণৰ সামগ্ৰীৰ অভাৱত তেনে খাদ্য প্ৰস্তুত কৰিব নোৱাৰা পৰিপ্ৰেক্ষিতত সেই খাদ্যসমূহ বৰ্তমানত নাইকীয়া হৈছে।

**উপসংহাৰ ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে কাৰ্বিসকলেও পৰম্পৰাগতভাৱে খাদ্য প্ৰস্তুত কৰি সকলোৱে গ্ৰহণ কৰাটো পুৰণি পদ্ধতি। তেওঁলোকৰ খাদ্যৰ বিশেষত্ব হিচাপে বজাৰৰ মছলাৰ ঠাইত ঘৰুৱাভাৱে প্ৰস্তুত কৰা হাৰচুন (সৰু জাতীয় পিয়াজ), তিহা (হালধি পাতৰ দৰে এবিধ পাত মছলা), ব'ৰৈক্‌জকাছু (এবিধ দীঘল পাতৰ মছলা) আদিৰ ব্যৱহাৰ কৰিছিল। তদুপৰি চুঙাত ভৰাই খোৱা, পুৰি খোৱা আদিবোৰো প্ৰিয় খাদ্য শাৰীত ধৰা হয়। তথাপি সময়ৰ লগত খাপ খাই জুইৰ ঠাইত গেছ আৰু প্ৰেছাৰ কুকাৰত বনোৱা খাদ্যৰ প্ৰতি মনোযোগ দি ৰুচিবোধক পৰিৱৰ্তন কৰি লৈছে। অৱশ্যে গ্ৰাম্য সমাজত কিছু স্থানত বৰ্তমানতো স্বকীয় খাদ্য পোৱা গেছে। এটা কথা ঠিক যে, তেওঁলোকৰ প্ৰত্যেকটো উৎসৱ-পাৰ্বণত জাতীয় খাদ্যাভাসৰ পোৱা গৈছে। তেওঁলোকৰ বহু সচেতন ব্যক্তিৰ প্ৰচেষ্টাত কাৰ্বিআংলঙত প্ৰত্যেক বছৰে তেওঁলোকৰ জাতীয় খাদ্যমেলাৰ অনুষ্ঠিত কৰি সকলোৰে মাজত সজাগতা বৃদ্ধি কৰিছে।



**তথ্যদাতা ঃ**

**ভৈয়াম ঃ**

| নাম | গাঁৱৰ নাম | বয়স | জিলা |
|---|---|---|---|
| ১. আনন্দ কাথাৰ | আঁহতগুৰি ৰূপাইবাৰী | ৩৫ | মৰিগাঁও |
| ২. ভদ্ৰসিং তিমুং | — | ৪৫ | — |
| ৩. দ্বিপৰ বে | — | ৫০ | — |
| ৪. বুদ্ধেশ্বৰ কাথাৰ | — | ৫৭ | — |
| ৫. তপেশ্বৰ ক্ৰ' | — | ৬০ | — |
| **পাহাৰ** | | | |
| ৬. চাৰচিং ক্ৰ' | ৰংমং উৰে গাঁও | ৬০ | কাৰ্বি আংলং |
| ৭. মুহিনী তেৰংপি | ৰংমিলি উৰে গাঁও | ৭০ | — |
| ৮. চংলংমিন দা ৰংপি | ৰংখেলন | ৬৫ | — |

**গ্ৰন্থপঞ্জী ঃ**


অধিকাৰী, শুকদেৱ (সম্পা) ঃ অসমীয়া সংস্কৃতি আৰু বিশ্বায়ন, ঢিং কলেজ, নগাঁও প্ৰথম প্ৰকাশ-২০১১

ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ ঃ অসমৰ জনজাতি, অসম সাহিত্য সভা, যোৰহাট, দ্বিতীয় সংস্কৰণ-২০০৮

দলে, বসন্ত কুমাৰ ঃ অসমৰ জনগোষ্ঠী এটি পৰিচয়, প্ৰকাশক- অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ-২০০৮

দাস, অংশুমান ঃ অসমৰ জনগোষ্ঠীয় লোক-খাদ্য, প্ৰকাশক- আঁক বাক, প্ৰথম প্ৰকাশ-২০১২

সন্দিকৈ, বলীন ঃ এনাজৰী (কাৰ্বি জনগোষ্ঠীৰ বিশেষ সংখ্যা, মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ দ্বাৰা আয়োজিত চতুৰ্দশ ব'হাগী মহোৎসৱৰ স্মৃতিগ্ৰন্থ) ২০০৯।

আধুনিকতাৰ অন্ত নাই। কিন্তু আধুনিক হ'লেও সকলো সমানে গ্ৰহণযোগ্য নহয়। বৰঞ্চ এনে কিছুমান আধুনিকতাৰ নিদৰ্শন থাকিব পাৰে যিবিলাক একান্তভাৱেই বৰ্জনীয়। বোধহয় তাকেই আমি আধুনিকতা বুলি কওঁ যিবোৰ জীৱনবোধ, শিল্পৰুচিবোধ আৰু মূল্যবোধৰ সান্নিধ্যত পৰিশোধিত আৰু পৰিমাৰ্জিত হয়।



# অসমীয়া আধুনিক গীতৰ গতিবিধি

ড° যদুমণি দাস
অৰ্থনীতি বিভাগ

যিকোনো সংগীতৰ আন্তগাঁথনি বুলি লোক সংগীত আৰু দ্ৰুপদী সংগীতক জনা যায় যদিও দুইবিধৰে কিছুমান সীমাবদ্ধতা আছে। কাৰণ লোক-সংগীতবোৰৰ প্ৰচলন ভৌগলিক আৰু জনগোষ্ঠীয়ে ভিত্তিত বেলেগ বেলেগ হয়। আনহাতে দ্ৰুপদী সংগীত সমাজৰ বিশেষ শ্ৰেণীৰ মাজতহে প্ৰচলন হোৱাৰ উপৰি সংগীতৰ ব্যাকৰণ কঠোৰভাৱে মানি চলা হয়। কিন্তু আধুনিক গীতে উপৰোক্ত ধাৰা দুটাৰ সীমাবদ্ধতাসমূহ অতিক্ৰমি সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত ব্যাপকভাৱে বিস্তাৰিত হোৱাই নহয় অতিকৈ জনপ্ৰিয়। আধুনিক গীতৰ সৰ্বগ্ৰহণযোগ্য সংজ্ঞা আগবঢ়োৱাটো এটা দুৰুহ কাম। তথাপি সকলো দিশ চালি-জাৰি চাই এটা কথাত উপনীত হ'ব পাৰোঁ যে যিটো ধাৰাই এখন সমাজৰ সকলোবোৰ আৱেগ-অনুভূতি, আৰ্থ-সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিষয়বোৰ গীতৰ মাজেৰে প্ৰকাশ কৰি লোক আৰু ধ্ৰুপদী সংগীত তথা প্ৰাচ্য-প্ৰাশ্চাত্য সংগীতৰ পৰিশোধিত আৰু পৰিমাৰ্জিত সুৰৰ কাম্য সমযোজন কৰি সুৰাপিত কৰা গীতবোৰেই হ'ল আধুনিক গীত যিবোৰে জনমানসত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰি সমাজৰ কাম্য

প্ৰকৃতাৰ্থত জ্যোতিপ্ৰসাদে পোনপ্ৰথমে অসমীয়া আধুনিক গীতৰ ধাৰাটো সঠিক দিশলৈ আনিছিল। কাৰণ তেওঁৰ গীতত আধুনিক গীতৰ প্ৰয়োজনীয় সকলোবোৰ উপাদান বিদ্যমান। জ্যোতিপ্ৰসাদৰ পিছত বিষ্ণুপ্ৰসাদ ৰাভাই গীতেৰে জনচেতনা জাগ্ৰত কৰিবলৈ নতুন নতুন গীত ৰচনা কৰি গীতৰ কথাৰ লগত সুৰৰ বিন্যাস আৰু ভিন্নতা আনি গীতবোৰ জনপ্ৰিয় কৰি তুলিছিল। সেইবোৰ পাৰ্বতীপ্ৰসাদ বৰুৱাই আধুনিক গীতৰ মাধ্যমেৰে প্ৰাকৃতিক সৌন্দয্য অন্তৰেৰে অনুভৱ অন্তৰস্পৰ্শী সুৰেৰে কেনেকৈ প্ৰকাশ কৰিব পাৰি তাক সুন্দৰকৈ দাঙি ধৰিছে।

---



পৰিৱৰ্তন সাধন কৰাৰ লগতে অনাবিল আনন্দ দিয়ে। যাৰ বাবে বিশ্বায়নৰ প্ৰেক্ষাপতত বহুজাতিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ চকু আধুনিক গানৰ ওপৰত। কাৰণ ইয়াৰ জৰিয়তেহে জনসাধাৰণৰ ৰুচি-অভিৰুচিৰ পৰিৱৰ্তন সাধন কৰি বজাৰ সাৰ্বস্ব অৰ্থনীতিত মুনাফা আদায় কৰিব পাৰিব।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক ভাৰতৰ আধুনিক গীতৰ বাটকটীয়া বুলি কোৱা হয়। তাৰ পাছত দ্বিজেন্দ্ৰলাল, মানবেন্দ্ৰ আৰু নজৰুলৰ দৰে খ্যাতনামা সংগীতজ্ঞসকলে প্ৰাচ্য আৰু পাশ্চাত্যৰ যথাক্ৰমে মেলডী আৰু হাৰমনিৰ সমাহাৰ ঘটাই সৃষ্টি কৰা গীত-মাতবোৰ কেৱল বংগদেশতেই নহয় ভাৰততো জনমুখী হৈ পৰিছিল।

প্ৰায় এশ বছৰ অতিক্ৰম কৰা অসমীয়া আধুনিক গীতৰক নানা জাতি-উপজাতিৰ বাৰেবৰণীয়া স্বকীয় সংস্কৃতি আৰু লোক সংগীত, মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱৰ বৰগীত, নাম-কীৰ্তন, ভাৰতীয় শাস্ত্ৰীয় সংগীত, প্ৰাচ্য আৰু পাশ্চাত্য সংগীতৰ অপূৰ্ব সমাহাৰে অসমীয়া আধুনিক গীতক সমৃদ্ধিশালী কৰি আহিছে।

ঊনবিংশ শতিকাৰ শেষৰ ফালে এচাম অসমীয়া জাতীয়প্ৰেমীৰ মাজত ভয় হৈছিল যে বঙালী সংস্কৃতিয়ে অসমীয়া স্বকীয় সংস্কৃতিৰ ভেটী উচন কৰিব। সেইবাবে তেওঁলোকে অৰ্থাৎ লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালাৰ দৰে বৰেণ্য ব্যক্তিসকলে গীত ৰচনা কৰাত মনোনিৱেশ কৰি সেইবোৰৰ প্ৰচাৰ কৰিবৰ বাবে ১৮৮৯ চনত জোনাকী আলোচনী প্ৰকাশ কৰে। ১৮৮৮ চনত সত্যনাথ বৰাদেৱৰ দ্বাৰা প্ৰণিত গীতাৱলী হ'ল প্ৰথম অসমীয়া গীতৰ পুথি। ইয়াৰ পাছত অসমীয়া আধুনিক গীত ৰচনাত ব্ৰতী হোৱাসকলৰ ভিতৰত আছিল অম্বিকাগিৰি ৰায়চৌধুৰী, উমেশচন্দ্ৰ চৌধুৰী, প্ৰসন্নলাল চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, মিত্ৰদেৱ মহন্ত, পদ্মনাথ চলিহা, বিনন্দিৰাম বৰুৱা, আনন্দিৰাম দাস প্ৰমুখ্যে অনেক পুৰুধা ব্যক্তি সেইদৰেই অসমীয়া আধুনিক গীতৰ বিকাশৰ ধাৰাটো চলি আছিল। ১৯২৮ চনত সঙ্গীতাচাৰ্য প্ৰফুল্ল কুমাৰ বৰুৱাই চাৰিটা গানৰ এখন গামোফোন ৰেকৰ্ড কৰি অসমীয়া আধুনিক গীতৰ গতিশীলতা দুগুণে বৃদ্ধি কৰাৰ লগতে গীতৰ মানক সাৰ্বজনীন আৰু স্থায়িত্ব প্ৰদান কৰাৰ বাট মুকলি কৰিলে। অৱশ্যে প্ৰখ্যাত সংগীতজ্ঞ লোকনাথ গোস্বামীৰ মতে ১৯০৪ চনত অসমীয়া আধুনিক গীত হেনো প্ৰথম ৰেকৰ্ডিং কৰিছিল এগৰাকী মণিপুৰী মহিলাই গীতটো আছিল "বটাটো আনিয়ে তামোলখন কাটিয়ে ....." (অসমীয়া আধুনিক গান, লোকনাথ গোস্বামী)। আমি গৌৰৱান্বিত যে গোলাঘাটৰ ঢেকীয়ালৰ প্ৰবীণ শিল্পী প্ৰয়াত ভোলা শইকীয়াদেৱেও ১৯৩৫ চনত কলিকতাৰ Senola Musical Products নামৰ কোম্পানীত দুটা গীত ৰেকৰ্ড কৰিছিল। গীতকেইটা হ'ল -

(ক) বিহুৱতী চৰায়ে কৰে বিহু-বিহু
আমাৰ বিহুৰ কাপোৰ নাই।

(খ) নাহৰ ফুলে নচুৱায় তোক হেৰ' চেনেহী
তগৰ ফুলে নুখুৱায় তোক।

তদুপৰি তেওঁ অসমৰ সেই সময়ৰ বহুতো যাত্ৰা পাৰ্টি আৰু ভ্ৰাম্যমান নাট্য গোষ্ঠীত সংগীত পৰিচালনা কৰিছিল। কিন্তু পৰিতাপৰ কথা যে এইজন শিল্পৰ অসমৰ কিমানজন মানুহে জানে বা গোলাঘাটৰ কিমান মানুহে তেওঁৰ নাম শুনিছে।

এনেদৰে অসমীয়া আধুনিক গীতৰ ধাৰাটো আগবাঢ়ি গৈ থাকিল। বৰ্তমান সময়ত অসমীয়া সংগীতৰ ওপৰত বীজতৰীয়া গোলকীয় সংস্কৃতিৰ প্ৰভাৱ পৰাৰ দৰে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ সময়তো পাবত গজা এচাম অসমীয়া চাহাবে পশ্চিমীয়া আৰু বঙালী গীত শুনিহে ভাল পাইছিল। তেনে সময়তে অসমীয়া সংগীত জগতৰ নমস্য সংগীতজ্ঞ জ্যোতি প্ৰসাদ, বিষ্ণুৰাভাই বঙ্গদেশৰ আধুনিক গীতবোৰৰ লগত ফেৰ মাৰিব পৰাকৈ অসমীয়া লোক সংগীতৰ আধাৰত নতুন গীত ৰচনা কৰি সেই গীতবোৰত অসমীয়া থলুৱা সুৰৰ লগত পশ্চিমীয়া সুৰৰ কাম্য সংমিশ্ৰণ ঘটাই শ্ৰুতিমধুৰ কৰি তুলিছিল যিবোৰ এতিয়াও আমাৰ অন্তৰ চুই যোৱাই নহয় আমি গৌৰৱো কৰোঁ। প্ৰকৃতাৰ্থত জ্যোতিপ্ৰসাদে পোনপ্ৰথমে অসমীয়া আধুনিক গীতৰ ধাৰাটো সঠিক দিশলৈ আনিছিল। কাৰণ তেওঁৰ গীতত আধুনিক গীতৰ প্ৰয়োজনীয় সকলোবোৰ উপাদান বিদ্যমান। জ্যোতিপ্ৰসাদৰ পিছত বিষ্ণুপ্ৰসাদ ৰাভাই গীতেৰে জনচেতনা জাগ্ৰত কৰিবলৈ নতুন নতুন গীত ৰচনা কৰি গীতৰ কথাৰ লগত সুৰৰ বিন্যাস আৰু ভিন্নতা আনি গীতবোৰ জনপ্ৰিয় কৰি তুলিছিল। সেইবোৰ পাৰ্বতীপ্ৰসাদ বৰুৱাই আধুনিক গীতৰ মাধ্যমেৰে প্ৰাকৃতিক সৌন্দৰ্য অন্তৰেৰে অনুভৱ অন্তৰস্পৰ্শী সুৰেৰে কেনেকৈ প্ৰকাশ কৰিব পাৰি তাক সুন্দৰকৈ দাঙি ধৰিছে। অসমীয়া আধুনিক গীতলৈ তিনিওগৰাকী প্ৰসাদে অফুৰন্ত সৃষ্টিশীল অৱদান আগবঢ়োৱাৰ পাছৰ অসমীয়া আধুনিক গীতক বহুমাতৃক ৰূপ দি বিশ্বসংগীত দৰবাৰৰ পৰা অসমীয়া সুৰে শ্ৰেষ্ঠ সন্মান কাঢ়ি অনাৰ স্ৰষ্টা বিশ্ববৰেণ্য সংগীতজ্ঞ ড° ভূপেন হাজৰিকাৰ অৱদানৰ কথা উল্লেখ কৰাৰ প্ৰয়োজন বোধহয় নাই। ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, খগেন মহন্ত, দৰ্প শৰ্মা, নৱ বৰুৱা, নৱকান্ত বৰুৱা, নিৰ্মলপ্ৰভা বৰদলৈ, তফজ্জুল আলি, বীৰেন দত্ত, নগেন বৰা, মহানন্দ মজিন্দাৰ বৰুৱা, ৰিদিপ দত্ত, দিপালী বৰঠাকুৰ, জয়ন্ত হাজৰিকা আদি গীতিকাৰ, সুৰকাৰ আৰু শিল্পীয়ে যিখিনি অৱদান অসমীয়া আধুনিক গীতত সংযোগ কৰিলে সেইবোৰক লৈ আমি আজিও নষ্টালজিক অনুভৱ কৰোঁ। এইসকল গীতিকাৰ, সুৰকাৰ আৰু শিল্পীয়ে অসমীয়া জাতীয় জীৱনৰ সুন্দৰ জীৱনাদৰ্শনৰ প্ৰতি শ্ৰোতাসকলক উদ্বুদ্ধ কৰিব পাৰিছিল বাবে এই গীতবোৰ চিৰসেউজ। কাৰণ সেই অমৰ গীতত ধ্বনিত হৈছিল মানৱ প্ৰেম, ভাতৃত্ববোধ, দেশপ্ৰেম, সমাজ সংস্কাৰৰ বাণী, স্বাধীনতাৰ বাণী আৰু সমসাময়িক ঘটনাৰ প্ৰবাহৰ প্ৰতিচ্ছবি আৰু তাৰ সমাধানৰ উপায় যিবোৰৰ মানদণ্ড পল ৰব্চন বা বব্ দিলনৰ দৰে পৃথিৱীৰ স্বনামধন্য সংগীতজ্ঞৰ গীততকৈ কোনোগুণে কম নহয়। উল্লেখনীয় যে সেই সময়ছোৱাত অসমৰ আৰু বহুতো গীতিকাৰ আৰু সুৰকাৰে অসমীয়া আধুনিক গীতলৈ অভাৱনীয় অৱদান আগবঢ়ালে যাৰবাবে অসমীয়া আধুনিক গীত এক সন্তোষজনক অৱস্থাত উপনীত হৈছে। কিন্তু পৰিতাপৰ কথা যে অৰ্থনৈতিক গোলকীকৰণৰ সমান্তৰালকৈ আগমন হোৱা গোলকীয় সংস্কৃতিৰ প্ৰভাৱত অসমীয়া আধুনিক গীতৰ পূৰ্বৰ মাদকতা আৰু মানদণ্ড যেন বহুখিনি হ্ৰাস পাইছে। গীতবোৰ দ্ৰব্যৰ দৰে বেচা-কিনা কৰা হৈছে। ফলস্বৰূপে গীতৰ কথা ভোগ-বিলাসতে সীমাবদ্ধ হৈছে আৰু সুৰবিন্যাস একঘেয়ামী হৈ পৰিছে। কিছুমান যুৱপ্ৰজন্মৰ প্ৰিয় শিল্পীয়ে অসমীয়া লোক গীতৰ সুৰ বিকৃত কৰি নিজৰ সস্তীয়া জনপ্ৰিয়তাৰ অৰ্জনত ব্ৰতী হৈ লোকগীতবোৰৰ ধ্বংসযজ্ঞ পতাত ব্যস্ত হৈ পৰিছে। এতিয়া আধুনিক গীত আৰু বিহুগীতৰ মাজত







অৰ্থনৈতিক গোলকীকৰণৰ সমান্তৰালকৈ আগমন হোৱা গোলকীয় সংস্কৃতিৰ প্ৰভাৱত অসমীয়া আধুনিক গীতৰ পূৰ্বৰ মাদকতা আৰু মানদণ্ড যেন বহুখিনি হ্ৰাস পাইছে। গীতবোৰ দ্ৰব্যৰ দৰে বেচা-কিনা কৰা হৈছে। ফলস্বৰূপে গীতৰ কথা ভোগ বিলাসতে সীমাবদ্ধ হৈছে আৰু সুৰবিন্যাস একঘয়ামী হৈ পৰিছে। কিছুমান যুৱপ্ৰজন্মৰ প্ৰিয় শিল্পীয়ে অসমীয়া লোক গীতৰ সুৰ বিকৃত কৰি নিজৰ সস্তীয়া জনপ্ৰিয়তাৰ অৰ্জনত ব্ৰতী হৈ লোকগীতবোৰৰ ধ্বংসযজ্ঞ পতাত ব্যস্ত হৈ পৰিছে। এতিয়া আধুনিক গীত আৰু বিহুগীতৰ মাজত পাৰ্থক্য নোহোৱা হৈ পৰিছে। ফলস্বৰূপে বিহুগীতে স্বকীয়তা হেৰুৱাৰ উপক্ৰম হৈছে...।

আমি গৌৰৱান্বিত যে গোলাঘাটৰ ঢেকীয়ালৰ প্ৰবীণ শিল্পী প্ৰয়াত ভোলা শইকীয়াদেৱেও ১৯৩৫ চনত কলিকতাৰ Senola Musical Products নামৰ কোম্পানীত দুটা গীত ৰেকৰ্ড কৰিছিল।তদুপৰি তেওঁ অসমৰ সেই সময়ৰ বহুতো যাত্ৰা পাৰ্টি আৰু ভ্ৰাম্যমান নাট্য গোষ্ঠীত সংগীত পৰিচালনা কৰিছিল। কিন্তু পৰিতাপৰ কথা যে এইজন শিল্পৰ অসমৰ কিমানজন মানুহে জানে বা গোলাঘাটৰ কিমান মানুহে তেওঁৰ নাম শুনিছে।







পাৰ্থক্য নোহোৱা হৈ পৰিছে। ফলস্বৰূপে বিহুগীতে স্বকীয়তা হেৰুৱাৰ উপক্ৰম হোৱাত বিহুগীতৰ কৰ্মশালাৰ আয়োজন অত্যাৱশ্যকীয় হৈ পৰিছে। ইয়াৰ বাবে কেৱল বৰ্তমানৰ গায়ক-শিল্পীসকলেই দায়ী নহয়। সমানে শ্ৰোতাসকলো দায়ী। বৰ্তমান গীতবোৰৰ সুৰ আৰু কথাৰ ভাৰসাম্য নোহোৱা হৈছে যাৰবাবে চমজদাৰ শ্ৰোতাই গীতবোৰ শুনিবৰৈ ভাল নাপায়। অৱশ্যে জঁপিয়াই জঁপিয়াই গীত শুনাবোৰে বেয়া নাপায়। কাৰণ গীতবোৰ তাণ্ডৱ নৃত্য দিহে পৰিৱেশন কৰে। অসমীয়া আধুনিক গীতৰ ধাৰাটো সমৃদ্ধ কৰাৰ শিল্পীসকলৰ চিৰসেউজ গীতবোৰৰ সুৰবোৰ বৰ্তমান পাবত গজা বজাৰমুখী শিল্পীসকলে ৰি-মিক্স কৰি গীতবোৰৰ মাদকতা বিনষ্ট কৰি পেলাইছে। লোকগীতবোৰ ৰিমিক্স কৰি ধ্বংসযজ্ঞ ইতিমধ্যে আৰম্ভ কৰিলে। আটাইতকৈ আচৰিত কথা যে এই পাবত গজাবোৰে মহাপুৰুষ শংকৰদেৱৰ বৰগীত আৰু কীৰ্তনতো হাত দিলেগৈ। বৰগীতৰ সুৰৰ ৰিমিক্স কৰিবলৈ অত্যুৎসাহ কৰিলে। পাৰে পৰি হৰি বৰগীতটিৰ ৰিমিক্স শুনি সত্ৰীয়া সমাজ, মহাপুৰুষীয়া সমাজ অথবা অসমীয়া জাতীয় জীৱনৰ ধনাত্মক চিন্তকসকলৰ কৰিবলগা বা ক'ব লগা একোৱেই নাই নেকি? এই শিল্পীসকলে এনে কৰিবলৈ ক'ত সাহস পালে। আমি জনাত অসমৰ বাহিৰে ভাৰতৰ আন ঠাইৰ সংগীত ক্ষেত্ৰখনৰ ইমান অধঃপতন হোৱা নাই। এই পাবত গজাসকলক প্ৰয়োজন হ'লে আইনৰ সহায় লৈ লেকাম লগাব লাগিব নহ'লে বিশ্ববাসীৰ আগত অসমীয়া সংগীতৰ প্ৰকৃত ধাৰাটো প্ৰয়োজনত দাঙি ধৰিবলৈ আমাৰ হাতত একোৱেই নাথাকিব।

অসমীয়া আধুনিক গীতৰ এনে নিম্নগামী গতিবিধিক লক্ষ্য কৰি ভূপেনদাই কৈছিল — সুৰ আৰু কথাৰ ভাৰসাম্য হেৰালে সেই গীত গীত নহয়। হয় কিম্ভুত কিমাকাৰ কিবা এটা। আজি অসমৰ আধুনিক গীতৰ জগত এপিনে যেনেকৈ সুস্থ, বলিষ্ঠ, সুন্দৰ পৰীক্ষা চলিছে, আনফালে তেনেকৈ প্ৰেমৰ নামত, দেশৰ নামত কিম্বা মাখিচাল পৰখা গীতৰ কাৰখানাত লাৰ্জ স্কেল প্ৰডাকচনো বহুতো হোৱা দেখা গৈছে। সক্ষম স্ৰষ্টাৰ গীত সৃষ্টিৰ কথা — সুৰৰ অক্ষম অনুকৰণৰ কৰাক সদায়েই সংগীত বুলিব নোৱাৰি। আধুনিক গীতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল শাস্ত্ৰীয় সংগীত আৰু লোক সংগীত আৰু আৰু সৃজনীমূলক সুৰক পৰিশোধিত আৰু পৰিমাৰ্জিত ৰূপ দি কাম্য সমযোজন ঘটাই এটা সংশ্লেষণ (Synthesis) সুৰ তৈয়াৰ কৰা। তাকে কৰিব নোৱাৰিলে আমি কেতিয়াও চিৰসেউজ গীতৰ আশা কৰিব নোৱাৰোঁ। ভূপেনদাৰ মতে তাৰ বাবে লাগিব শাস্ত্ৰীয় সংগীতৰ জ্ঞান, ভাৰসাম্যবোধ, মাৰ্জিত ৰুচি, উপযুক্ত সময়ত উপযুক্ত সুৰ ব্যৱহাৰৰ জ্ঞান, অতি অলংকাৰ ব্যৱহাৰৰ লোভ সম্বৰণ আৰু বুদ্ধি-বিবেকসম্পন্ন সৌন্দৰ্যবোধ।

আজিৰ যুৱ প্ৰজন্মৰ হাৰ্ট-থ্ৰ'বসকলে এই কথাবোৰ গমি-পিটি চাই অসমীয়া আধুনিক গীতৰ উত্তৰণৰ বাবে সঠিক দিশত আগবাঢ়ি যাব বুলি আশা কৰোঁ। আধুনিকতাৰ অন্ত নাই। কিন্তু আধুনিক হ'লেও সকলো সমানে গ্ৰহণযোগ্য নহয়। বৰঞ্চ এনে কিছুমান আধুনিকতাৰ নিদৰ্শন থাকিব পাৰে যিবিলাক একান্তভাৱেই বৰ্জনীয়। বোধহয় তাকেই আমি আধুনিকতা বুলি কওঁ যিবোৰ জীৱনবোধ, শিল্পৰুচিবোধ আৰু মূল্যবোধৰ সান্নিধ্যত পৰিশোধিত আৰু পৰিমাৰ্জিত হয়। প্ৰখ্যাত অৰ্থনীতিবিদ আলফ্ৰেড মাৰ্শ্বালে তেওঁৰ উপযোগিতা ধাৰণাটোত কৈছিল — মানুহে একেটা বস্তুকে একেৰাহে উপভোগ কৰি থাকিলে তাৰ উপযোগিতা কমি গৈ থাকে। সেয়ে আমাৰ যুৱ প্ৰজন্মৰ হাৰ্ট-থ্ৰ'বসকলে এই কথাটো হৃদয়ংগম কৰি সংগীত সৃষ্টি নকৰিলে নিজৰ সান্দহখোৱা বালি তল যাব।

# Civil Society

Biplob Gogoi
Assistant Professor, Dept. of Political Science

The idea of civil society has made an important mark in the realm of society and politics in the most diverse settings and there have been several meanings attached to Civil Society in the West. British theorist David Held offers a intriguing definition when he defines Civil society as something which retains a "distinctive character to the extent that it is made up of areas of social life, the domestic world, the economic sphere, cultural activities and political interaction which are organised by private or voluntary arrangements between individuals and groups outside the direct control of the state**."** Some add that to amount to civil society, such political interaction cannot be fragmented and excessively particularistic: it has to constitute what German Philosopher Jurgen Habermas called the "public sphere"**;** Secondly, there is a normative definition often overlapping this descriptive, sociological one: the idea that this public sphere should be strengthened at the expense of the state. This view can be expressed conservatively (the emphasis is on legality, private property, markets, and interest groups) or in more leftist way (the emphasis is on empowering the groups prevented by allegedly prejudiced or selfish elites from interacting on the basis of equality with their fellow citizens)

In the Hegelian concept of civil society which could be in the economic or the political domain, each individual is concerned with his selfish goal. But each individual knows that he cannot realise his goals without the help of others in society. Thus, it assumes the form of universality because of its relation to others goals in society. Therefore each end or goal is attained by an individual only along with the simultaneous welfare of others. In Tocqueville's sense of writing, we find civil society as voluntary, non-political, non-economic associations that strengthen democracy and prevent the tyranny of the majority in the polity. Tocqueville claims that individuals in society form associations that force them to consider the interests of others. Civil society engenders the social norms and trust necessary for the people to work together. Consequently civil society promotes democracy and checks the tyranny of the state .Most importantly; civil society can remain fairly independent of the state.

Subaltern theorist Sudipta Kaviraj, in his state of the art essay on civil society, identifies three contrasts which help to exemplify the meaning of civil society: It is defined through its opposition to natural society or state of nature in early modern contract theory; against the state in the entire liberal tradition; and contrasted to community (gemeinschaft) in a theoretical tradition of modern sociology. Along with Sudipta Kaviraj, Poltical Scientist Partha Chatterjee question as to how civil society exists as a narrow bourgeois enclave in India. Kaviraj argues that the autonomous individual or his choice is central to civil society but both are absent in present communities, which are the building blocks of our society. Hence, authoritarian communities bereft of individual rights can in no way act as a counter to the power of the state, the way a civil society does. In the absence of civil society in India, existing communities under the modern state act as a political and not as a civil society. Instead of a rights-bearing citizenry in civil society, most Indians are the object of government policies providing protection and welfare.

According to Foucault, they form a population that is looked after and controlled by government. Most of these population groups transgress the strict lines of legality in their struggle to survive. Their survival depends upon their ability to negotiate with the state upon the ground of democracy and electoral politics. With numbers on their side, political society is seen by elites with anxiety as a threat to the norms of civility and civil society. Partha Chaterjee explained the division between civil society and political society as the conflict between corporate and non-corporate capital under conditions of post-colonial primitive accumulation of capital. However, today, according to Chatterjee, the state has to simultaneously take measures to reverse the effects of primitive accumulation on the dispossessed, especially in a democracy. The government must provide for the "livelihood needs" of the people, which is "a culturally determined sense of what is minimally necessary for a decent life, one that is neither unacceptably impoverished nor excessive and luxurious"

Some of the definitions emerge out of the shortcomings of the state, which is seen as repressive, ineffectual, or unresponsive. The point of revival of civil society is to collectivize the forces in society to correct these shortcomings. If the state is overextended but ineffectual, civil society means a demand for the creation of other bodies in society which can provide essentials services instead of the faltering bureaucracies. If state is unresponsive and the democratic party system appears too disorderly, civil society calls for the regeneration of grassroots organizations of marginal and dispossessed groups who cannot usually make their aspiration break through the regular format of political parties.

Taking the above arguments, we understand that historically civil society comes from European enlightenment. Because of this European enlightenment thinking, there is a lot of debate about the concept of civil society being applicable in non-European society. However, civil society moorings, even in Europe, were so fragile against the omnipotent state (such as Bismarkian Germany) that civil society was practically on the verge of collapse towards the end of the nineteenth century, quite ironically, by the intervention of the United States of America; ironically, because monopolistic tendencies of the American Industrial capitalism, controlled centrally by multinational corporations and their impact in the form of cultural homogenization are quite incoherent

... The Hegelian concept of civil society which could be in the economic or the political domain, each individual is concerned with his selfish goal. But each individual knows that he cannot realise his goals without the help of others in society....

The need for change in political structure through democratic process guiding towards new era of development was experienced by many countries in Asia.

with the spirit of civil society.

When we look at civil society in Asia, it has not been similar to the European civil society; one reason is the domination of some form of colonial and authoritarian rule through much of Asian history. The cultural and social context makes the western concept of civil society in Asian society unfamiliar. This diversity in terms of functioning, composition and goals vary quite substantially. Their colonial past affected the makeup and spread of civil society which created its own adaptation along religious and ethnic lines. So in the Asian context, faith based organizations are seen as important players and such groups have led social reform process, philanthropic work in cases and countries like by Buddhist factions in Myanmar, Muslim groups in Indonesia and Malaysia and the Church in Philippines, Indonesia and Thailand.

The understanding on civil society in Asia is important as it underlines the history of its development and evolution under circumstances which were different to that of western context and it was in 1950s and 1960s that civil society in Asia organized itself in opposition to colonial and repressive regimes. The need for change in political structure through democratic process guiding towards new era of development was experienced by many countries in Asia. These principles and values of freedom and modernity also penetrated the structure of family, religion, cultural association, caste, class introducing a model based on rational will.

Over the last two decades, NGO s have come to be seen as universal forms of associational life, and concerns have been raised among scholars and activists about the dangers of NGOization of civil society. The global spread of NGOs has meant that their organizational forms, agendas, operational modes and even social composition are very similar in otherwise different countries.

So the question arises: what other actors should be included in the definition of civil society? For some, it refers to forms of associational life (charities, advocacy coalition, social movements, and so on). It is a problematic concept. Can political parties be considered a part of civil society? In current working trend, civil society is normally seen as separate from political society; in other words, the former does not include groups that explicitly seek to gain political control of the state. In western context the civil society gained strength during 1990 s precisely in opposition to party politics and partly due to a growing disaffection of citizens towards traditional political processes. However many authors have called for the inclusion of political parties in non-western context. Though it is still debatable. Media is seen as part of the civil society in much international discourse. But the professional structure of media organization is not voluntary. Their major role is to report comprehensively and impartially without pursuing any private interest. As far as peace building is concerned, it is something that is brought from outside and one which supports local people to do something with it. But there has been a shift from this position since early nineties ascertaining that peace has to come from within: so there has to be support for local actors as they are the one to build their own peace. Civil society support has been massive since last twenty years and there has really been a rise in support of civil society initiatives all over the world.

# পাকিস্তান সীমান্তৰ উজাগৰী নিশাটো

**দেৱজিৎ ফুকন**
অৰ্থনীতি বিভাগ

তিনিমান বজাত আকৌ শুনিলোঁ কাৰোবাৰ ভৰিৰ খোজ। এইবাৰ বহুকেইজন লোক অহাৰ নিচিনা লাগিল। ভৰিৰ শব্দত অনুমান কৰিলোঁ আৰক্ষী নাইবা সেনাবাহিনীৰ লোকেই হ'ব কিজানি। মনটো অলপ ভাল লাগিল। ৰুমৰ দৰজাখন খুলি ওলাই যাবলৈ লওঁতেই আকৌ দিনত কমল সিঙে কোৱা কথা এটা মনলৈ আহিল। জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীসকলেও সেনাৰ পোচাক পিন্ধি থাকে আৰু একেধৰণৰ অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই ফুৰে। তৎক্ষণাত দৰ্‌জা খোলাৰ সিদ্ধান্ত পৰিহাৰ কৰিলোঁ। আকৌ আহি চকীখনত বহি পৰিলোঁ।



ধাম্ ধাম্ ধাম্..

মাজনিশা দৰজাত কোনোবাই গুৰিয়াই থকাত জাঁপ মাৰি বিছনাৰ পৰা উঠি দৌৰি গৈছিলোঁ দৰজাখনৰ ওচৰলৈ। গধুলি শোওঁতে আটাইকেইটা হুক লগাই লোৱা নাছিলোঁ আৰু ভিতৰৰ পৰা লকটোও লগোৱা নাছিলোঁ। তৎক্ষণাত মই আটাইকেইটা লক লগোৱাৰ লগতে ভিতৰৰ পৰা লকটোও বন্ধ কৰি দিলোঁ। বুকুখন ধান বনাদি বানিবলৈ ধৰিলে। ইতিমধ্যে মাধুৰ্য উঠি বিছনাত বহি কঁপিবলৈ আৰম্ভ কৰিছে। আমি কি হ'ল একো ধৰিবই পৰা নাই। অলপ পাছত হোটেলৰ কৰিডৰেদি কোনোবা দৌৰি ইফালে সিফালে যোৱা গম পালোঁ। মোবাইলটো চাই দেখিলোঁ নিশা ১-৩৫ হৈছে। অচিন ঠাই, তাতে অনবৰতে সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ভয়, তাৰ মাজত দিনটো ঘূৰি ঘূৰি আহি হোটেলত আশ্ৰয় লৈছিলোঁহি। কোনোবাই বহুত জোৰেৰে দৰজাত গুৰিওৱাৰ ফলত আমি দয়োটা সাৰ পাই যোৱাই নহয় ভয়ত কঁপিবলৈ ধৰিলোঁ। ৰুমৰ বেলকনিলৈ ওলাই আহি বাহিৰলৈ চালোঁ। মাটিৰ পৰা প্ৰায় ২৫/৩০ ফুট ওপৰত আছোঁ। জাঁপ মাৰি দিলে বাছি থকাৰ কোনো আশা নাই। হোটেলৰ তৃতীয় মহলা। লগে লগে মই হোটেলৰ ৰিচিপ্চনলৈ ফোন কৰিলোঁ যদিও কোনেও ফোনটো নুঠালে। কি হ'ব পাৰে? মাধুৰ্যই ক'লে মুম্বাই তাজ হোটেলৰ দৰেই হয়তো উগ্ৰপন্থীয়ে হোটেল দখল কৰি ল'লে। ময়ো বেলেগকৈ ভাবিবলৈ একো নাপালোঁ। কাৰণ অসমত বা ভাৰতৰ অন্যান্য ঠাইত হোৱা হ'লে তৎক্ষণাত বাহিৰলৈ ওলাই গৈ চালোঁহেঁতেন কি হৈছে। কিন্তু ঘটনাটো ঘটিছিল সুদূৰ জম্মুত আৰু বেলেগ কিবা ভালকৈ ভবাৰ অবকাশো নাছিল। ইতিমধ্যে কোনোবা এজনে অতি কৰ্কশ মাতেৰে আমাৰ সন্মুখৰ ৰুমটোৰ দৰৰ্জাত ঢকিয়াই ঢকিয়াই কিবা নিৰ্দেশ দিছে। কিন্তু আমি যিমানদূৰ

অনুমান কৰিলোঁ সেই ৰুমটোৰ পৰা কোনো ওলাই নাহিল।

কৰিডৰেদি মাজে মাজে গধুৰ গধুৰ খোজেৰে কোনোৱা আহ-যাহ কৰি আছে আৰু আমি এক নিশ্চিত বিপদৰ আশংকাত ৰুমৰ ভিতৰত। যেন বিপদ অহালৈ আগ্ৰহেৰে বাট চাই আছোঁ। দিনটো আমাৰ লগত গাইড হিচাপে থকা টেক্সি চালক কমল সিং নামৰ লোকজনে কৈছিল যে কিছুদিনৰ পূৰ্বে জম্মুৰ হোটেলৰ পৰা তিনিজন লোকক উগ্ৰপন্থীয়ে অপহৰণ কৰি নিছিল আৰু পৰৱৰ্তী সময়ত পাকিস্তান সীমান্তত তেওঁলোকৰ এজনৰ মৃতদেহ উদ্ধাৰ হয় যদিও বাকী দুজনৰ সম্ভেদ আজিও নাই। আমাকো অপহৰণ কৰিব নেকি? জীৱনত হয়তো প্ৰথমবাৰৰ কাৰণে এনেদৰে ভয় খাইছিলোঁ। শ্ৰীমতী, ছোৱালী দুজনী, মা দেউতা, গোলাঘাটৰ মানুহবোৰ সকলোৰে ছবিবোৰ মনলৈ আহিল। ইতিমধ্যে মাধুৰ্যই সৰু সৰুকৈ জয় মাতাজী, জয় মাতাজী, উচ্চাৰণ কৰিবলৈ ল'লেই। প্ৰায় আধাঘণ্টা ... তাৰ পাছত যেন সকলো নিজান। কাঁহ পৰি জীণ যোৱা অৱস্থাত এটা এটা মুহূৰ্ত আমাৰ কাৰণে যেন নাযায় নুপুৱায়। পোহৰ হ'লেই যেন আমি বাচি যাম তেনে এক আশা। মাজে মাজে বেলকনিলৈ গৈ ইফালে সিফালে চাইছিলোঁ। কাষেৰে পাৰ হৈ যোৱা ৰাস্তাৰ মাজে মাজে এখন দুখন গাড়ী পাৰ হৈ গৈছে। মাধুৰ্য এবাৰ বিছনাত বহে এবাৰ বিছনাৰ পৰা উঠি ৰুমটোতে অহা-যোৱা কৰে। ৱাল ক্লকৰ টিক্ টিক্ শব্দও যেন ভয়ৰ কাৰণ হৈ পৰিছিল আমাৰ কাৰণে।

তিনিমান বজাত আকৌ শুনিলোঁ কাৰোবাৰ ভৰিৰ খোজ। এইবাৰ বহুকেইজন লোক অহাৰ নিচিনা লাগিল। ভৰিৰ শব্দত অনুমান কৰিলোঁ আৰক্ষী নাইবা সেনাবাহিনীৰ লোকেই হ'ব কিজানি। মনটো অলপ ভাল লাগিল। ৰুমৰ দৰজাখন খুলি ওলাই যাবলৈ লওঁতেই আকৌ দিনত কমল সিঙে কোৱা কথা এটা মনলৈ আহিল। জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীসকলেও সেনাৰ পোচাক পিন্ধি থাকে আৰু একেধৰণৰ অস্ত্ৰ-শস্ত্ৰ কঢ়িয়াই ফুৰে। তৎক্ষণাত দৰ্জা খোলাৰ সিদ্ধান্ত পৰিহাৰ কৰিলোঁ। আকৌ আহি চকীখনত বহি পৰিলোঁ। এইবাৰো প্ৰায় দহ মিনিটমানৰ পাছত গধুৰ গধুৰ খোজবোৰ নাইকিয়া হ'ল। অলপ পাছত হোটেলৰ সন্মুখৰ পৰা দুখনমান গাড়ী আঁতৰি যোৱা গম পালোঁ। নিজকে কিবা এক থ্ৰিলাৰ চিনেমাৰ মাজত সোমাই পৰা নিচিনা লাগিল।

দিনটো আজিও মনত আছে। ২০১৮ চনৰ ১১ এপ্ৰিলৰ নিশা। বহাগ বিহুলৈ মাজত মাথোঁ দুটা দিন। দিনৰ দিনটো ভাৰত-পাকিস্তান সীমান্ত ঘূৰি ফুৰিছিলোঁ আৰু ৰাতি আহি এয়া যমৰ দুৱাৰ দলিত। প্ৰতিটো ছেকেণ্ড, প্ৰতিটো মুহূৰ্ত যে ইমান দীঘলীয়া হ'ব পাৰে জীৱনত প্ৰথমবাৰৰ কাৰণে অনুভৱ কৰিলো। ৰাতিপুৱা কাটাৰৰ পৰা আহি বাহিৰে বাহিৰে আমি ভাৰত পাকিস্তান সীমান্তৰ সুচিতগড় নামৰ সীমান্ত চকীলৈ গৈছিলোঁ। মাত্ৰ দুটা বছৰৰ পূৰ্বে পাকিস্তানী সেনাৰ ধাৰাবাহিক আক্ৰমণত সুচিতগড়ৰ ১৩ গৰাকী খেতিয়কৰ মৃত্যু হৈছিল। আনহাতে সপ্তাহ মাহেকে দুয়োপক্ষৰে মাজত গুলিয়াগুলী হৈয়ে থাকে। আমি সেনা ছাউনিৰ অলপ আঁতৰত গাড়ী ৰখোৱা ঠাইত থকা সৰু দোকানখনৰ পকী বেৰৰ বিভিন্ন স্থানত গুলি আৰু মৰ্টাৰৰ দাগ। দোকানীগৰাকীয়ে কেছৰ পৰা এটা মৰ্টাৰৰ চেল উলিয়াই মোৰ হাতত দিছিল। কিছুদিনৰ পূৰ্বে পাকিস্তানী সেনাই তেওঁৰ দোকানত মৰ্টাৰেৰে আক্ৰমণ কৰিছিল। আমাক তেওঁ যিকোনো মুহূৰ্তত গুলিয়াগুলী হ'ব বুলি কোৱাৰ সময়তো সিমান ভয় লগা নাছিল যিমান ভয় আৰু উৎকণ্ঠাৰে আমি নিশাটো হোটেলত পাৰ কৰিছিলোঁ। পুৱা ৯ বজাত আমাৰ জম্মুৰ পৰা নতুন দিল্লীলৈ বিমান আছিল আৰু আমি পোহৰ হোৱাৰ পাছতেই প্ৰায় ৬-৩০ মান বজাত হোটেলৰ পৰা বিমান বন্দৰলৈ যাত্ৰা কৰিছিলোঁ। ওলাই আহোঁতে দুজন হোটেল কৰ্মচাৰী লগ পালোঁ যদিও কোনো এজনেই আমাক নিশা কি ঘটিছিল একো তথ্যই সদৰী নকৰিলে। দুয়োজন কৰ্মচাৰীৰে মুখদুখন শেঁতাপৰি আছিল আৰু নিশা যে কিবা এটা ঘটিছিল সেইটো তেওঁলোকৰ চেহেৰাতে প্ৰকাশ পাইছিল। অৱশেষত টেক্সিত উঠিবৰ সময়ত মাথোঁ কৰ্মচাৰী এজনে কৈছিল, 'চাহাব আপলোক বহুত নচিবৱালা হে' — কিন্তু তথাপি নিশাৰ ঘটনা সম্পৰ্কত তেওঁ একো প্ৰকাশ নকৰিলে। আমিও যেন টেক্সিত উঠাৰ পাছতহে এক নতুন জীৱন লাভ কৰিলোঁ। জীৱনত বহু ঠাই ভ্ৰমণ কৰিছোঁ, কিন্তু এনেকুৱা এক জটিল পৰিৱেশৰ কোনোদিনেই সন্মুখীন হোৱা নাছিলোঁ। ভাবিলোঁ হয়তো মাতা বিষ্ণুদেৱীৰ আশীৰ্বাদ থকাৰ কাৰণেই আমাৰ জীৱন ৰক্ষা পৰিল।

জম্মু মূল কাশ্মীৰৰ দৰে সন্ত্ৰাস জৰ্জৰিত নহয় যদিও কেতিয়া কি গণ্ডগোল হয় তাক একো ধৰিবই নোৱাৰি। এটা দিনৰ পূৰ্বে অজ্ঞাত সংগঠনে দিয়া জম্মু বন্ধত সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰা জম্মু পৰৱৰ্তী দিনাই প্ৰাণ পাই উঠিল। পুৱাৰ পৰাই গাড়ী, মটৰ চাইকেলৰ আহ-যাহ। এক স্বাভাৱিক জীৱন যাত্ৰাৰ প্ৰণালী। অথচ আগদিনা 'সুচিত গড়' সীমান্ত সুৰক্ষা বাহিনীৰ সীমান্ত চকীলৈ যোৱাৰ সময়ত বাট পথ আছিল সম্পূৰ্ণ নিস্তব্ধ। দোকান-পোহাৰ সম্পূৰ্ণ বন্ধ। অৱশ্যে 'সুচিত গড়' কেম্পৰ কাষত এখন দোকান খোলা আছিল। ভাৰত পাকিস্তান সীমান্তৰ যিকেইটা সবাতোকৈ স্পৰ্শকাতৰ সীমান্ত চকী তাৰ ভিতৰত 'সুচিত গড়' অন্যতম। জীৱনত প্ৰথমবাৰৰ কাৰণে দেখিছিলোঁ দুটা শত্ৰুপক্ষ ইমান ওচৰা ওচৰিকৈ যুযুধান ৰূপত থকা। যিকোনো মুহূৰ্তত প্ৰতিপক্ষৰ গুলি মৰ্টাৰ আহি পৰিব পাৰে ভাৰতীয় সেনাৰ শিবিৰত। অন্যহাতে ভাৰতীয় সেনাবাহিনীও সদা প্ৰস্তুত যিকোনো ধৰণৰ প্ৰত্যাক্ৰমণৰ কাৰণে। সাজু হৈ আছিল ডাঙৰ ডাঙৰ বাংকাৰত সোমাই পাকিস্তানৰ ফালে উদ্যত বন্দুক মেচিনগান টোঁৱাই সদাসতৰ্ক ভাৰতীয় সেনাৰ জোৱান। ভাৰতবৰ্ষৰ গে'ট আৰু পাকিস্তানৰ গে'টৰ মাজৰ দূৰত্ব প্ৰায় ২০০ মিটাৰ। মাজৰ ঠাইখিনিক 'ন মেনছ্ লেণ্ড' হিচাপে জনা যায়। ডাঙৰ গে'টখনৰ মাজত থকা সৰু গে'ট এখন খুলি দি আমাক সেনাৰ জোৱান এজনে গে'টৰ ভিতৰফালে পাকিস্তানৰ গে'টৰ ফালে প্ৰায় ৫০ মিটাৰমান লৈ গৈছিল। ন' মেনছ্ লেণ্ডৰ মাজতো এখন ফেন্সিং আছে। কিবা তথ্যৰ আদান প্ৰদান কৰিবলৈ হ'লে দুয়োপক্ষৰ সেনা জোৱান সেইখিনিলৈকে আগবাঢ়ি আহিব পাৰে।

মই সেনাবাহিনীৰ জোৱানজনক সুধিছিলোঁ, সাধাৰণতে

কেতিয়া দুয়োপক্ষৰ মাজত গুলিয়াগুলি লাগে? তেওঁ হাঁহি উত্তৰ দিছিল যে যিকোনো মুহূৰ্তত ইয়াত গুলিয়াগুলি হৈ থাকে। আনকি আমি তাত উপস্থিত থকাৰ সময়তো এনে আক্ৰমণ সম্ভৱ হ'ব পাৰে। বিশেষকৈ কাশ্মীৰৰ অন্যান্য ছেক্টৰবোৰত যেতিয়া গুলিয়াগুলি আৰম্ভ হয় ঠিক সেই সময়তে যিকোনো ঠাইত পাকিস্তানী সেনাই গুলিয়াবলৈ আৰম্ভ কৰে। মন কৰিবলগীয়া যে সুচিতগড় সেনা কেম্পৰ পৰা পাকিস্তানৰ শিয়ালকোটলৈ মাত্ৰ এঘাৰ কিলোমিটাৰ আৰু লাহোৰলৈ এই পথেৰে ১৩৮ কিলোমিটাৰ। পৰাধীন ভাৰতত জম্মুৰ পৰা শিয়ালকোট আৰু লাহোৰলৈ দৈনিক মানুহৰ আহ-যাহ আছিল। লাইন বাছ পৰ্যন্ত চলিছিল। শিয়ালকোট এখন ঔদ্যোগিক চহৰ। মহাভাৰতৰ বীৰ শৈল্য ৰজাৰ ৰাজ্যৰ ৰাজধানী এই শিয়ালকোট চহৰেই আছিল বুলি প্ৰবাদ আছে। এসময়ৰ শিখসকলৰ অধীনত থকা শিয়ালকোট ব্ৰিটিছ শাসনত ব্ৰিটিছৰ অধীনলৈ যায় আৰু ভাৰত স্বাধীন হোৱাৰ সময়ত দেশ বিভাজনে এই ঠাই পাকিস্তানৰ অন্তৰ্ভুক্ত কৰে। ১৯৬৫ চনৰ ভাৰত পাকিস্তান যুদ্ধৰ সময়ত এই ঠাইতেই দুয়োপক্ষৰ মাজত এখন সৰ্ববৃহৎ স্থলযুদ্ধ হৈছিল যত ভাৰতবৰ্ষৰ প্ৰায় ৮০,০০০ আৰু পাকিস্তানৰ ৫০,০০০ হেজাৰ সেনাই অংশ লৈছিল। এই যুদ্ধখন ইমানেই ভয়াবহ আৰু বৃহৎ স্থলযুদ্ধ আছিল যে দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আজিলৈকে হোৱা যিকোনো স্থলযুদ্ধৰ ভিতৰত এইখন সৰ্ববৃহৎ বুলি গণ্য কৰা হয়। সেনা জোৱানগৰাকীয়ে দিয়া এই তথ্য লেফটেনেণ্ট কৰ্নেল - Ardeshir Tarapore এ. Battle of Chawinda-Indo Pak Was 1965 নামৰ টেলিভিচন ডকুমেণ্টৰী এখনত এই সম্পৰ্কে বহল ব্যাখ্যা আগবঢ়াইছে। সেই যুদ্ধস্থলীলৈ সুচিতগড় কেম্পৰ অবদান আছিল অভাৱনীয়। ভাৰতীয় সেনাই ৫০০ বৰ্গ কিলোমিটাৰৰো অধিক পাকিস্তানী ভূমি অধিকাৰ কৰিছিল। লাহোৰৰ পৰা মাত্ৰ ১৪১ কিলোমিটাৰ নিলগৰ সুচিতগড় সেনা কেম্প ভাৰতীয় নিৰাপত্তাৰ দিশৰ পৰাও অতি গুৰুত্বপূৰ্ণ। সেনা শিবিৰত থকা যাদুঘৰত ভাৰত পাক যুদ্ধৰ বিভিন্ন তথ্য সন্নিৱিষ্ট হৈ থকাৰ লগতে যুদ্ধৰ বিভিন্ন আহিলাও সজাই থোৱা আছে। ভূটান অথবা নেপাল সীমান্তৰ অধিকাংশ অঞ্চল উন্মুক্ত যদিও ভাৰত পাকিস্তান সীমান্তৰ প্ৰতিডোখৰ ঠাই কাঁটাতাঁৰৰ বহুখলপীয়া বেৰা থকাৰ লগতে সেনাৰ ২৪ ঘণ্টাই তীক্ষ্ণ দৃষ্টি থাকে। নিজৰ জীৱনকো তুচ্ছ কৰি সদায় দেশবাসীৰ সুৰক্ষাৰ কাৰণে সুচিতগড়ত থকা সদাজাগ্ৰত অতন্দ্ৰ প্ৰহৰীসকলৰ প্ৰতি আমাৰ শ্ৰদ্ধাত মূৰ দোঁ খাই গৈছিল। যিকি নহওক, সকলো অভিজ্ঞতা সামৰি আমি আহি যেতিয়া জম্মু বিমানবন্দৰ পাইছিলোঁহি, তেতিয়া প্ৰায় ৭ বাজি ৩০ মিনিট গৈছিল। আমি বিমানবন্দৰ পোৱাৰ সময়ত দেখিছিলোঁ ভাৰতবৰ্ষৰ কোনো বিমান বন্দৰত নথকা এক কট্‌কটীয়া আৰু বহু তৰপীয়া নিৰাপত্তা ব্যৱস্থা। আনকি বিমান যাত্ৰাৰ সময়ত কোনো যাত্ৰীক হেণ্ডবেগ পৰ্যন্ত নিবলৈ অনুমতি প্ৰদান কৰা নহয়।

কাশ্মীৰক ভূ-স্বৰ্গ অভিহিত কৰা হয় যদিও কিন্তু জম্মুৰ সৌন্দৰ্যও উলাই কৰিব পৰা বিধৰ নহয়। বিমান বন্দৰত বিমানলৈ অপেক্ষা কৰি থাকোঁতে বহু কথাই মনৰ মাজেৰে পাৰ হৈ গ'ল। ধৰ্মৰ নামত যদি ভাৰতবৰ্ষ বিভাজিত নহ'লহেঁতেন আৰু কেৱল ৰাজনৈতিক লাভালাভৰ কাৰণে যদি জম্মু-কাশ্মীৰক আজিৰ এই সন্ত্ৰাস জৰ্জৰিত অৱস্থালৈ লৈ নগ'লহেঁতেন আজি হয়তো বিশ্ব পৰ্যটনৰ অন্যতম কেন্দ্ৰস্থান হ'লহেঁতেন জম্মু-কাশ্মীৰ।

নিৰ্দিষ্ট সময়ত আমাৰ বিমান উৰা মাৰিছিল নতুন দিল্লী অভিমুখে। কিন্তু মনৰ মাজত থকা বহু প্ৰশ্নৰে কোনো উত্তৰ নোপোৱাকৈ আমাৰ ওভতনি যাত্ৰা আৰম্ভ হৈছিল। কি হৈছিল যোৱা নিশা, সেয়া কোন আছিল আগন্তুক। আমাৰ হোটেলৰ ৰুমৰ দৰজাত নিশা ১-৩০ বজাত ইমান জোৰকৈ গোৰ মৰাৰ উদ্দেশ্যই বা কি আছিল? মাধুৰ্যই এতিয়াও বিশ্বাস কৰে যে আমি যদি দৰ্জা খুলি দিলোঁহেঁতেন আমাক অপহৰণ কৰি লৈ গ'লহেঁতেন। মই অৱশ্যে অপহৃত হ'লোঁহেঁতেন নে নাই সেইটো নাজানো কিন্তু কিবা এটা নিশ্চিত বিপদৰ পৰা যে উভতি আহিলোঁ সেইটো নিশ্চিত। সেইবাবেই জম্মুৰ সেই নিশাটোৰ অভিজ্ঞতা হয়তো পাহৰিব পৰা নাযাব। অৱশ্যে হোটেলৰ সেই নিশাৰ কাহিনী ৰাজহুৱা নোহোৱাকৈ থাকি গ'লহেঁতেন যদি ইয়াত উল্লেখ নকৰিলোঁহেঁতেন। ❖

প্র|ব|ন্ধ

# অসমৰ ক্রমবর্দ্ধমান সামাজিক অস্থিৰতা আৰু বৈদ্যুতিন মাধ্যম


চাইদ নেকিব

ষষ্ঠ ষাণ্মাসিক, প্রাণীবিজ্ঞান বিভাগ





আমি এনেকুৱা এখন সমাজত বাস কৰোঁ, য'ত আমি বোকাৰ মাজত থাকিও দেখুৱাব খোজোঁ যে আমাৰ গাত বোকা লগা নাই। মুখা পিন্ধা ভদ্রসমাজখনে সমাজৰ মূল সুঁতিটোকে সলনি কৰি দিলে। সকলো দেখিও নেদেখাৰ ভাও জুৰি থকা আমি নিজৰ অস্তিত্বকে হেৰুৱাই পেলাইছোঁ, যাৰ ফলশ্রুতিত সৃষ্টি হৈছে অসমৰ সামাজিক অস্থিৰতা, সামাজিক অস্থিৰতাক যদি আমি বিভিন্ন দৃষ্টিৰে ফঁহিয়াই চাওঁ দেখিম ৰাজনৈতিক, অর্থনৈতিক, সাংস্কৃতিক, সাম্প্রদায়িক, ভাষিক আদি প্রতিটো দিশত সৃষ্টি হোৱা উশৃংখলতাই অসমত সামাজিক অস্থিৰতাৰ সৃষ্টি কৰিছে।

সভ্যতাৰ আলোকেৰে উদ্ভাসিত হোৱাৰ আগৰে পৰা আজিলৈকে মানৰ সমাজত ভাৱৰ আদান প্রদানৰ প্রয়োজন হৈ আহিছে। ইয়াৰ বাবে বিভিন্ন মাধ্যম মানৰ সমাজে সভ্যতাৰ বিভিন্ন স্তৰত ব্যৱহাৰ কৰি আহিছে। সেইবোৰৰ ভিতৰত আকাৰ ইংগিত, নাচ-গান, ঊষাৰ কল্পনাশীল ব্যৱহাৰৰ চানেকী, সাধু কথা, বিভিন্ন পুথি, বাতৰি কাকত, অনাতাঁৰ, টেলিভিছন আদি অন্যতম। বৃহত্তৰ সমাজত যোগাযোগ আৰু প্রচাৰৰ বাবে ব্যৱহৃত মাধ্যমসমূহৰ অন্যতম আৰু জনপ্রিয় মাধ্যম হ'ল টেলিভিছন, অনাতাঁৰৰ দৰে বৈদ্যুতিন মাধ্যমসমূহ।

একবিংশ শতিকাৰ বিজ্ঞান প্রযুক্তিৰ যুগত ৰাষ্ট্রৰ উন্নয়নৰ লগে লগে, ৰাষ্ট্রৰ ক্ষুদ্রতম অংগ অসমতো আৰম্ভ হৈছে এই উন্নয়ন ফলশ্রুতিত অসমৰ প্রেক্ষাপটত বৈদ্যুতিন মাধ্যমত প্রকাশৰ উদ্দেশ্যৰে সৃষ্টি হোৱা বিভিন্ন অনুষ্ঠান বিশেষকৈ নিউজ আৰু বিনোদনধর্মী চেনেলসমূহ দ্রুতহাৰত গা কৰি উঠিছে। ইয়াৰ ফলত এই চেনেল তথা সংবাদ মাধ্যমবোৰৰ মাজত দেখা দিছে এক অঘোষিত প্রতিযোগিতা। এহাতে এই বৈদ্যুতিন মাধ্যমৰ অবাধ ব্যৱহাৰে পাকঘৰৰ পৰা ৰজাঘৰলৈ সকলো সংবাদ কঢ়িয়াই আনিছে।

বর্তমান সময়ৰ সামাজিক অস্থিৰতাৰ দিশটোক যদি আমি বিশ্লেষণ কৰোঁ, পোনপ্রথমেই আমি ক'ব লাগিব সততে দেখা পোৱা ৰাজনৈতিক অস্থিৰতাৰ দিশটোলৈ। বিশেষকৈ নিউজ চেনেলসমূহৰ নিৰপেক্ষতা অতি প্রয়োজনীয় বিষয়। কাৰো পক্ষত নাথাকি ৰাইজৰ পক্ষত থকাই হৈছে সংবাদ সেৱাৰ মূল লক্ষ্য। ৰাইজৰ বিভিন্ন সমস্যাৰ লগতে সমাজৰ বিভিন্ন চুকে-কোণে হোৱা ঘটনাসমূহক লোক চক্ষুৰ আওতালৈ আনি চৰকাৰৰ সজাগ কৰি তোলাই প্রধান ধর্ম হোৱা উচিত। কিন্তু সম্প্রতি অসমৰ সংবাদ-পত্র আৰু নিউজ চেনেলসমূহে বহু ক্ষেত্রত নিজৰ নীতি আদর্শ বিসর্জন দি ৰাজনৈতিক নেতাৰ বহতীয়া

নিউজ চেনেলসমূহৰ নিৰপেক্ষতা অতি প্ৰয়োজনীয় বিষয়। কাৰোপক্ষত নাথাকি ৰাইজৰ পক্ষত থকাই হৈছে সংবাদ সেৱাৰ মূল লক্ষ্য। ৰাইজৰ বিভিন্ন সমস্যাৰ লগতে সমাজৰ বিভিন্ন চুকে-কোণে হোৱা ঘটনাসমূহক লোক চক্ষুৰ আওতালৈ আনি চৰকাৰৰ সজাগ কৰি তোলাই প্ৰধান ধৰ্ম হোৱা উচিত। কিন্তু সম্প্ৰতি অসমৰ সংবাদ-পত্ৰ আৰু নিউজ চেনেলসমূহে বহু ক্ষেত্ৰত নিজৰ নীতি-আদৰ্শ বিসৰ্জন দি ৰাজনৈতিক নেতাৰ বহতীয়া হৈ পৰিছে।



হৈ পৰিছে। সংবাদ মাধ্যমসমূহৰ মালিক পক্ষও কোনো একোটা নিৰ্দিষ্ট ৰাজনৈতিক দলৰ পৃষ্ঠপোষক হোৱাৰ বাবেই এই মাধ্যমৰ বিশ্বাসযোগ্যতা বহু ক্ষেত্ৰত ভঙ্গ হৈছে। কোনো একোটা চেনেলত যদি ৰাজনৈতিক নেতাই কৰা দুৰ্নীতিৰ তথ্য উদঙাই দেখুৱাইছে আন এটাত হয়তো সেইজন নেতাৰ একপক্ষীয় ভাষ্যকে বৰ বৰ আখৰেৰে প্ৰকাশ কৰিছে। মূল দুৰ্নীতিৰ ছবিখনৰ বিষয়ে কোনো অনুসন্ধান নকৰাকৈ টি-আৰ-পিৰ স্বাৰ্থত অনৰ্থক হৈ চৈ। তিলটোকে তালটো কৰি ২৪ ঘণ্টাই একেটা বাতৰিকেই চলাই থাকিব পাৰিলে যেন নিজৰ দায়িত্ব শেষ।

অসম আৰু অসমীয়া জাতিটোৰ এপদ এপদকৈ সকলো হেৰাই যাব ধৰিছে। ইতিমধ্যেই সেই কথা সৰ্বজনবিদিত, আনকি এতিয়া যেন স্বাধীনতাকো। আছেগৈ মাথো আমাৰ অধীনত স্বকীয় বৈশিষ্ট্যসমূহ  যাক আমি নিজৰ ইচ্ছা অনুযায়ী ব্যৱহাৰ কৰিব পাৰো সময় মতে। কিন্তু এতিয়া দেখিছোঁ ইও বিজতৰীয়া হ'ব ধৰিছে বৈদ্যুতিন মাধ্যমৰ কৃপাত। পূজা সংস্কৃতি এনেকৈ ব্যাপক হাৰত হৈ পৰিছে যে আজিকালি আমি ক'ত আছোঁ নিজকে চিকুট মাৰি সম্বিত ঘূৰাই আনিবলগীয়া এক অৱস্থা। বাপতিসাহোন আমাৰ বিহুকেইটি কোন মাহত পালন কৰা হয় তাক লৈ এক দোমোজা লগা অৱস্থা। পশ্চিমীয়া সংস্কৃতিৰ বতাহত উটি ভাহি যোৱা বৰ্তমানৰ সংবাদ মাধ্যমসমূহে যে অসমীয়া সংস্কৃতিৰ মান-মৰ্যাদা লাঘৱ কৰি নৱপ্ৰজন্মক বিপথে পৰিচালিত কৰিছে। বৈদ্যুতিন মাধ্যমৰ দ্বাৰা পৰিৱেশন কৰা এক কৃত্ৰিম উৎসৱসমূহ কাৰ বাবে। বিদেশৰ দৃষ্টিত আমাৰ উৎসৱৰ সঠিক তাৰিখটো বাৰু এতিয়া কোনে শুধৰাই দিব?

অসম এখন বাৰেৰহনীয়া বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্মীয় মানুহৰ মিলনভূমি। এই অসমত বিগত ভাষা আন্দোলন, অসম আন্দোলন আদিৰ সময়ৰ পৰাই সাম্প্ৰদায়িক সম্প্ৰীতিত ঘূণে ধৰিছে। এই সম্প্ৰীতি বিনষ্ট কৰাত ভালেখিনি অৰিহণা আগবঢ়াইছে সহজতে জাতি ধৰ্ম ভাগ ভাগ কৰি মুনাফা অৰ্জন কৰা তথা কথিত অসমৰ একাংশ বৈদ্যুতিন মাধ্যম (সংবাদ মাধ্যম)ৰ লগতে আন বহু কাৰকে। সদ্যহতে এইক্ষেত্ৰত আগৰণুৱা ভূমিকা পালন কৰিছে অসমৰ সাম্প্ৰদায়িক ভাবাপন্ন একাংশ সংবাদ মাধ্যম আৰু একাংশ সাংবাদিকে। একাংশ সংবাদ মাধ্যম আৰু একাংশ মুখাফুটা হালধীয়া সাংবাদিকৰ দপ্দপনিয়ে সাম্প্ৰদায়িক বিভেদৰ বীজ সিঁচিবৰ হকে-বিহকে ধৰ্মীয় সংখ্যালঘু, গৰাখহনীয়াগ্ৰস্ত, অশিক্ষিত, দীন দৰিদ্ৰ, কৃষিজীৱী মানুহখিনিক কোনো অনুসন্ধান নকৰাকৈ অবৈধ বা সন্দেহযুক্ত বিদেশী বুলি অভিহিত কৰি অসমীয়া সমাজ জীৱনক কলুষিত কৰাৰ লগতে সৃষ্টি কৰিছে সাম্প্ৰদায়িক বিভেদৰ। এনেধৰণৰ কু-পন্থা অৱলম্বন কৰাৰ অধিকাৰৰ প্ৰাসংগিকতা কিমান? নে ধৰ্মৰ নামত আবেগিক অসমীয়া সমাজক ভাগ ভাগ কৰি টি আৰ পি বঢ়োৱাৰ এক নিকৃষ্ট পন্থা।

এনেবোৰ কাৰ্যৰ জৰিয়তে তথাকথিত এনেবোৰ বৈদ্যুতিন মাধ্যমে তেওঁলোকৰ পৰিধি উলংঘন কৰা নাইনে? নে নেপোলিয়ন বোনাপাৰ্টৰ উক্তি "এহাজাৰ বেয়'নেটতকৈ টি. আৰ. পি. সংবাদ মাধ্যম বেছি ভয়াবহ।" সত্যতা প্ৰতিপন্ন কৰিছে।

বৈদ্যুতিন মাধ্যম সমাজ এখনৰ আইনাস্বৰূপ। সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে ইয়াৰ মাজেদি নিজৰ সমাজখনক দেখা পায়। বৈদ্যুতিক মাধ্যমসমূহে নিজকে সমাজৰ আইনা হ'বলৈ যাওঁতে নিজৰ স্বচ্ছতাৰ প্ৰতি গুৰুত্ব দিয়া উচিত। আইনাৰ স্বচ্ছতা যেনেকৈ পিছফালৰ চিলিকন লেয়াৰটোৰ ওপৰত নিৰ্ভৰ কৰে সেইদৰে বৈদ্যুতিন মাধ্যমসমূহেও উন্নতমানৰ নিৰপেক্ষতাৰ এটা লেয়াৰ সৃষ্টি কৰিব পাৰিলেহে সমাজখন উজ্জ্বল ৰূপত প্ৰতিফলিত হৈ উঠিব।ঃঃঃ



# অন্ধবিশ্বাসী সমাজ আৰু পীড়িত জনতা

**শিল্পী দত্ত**
পৰিকলন বিভাগ, পঞ্চম ষাণ্মাসিক

অসমত সংঘটিত হোৱা কিছুমান কাণ্ডই প্ৰমাণ কৰি দিছে অসমীয়া আজি কিমান বৰ্বৰ হৈ পৰিছে। আধুনিকতাৰ পোছাক পিন্ধি এটা এলান্ধু বৰণীয়া মন লৈ একাংশ লোকে নিৰ্মম ভাৱে হত্যা কৰিলে দুজন অসমীয়াক। অভিযোগ তেওঁলোক হেনো সোপা ধৰা। সেইবাবেই এচাম নৰপিশাচ অসমীয়াই ৰাতিৰ আন্ধাৰত চিৰাচিৰ কৰি মৰিয়াই মাৰিলে নিজ জাতিৰে দুজন যুৱকক। কিছুদিনৰ পূৰ্বে গোৱাত ছাউণ্ড ইঞ্জিনিয়াৰ হিচাপে কৰ্মৰত অসমৰ যুৱক। নীলোৎপল দাস যি নিজৰ মাতৃভূমিলৈ বহুত দিনৰ মূৰত উভটি আহিছিল। নিজৰ মাটিৰ সুবাসক নেওচিব নোৱাৰি কৰ্ম ব্যস্ততাৰ মাজতো সময় উলিয়াই তেওঁ আহিছিল। তেওঁ এগৰাকী সুকণ্ঠী গায়কো তদুপৰি পেঁপা, টোকাৰি, সুতুলি আদি থলুৱা বাদ্যৰ সৈতে তেওঁ ভালদৰে পৰিচিত। প্ৰকৃত অসমীয়া বুলি নিজকে চিনাকি দিয়া নীলোৎপলৰ তেজে তেজে বিয়পি আছে অসমৰ মাটি-পানী-বতাহৰ সুগন্ধি। সেইবাবে সময় পালেই অসমৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ তেওঁ বিচাৰি যায় নতুন নতুন গীতৰ আৱহ সংগীত। ব্যস্ততাৰ মাজতো পুনৰ অসমত খোজ দিয়েই নীলোৎপলে বন্ধু অভিজিৎ নাথৰ লগ হৈ পৰিকল্পনা কৰিলে কাৰ্বি-আংলঙৰ বুকুত জীৱন বিচাৰি যোৱাৰ। দুয়ো বন্ধুৱে গুৱাহাটীৰ পৰা পালেগৈ প্ৰকৃতিৰ অপৰূপ মায়াৰে ভৰা কাৰ্বি পাহাৰৰ বুকু। কাৰ্বি আংলঙৰ ঠায়ে ঠায়ে সোপাধৰা নামৰ এক কাল্পনিক চৰিত্ৰৰ প্ৰভাৱে যেন বৰ্বৰ কৰি তুলিছিল একাংশ লোকক। তাৰ বাবেই একাংশ কাৰ্বি আংলংবাসীৰ জিঘাংসাৰ বুড়দাৰে মহতিয়াই লৈ গ'ল নীলোৎপল আৰু অভিজিতৰ জীৱন। জানিব পৰা মতে কাৰ্বি আংলং জিলাৰ ডকমকাৰ কাণ্ঠিলংছোৰ জলপ্ৰপাত উপভোগ কৰিবলৈ গৈছিল দুই বন্ধু। তাৰ পিছতে পাঞ্জুৰী গাঁও হৈ নিজ গৃহ গুৱাহাটীলৈ উভতিছিল নীলোৎপল আৰু অভিজিত। কিন্তু পাঞ্জুৰীত একাংশ অসমীয়াই সোপাধৰা বুলি অভিযোগ উত্থাপন কৰি দুয়োকে আবদ্ধ কৰি ৰাখে।নীলোৎপলৰ চুলি দীঘল, সেয়ে কাৰ্বি আংলঙৰ বৰ্বৰ অসমীয়াই ভাবি ল'লে যে নীলোৎপল সোপাধৰা। নীলোৎপল আৰু অভিজিতৰ ওপৰত সোপাধৰাৰ আখ্যানেৰে আৰম্ভ হ'ল বৰ্বৰ

অত্যাচাৰ। যোৱা কিছুদিন ধৰি অসমৰ ছ'চিয়েল মিডিয়াত সোপাধৰা সন্দৰ্ভত ব্যাপক প্ৰচাৰ হৈ অহাৰ সময়তে জিঘাংসাৰ বলি হয় নীলোৎপল আৰু অভিজিত। গণ প্ৰহাৰৰ বলি হোৱা দুই যুৱকে নিজকে অসমীয়া বুলি পৰিচয় দিয়াৰ পাছতো নিৰ্মম প্ৰহাৰ আৰু এটা সময়ত এনেদৰেই বৰ্বৰতাৰ বলি হৈ মৃত্যুক আঁকোৱালি ল'লে দুই বন্ধুৱে।

কাৰ্বি আংলঙৰ ঘটনাটোৰ পিছত বহুতো লোক এতিয়া আক্ৰান্ত অসমীয়া গোষ্ঠীগত আৱেগত। অথচ দুদিনমানৰ আগলৈকে সেইখিনি মানুহেই উৎসাহেৰে 'সোপাধৰা'ৰ উৰাবাতৰি ৱাটচ্‌এপ্, ফেচবুকৰ যোগেদি পষ্ট-ফৰৱাৰ্ড কৰি আছিল। তেওঁলোকে উৰাবাতৰি এটা পালে বাছ-বিচাৰ নকৰাকৈ আনলৈ প্ৰেৰণ কৰে। দেখা যায় যে বিশ্বৰ আগশাৰীৰ দেশৰ সৈতে ফেৰ মাৰিবলৈ চৰকাৰে নানা ন আঁচনি ৰূপায়ণ কৰি আহিছে। দেশৰ সকলো ব্যৱস্থা ডিজিটেল কৰিবলৈ চৰকাৰে চেষ্টা অব্যাহত ৰাখিছে। কিন্তু চৰকাৰৰ ডিজিটেল ব্যৱস্থাৰ সৈতে মানুহে ফেৰ মাৰিব পৰা নাই। আজিও মানুহে অন্ধবিশ্বাস, কৌটিকলীয়া পৰম্পৰাকে সাৱোগত কৰি জীয়াই থাকিব বিচাৰিছে। দেশত নিতৌ সংঘটিত ঘটনা প্ৰৱাহে এনে আঁচনিসমূহক যেন ইতিকিংহে কৰে। মুঠৰ ওপৰত মানুহৰ মন-মগজু সলনি হোৱা নাই। মানুহৰ মন-মগজু ডিজিটেল হ'বলৈ যেন বহু বাকী আছে। মানৱতাক লজ্জাজনক কৰি একমাত্ৰ কু-সংস্কাৰ, অন্ধবিশ্বাসৰ পৰিণতিত ৰাজ্যত সংঘটিত হয় ডাইনী কাণ্ড। ৰাজ্যত বাৰে বাৰে হত্যাৰ বলি হয় এমাড়িমা সন্তানৰ মাতৃ, কৃষক, শ্ৰমিক, চাহ-বাগানৰ কাম কৰা লোক। সভ্য সমাজক কলংকিত কৰা ডাইনী কাণ্ড সংঘটিত হয় এইখন অসমত। একৈশ শতিকাত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ আমূল উত্তৰণৰ সময়তে এচাম অন্ধবিশ্বাসী লোকে ডাইনী সন্দেহত তাণ্ডৱ চলাই, সোপাধৰা বুলি মানুহক হত্যা কৰে। ৰাজ্যৰ প্ৰশাসনে অন্ধবিশ্বাস নিৰ্মূলৰ চেষ্টা চলাই আহিছে। কেৱল কাবিং-আংলঙতে নহয় সমগ্ৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বলি হয় মানুহ। এনে অঞ্চলসমূহৰ মানুহক সচেতন কৰিবলৈ শিক্ষাৰ পোহৰ বিলাব লাগিব। যিটো অঞ্চলত এই কাণ্ড সংঘটিত হয় সেই এলেকাৰ সকলো লোকক দোষী হিচাপে চোৱাৰ মনোবৃত্তি এৰিব লাগিব। এজন মানুহে দোষ কৰিলে সেই মানুহজনে প্ৰতিনিধিত্ব কৰা সমগ্ৰ জনগোষ্ঠীটোকে দোষী কৰিব খোজাৰ মনোবৃত্তি এৰিব লাগিব। অসমৰ পাহাৰত বসবাস কৰা সহজ-সৰল লোকসকলে স্বাধীনতাৰ পাছৰে পৰা সন্তানক উচ্চ শিক্ষাৰে শিক্ষিত কৰিব পৰা নাই। প্ৰকৃততে পোৱা নাই উপযুক্ত সুবিধা। এনে এলেকাসমূহত চৰকাৰে উন্নত চিকিৎসালয়, শিক্ষানুষ্ঠান, যাতায়তৰ ববে ৰাস্তা-ঘাটৰ সুবিধা নিদি বহিঃ জগতৰ সৈতে যোগাযোগ বন্ধ কৰি ৰাখে। যাৰ বাবে এনে এলেকাৰ লোকে সোপাধৰা, ডাইনী, ভূত-প্ৰেতক বিশ্বাস কৰিব লগা হয়। কাৰ্বি আংলঙে নহয় এনে অন্ধবিশ্বাস আঁতৰ কৰিবৰ বাবে আৰু এনে কাণ্ডবোৰ যে জঘন্য অপৰাধ, তেনে কৰাটো যে ভুল তাৰ বাবে একত্ৰিত হয় থিয় দিব লাগিব। এনে অঞ্চলক চৰকাৰে চিনাক্ত কৰি সজাগ কৰাৰ বাবে চিন্তা-চৰ্চা কৰিব লাগিব।

সাম্প্ৰতিক সময়ৰ পৈশাচিক উন্মাদনাৰ বলি হোৱা সকলো লোকৰ প্ৰতি আমি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।

আইন-ব্যৱস্থাই দোষীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ ব্যৱস্থা কৰে যাতে পুনৰাই এনে কাণ্ড সংঘটিত নহয় এইয়াই আমাৰ কাম্য। ঃঃঃ



একৈশ শতিকাত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ আমূল উত্তৰণৰ সময়তে এচাম অন্ধবিশ্বাসী লোকে ডাইনী সন্দেহত তাণ্ডৱ চলাই, সোপাধৰা বুলি মানুহক হত্যা কৰে। ৰাজ্যৰ প্ৰশাসনে অন্ধবিশ্বাস নিৰ্মূলৰ চেষ্টা চলাই আহিছে। কেৱল কাবিং-আংলঙতে নহয় সমগ্ৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বলি হয় মানুহ। এনে অঞ্চলসমূহৰ মানুহক সচেতন কৰিবলৈ শিক্ষাৰ পোহৰ বিলাব লাগিব। যিটো অঞ্চলত এই কাণ্ড সংঘটিত হয় সেই এলেকাৰ সকলো লোকক দোষী হিচাপে চোৱাৰ মনোবৃত্তি এৰিব লাগিব।



# জুনা

অনুৰাগ কল্যাণ বৰগোঁহাই

প্ৰাক্তন ছাত্ৰ

"জুনা" অসমীয়া লোকসসাহিত্যৰ গীতি-কবিতা কাননৰ এক মনোৰম গুচ্ছ। ড° লীলা গগৈদেৱৰ মতে 'জুনা' এবিধ কাল্পনিক কাহিনী গীতি। এই গীতসমূহ হাস্যৰস প্ৰধান। পূৰ্বতে হুচৰি গাওঁতে বিহুনাচ নচাৰ আগতে গাই লোৱা গীতক বুজাইছিল - যাক যোজনা বোলা হয়। বিহুনাম গোৱাৰ আগতে - 'জুনাটো লগাই দেচোন' বুলিহে কৈছিল বুলি প্ৰয়াত কমল হাজৰিকাদেৱৰ মুখৰ শুনিছিলো। (ঁকমল হাজৰীকাদেৱে গোলাঘাট অঞ্চলৰ বহু পুৰণি গীত-মাত অৰ্থাৎ লোকগীত - পদ জানিছিল।)। হুচৰিত গোৱা বিহুনামৰ আগত গোৱা জুনা এনেধৰণৰ -

'ভলুকা বাঁহৰে আখি।
বতাহ বৰষুণে ওন্দোলাই আনিছে
আমাকো নথ'বা ৰাখি।'

জুনাৰ অভিধানিক অৰ্থ হ'ল - চুটি গীত-পদ বা পুৰণি অসমীয়া ছন্দ বিশেষ। গতিকে লোক ৰঞ্জনৰ বাবে চহা কবিৰ দ্বাৰা ৰচিত ধেমেলীয়া, হাস্যৰসৰ গীত-পদক জুনা বোলা হৈছে য'ত গীতৰ ছন্দ আৰু গীতৰ অবয়ৱ প্ৰায় একে। গ্ৰাম্য কথন ভংগীৰ এই গীতবোৰ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ লোক-অনুষ্ঠানৰ সৈতে সংপৃক্ত। অসমীয়া গীতি-সাহিত্যত ভালে কেইটা জুনা পোৱা যায়। সেয়া হ'ল - তাঁতীৰ জুনা, কপাহৰ জুনা, পছলাৰ জুনা, পৰুৱা-শিপিনীৰ জুনা, নাঙলৰ জুনা আদি। বিশেষকৈ তাঁতীৰ জুনাটিত হাস্যৰসৰ পৰিৱৰ্তে কাব্যিক সৌন্দৰ্যহে মন কৰিবলগয়া। এই জুনাটিত কৃষ্ণই ৰাধাৰ বাবে কাপোৰববলৈ তাঁতীৰ আগত দিয়া বৰ্ণনা পোৱা যায়। বৰ সবাহত গোৱা 'দিহানাম'ৰ লগত তাঁতীৰ জুনাটি গায়। তাঁতীৰ জুনাটি দুই ধৰণে পোৱা যায়। এটা জুনা দীঘল আৰু আনটো চুটি।

**তাঁতীৰ জুনা ঃ**

লৰিল কানাই তাঁতীৰ ঠাই। হৰি এ নাৰায়ণ
বিনন্দ গোঁসাইবা কি লাগি যায়।।
আহিছো তাঁতী মোৰ লাগিছে লাজ।
ৰাধাক পিন্ধাবলৈ লাগে মোক সাজ।।
কেনুৱা কাপোৰ কেনুৱা থান।
ক'লেহে বজোহো মই তাৰ প্ৰমাণ।।
দীঘল সাৰেংগ পুতলে বৰ।
তাৰ মাজে মাজে গুণা বিস্তৰ।।
শিৰতে লিখিবা বসুদেৱ পিতা।
ওৰণীত লিখিবা দৈৱকী মাতা।।
বাহুতে লিখিবা দাদা বলাই।
হৃদয়ত লিখিবা কৃষ্ণ কানাই।।
খোচনিত লিখিবা নেজালী ম'ৰা।
তাৰ আশে পাশে বুলাইবা চম্পা।। ...

*(মৰঙী অঞ্চলৰ বিষ্টুৰাম শইকীয়াৰ পৰা সংগ্ৰহ)*

উজনি অসমত ভাওনা অনুষ্ঠানত মজে মাজে বহুৱা বা ফুচুৰি কথাৰ গীত গাই গই দৰ্শকক হাস্য ৰসৰ যোগায় পছলাৰ জুনা, নাঙলৰ জুনা, কপাহৰ জুনা আদিয়ে।

**পছলাৰ জুনা ঃ**

সৰুজনীয়ে বুলিলে বৰজনী বাই।
আলহী আহিছে কিহেৰে ভাত খাই।।
নকৰিবা হুৰা-মূৰা নকৰিবা চিতা।
বাৰীত আছে পছলা বন্ধাই থৈছো মিতা।।
পছলাৰ গুৰিত গৈ ৰাক্ষশিনী হ'ল ঠিয়।
সৰু সৰু পছলাৰ উৰি গ'ল জীয়।।
কাটিলেক পছলা আনিলেক টানি।
জেওৰাৰ খোচ খাই ৰান্ধনী হ'ল কানি।।
কুটিলেক পছলা নুহুছলে চেঁচু।
তাৰ মাজত ওলাই গ'ল জেলুকীয়া কেচু।।
পঠলাকৰ পানীয়ে মজিয়া বুৰি গ'ল।

বৰ বৰ বেংবোৰ খালে বামে ৰ'ল।।
পছলাৰ পানীয়ে মজিয়া বুৰি গ'ল।
সৰু সৰু বেংবোৰ উটি বুৰি গ'ল।।
ৰান্ধিলেক পছলা নুঠিলেক জুটি।
মেখেলাখন ডাঙি লৈ ৰান্ধনীয়ে দিলে মুতি।।

*(গোলাঘাট, জোনাকী নগৰৰ পৰা সংগ্ৰহ)*

পৰুৱা শিপিনীৰ জুনাটিত শিপিনী পৰুৱাক হাচতি আৰু চেলেং বৈ দিবৰ বাবে কৈছে লগতে হাচতি চেলেং ববলৈ প্ৰয়োজনীয় টোলোঠা হাবিৰ পৰা কাটি অনাৰ বৰ্ণনাৰ উল্লেখ আছে। এই জুনাটি বিহুগীতৰ সুৰেৰে গোৱা দেখা যায়।

"হঁয়ে কি অহঁয়ে হঁয়ে অ' পৰুৱা
হঁয়ে কি অহঁয়ে হঁয়।
হাচতি এখনি খুজিব খুজিছো
দিয়াকি নিদিয়া বৈ।।"

পগলা-পাৰ্বতীৰ জুনাটি - হুচৰিৰ গোষা-পদ গাঁওতে পদ হিচাপে গোৱা দেখা যায়।

"তেতেলী তলতে কৰোঁ তাঁতে বাটি
পাহৰি আহিলো কুছি ঐ গোবিন্দাই ৰাম।
কুছিৰে লগতে পগলাই কিলাব
যামে আইৰ ঘৰলৈ গুছি ঐ গোবিন্দাই ৰম।।"

তদুপৰি, শংকৰদেৱে 'ৰুক্মিণীহৰণ' কাব্যত দিয়া জুনাটোক গুৰুজনই 'শিৱৰ জুনা' বুলিছে। কৃষ্ণৰ বিবাহত উপহাৰ দিয়া দেখি, মহাদেৱৰ মনৰ অৱস্থা জুনাটোত বৰ্ণিত হৈছে।

**শিৱৰ জুনা ঃ**

শংকৰে বণিলা শিৱৰ জুন।
সবে সমাজে কাণ পাতি শুনা।।

মহাদেৱৰ মনৰ অৱস্থাৰ বৰ্ণনা আছে এনেদৰে -

"কি দিবো আবে কৰো কোন কৰ্ম।
গাঁৱৰ বস্ত্ৰ সিয়ো বাঘ চৰ্ম।।
হাতে লৌয়া ও হলায় শূল ডম্বৰু।
ঘৰৰ বাহিৰে এক গুটি গৰু।।"

সাধাৰণতে জুনাসমূহৰ ৰেহ-ৰূপ লক্ষ্য কৰিলে জুনাখিনিক দুই শ্ৰেণীত বিভক্ত কৰিব পাৰি।

(ক) **ধৰ্মীয় ভাবাপন্ন জুনা ঃ** কৃষ্ণ-গোপী বিষয়ক, শিৱৰ জুনা, পগলা-পাৰ্বতীৰ জুনা এই শ্ৰেণীৰ।

(খ) **সামাজিক ভাবাপন্ন জুনা ঃ** এই শ্ৰেণীৰ জুনা একান্ত ঘৰুৱা ভাব-ভাষা তথা সামাজিক চিত্ৰণবিশিষ্ট। পছলাৰ জুন, কপাহৰ জুনা, নাঙলৰ জুনা আদিয়েই এই শ্ৰেণীৰ জুনাৰ অন্তৰ্গত। এই জুনাবোৰে লোক-জীৱনৰ অনেক সৰু-বৰ কথাৰ চিত্ৰ দাঙি ধৰে।

উজনি অসমত প্ৰচলিত জুনাসমূহৰ উপৰি অসমৰ বিভিন্ন ঠাইত বেলেগ বেলেগ ধৰণৰ অনুষ্ঠানৰ লগত জড়িত জুনা পোৱা যায়। সেইবিলাক হ'ল -

(ক) উজনি অসমৰ ভাওনা অনুষ্ঠানত বহুৱাই গোৱা জুনা আৰু হুচৰিৰ বিহুত নাচনীয়ে লগাই দিয়া বিহুনামসদৃশ জুনা।

(খ) নামনি অসমত 'নিংনি ভাৱৰীয়া'ৰ নামত চলা গীতৰ ধেমেলীয়া পদ।

(গ) মংগলদৈ অঞ্চলৰ ওজাপালিত, ব্যাস সংগীতৰ পঞ্চম আৰু শেষ কম যাক 'ঝুণা'হে বোলা হৈছে। (ড° নবীন চন্দ্ৰ শৰ্মাই 'ঝুণা' শব্দটি ব্যৱহাৰ কৰিছে।)

(ঘ) বৰপেটাৰ 'জুনা নাম' - ঠিয় নামৰ অংশবিশেষ। সাধাৰণতে, সাতবিহুৰ দিনাখন কীৰ্তন ঘৰৰ সন্মুখত ২২ খন হাটিৰ সকলো ডেকা তথা ভকতে মিলি 'ঠিয় নাম' গোৱা উৎসৱ পালন কৰে আৰু বহাৰ বিহুৰ সামৰণি মাৰে। অৰ্দ্ধনাটকীয় অভিব্যক্তিৰে বিদ্যমান এই 'জুনা নাম' - ঠিয় নামৰেই অংশবিশেষ।

(ঙ) গোৱালপৰা অঞ্চলত 'মৰাই গীত'ৰ লগত জুনা পৰিৱেশন কৰা হয়। তদুপৰি 'ভাৰী গান'ৰ লোকনাট্য সমূহত অভিনয়ৰ মাজে মাজে শ্ৰোতাৰ চিত্ত বিনোদনৰ বাবে হাস্যৰস প্ৰধান জুনা গীত গায়। সংগত বাদ্য হিচাপে এযোৰ তাৰ আৰু খোল ব্যৱহাৰ কৰা হয়।

**জুনা গীত ঃ**

"হে' বন্ধু। হে' বন্ধু হে' বন্ধু হে'।
আগদুৱাৰতে কদম গাছ তাতে পৰিলটিয়া।
টিয়া মথং নেখাবি বগৰী টেঙা দিয়া।।
আগদুৱাৰতে কদম গাছত পাছ দুৱাৰে পানী।
যাৰে বেটী চিকণ দেখং তাকে আনং টানি।।
দূৰৰ পৰা দেখা পালং এক বাৰী এৰা।
তোক বোওৱা মন নেখাং একটা চকু কেৰা।।"

মুঠতে অভিধানিক অৰ্থত 'জুন' চুটি গীত-পদ হ'লেও সকলো জুনা চুটি নহয়। তাঁতীৰ জুনা (দীঘল)টিৰ ৯৬ টা শাৰী আছে। কপাহৰ জুনাত ৮৬ টা শাৰী, পছলাৰ জুনাত ৪২ টা শাৰী আৰু বাকী জুনাবোৰৰ প্ৰায় ২৪-২৮ টা মনকৈ শাৰী আছে।

জুনাবোৰ ৰচিত কালত সমাজ আৰু সময়ৰ পটভূমিত হয়তো সেইসময়ৰ লোক সমাজে গুৰুত্ব সহকাৰে গ্ৰহণ কৰি আহিছে। আজিৰ সময়ত জুনাবোৰৰ গুৰুত্ব আগৰ দৰে নাই। হ'লেও জুনাবোৰত পোৱা যায় সহজ সৰল লোক জীৱনৰ নিৰ্ভেজাল প্ৰতিচ্ছবি। জুনাবোৰ ব্যংগাত্মক লঘু কথৰে ভৰপুৰ হ'লেও জুনাবোৰত বিশ্বাস, আকাংক্ষা, ৰীতি-নীতি, খাদ্যাভাস আদি ঘৰুৱা জীৱনৰ অনেক কথাৰ সম্ভেদ দিয়ে। অসমীয়া সাহিত্য-সংস্কৃতিৰ পথাৰখন উৰ্বৰা কৰি ৰখা জুনাবোৰ সাম্প্ৰতিক সময়ত হেৰাই যোৱাৰ উপক্ৰম হৈছে। বিশ্বায়নে আনি দিয়া গ্লবেল ভেলেজত, বাৰে ৰহণীয়া বৈচিত্ৰ্যতাৰে সমৃদ্ধ ক্ষুদ্ৰ ক্ষুদ্ৰ সংস্কৃতি বাচি থাকিবলৈ কঠিন হৈ পৰিছে। জাতিসত্বাক উজ্জীৱিত কৰি ৰখিব পৰা জাতীয় কৃষ্টি স্বকীয় ৰূপ বিনষ্ট হ'বলৈ দিব নালাগিব। নতুন প্ৰজন্মক ইবোৰৰ প্ৰতি অনীহা আঁতৰাই আগ্ৰহী কৰি তুলিলেহে বাৰে ৰহণীয়া অসমীয়া সংস্কৃতি বাচি থাকিব। ⏭

*(বিভিন্ন গ্ৰন্থৰ সহায় লৈ)*



# Stephen Hawking

Bibekananda Sarma
*BCA 5th Semester*
*Computer Science Department*

When I look at the night sky, I often view the stars not just in space but also in terms of their places in time light moves at a finite speed (299, 792 kilometers per second, to be precise), so the journey from star to star is a very long one even for a beam of light. When astronomers talk about light years of distance, they are literally describing the number of years it takes for light to travel from those distant stars to your eyeball.

And so when I heard about the death of Stephen Hawking, I couldn't help thinking about his place in the stars. At some distance from Earth , there is a star whose light (as seen right now on Earth) started its journey at the time when you were born. You can think of that as your birth star. We all have one. Hawking has one and you can easily see it. His birth star is shining brightly in the evening tonight.

Professor Stephen Willion Hawking was born on 8th January 1942 in Oxford, England. His parents' house was in north London but during the second world war Oxford was considered a safer place to have babies. When he was eight his family moved to st. Albans, a town about 20 miles north of London.

At the age of eleven, Stephen went to st. Abans School and then on to University college, Oxford (1952); his father's old college. Stephen wanted to study mathematics although his father would have preferred medicine. Mathematics was not available at University college, so he pursued physics instead. After three years and not very much work, he was awarded a first class honours degree in natural science.

In October 1962, Stephen arrived at the Department of Applied Mathematics and Theoretical Physics (DAMTP) at the University of Cambridge to do research in cosmology, there being no-one working in that area in Oxford at the time. His supervisor was Dennis Sciama, although he had hoped to get Fred Hoyle who was working in Combridge. After gaining his Ph.D. (1965) with his thesis titled 'properties of Expanding Universes', he became, first, a research fellow (1965) then Fellow for Distinction in Science (1969) at Gonville & Caius Col-












lege. In 1966 he won the Adams Prize for his essay ' Singularities and the Geometry of Space-time'. Stephen moved to the Institute of Astronomy (1968), later moving back to DAMTP (1973). Employed as a research assistant and havig published his first academic book the large scale structure of space-time, with George Ellis. during the next few years, Stephen was elected a fellow of the Royal Society (1974) and Sherman Fairchild Distinguished Scholar at the California Institute of Technology (1974). He became a Reader in Gravitational Physics at DAMTP (1975), progressing to Professor of Gravitational Physics (1977). He then held the position of Lucasion Professor of Mathematics (1979-2009). The chair was founded in 1663 with money left in the will of the Reverend Henry Lucas who had been the Member of Parliament for the University. It was first held by Isaac Barrow and then in 1969 by Isaac Newton. From 2009, Stephen was employed as the Dennis Stanton Avery and sally Tsui Wong-Avery Director of Research at DAMTP.

Professor Stephen Hawking worked on the basic laws which govern the universe. With Roger Penrose he showed that Einstein's general theory of relativity implied space and time would have a beginning in the Big Bang and an end in black holes (1970). These results indicated that it was necessary to unify general relativity with quantum theory, the other great scientific development of the first half of the 20th century. On consequence of such as unification that he discovered was that black holes should not be completely black, but rather should emit ' Howking' radiation and eventually evaporate and disappear (1974). Another conjecture is that the universe has no edge or boundary in imaginary time. This would imply that the way the universe began was completely determined by the laws of science. Towards the end of his life, Stephen was working with colleagues on a possible resolution to the black hole information paradox, where debate centres around the conversation of information.

His many publications encluded the Large Scale Structure of Spacetime with G F R Ellis, General Relativity : An Einstion Centenary Survey, with W Israel, and 300 years of Gravitation, with W Israel. Among the popular books Stephen Hawking published are his best seller A Brief History of Time, Black Holes and Baby Universes and other Essays, The Universe in a Natshell, The Grand Design and My Brief History.

Professor Stephen Hawking received thirteen honorary degrees. He was awarded CBE (1982), Sompanion of Honour (1989) and the presidential Medal of Freedom (2009). He was the recipient of many awards, meals and prizes, most notably the Fundamental Physic prize (2013), Copley Medal (2006) and the Wolf Foundation prize (1988). He was a fellow of the Royal Society and a member of the US National Academy of Sciences and the pointifical Academy of Sciences.

In 1963 Stephen was diaghnosed with ALS, a form of Motor Neurone Disease, shortly after his 21st birthday. In spite of being wheelchair – bound and dependent on a computerised voice system for communication Stephen continued to combine family life (he has three children and three grandchildren) with his research into theoretical physics, in addition to an extensive programme of travel and public lectures. Thanks to the Zero-G Corporation, he experienced weightlessness in 2007 and always hoped to make it into space one day.

Stephen Hawking died on 14 march 2018 at the age of 76 in Cambridge, England.

সাহিত্যই মানুহৰ নিজৰ মাজৰ মতানৈকবোৰ আঁতৰাই, মিলা-প্ৰীতিৰে সমন্বয়ৰ এনাজৰীৰে সমাজ গঢ়ে। যিমানখিনি পাৰো বা যিমানখিনি দায়িত্ব আছিল পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। —ৰংবং তেৰাং

# মুখামুখি



ডি, আর, কলকাতা
অন্য চিন্তার সাথী
লেখক পত্রিকাকে
অভিনন্দন
জানাই।

১৭/১১/২০১৮



ৰংবং তেৰাং

# কাৰদম

১৯ নৱেম্বৰ ২০১৮ অভিজ্ঞতাৰ ডায়েৰীত জিলিকি ৰোৱা এটি বিশেষ পৃষ্ঠা। কুঁৱলীসনা মিঠা পুৱা এটি মনত বহুত উৎকণ্ঠা আৰু আগ্ৰহ লৈ আমি ৰাওনা হৈছিলোঁ পাহাৰীয়া জিলা কাৰ্বি ভূমিলৈ। পাহাৰীয়া বিৰল মনোমোহা সৌন্দৰ্যৰ প্ৰকৃতিয়ে আমাক সম্ভাষণ জনাইছিল নিজৰ অঞ্চললৈ।

যোগাযোগ কৰাৰ মুহূৰ্ততে আমি সৌভাগ্যক্ৰমে লগ পোৱাৰ সুযোগ পাইছিলোঁ। যাৰ কলমত জিলিকি উঠিছিল 'ৰংমিলিৰ হাঁহি'। তেওঁ— শ্ৰী ৰংবং তেৰাং। অসাধাৰণ ব্যক্তিত্বৰে গঢ়া এজন অতি সাধাৰণ ব্যক্তি, এজন প্ৰকৃত মাটিৰ মানুহ তেওঁ। Simple Living High Thinking —তেওঁ এইষাৰ কথাৰ যথাৰ্থতা বহন কৰে। বিভিন্ন বঁটাৰে পুৰস্কৃত হোৱাৰ লগতে পদ্মশ্ৰী বঁটাৰে বিভূষিত ৰংবং তেৰাং হ'ল অসমীয়া সাহিত্য জগতৰ এজন বৰেণ্য ব্যক্তি। 'ৰংমিলিৰ হাঁহি'ৰ লগতে তেওঁৰ কলমেৰে নিগৰিছে নীলা অৰ্কিড (২০০১) জাক হেৰুওৱা পক্ষী (২০০৫), বন ফৰিঙৰ গীত, মিৰবিন (২০০৯) আদি অনেক সৃষ্টিৰাজি যি কঢ়িয়ায় জাতীয় জীৱনৰ সৌন্দৰ্য আৰু সুবাস।

ব্যাকুলতা আৰু উৎকণ্ঠাৰ অন্ত পেলাই দিনৰ ১২.৩০ মান বজাত আমি গৈ উপস্থিত হৈছিলো ডিফুত অৱস্থিত তেওঁৰ বাসগৃহত। ঘৰৰ সন্মুখৰ বাগানত ফুলি থকা বতৰৰ বিভিন্ন ফুলে বিশেষভাৱে মনোমোহা কৰি ৰাখিছিল পৰিৱেশটো। আমি গৈ উপস্থিত হোৱাত অতি আন্তৰিকতাৰে সাদৰি নিছিল অধ্যয়ন কক্ষলৈ। কোঠাটো সজীৱ কৰি ৰাখিছিল অলেখ গ্ৰন্থ আৰু তেওঁক পুৰষ্কৃত কৰা সন্মানসমূহ, যিয়ে গাই আছিল তেওঁৰ কলমৰ জয়ধ্বনি।

আমি সকলোৱে আসন গ্ৰহণ কৰিছিলোঁ —সন্মুখত অসমৰ এগৰাকী কালজয়ী সাহিত্যিক, এসময়ৰ অসম সাহিত্য সভাৰ সভাপতি 'ৰংবং তেৰাং'। অলৌকিক কল্পনাৰ অংশ যেন লগা এটি মুহূৰ্ত। গাম্ভীৰ্যৰ প্ৰতিফলনটো সেমেকাই তুলিবলৈ আমি এগিলাচ পানীৰ সহায় লৈছিলোঁ। তাৰ পাছত আৰম্ভ কৰিছিলোঁ আমাৰ কাৰ্যক্ৰম। এখনি ফুলাম গামোচাৰে সম্ভাষণ জনাই  আমাৰ আগমনৰ উদ্দেশ্য ব্যক্ত কৰিলোঁ। সেই বাৰ্তালাপৰ কিছু অংশ এই সংখ্যাৰ দেৱৰাজীয়ানৰ বাবে—

*প্ৰশ্ন ঃ আমি জানিব বিচাৰোঁ যে সাহিত্য চৰ্চাৰ দিশে আপুনি কেনেদৰে অনুপ্ৰাণিত হৈছিল?*

উঃ সেয়াতো ক'ব নোৱাৰিম। মোৰ কাম হ'ল লিখা, লিখি গৈ আছোঁ। লিখাৰ পিছত মই নপঢ়োঁৱেই বা প্ৰিণ্ট হৈ ওলাই অহাৰ পাছতো নপঢ়োঁ। কিহৰ প্ৰেৰণাত লিখিছোঁ সেইটোও নাজানো, লিখি গৈছোঁ। বাকী পাঠকে, সমালোচকে বিশ্লেষণ কৰিব। গতিকে মই ক'ব নোৱাৰিম। আনে পাৰিলেও মই নোৱাৰোঁ।

*প্ৰঃ সাহিত্য সমাজৰ সৈতে জড়িত আপুনি এজন বিশেষ ব্যক্তি। গতিকে আপোনাৰ প্ৰিয় সাহিত্যিক বা গ্ৰন্থ বুলিবলৈ কিবা আছেনে?*

উঃ বিশেষভাৱে এজনক প্ৰিয় বুলি ক'বলৈ নাই, মুঠতে পঢ়ি যাওঁ যি ভাল পাওঁ। মই বাৰু খুবেই কম পঢ়োঁ। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, হীৰেন ভট্টাচাৰ্য ইত্যাদি ইত্যাদি সকলোৰে পঢ়িছোঁ, ভাল লাগিছে। বেলেগ বেলেগ দিশৰ পৰা সকলোকে ভাল লাগে। প্ৰিয় গ্ৰন্থ বুলিও ঠিক তেনেকৈ ক'ব নোৱাৰি। অ' ড° বাণীকান্ত কাকতিৰ লেখাবোৰ ভাল পাওঁ। তেওঁৰ দ্বাৰা ব্যৱহৃত ভাষা, ভাষাৰ যি সাৱলীল প্ৰকাশ কেতিয়াও আমনি নালাগে পঢ়ি। তেওঁৰ গদ্যশৈলী অতি সুন্দৰ। হেম বৰুৱাৰ ভ্ৰমণ কাহিনীবোৰ মোৰ প্ৰিয়। 'সাগৰ দেখিছা' এতিয়াও পঢ়োঁ মাজে মাজে।

প্ৰঃ আপোনাৰ লেখাবোৰ দেখা যায় বিশেষকৈ জনজাতীয় ভিত্তিক আৰু আপুনি কাৰ্বি আৰু অসমীয়া ভাষাতে সাহিত্য চৰ্চা কৰা দেখোঁ। তাৰ কাৰণ?

উ ঃ যিটো বিষয়ে মই সঠিককৈ জানো, দেখোঁ, সেইটো বিষয়েহে লিখো। ভাষা সংমিশ্ৰণ কৰি লিখিলে ভুল হোৱাৰ সম্ভাৱনা বহুত বেছি, সৰ্তক হোৱা অত্যন্ত প্ৰয়োজনীয়। কিবা এটা ভাষা ভালকৈ নাজানিলে লিখিব নোৱাৰি। এতিয়া চাওক অজানিতে বহুতে কাৰ্বি শব্দবোৰ ভুলকৈ দিয়ে (উদাহৰণস্বৰূপে কিছু আভাস আমাক দিলে)। মই যিমান পাৰোঁ ভাষাটো শুদ্ধকৈ লিখিবলৈ চাইছোঁ। ভাষাটো যাতে শুদ্ধকৈ আয়তস্তুত কৰিব পৰা যায় সেয়াই মোৰ উদ্দেশ্য।

*প্ৰশ্নোত্তৰৰ পৰা কিছু সময় বিৰতি লৈ আমি আগবঢ়াই দিছিলোঁ তেওঁলৈ বুলি নিয়া এটি মৰমৰ উপহাৰ — অংকন কৰা তেওঁৰ এখনি প্ৰতিচ্ছবি। অতি আগ্ৰহেৰে তেওঁ উপহাৰটি আদৰি লৈছিল। আমাক আপ্যায়ন কৰা হৈছিল চাহ আৰু ঘৰত তৈয়াৰী সুস্বাদু নাৰিকল আৰু তিলৰ লাড়ুৰে সৈতে। তেখেতে উল্লেখ কৰিছিল যে তেওঁৰ প্ৰিয় ঠাইসমূহৰ ভিতৰত গোলাঘাট অন্যতম আৰু কৈছিল গোলাঘাটত থকা তেওঁৰ অন্তৰংগ বন্ধুসকলৰ কথা।*

*আমাৰ কেমেৰাৰ লেন্সত আবদ্ধ হৈছিল সেই কোঠাটোৰ, সেই মুহূৰ্তবোৰৰ স্মৃতি। উল্লেখযোগ্য যে মাত্ৰ কিছুদিন পূৰ্বেহে তেওঁ নিজৰ চিকিৎসা শেষ কৰি chemo লৈ উভতি আহিছে। শাৰীৰিকভাৱে কিছু দুৰ্বল হৈ আছে। নিজৰ অসুস্থতাৰ মাজতো তেওঁ অমূল্য সময়ৰ কিছু ক্ষণ আমাক দিয়াৰ বাবে আমি দেৱৰাজ ৰয়*





## যিটো বিষয়ে মই সঠিককৈ জানো, দেখোঁ, সেইটো বিষয়েহে লিখো। ভাষা সংমিশ্ৰণ কৰি লিখিলে ভুল হোৱাৰ সম্ভাৱনা বহুত বেছি, সৰ্তক হোৱা অত্যন্ত প্ৰয়োজনীয়। কিবা এটা ভাষা ভালকৈ নাজানিলে লিখিব নোৱাৰি।

*পৰিয়ালবৰ্গ তেওঁৰ ওচৰত চিৰকৃতজ্ঞ। আমি পুনৰ আৰম্ভ কৰিলোঁ আলাপ—*

প্ৰঃ *লেখা-মেলা সৰুৰে পৰাই কৰিছিলনে পিছৰ পৰ্যায়ত আৰম্ভ কৰিছিল?*

উঃ সৰুৰ পৰাই লিখোঁ। গৰু চৰাই আদি প্ৰকৃতিৰ উপাদানসমূহ মাজতে ডাঙৰ হোৱা ল'ৰা। প্ৰকৃতিৰ মাজত থাকি তেতিয়াৰ পৰাই লিখিছোঁ আৰু।

প্ৰঃ আপোনাৰ জীৱনত 'ৰংমিলিৰ হাঁহি'ৰ বিশেষত্ব?

উঃ মই একো নাজানো। লিখিলোঁ লিখিলোঁ আৰু। মই পাছত পঢ়াও নাই। প্ৰিণ্ট হৈ অহাৰ পাছতো মই নপঢ়োঁৱেই। উৰিষ্যাৰ পৰা এজন গৱেষক আহিছিল। 'ৰংমিলিৰ হাঁহি'ৰ ওপৰত কিবা গৱেষণা কৰি আছে। তেখেতেও কৈছে কিতাপখনৰ বিষয়ে। কৈছে মই হেনো অত্যন্ত গুৰুত্বপূৰ্ণভাবে কথাবোৰ তাত প্ৰতিফলিত কৰিছোঁ, ভাল পাইছে। মই কৈছোঁ সেইবোৰ মই একো নাজানো আৰু লিখিব লাগে লিখি গৈছোঁ। বহুতে ভাল পাইছে। মই নাজানো, পঢ়াও নাই আৰু এতিয়া চৰিত্ৰবোৰো বিশেষ মনত নাই।

প্ৰঃ *বিভিন্ন বঁটাৰে বিভূষিত হোৱাৰ লগতে আপুনি 'পদ্মশ্ৰী' সন্মানেৰেও অলংকৃত হৈছে। সেই বঁটা পোৱা মুহূৰ্তটিত আপোনাৰ অনুভৱ কেনেকুৱা আছিল?*

উঃ তেনেকুৱা একো বিশেষ অনুভৱ নাই মোৰ। বঁটা দিছে মই লৈছোঁ — সেয়াই আৰু। আনন্দ নিৰানন্দ বুলিবলৈ নাই আৰু। মাতিছে, গৈছো আৰু লৈছোঁ। বহুত ডাঙৰ-ডাঙৰ মানুহ আছিল, গ'লো দুটামান কথা কৈ, বঁটা লৈ গুচি আহিলোঁ। বিশেষ একো উল্লাস নাই। পালেও পালোঁ, নাপালেও নাই।

প্ৰঃ *আপুনি অসম সাহিত্য সভাৰ সভাপতিৰ পদো অলংকৃত কৰিছে। গতিকে আপেনোৰ কাৰ্য্যক্ৰমণিকাৰ সাহিত্য সভাৰ বিষয়ে কিছু জানিব বিচাৰিছোঁ।*

উঃ সাহিত্য সভাৰ পদত মোক দুবাৰকৈ মনোনীত কৰা হৈছিল। কিমানখিনি কৰিব পাৰিছোঁ নাজানিম। সেইটো ৰাইজে ক'ব, সাহিত্যৰ লগত জড়িত লোকসকলে ক'ব। সাহিত্যই মানুহৰ নিজৰ মাজৰ মতানৈকবোৰ আঁতৰাই, মিলা-প্ৰীতিৰে সমন্বয়ৰ এনাজৰীৰে



সাহিত্য চৰ্চা কৰি যাব লাগিব। এয়াই বাৰ্তা দিম যাতে তেওঁলোকে লিখি যাওক মানুহৰ জীৱন বিষয়ে, সমাজৰ বিষয়ে লিখক। বৰ্তমান যুগক প্ৰতিফলিত কৰি নতুন চামেহে লিখিব পাৰিব, আমি নোৱাৰিম। বৰ্তমান সমাজৰ ছবি তেওঁলোকেহে ধৰি ৰাখিব পাৰিব আমি নোৱাৰিম। গতিকে সাহিত্যৰ ৰস চালি তেওঁলোকে বস্তুবোৰ আনিব লাগিব।

সমাজ গঢ়ে। যিমানখিনি পাৰো বা যিমানখিনি দায়িত্ব আছিল পূৰণ কৰিবলৈ চেষ্টা কৰিছিলোঁ। কিমানখিনি সাৰ্থক হ'লোঁ সেয়া আপোনালোকে ক'ব।

প্ৰঃ *সাহিত্য আৰু সাহিত্য অকাডেমীৰ ওপৰত আপোনাৰ মন্তব্য কি?*

উঃ সাহিত্য অকাডেমীৰ বঁটা লৈ যিসমূহ বিতৰ্ক দেখিবলৈ পোৱা গৈছে সেইবোৰ ঠিক হোৱা নাই। সাহিত্যিকে নিজে কেতিয়াও বঁটা পোৱাৰ আশাত নিলিখে। এতিয়া যিবোৰ বিতৰ্ক চলিছে সেইয়া একেবাৰেই ভাল লক্ষণ নহয়।

প্ৰঃ *আপোনাৰ মতে অসম সাহিত্য সভাৰ উন্নতিৰ বাবে কি কি পদক্ষেপ ল'ব পৰা যায়?*

উঃ এইবোৰ বৰ জটিল প্ৰশ্ন। তেনেকে কৈ দিব নোৱাৰি। ইয়াৰ বাবে বিভিন্ন সমিতি আছে, শাখা-সাহিত্য সভা আছে। বিভিন্ন প্ৰান্তৰ - তেওঁলোকে যি ভাল দেখে আলোচনা কৰি সেইটো কৰা হ'ব। মই নিজৰ পৰা এটা নিৰ্দিষ্ট পথ দেখুৱাই দিব নোৱাৰোঁ।

প্ৰঃ *অসমত বৰ্তমান এটি অতি চৰ্চিত বিষয় হৈছে নাগৰিকত্ব সংশোধনী আইন'। ইয়াৰ ওপৰত আপোনাৰ মন্তব্য কি?*

উঃ মই এইবিষয়ে একো নাজানো। ইয়াক লৈ যে ইমান হুলস্থুল কৰিছে সকলোৱে, কিবা কামত আহিব জানো? ইমানখিনিয়ে ক'ম যে মানুহৰ এটা ঠাইৰ পৰা আন এটা ঠাইলৈ আহ-যাহ চলি থাকিব নিজৰ সুবিধা অনুযায়ী।

প্ৰঃ *বৰ্তমানৰ লেখক-লেখিকাসকললৈ বা বৰ্তমানৰ সাহিত্য জগতলৈ আপুনি কিবা বাৰ্তা দিব খোজে নেকি?*

উঃ সাহিত্য চৰ্চা কৰি যাব লাগিব। এয়াই বাৰ্তা দিম যাতে তেওঁলোকে লিখি যাওক মানুহৰ জীৱন বিষয়ে, সমাজৰ বিষয়ে লিখক। বৰ্তমান যুগক প্ৰতিফলিত কৰি নতুন চামেহে লিখিব পাৰিব, আমি নোৱাৰিম। বৰ্তমান সমাজৰ ছবি তেওঁলোকেহে ধৰি ৰাখিব পাৰিব, আমি নোৱাৰিম। মুঠতে সাহিত্যৰ ৰস চালি তেওঁলোকে বস্তুবোৰ আনিব লাগিব। তেওঁলোকলৈ মোৰ শুভেচ্ছা থাকিল।

*চকুৰ পচাৰতে সাক্ষাৎকাৰ পৰ্বৰ অন্ত পৰিল। তিনিঘণ্টা সময় যে কেনেকৈ পাৰ হৈ গ'ল ধৰিবই নোৱাৰিলোঁ। এইখিনি সময়ৰ ভিতৰত বহুত কথাই শিকিলো, বহুত নজনা কথাই জানিলো, বস্তুবোৰক উপলব্ধি কৰাৰ নতুন দিশবোৰৰ সৈতে চিনাকী হোৱাৰ সুযোগ পালো। সাহিত্য জগতৰ এনে এজন সুপ্ৰতিষ্ঠিত ব্যক্তিৰ জীৱন প্ৰণালীক ওচৰৰ পৰা পৰ্যবেক্ষণ কৰিব পৰাটো সঁচাকৈ সৌভাগ্যকৰ কথা। স্মৰণীয় দিনটোৰ মুহূৰ্তবোৰ অভিজ্ঞতাৰ পৃষ্ঠাত আবদ্ধ কৰি আমি বিদায় ল'লোঁ। মুহূৰ্তবোৰ সজীৱ কৰি ৰখাৰ উদ্দেশ্যে দেৱৰাজীয়ানৰ এটি অংশ হিচাপে সকলোলৈকে আগবঢ়ালোঁ ঃঃঃ*

'দেৱৰাজীয়ান'ৰ হৈ সাক্ষাৎকাৰটি যুগুত কৰে ঃ বৰ্ণালী, মৃদুপৱন, প্ৰীতি, মৌচুম আৰু নিকিতাই।

# Nature Talk with
# Mr. Udayan Duarah

Nature Talk with
Mr. Udayan Duarah



In the quiet sub-urban domain of Tapan Nagar, Golaghat, lived a boy with dreams of being an actor. His career though took a different route, the acting bug in his head (as he calls it) never rested until he went ahead with his dreams.

Mr. Udayan Duarah needs no introduction today. The male lead of numerous Assamese daily soaps, films like Gangs of Northeast and a feature in Fox life's "Awesome Assam with Sarah Todd", this actor cum spokesperson, has pinned many feathers to his cap. A man with immense humility, inferable gravitas and a soothing voice, spoke about his despairs, conjectures and an introspection that changed his life. We were lucky to have a special Rendezvous with the actor on his life, career and his days in Debraj Roy College.

*Q: Which was the first show that proved to be the stepping stone for your acting career?*

A: It was a show called '4 Idiots' that aired on Rengoni tv. I auditioned for it and that was it. I always had an bug for acting in my head. I just didn't get a chance.

*Q: When or at which point of time did you decide that you wanted to become an actor?*

A: From my college days, you can even say from my school days. It was a hidden desire. I have always wanted it. I was just never given a chance. Back then, during school plays, the academically sound pupils got better roles whereas pupils like me, who were not that sound, were given minor roles like 'gatekeeper' or one-liners. I would get very sad. I would then always think that I have to become a good actor someday (laughs). So, you can say it was a childhood arrogance of mine. But, I became more serious about it (acting) from 2012.

*Q: So, What was it that in 2012 you decided to be an actor?*

A: No, before that I was in Bombay (Mumbai) doing a corporate job. Then, I opened an event company and even faced loss in it. While working in the company, I would always think, "What am I doing something? Why am pushing myself to do something



I don't like?" Then I came back to Guwahati in 2012. There was a channel called Frontier TV. I, then, began anchoring for its morning prime show. It was, during those days, when I received a call from a producer/ director asking me if I would like to audition for a role.I gave it and that was it, the beginning.

*Q: You also secured a chance to feature in a Nat-Geo documentary. How was your experience in that?*

A:Yes, my experience was really good. It was a show on Nat-geo called "Awesome Assam". It was hosted by Sarah Todd, an Australian master chef and supermodel. I was with her. So, I learnt a lot and felt really happy to be working with such a big organisation. It was aired in both Nat Geo and Fox life.

*Q: You passed out of Debraj Roy College in 2007. Any moment of Nostalgia or experience of your college days, you would like to share?*

A: There are many, but one notably is '*Gosortolor Adda*'. You can say it started from us. We (me and some of my friends) lay the foundation for it and it sustained. We also have a group with all of mybatch mates I had from D. R. College. Weare all busy in different sectors now but our'*Gosor Tolor Adda'*still prevails. My heart still desires to visit D.R. College again, especially, to relive the moments of riding on a bicycle and our '*Adda'*under the tree.

*Q: You are now an established and renowned actor. Your story behind that?*

A: I don't know of the word'renowned' as there are many who don't know me yet. As for 'established', I can't say about that either since I have a lot more to do. But, it is whatever I have done till now and how much I have received.All I can say is enthusiasm.

*Q: Who have been your inspirations for your career or life in general?*

A: Yes, I have been inspired by some artists. They are not actors but people like Gulzaar Saab, Javed Akhtar Saab etc. They have been writing from the time my father was young and they still do . One thing I have learnt from them is how to make oneself relevant with time and that is the biggest thing.

*Q: Finally, any message you would like to dedicate to all the Debrajians out there?*

A:Just one thing. It's a beautiful college, in the first place. I, myself, am a former student. I mean it's (thecollege) one of the'best-est'of Assam, I would say. Moreover, to all theDebrajian's out there, I would like to share a simple message that whatever you believe in, dream of, aspire to do; just do it. Don't listen to the thousands out there. Keep listening to your will and you shall prosper.

*Interviewed by Yojurved & Bornali*

# এটি সুন্দৰ যাত্ৰাৰ অভিজ্ঞতাৰে...

সঞ্চিতা শইকীয়া

"Life is an adventure, it is not a package tour."
– Eckhart Tolle

সঠিক সময় আৰু সুযোগে কাৰোবাক দি যায় মধুৰ অভিজ্ঞতাৰ সোৱাদ। এনে এক সুযোগে মোক লগ দিলে ১২ জুনৰ দিনা ২০১৯ চন। সেইদিনা পৰীক্ষাৰ শেষত পুনৰ কলেজ আৰম্ভ হৈছে। প্ৰথম ক্লাছত সোমায়ে বিভাগীয় ৰুমা হাজৰিকা বাইদেউ আৰু তৰুণ গগৈ ছাৰৰ পৰা জানিব পাৰিলোঁ কলেজৰ তৰফৰ পৰা কলা আৰু বিজ্ঞানৰ মুঠ ১৩টা বিভাগৰ প্ৰত্যেকৰে দুজনকৈ ছাত্ৰ-ছাত্ৰী, ছাত্ৰ একতা সভা, NSS আৰু NCCৰ কেইজনমানসহ জুনৰ ১৫ তাৰিখে এক শিক্ষামূলক তথা সজাহতামূলক ভ্ৰমণ আয়োজন কৰাৰ কথা। ভ্ৰমণৰ লক্ষ্যস্থান আছিল — নিজৰ জীৱনৰ সৰহ সংখ্যক সময় পৰিৱেশক অৰ্পণ কৰা, প্ৰকৃতিৰ সেউজীয়া গছ-গছনিক নিজ সন্তানৰ দৰে ভালপোৱা এজন পৰিৱেশকৰ্মী, সমগ্ৰ বিশ্বৰ এক পৰিচিত নাম অৰণ্য মানৱ পদ্মশ্ৰী বঁটা প্ৰাপক যাদৱ পায়েঙৰ ৩৫ বছৰীয়া আশাশুধীয়া প্ৰচেষ্টাৰ বাস্তৱৰূপ 'মুলাই কাঠনি'।

ৰাজনীতি বিজ্ঞান বিভাগৰ হৈ মোক আৰু মোৰ সহপাঠী সমৃদ্ধিক বাইদেউ আৰু ছাৰে পঠিওৱাৰ কথা কোৱাত দুয়োজনীয়ে পোনছাটেই উত্তৰ দিলোঁ যাম। লক্ষ্যস্থানৰ কথা শুনি যেন মনটো কিবা এটা ভাল লাগি গ'ল। প্ৰকৃতিৰ বাবে জীৱনৰ সৰ্বস্ব দান দিয়া, প্ৰকৃতিৰ বুকুতে সপোন ৰচা ব্যক্তিজনক ওচৰৰ পৰা লগ পোৱাৰ হেঁপাহেৰে ১৫ জুনৰ প্ৰত্যাশিত দিনটো আহিল।

মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ উমি, জেমিল মেম আৰু অৰ্থনীতিবিজ্ঞান বিভাগৰ দেৱজিত ফুকন ছাৰৰ তত্বাৱধানত ১৫ জুনৰ দিনা ২৯ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটো ভ্ৰমণৰ বাবে সাজু হ'ল। যাত্ৰাত লগ দিলে ইতিহাস বিভাগৰ দুলেন ছাৰ আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ অনিমা বাইদেউ আৰু তেওঁৰ ছোৱালীয়ে। সেইদিনা ৰাতিপুৱা আমি সকলো ৭.৩০ বজাত কলেজত উপস্থিত হৈছিলোঁ। কিন্তু বাছ অহাত কিছু পলম হোৱাত ৮.৩০ বজাত যোৰহাট অভিমুখে আমাৰ যাত্ৰা আৰম্ভ হ'ল। গ্ৰীষ্মকালৰ প্ৰচণ্ড গৰমৰ দিন হ'লেও সেইদিনাৰ দিনটো ভ্ৰমণৰ বাবে উপযুক্ত আছিল। বতৰেও যেন আমাৰ যাত্ৰাত সহায় কৰিছিল। কিন্তু কাৰিকৰী বিজুতিৰ বাবে কিছু সময় গৈ ৰহঢলা পথাৰৰ ওচৰত আমাৰ বাছখন সলনি কৰিব লগা হ'ল।



অৱশ্যে কোনোধৰণৰ বিশেষ অসুবিধা নোহোৱাকৈ আন এখন বাছ বন্দৱস্ত কৰাত আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল। ৩৯ নং ঘাইপথৰ মাজেৰে আছিল আমাৰ যাত্ৰা। বাছখনৰ ভিতৰত এক সুন্দৰ পৰিৱেশে বিৰাজ কৰিছিল সেই সময়ত। নতুন ঠাই চোৱাৰ হেঁপাহেৰে সকলোৱে উৎফুল্লিত হৈ পৰিছিল। মাজ বাটতে খুব সম্ভৱ দেৰগাঁৱৰ এখন ধাবাত আমাক সকলোকে ৰাতিপুৱাৰ আহাৰ খুৱায়। তাৰ পাছত আকৌ আৰম্ভ হ'ল আমাৰ যাত্ৰা। এনেদৰে গৈ গৈ এটা সময়ত বালিগাঁও নামে ঠাইখনত উপস্থিত হৈছিলোঁগৈ আৰু তাৰ কিছু দূৰত আমাৰ লক্ষ্যস্থল — ককিলামুখ যাদৱ পায়েঙৰ বাসস্থল। প্ৰায় দুঘণ্টা জোৰা যাত্ৰাৰ শেষত আমি উপস্থিত হ'লো ককিলামুখৰ যাদৱ পায়েঙৰ ঘৰৰ সন্মুখত।

কলেজৰ পৰা আয়োজন কৰা এই শিক্ষামূলক ভ্ৰমণৰ উদ্দেশ্য আছিল — নৱপ্ৰজন্মক পৰিৱেশৰ প্ৰতি সজাগ আৰু সচেতন দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ ইচ্ছুক কৰি তোলা। এনে এক প্ৰয়াসৰ অংশীদাৰ হৈ কলেজৰ পৰা লৈ যোৱা পঞ্চাছটা গছপুলি সকলোৱে এটা এটা হাতত ল'লো আৰু উমি বাইদেৱে সকলোকে দিয়া কেকৰ পেকেট পানী বটল বেগত ভৰালোঁ। তদুপৰি তেওঁ সকলোকে প্লাষ্টিকৰ পেকেটসমূহ য'তে-ত'তে নেপেলাবলৈ সতৰ্ক কৰি দিয়ে। এতিয়া আমি সকলোৱে খোজ ল'লো ককিলামুখৰ ব্ৰহ্মপুত্ৰৰ এৰাসুঁতিটোৰ কাষলৈ যাৰ সিটো পাৰত আছিল প্ৰকৃতিৰ নিৰলস সাধকজনৰ সেউজীয়া পৃথিৱীখন মুলাই কাঠনি আৰু আমাৰ গন্তব্য থলী।

ঘাটত উপস্থিত হৈ দেখিবলৈ পালোঁ এক মনোৰম নৈসৰ্গিক দৃশ্য। এৰাসুঁতিৰ কাষত বৈ মনটোও ভাবনাময় হৈ পৰিছিল। মাজে মাজে পানীত নমাৰ ভয়ে বুকুত খুন্দয়াইছিল। তথাপি প্ৰকৃতিৰ এক অপূৰ্ব ৰূপৰ সাক্ষী হৈ নিজৰ কেমেৰাত বন্দী কৰাৰ বাসনাৰে সকলোৱে কিছুমানৰ বাবে ফটো তোলাত ব্যস্ত হ'ল। ইতিমধ্যে সিটো পাৰৰ পৰা এখন মেচিন নাও আমাক ব্ৰহ্মপুত্ৰৰ বুকুৰেদি কঢ়িয়াই নিবলৈ উপস্থিত হৈছিলহি।

দিনৰ প্ৰায়২.৩০মান বজাত ব্ৰহ্মপুত্ৰৰ বুকুৰেদি আৰম্ভ হ'ল আমাৰ নতুন অভিজ্ঞতাৰ যাত্ৰা। মোৰ বাবেও ই আছিল এক নতুন অভিজ্ঞতা। ইয়াৰ পূৰ্বে কোনোদিন নাৱত উঠা নাই। প্ৰথমে কিছু ভয় লাগিছিল, কিন্তু ছাৰ - বাইদেউ একেখন নাৱৰে যাত্ৰী হোৱাত ভয় আঁতৰিল। নদীৰ একা-বেঁকা গতিৰে

আগবাঢ়ি গ'ল আমাৰ নাও। পানী স্থিৰ আছিল, লাহে লাহে কিছুপৰ যোৱাৰ পাছত আমি পালোঁগৈ নদীৰ ইটো পাৰ অৰ্থাৎ মাজুলীস্থিত পায়েঙৰ মুলাই কাঠনিৰ সমীপত। জানিব পাৰিলোঁ যে আমি উপস্থিত হোৱা ঠাইৰ পৰা আৰু ৪ কি.মি. দূৰত আমাৰ ভ্ৰমণৰ লক্ষ্য ঠাই। ২০০ হেক্টৰ মাটিজুৰি নিজ হাতৰে গছ-গছনি ৰোপণ কৰি গঢ়ি তোলা মুলাই কাঠনিৰ সৰ্বময় কৰ্তা যাদৱ পায়েঙৰ হাবিলৈ আগবাঢ়ি গ'লোঁ। এইবাৰৰ যাত্ৰা আছিল টেক্টৰত। টেক্টৰৰ পিছত বহিলোঁ। ন ন অভিজ্ঞতাই যাত্ৰাপথ জীপাল কৰি তুলিছিল। ব্ৰহ্মপুত্ৰ নদী দাঁতিতে থকা পথ অৰশ্যে পথ বুলিব নোৱাৰি, অৰণ্য মাজলৈ যাবলৈ উলিয়াই লোৱা এক লুংলুঙীয়া বাটহে আছিল। যাত্ৰাপথত নদীকাষৰীয়া মুক্ত বতাহ আৰু চাৰিওপাশে সেউজীয়াৰ সমাহাৰ। পথৰ দাঁতিয়ে দাঁতিয়ে আছিল বগৰী গছ। এনেদৰে আগবাঢ়ি গৈ থাকোঁতে এটা সময়ত আমাৰ টেক্টৰখন ৰ'লগৈ আৰু আমি সকলো নামি গ'লোঁ।

অৰণ্যপ্ৰেমী পায়েঙে গঢ় দিয়া আপোন মুলাই হাবিখনত উপস্থিত হ'লোঁগৈ। তেওঁ হাবিখন চোৰাচিতাৰ বাবে কেতিয়াবা ওৰে নিশাও কটোৱা ঠাইখনলৈ সোমাই গ'লোঁ সকলো। সোমায়ে এটা খেৰৰ



চালি দিয়া গোহালি ঘৰ দেখা পালোঁ, য'ত তেওঁ নিজে গৰু পোহপাল দিয়ে আৰু আমাৰ সন্মুখত এজন সহজ-সৰল মানুহ 'যাদৱ পাঙেয়'। আমি সকলোৱে তেওঁক সম্ভাষণ জনালোঁ। দেৱজিৎ ফুকন ছাৰকে ধৰি দুলেন ছাৰ, বাইদেউ সকলোৱে আমি তালৈ যোৱাৰ উদ্দেশ্যৰ কথা জনালোঁ। পায়েং ডাঙৰীয়াই আমাৰ উদ্দেশ্যি পৰিৱেশ সংক্ৰান্তীয় কিছু কথা ক'লে আৰু সকলোকে কেৱল গছপুলি ৰোপণ কৰাতে সীমাবদ্ধ নাথাকি তাৰ লালন-পালন কৰিবলৈ আহ্বান জনায়, লগতে আন দহজনকো এই সম্পৰ্কত অনুপ্ৰাণিত কৰিবলৈ কয়। আমি লগত নিয়া গছপুলিসমূহ ৰোপণ কৰিবলৈ দেৱজিৎ ছাৰে তেখেতৰ পৰা অনুমতি বিচাৰিছিল যদিও সময়ৰ অসুবিধাৰ বাবে সকলো ৰোৱাটো সম্ভৱ নোহোৱাৰ কথা জনালে। অৱশ্যে আমাক নিৰাশ নকৰি তেওঁ ছাৰ আৰু মেমৰ হাতৰে দুই চাৰিটা পুলি ৰোৱাৰ কথা ক'লে। সেই উদ্দেশ্যে আমি তেখেতৰ অকৃত্ৰিম সৌন্দৰ্যৰ অৰণ্যখনিৰ মাজলৈ বাট ল'লোঁ। গছপুলি ৰোপণ কৰাৰ পাছত সকলোৱে অৰণ্য মানৱ খ্যাত পায়েঙৰ লগত কটোৱা সময়কণ স্মৃতিৰ একোণত সজীৱ কৰি ৰাখিবলৈ এখন ফটো তুলিলোঁ। ইতিমধ্যে ঘড়ীৰ কাঁটাই তিনিক অতিক্ৰম কৰিছে। সেয়ে তেখেতৰ হাবিৰ একেবাৰে শেষলৈ যোৱাও সম্ভৱ নাছিল। বহু আপুৰুগীয়া বিৰাটকায় গছ-গছনি, বাঁহৰে পৰিপূৰ্ণ মুলাই হাবি হয়তো তাত থকা বহু গছৰ নাম আমি নাজনোৱেই। চকুৰে মনিব নোৱৰালৈকে চাৰিওকাষে কেৱল সেউজীয়াৰ আৱৰণ। কৈশোৰ কালৰ পৰা পৰিৱেশৰ প্ৰতি থকা ভালপোৱাই গঢ় দিয়া পায়েঙৰ অক্লান্ত প্ৰচেষ্টাৰ ফল মুলাই কাঠনি এতিয়া বিশ্ববাসীৰ চিনাকী নাম। অৱশেষত সময়ে হাত বাউল দি মতাত আৰু বতৰ সেমেকা হৈ অহাত সকলোৱে সেউজীয়াৰ মাজৰ পৰা ওলাই আহি পুনৰ টেক্টৰত উঠিলোঁ। দেৱজিৎ ছাৰ আৰু দুলেন ছাৰৰ লগতে কেইজনমানে আমাৰ টেক্টৰৰ লগে লগে খোজ ল'লে। আমাৰ ওভতনি যাত্ৰাটো ৰোমাঞ্চকৰ আৰু পাহৰিব নোৱাৰা কৰি তুলিবলৈকে যেন ৰৈ আছিল ক'লা ডাৱৰছাটি। হঠাৎ জৰ্ জৰ্ কৈ নামি আহিল বৰষুণজাক। সকলো তিতি-বুৰি শেষ, ছাতি থাকিও কোনো সুবিধা নহ'ল। এনেধৰণৰ এক অবৰ্ণনীয় অভিজ্ঞতা মোৰ জীৱনত এতিয়ালৈকে হোৱা নাছিল। অৱেশ্য বৰষুণে আমাৰ যাত্ৰা ৰুদ্ধ কৰা নাছিল, আগবাঢ়িছিলোঁ একে উচ্ছ্বাস আৰু উদ্যমেৰে। ইফালে আমাৰ ঘাটলৈ নিয়াৰ উদ্দেশ্যে মেচিন নাওখন ৰৈ আছিল। টেক্টৰ এৰি সকলো নাৱত উঠিলোঁ আৰু চিপ্ চিপ্ বৰষুণত ব্ৰহ্মপুত্ৰৰ বুকুত নাৱত যোৱাৰ আমেজ ল'লোঁ। তেনেতে পানীৰ মাজতে চকুত পৰিল এখন টুলুঙা নাৱত চাইকেল আৰু কিছু বয়-বস্তুৰে সৈতে যাদৱ পায়েঙ। আগতে শুনিছিলোঁ সেইদিনা নিজে চাক্ষুসভাৱে প্ৰত্যক্ষ কৰিলোঁ পৰিৱেশৰ প্ৰতি তেখেতৰ অবুজ প্ৰীতি, যাৰ বাবেই তেওঁ পুৱাই ঘৰৰ পৰা চাইকেলেৰে আহি পুনৰ নাৱেৰে জীৱন-যাত্ৰা আৰম্ভ কৰে, বেলি লহিওৱাতহে তেওঁৰ ওভতনি যাত্ৰাৰ অন্ত পৰে তেওঁৰ অনন্য পৃথিৱীখনৰ পৰা। আমাৰো যাত্ৰা চমু চাপিছিল। অৱশেষত এটা দীঘলীয়া যাত্ৰাৰ শেষত ককিলামুখৰ ঘাটত উপস্থিত হৈ সকলোৱে তৃপ্তিৰে এসাজ খালোঁ। খাই-বৈ উঠোঁতে সন্ধিয়া ৫.৩০ বাজিবৰ হ'ল। চহৰৰ ব্যস্ততাময় জীৱনৰ পৰা আঁতৰত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ দানস্বৰূপ সুন্দৰ নদীকাষৰীয়া পৰিৱেশটো এৰি আহিবৰ মন যোৱা নাছিল। কিন্তু সময়ৰ সকীয়নীত সকলোৱে অযুত স্মৃতি বুকুত বান্ধি ধুনীয়া ঠাইখনিৰ পৰা বিদায় লৈ বাছত উঠিলোঁহি।

উভতি অহাৰ বাটত ককিলামুখৰ নয়নাভিৰাম নদী কাষৰীয়া ঠাই, সেউজীয়া বিচাৰি যোৱা পথছোৱাই বাৰে বাৰে চকুৰ আগত আমনি কৰিলেহি। হাঁহি-ধেমালি, জ্যেষ্ঠ-কনিষ্ঠৰ সহযোগিতা আৰু বহুবোৰ নতুন অভিজ্ঞতাৰ অন্তত সন্ধিয়া ৭.৩০ বজাত কলেজৰ গেটৰ সন্মুখত আমাৰ বাছখন ৰ'লহি। এনেদৰেই এটা সুন্দৰ যাত্ৰাৰ অন্ত পৰে। দিনটোৰ সেউজ পৰিৱেশত কটোৱা সেউজীয়া স্মৃতিৰে সকলো ঘৰমুৱা হওঁ যাদৱ পায়েঙৰ সেই কথাযাৰ বুকুত লৈ —

"পৃথিৱীৰ য'লৈকে নাযাওঁ কিয়
হাবিখন বুকুতে কঢ়িয়াই ফুৰোঁ".....।

# দৃষ্টিপাত

## এক পৃষ্ঠাৰ চিন্তা

# দেৱকাজীয়ান



# পৃথক ৰাজ্যৰ দাবী আৰু অসমৰ ভৱিষ্যৎ

পৰিস্মিতা বৰা
প্ৰাক্তন ছাত্ৰী

অসম 'বৰ অসম' হিচাপে পৰিচিত আছিল যদিও আঞ্চলিকতাবাদৰ ফলশ্ৰুতিতে ৰাজ্যৰ স্বায়ত্তৰ দাবী উত্থাপন হয়। সাম্প্ৰতিক সময়ত অসমত স্বায়ত্ত শাসনৰ দাবী আৰু পৃথক ৰাজ্য গঠনৰ দাবীয়ে এক ভয়ংকৰ পৰিস্থিতি সৃষ্টি কৰিছে। বিভিন্ন জনগোষ্ঠীৰ মাজত গা কৰি উঠা পৃথক ৰাজ্যৰ দাবীয়ে অসমক কোঙা কৰি পেলাইছে। অসমত কাৰ্বি আৰু ডিমাচাসকলে তেওঁলোকৰ পৃথক জাতি সত্তাৰ দাবী উত্থাপন কৰি ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত দুখন পৃথক স্বায়ত্ত শাসিত জিলা লাভ কৰে। কিন্তু এতিয়াও উগ্ৰপন্থী সংগঠনে কাৰ্বি আৰু ডিমাচাসকলৰ কাৰণে পৃথক কাৰ্বি আৰু ডিমাচা ৰাজ্য গঠনৰ দাবী উত্থাপন কৰি আহিছে।

অসমৰ ভূমিপুত্ৰ বড়োসকলেও উপ-আঞ্চলিকতাবাদী ধাৰণাৰে প্ৰভাৱিত হৈ দীৰ্ঘদিন ধৰি এখন পৃথক বড়োলেণ্ড গঠনৰ দাবী উত্থাপন কৰি আহিছে। ১৯৯৬ চনৰ মাৰ্চ মাহত এবছুৰে সুকীয়া বড়োলেণ্ড ৰাজ্যৰ দাবীত আন্দোলন আৰম্ভ কৰে। বড়ো উগ্ৰপন্থী সংগঠন 'বড়ো লিবাৰেছন টাইগাৰ্ছ'য়ে দীৰ্ঘদিন দৰি পৃথক বড়োলণ্ডৰ দাবীত সশস্ত্ৰ কাৰ্যকলাপত লিপ্ত হৈ আহিছে। বি.এল.টি.ৰ দাবীৰ ভিত্তিত ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল নামৰ এখন স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হয়। ২০০৪ চনৰ ১০ মে'ত চাৰিখন নতুন জিলা গঠনেৰে বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট (বি. টি. এডি) গঠনৰ অধিসূচনা জাৰি কৰে। কিন্তু পৃথক বড়োৰাজ্য গঠনৰ দাবীত অটল হৈ এবছুৰে এতিয়াও সৰ্বাত্মক সংগ্ৰামত অৱতীৰ্ণ হৈ আছে।

কোচ-ৰাজবংশীসকলেও স্বায়ত্ত শাসনৰ দাবী উত্থাপন কৰি কমতাপুৰ গঠনৰ পোষকতা কৰি আহিছে। কমতাপুৰ পিপুলছ পাৰ্টিৰ উদ্যোগত কমতাপুৰ ৰাজ্যৰ দাবী আৰম্ভণিতে শান্তিপূৰ্ণ আছিল যদিও এই আন্দোলনে পিছত হিংসাত্মক ৰূপ লয়। কোকৰাঝাৰ, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা আৰু পশ্চিমবংগৰ ছখন জিলাক লৈ উত্থাপিত হৈ থকা কমতাপুৰ ৰাজ্যৰ দাবী অসমৰ ভৱিষ্যতৰ বাবে এক অশনি সংকেত।

ঠিক সেইদৰে 'অসমৰ মটক লীগে' আৰু স্বাধীনতাৰ পৰাই জনজাতি হিচাপে স্বীকৃতিৰ দাবী তুলিছিল। যাঠিৰ দশকৰ পৰা কোচ-ৰাজবংশী ক্ষত্ৰিয় সন্মিলনী, সদৌ অসম চুতীয়া সন্মিলনেও জনজাতিৰ স্বীকৃতি বিচাৰি আন্দোলন কৰি আহিছে। 'আহোম টাই মংগোলীয় পৰিষদে' উজনি অসমত পৃথক ৰাজ্যৰ দাবী উত্থাপন কৰিছিল।

স্বায়ত্ত শাসিত পৰিষদ গঠনেৰে চৰকাৰে জনগোষ্ঠীসকলৰ আৰ্থ-সামাজিক, শৈক্ষিক, ভাষা, সংস্কৃতিৰ উন্নয়ন আৰু সংৰক্ষণৰ চেষ্টা কৰিছে। কিন্তু উগ্ৰ জাতীয়তাবাদৰ আক্ৰান্ত হৈ পৃথক ৰাজ্য গঠনৰ দাবী কিমান যুক্তিসংগত ? অসমৰ ভৱিষ্যতৰ কাৰণে ই সমৰ্থিত নে? পৃথক ৰাজ্য গঠনৰ দাবী প্ৰসংগিক নে অপ্ৰাসংগিক এই কথা একেষাৰতে কোৱা সম্ভৱ নহয়। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত অসমৰ ভৌগোলিক খণ্ড আছিল ২.৭০.০৮০ বৰ্গ কিলোমিটাৰ। বৰ্তমান অসমৰ মাটিকালি ৭৮,৫২৩ বৰ্গ কিলোমিটাৰ। বড়োলেণ্ডৰ দাবী ২৫.৪৭৮ বৰ্গ কিলোমিটাৰ আৰু কাৰ্বি আংলং, ডিমা হাছাও ৰাজ্যৰ দাবী ১৫.২২২ বৰ্গ কিলোমিটাৰ। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাক লৈ অসমৰ ভৌগোলিক ক্ষেত্ৰ হ'ব ৩৭.৮২২ বৰ্গ কিলোমিটাৰ। এইদৰে কমতাপুৰ। গতিকে এনে পৰিস্থিতিত অসমৰ ভৱিষ্যৎ কি?

স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হ'ল যদিও স্বায়ত্ত শাসিত এলেকাত থকা অন্য জনগোষ্ঠীৰ বিশ্বাসযোগ্য চুক্তি কৰা হোৱা নাই। যাৰ বাবে জনগোষ্ঠীসমূহৰ পৰস্পৰৰ মাজত সংশয় আৰু সংঘৰ্ষৰ জন্ম হৈছে। মিশ্ৰিত জনগাঁঠনিৰ অসমত এই সমস্যাসমূহ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে আলোচনা কৰাটো অতি প্ৰয়োজন।

অসম এখন বিভিন্ন জাতি-জনগোষ্ঠী, কৃষ্টি সংস্কৃতিৰে ভৰপুৰ ৰাজ্য। প্ৰত্যেক জনগোষ্ঠীৰে স্বকীয়তা ৰক্ষাৰ দাবীয়ে অসমত এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। পৃথক পৃথক ৰাজ্য গঠনৰ দাবীয়ে ন ন সমস্যাৰ সৃষ্টি কৰিছে অসমত। স্বকীয়তা ৰক্ষাৰ যুঁজখনে অসমক এক ভয়াবহ ভৱিষ্যতৰ দিশলৈ আগবঢ়াই নিছে। গতিকে এনে পৰিস্থিতিও চৰকাৰৰ কৰণীয় বহুতো আছে।

অসমীয়া সমাজত জনগোষ্ঠীয় সমাজৰ সৰ্বাংগীন উন্নয়ন সাধন কৰি স্বকীয়তা ৰক্ষা কৰিবলৈ দিলেহে অসমৰ সামূহিক উন্নতি সম্ভৱ হ'ব। জনগোষ্ঠীয় অঞ্চলৰ বাট-পথ উন্নয়ন সাধন কৰাৰ লগতে শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰিব লাগিব। চৰকাৰে সম্পদকৰ সম বিতৰণৰ জৰিয়তে আৰ্থ সামাজিক নায় প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব দিব লাগিব। চৰকাৰী আঁচনিসমূহ যাতে সুচাৰুৰূপে ৰূপায়ণ হয় তাৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন।

বিভাজিত অসম কেৱল অসমৰ বাবেই নহয় ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বৰ বাবেও ভাবুকি। গতিকে অসমক খণ্ডিত নকৰাকৈ সমস্যাসমূহ সমাধান কৰিবলৈ চৰকাৰে সদিচ্ছাৰে আগবঢ়ি অহা উচিত। অসমৰ অনা-জনজাতিৰ লোকসকলেও জনগোষ্ঠীয় লোকসকলক শোষণ, অৱহেলা নকৰি তেওঁলোকৰ সমস্যাসমূহ হৃদয়ংগম কৰা উচিত। স্বায়ত্ত শাসিত পৰিষদ দিলেই জনগোষ্ঠীৰ উন্নয়ন নহয় তাৰ বাবে স্বায়ত্ত শাসিত পৰিষদে সুচাৰুৰূপে নিজৰ দায়িত্ব পালন কৰিব লাগিব। কিন্তু স্বায়ত্ত সাসিত পৰিষদসমূহো সস্তীয়া ৰাজনীতি, দুৰ্নীতিৰ পৰা মুক্ত নহয় যাৰ বাবে জনগোষ্ঠীসমূহৰ প্ৰকৃত উন্নয়ন হোৱা নাই। গতিকে, সমবিকাশ, অৰ্থনৈতিক উন্নয়ণৰ বাবে ৰাজ্য চৰকাৰ আৰু স্বায়ত্তশাসিত পৰিষদৰ দায়িত্ব অপৰিসীম। ৰাজ্য চৰকাৰেও বিভাজনমূলক নীতি এৰি সদিচ্ছাৰে অসমৰ ভৱিষ্যতৰ প্ৰতি গুৰুত্ব দিয়া উচিত। ⏭

দৃ|ষ্টি|পা|ত

# নতুন পুৰুষলৈ কিছু প্ৰশ্ন, কিছু চিন্তা

**শুভ্ৰাজ্যোতি বৰা**
পঞ্চম ষাণ্মাসিক

*সময়ৰ বালিচৰত যদি, পদাংক থৈ যাব খোজা, তোমাৰ ভৰিহাল, চোঁচৰাই নিনিবা।— ড° এ পি জে আব্দুল কালাম।*

আমি সকলো সময়ৰ বালিচৰত খোজ দিয়া একো একোজন পদযাত্ৰী। পুৰণি সময় পাৰ হৈছে , ঠিক লগে লগে পদযাত্ৰীৰো অভিনয়ৰ অৱসান ঘটিছে। পৃথিৱীৰ প্ৰত্যেকটো বস্তু তথা জীৱ সকলোবোৰেই হেনো একো একোজন অভিনেতা-অভিনেত্ৰী। পৃথিৱীখন হ'ল মঞ্চ। জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজেৰে জন্মৰ পৰা মৃত্যুলৈকে থকা মাজৰ সময়চোৱা আমাৰ নাটকৰ সংলাপ। কোন দিনা নাটকৰ সংলাপ শেষ হ'ব, কোনেও নাজানে। সেয়েহে প্ৰতিগৰাকী ব্যক্তিয়ে সময়ৰ বালিচৰত খোজৰ নমুনা হৈ যোৱা উচিত। সময়ৰ লগত খোজ দিওঁতে আমি মনত কিছুমান প্ৰশ্ন আৰু অনুভৱ জাগি উঠিছে। তাকে নতুন পুৰুষৰ আগত দাঙি ধৰিব খুজিছোঁ।

প্ৰথমতে নিজৰ জীৱনত ঘটি যোৱা এটা ঘটনা বৰ্ণনা কৰিব খুজিছো। সেইদিনাই আছিল ১৭ জানুৱাৰী। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়া ছাত্ৰ এজনক সুধিলোঁ, "তুমি জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক চিনি পোৱানে? তেখেতৰ জন্মদিনটো কিমান তৰিখে, তুমি জানানে?" তেতিয়া ছাত্ৰজনে উত্তৰত ক'লে, "তেওঁ আমাৰ স্কুলত পঢ়ে নেকি? মই চিনি নপাওঁ।" তেওঁৰ উত্তৰত মই বাকৰুদ্ধ হৈ পৰিছিলোঁ। সেইদিনা নিজৰ ওচৰত খুউব লজ্জিত অনুভৱ কৰিছিলোঁ।

এতিয়া আপোনালোকেই ভাবকচোন, সময়ৰ দেওনাত খোজ দিওঁতে আমি পুৰণি স্মৃতিবোৰ মচি পেলোৱাটো উচিত জানো? এতিয়া আহো মোৰ অনুভৱৰ প্ৰশ্নবোৰলৈ —

(১) আমি সকেলোৱে নিজৰ মাতৃভাষা ৰক্ষাৰ বাবে প্ৰতিবাদ কৰিছোঁ। মুখত জাতি-মাটি,-ভেটিৰ কথা কৈ চিঞৰি ফুৰিছোঁ, অথচ আমি কথা কওঁতে মাজে মাজে ইংৰাজীত শব্দ নক'লে নহয়েই। এতিয়া, শুদ্ধ অসমীয়া ক'বলৈ গ'লে কিজানি লগৰবোৰে ইংৰাজী নাজানে বুলি ইতিকিং কৰিব বুলি বুকুত ভয়। এতিয়াৰ সময়ৰ লগত খোজ মিলাবলৈ হ'লে ইংৰাজী জনাটো খুবেই প্ৰয়োজনীয়। সেই সময়ত খোজ দিবলৈ গৈ আমি নিজৰ মাতৃ-ভাষাক বিসৰ্জন দিছোঁ। কিন্তু অন্য দেশসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে তেওঁলাকে কেতিয়াও নিজৰ মাতৃভাষা অগ্ৰাহ্য কৰা নাই। নিজৰ সন্তানক ইংৰাজী মাধ্যমত পঢ়ুৱাইছে আৰু আনৰ আগত হাঁহি হাঁহি গৰ্বৰে কৈছে , 'মোৰ ল'ৰাই অসমীয়া ক'ব নাজানে'। নিজৰ মাতৃ-ভাষা নজনাটো যে কিমান লক্ষ্যণীয় কথা, দুখৰ কথা সেইটো বুজিবলৈ অভিভাৱকসকলৰ কিমান সময় লাগিব?

(২) আজি ভাৰতবৰ্ষ স্বাধীন হোৱা ৭২ বছৰ সম্পূৰ্ণ হ'ল। অথচ আমি প্ৰকৃতাৰ্থত স্বাধীন হ'লোঁনে? এটা কথা ঠিক যে ব্ৰিটিছৰ শাসনৰ পৰ মুক্ত হ'লো, কিন্তু এতিয়াও চোন হাজাৰ হাজাৰ শ্ৰমিক কোনোবাজনৰ অধীনত কাম কৰি আছে। যিটো বয়সত শিশুসকলে পঢ়া-শুনা কৰিব লাগিছিল, সেই সময়ত তেওঁলোকৰ ওপৰত শ্ৰমৰ বোজা তুলি দিয়া হৈছে কিয়?

(৩) এইখন দেশতে দ্ৰুতগতিত বৃদ্ধি পাইছে ধৰ্ষণ বলাৎকাৰ, হত্যাকাণ্ডৰ দৰে নিৰ্মম ঘটনা। কিয় আজি নাৰী অকলশৰে বাটলৈ ওলাই যাবলৈ দহোবাৰ চিন্তা কৰিব লাগে। ৰাতিপুৱাতে ওলাই যোৱা মৰমৰ মানুহবোৰ সুকলমে ঘৰ পাবহিনে নাই, সেই লৈ বুকুৰ মাজত কিয় অহৰ্নিশে বাজি থাকে শংকা। মূলা-গাভৰু, কনকলতাৰ দেশতো আজি বাৰে বাৰে নাৰী কিয় ধৰ্ষিতা? একেখন আকাশৰ তলত একে ঠাইতে আমি কিয় গঢ়ি তুলিব নোৱাৰোঁ এডাল একতাৰ জৰী আৰু এটা অসমৰ পৰিয়াল, য'ত আমি সকলো একেগৰাকী মাতৃৰ সন্তান।

(৪) পুৰণি কালত শিক্ষাৰ অভাৱ আছিল, অন্ধবিশ্বাস, ৰীতি-নীতিত বিশ্বাস কৰিছিল। কিন্তু আজি বিজ্ঞান-প্ৰযুক্তিৰ যুগত, শিক্ষাৰ প্ৰসাৰ হোৱা সত্বেও আজিও নাৰীক ডাইনী সজাই, সাধাৰণ মানুহক সোপাধৰা সজাই নিৰ্মমভাৱে হত্যা কৰা হৈছে। তেন্তে কেনেকৈ ভাবি লওঁ যে আমি আধুনিক।

(৫) পুৰণি দিনত মানুহে বহুদিনৰ মূৰত চিঠিৰ যোগে আত্মীয়ৰ লগত যোগাযোগ কৰিছিল। বিহুৰে সংক্ৰান্তিয়ে একেলগে বহি এসাঁজ ভাত খাইছিল। কিন্তু এতিয়া, মোবাইল ফোন, ইণ্টাৰনেটৰ যোগতো আমাৰ খবৰ এটা ল'বলৈ আহৰি নাই। আমি সকলোবোৰ নিজৰ মাজত ব্যস্ত হৈ পৰিছোঁ। সময়ৰ বালিচৰত খোজ দিবলৈ গৈ হেৰুৱাই পেলাইছোঁ নিজৰ সংস্কৃতি। আনকি আমি বাপতিসাহোন বিহুটোতো মুগাৰ সাজযোৰ পিন্ধি বিহুলৈ ওলাই নাযাওঁ। ৰাইজৰ চোতালত বিহু, গছৰ তলৰ বিহু এতিয়া হৈ পৰিল মঞ্চৰ বিহু।

(৬) আজিৰ শিক্ষাই প্ৰতিযোগিতাত নামিছে। ছাত্ৰই অধিক নম্বৰ লাভ কৰি নিজৰ জীৱন গঢ়িছে। যদি তেওঁ তেওঁৰ জীৱনৰ সামান্য মানৱতাখিনি পাহৰি যায়, তেন্তে উচ্চ শিক্ষা গ্ৰহণ কৰি তেওঁৰ কি লাভ হ'ল?

মোৰ মনত গঢ়ি উঠা প্ৰশ্নবোৰ আপোনালোকৰ মাজতো জগাই তোলক। নিজৰ নিজৰ মনৰ মাজত শুদ্ধ উত্তৰ বিচাৰক। এতিয়াৰ এই সময় যুক্তিৰে বিবেচনা কৰা সময়। গতিকে আমি প্ৰতিজন ব্যক্তি সজাগ হ'বৰ গ'ল। সকলোবোৰ সময়ৰ দাস। সময়ৰ লগত খোজ দিবলৈ হ'লে সকলো নেওচি সময়ৰ লগত আগবাঢ়িব লাগিব। কিন্তু নিজৰ বিবেচনাৰে। নতুনক গ্ৰহণ কৰি পুৰণি ইতিহাস পাহৰি গ'লে এই অসমখন এদিন ৰসাতলে যাব। অতীতৰ ভুলবোৰ শুদ্ধৰাই নতুন দৃষ্টিত নতুনযুক্তিৰে সমাজ গঢ়িব লাগিব। সময় থাঁকোতেই সকলো শুদ্ধ নকৰিলে নতুন প্ৰজন্মৰ সন্মুখত আমাৰ অস্তিত্ব একোৱেই নাথাকিব। ঃঃঃ

# অসমীয়াৰ হেঁপাহৰ ৰং ‘জেতুকা’

হিমাশ্ৰী দাস
তৃতীয় যাণ্মাসিক

‘জেতুকা পাতৰে ৰঙা বোল
অকণি হাত
মিঠা মিঠা আদৰে দোলা দি গ’ল
এধানি মনত .....’

‘জেতুকা’ অসমীয়া সংস্কৃতিৰ এক চিৰপৰিচিত শব্দ। জেতুকাৰ ৰঙা ৰঙা বোলনেই সকলোৰে মনৰ বসন্তৰ বতৰা দিয়ে। অসমীয়াৰ প্ৰাণস্বৰূপ ৰঙালী বিহুৰ অপৰিহাৰ্য অংগ ‘জেতুকা’ সমগ্ৰ ভাৰতৰ সৌন্দৰ্য চৰ্চাৰ এক প্ৰধান উপাদান।

**বৈজ্ঞানিক দৃষ্টিভংগীৰে জেতুকা ঃ**

অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ জেতুকাৰ বৈজ্ঞানিক নাম হৈছে Lawsonia Inermis। জেতুকাৰ পাতত Lawsone (2-hydroxy - 1, 4 - naph - thoquinone) নামৰ এবিধ ৰঞ্জক পদাৰ্থ থাকে যাৰ বাবে আমাৰ ছালত, নখত আৰু চুলিত ৰঙা কমলা ৰং ধৰে। Lawsone - এ ছালত থকা Protein আৰু চুলিত থকা Karatin- ৰ লগত বিক্ৰিয়া কৰি ৰঙা ৰহন সানে। জেতুকাৰ ৰং প্ৰথমতে পাতল হয় যদিও পাছলৈ জাৰণ বিক্ৰিয়াৰ বাবে ডাঠ ৰং ধৰে।

জেতুকাৰ ৰং হাতৰ তলুৱাত বেছিকৈ লাগে। হাতৰ তলুৱাত ছালৰ তৰপবোৰ ঘনকৈ থাকে যাৰ বাবে Lawsoneএ বিক্ৰিয়া বেছিকৈ কৰে। তদুপৰি বিভিন্ন কাৰকেও জেতুকাৰ ৰঙৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। দীৰ্ঘসময় ধৰি জেতুকা লগাই থ’লে ৰং বেছিকৈ লাগে। জেতুকা লগোৱা ঠাইত তাপ দিলে ৰাসায়নিক বিক্ৰিয়া তীব্ৰ কৰি সোনকালে ৰং ধৰাত সহায় কৰে। প্ৰাকৃতিকভাৱে তৈয়াৰী জেতুকাই কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নকৰে। আজিকালি বজাৰত পোৱা জেতুকাৰ পাউডাৰত ক্ষতিকাৰক PARAPHENYLENEDIAMENE (PPD) থাকে যিয়ে ছালৰ কোষৰ জৰিয়তে ৰক্ত প্ৰবাহত মিলি যায় আৰু লিভাৰ, কিডনী আদিৰ ক্ষতি কৰে। যিহেতু জেতুকাই কোনো ধৰণৰ প্ৰাকৃতিক সমস্যাৰ সৃষ্টি নকৰে সেয়েহে সমগ্ৰ বস্ত্ৰ উদ্যোগত ইয়াক ব্যৱহাৰ কৰা হয়।

**জেতুকাৰ বনৌষধি গুণ ঃ**

(ক) জেতুকা হাতৰ তলুৱাত বান্ধিলে হাতৰ ছালৰ খজুৱতী নাশ হয়।
(খ) নখত জেতুকা ব্যৱহাৰ কৰিলে নখ খৰ, নখ ফটা আদি ৰোগ নাশ হয়। তদুপৰি চুলিৰো বিভিন্ন সমস্যা নাশ হয়।
(গ) জেতুকাই তেজ পৰিষ্কাৰ কৰে।
(ঘ) জেতুকাৰ ৰসে বসন্ত ৰোগ নিৰাময়ত সহায় কৰে।
(ঙ) উচ্চ ৰক্তচাপ, শৰীৰৰ বিভিন্ন ৰোগ উপশমত জেতুকাৰ ব্যৱহাৰ হয়।
(চ) মুখৰ ভিতৰৰ ঘা, জণ্ডিচ আদিৰ উপশমতো জেতুকাৰ ব্যৱহাৰ হয়।

বিভিন্ন ঔষধি গুণসম্পন্ন জেতুকা অসমীয়া সংস্কৃতিৰ এনে এক অধ্যায় যাক বাদ দি অসমীয়া সংস্কৃতি সম্পূৰ্ণ নহয়। কুঁহিপাত সদৃশ শিশুৰ হাতৰ পৰা আৰম্ভ কৰি বসন্তৰ নিবিড় বতাহৰ দৰে যৌৱন আৰু সন্ধিয়াৰ বিদায়ী বেলিৰ ৰহন সনা বৃদ্ধাৱস্থাৰ মাজৰ অনুভৱৰ নাম ‘জেতুকা’।

‘হাতত জিলিকি ৰওক জেতুকাৰ বোল
বিশ্বই শুনক অসমীয়াৰ ঢোল।’ ঃঃঃ



Peat lands are found in more than 175 countries. The largest peat deposite are located in North America, Northern Europe and South east Asia.

Peat lands are of six principal global types, these are – Blanket mires, Raised mires, String mires, Tundra mires, Palsa mires and Peat Swamps. New areas are still discovered such as the world's largest tropical peat land discovered the forests of the Congo Basin in 2017.

Peat lands have some economic benefit too. Peat is highly used in commercial horticulture because of its high water retaining ability and flow of air, Peat is used as fuel to generate electricity. Peat lands are drained and used for pasture and crop production.

A lack of awareness of the benefits of peat lands means that they have severely exploited 15% of the world's peat lands, these have released huge amount of green house gas.

Urgent action worldwide is required to protect, sustainably manage and restore peat lands.

# গল্প

# দেব্‌ৰাজীয়ান





# কোকলোঙা

শৰৎ চেতিয়া

পঞ্চম ষাণ্মাসিক

দৃশ্যপট - ১ ঃ

নীৰৱে বৈ থকা নৈখনৰ পাৰে পাৰে প্ৰাণ-চঞ্চল মনটোৰ সৈতে সুহুৰিয়াই প্ৰশ্ন আগবাঢ়িল। দৈয়াং নদীৰ পাৰতে সিহঁতৰ বসতি। দৈয়াঙেই সিহঁতৰ আশা ভৰসাৰ থলী, দৈয়াঙেই সিহঁতৰ জীৱন। ৰৌদ্ৰোজ্বল প্ৰতিটো পুৱাতেই দৈয়াঙৰ নৈসৰ্গিক শোভাই কঢ়িয়াই আনে সিহঁতৰ পৰিয়ালটোলৈ আশাৰ সঞ্চাৰ। তাৰ দেউতাক এজন মাছমৰীয়া। ৰুগীয়া মাকে তাক জীৱনৰ অৰ্থ শিকাইছে। গৃহিণী মাক আৰু প্ৰিয় দেউতাকৰ সৈতে সিও ৰচে আন শত সহস্ৰজনৰ দৰেই সপোনাৰ মায়াজাল। উৰুখা পঁজাতেই সিও দেখে নিজৰ সৰু মনৰ সাম্ৰাজ্যখনত ভৱিষ্যতে সোণেৰালী কাৰেং গঢ়াৰ সপোন। সেয়েহে হয়তো আৰ্থিক অনাটন স্বত্ত্বেও প্ৰসন্নই পঢ়াশুনাত একাগ্ৰতাৰে মনোনিৱেশ কৰিব খুজিছে , সপোনবোৰক এসময়ত দিঠক হিচাপে পৰিণত কৰাব খুজিছে।

কিন্তু বাৰিষাৰ বলিয়া বানে তাৰ সপোনক বাৰুকৈয়ে প্ৰত্যাহ্বান জনাই গ'ল। বিদ্যোৎসাহী মন এটা থকা সত্ত্বেও তাৰ কিতাপ পত্ৰকে আদি কৰি সৰ্বস্ব বিলীন হ'ল নদীৰ বুকুত। মথাউৰিৰ অস্থায়ী ঘৰটোৰ পৰা সি ঠিকেই অনুমান কৰিছে, তাৰ নিঃশেষ হৈ যোৱা মৰমৰ ঘৰটোৰ অস্তিত্ব আছিল সৌ নদীত হালি থকা মেটেকা দমৰ ওচৰতেই। প্ৰসন্নৰ যন্ত্ৰণাত দগ্ধ হৃদয় আৰু মাক দেউতাকৰ শেতা মুখ দুখনৰ সংমিশ্ৰণত সি হেৰুৱাই পেলাইছে জীৱনৰ সংজ্ঞা।

পাঠ্যক্ৰমত সন্নিৱিষ্ট আদৰ্শৱান নিৰপেক্ষ সাহিত্যিক, বৈজ্ঞানিক, সমাজ সংস্কাৰতকৈ বহু উৰ্দ্ধত হেমকান্ত বৰুৱা। দৰিদ্ৰ অথচ মেধাৱী ছাত্ৰ প্ৰসন্নৰ মনত অৱধাৰিত ভাৱে অংকুৰিত হ'বলৈ ধৰিলে ৰাজনীতিৰ বীজ, দেশ তথা জাতি সংস্কাৰৰ বীজ, নিজে দুখত থাকি আনক সুখৰ জীৱন অতিবাহিত কৰিবলৈ সুবিধা প্ৰদান কৰা মানৱতাৰ বীজ।

দৃশ্যপট - ২ ঃ

কিন্তু দুৰ্বিসহ জীৱনটো পুনৰ নতুনকৈ চাবলৈ শিকাইছে সিহঁতৰ সমষ্টিৰে মুধা ফুটা নেতা হেমকান্ত বৰুৱাই। শিক্ষাৰ্থীসকলৰ পাঠ্যপুথিকে প্ৰমুখ্য কৰি সাহায্য প্ৰদান কৰা অনুষ্ঠানত প্ৰসন্নই হেমকান্তৰ ভাষ্য শুনিছে, 'আপোনাসৱৰ সমস্যাই আমাৰ সমস্যা। ৰাইজৰ মঙ্গলাৰ্থে, ৰাইজৰ শান্তি-সম্প্ৰীতি বজাই ৰখাৰ স্বাৰ্থত মানৱতাৰ খাতিৰত আপোনাসৱৰ সৈতে মই বিনিদ্ৰ ৰজনী কটাবলৈও সাজু আছোঁ।" উদাৰতা আৰু গাম্ভীৰ্য সমৃদ্ধ এক সুকীয়া ব্যক্তিত্ব কাষৰ পৰা পাই প্ৰসন্নও ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিলে। বানপানীৰ সময়ত এটি কিশোৰক হেমকান্তই নদীৰ প্ৰবল সোঁতৰ পৰা সাঁতুৰি গৈ ৰক্ষা কৰাৰ কথা ইতিমধ্যেই প্ৰসন্নই শুনিছে। সিও এদিন মানুহক হেমকান্ত বৰুৱাৰ দৰে সহায় কৰিব, বুভুক্ষজনৰ আৰ্তনাদ নিবাৰণ কৰিব, প্ৰকৃত মানৱতাৰ নিদৰ্শন দাঙি ধৰিব। হেমকান্তৰ বলিষ্ঠ নেতৃত্ব, সুলভ গুণ, তেখেতৰ আশ্বাস, বিশ্বাস আৰু সাহস প্ৰদানৰ বিৰল গুণসমৃদ্ধ প্ৰতিটো কথাই তথা মানৱীয় প্ৰমূল্যবোধ সম্পন্ন কাৰ্যপন্থাই প্ৰসন্নৰ মনত গভীৰ সাঁচ বহুৱালে। যেন পাঠ্যক্ৰমত সন্নিৱিষ্ট আদৰ্শৱান নিৰপেক্ষ সাহিত্যিক, বৈজ্ঞানিক, সমাজ সংস্কাৰতকৈ বহু উৰ্দ্ধত হেমকান্ত বৰুৱা। দৰিদ্ৰ অথচ মেধাৱী ছাত্ৰ প্ৰসন্নৰ মনত অৱধাৰিতভাৱে অংকুৰিত হ'বলৈ ধৰিলে ৰাজনীতিৰ বীজ, দেশ তথা জাতি সংস্কাৰৰ বীজ, নিজে দুখত থাকি আনক সুখৰ জীৱন অতিবাহিত কৰিবলৈ সুবিধা প্ৰদান কৰা মানৱতাৰ বীজ।

দৃশ্যপট - ৩ ঃ

বৰ্তমান এটা খবৰে সমগ্ৰ অঞ্চলবাসীৰ মনত বিভীষিকাৰ সৃষ্টি কৰিবলৈ ধৰিলে। প্ৰসন্নই আহুকাণে-পহুকাণে বিতং বিৱৰণ শুনিছে। ভাতৃঘাতী সংঘৰ্ষৰে ৰাঙলী হৈছে সমগ্ৰ অঞ্চল। প্ৰাপ্ত তথ্য অনুসৰি এটা গৰুৰ ছিন্ন মুণ্ড মন্দিৰৰ নাতিদূৰত অৱস্থিতি আৰু সেই দিনাই ৰাতি মছজিদৰ চৌহদত এটা মৃত গাহৰিৰ উদ্ধাৰৰ ঘটনাই কঁপাই তুলিছে সমগ্ৰ অঞ্চল। হিন্দু মুছলিমৰ মাজত সংঘটিত ৰক্তাক্ত ঘটনাবোৰে উপলুঙা কৰি গ'ল একবিংশ শতিকাৰ তথাকথিত আধুনিক মানৱক। পৰিস্থিতি ইমানেই ভয়ংকৰ হ'ল যে ইতিমধ্যেই সমগ্ৰ অঞ্চলতেই আৰক্ষী বাহিনী মোতায়ন কৰা হ'ল।

হঠাৎ সন্ধিয়া তাৰ মাকৰ দেহাটো অসুস্থ হৈ পৰাত খোজকাঢ়িয়েই ঔষধ আনিবলৈ বুলি প্ৰসন্নই মথাউৰিত অৱস্থিত পঁজাটোৰ পৰা কিছু নিলগৰ গাঁৱৰ তিনি আলিলৈ বুলি বাট বুলিলে। হঠাৎ কিছু মৃদু কোলাহল শুনি মথাউৰিটোত শব্দৰ সন্ধান কৰি সি আগবঢ়িল। প্ৰসন্নই মথাউৰিটোৰ এক নিৰ্জন পৰিৱেশত মুকলি আকাশৰ তলত লক্ষ্য কৰিলে কেইজনমান পাহুৱাল ডেকাৰ মদৰ আড্ডা। কথাৰ পৰা প্ৰসন্ন নিশ্চিত হ'ল যে সিহঁত কোনোবা ৰাজনৈতিক নেতাৰ দালাল। কিছু সময়ৰ পাছত এজন ডেকাই নিজকে প্ৰশংসা কৰি কৈ উঠিল, "হেমকান্ত ছাৰে কামটোৰ বাবে মাত্ৰ ৩ হাজাৰ দিছিল, কিন্তু মই বহুত খাতিৰ কৰি আমাৰ কাৰণে দহ হাজাৰ আনিছো। মন্দিৰত গৰুৰ মূৰ আৰু মছজিদত মৰা গাহৰি পেলাই থৈ অহাটো চাৰে কম বিপদজনক কাম দিয়া নাছিল।" তাৰ পাছত শুনা গৈছিল আটাইকেইজনৰে প্ৰাণখোলা বিজয়সূচক হাঁহি।

স্নিগ্ধ জোনাকৰ ৰূপোৱালী পৰিৱেশত ভগ্ন মনোৰথে তিনি আলিলৈ বুলি প্ৰসন্ন আগবাঢ়িল। কিছু সময়ৰ বাবে ৰুদ্ধ হৈ পৰিল। সি সেইজন হেমকান্ত বৰুৱাৰ কথা শুনি আহিলে, যিজন হেমকান্ত বৰুৱা তাৰ কাৰণে আছিল ভগৱানস্বৰূপ। তাৰ মনৰ দাপোণত সেইজন নেতাৰ বগা কামিজটো চেকাৰে পৰিপূৰ্ণ হৈ পখৰা হোৱা দেখা পালে, যিজন নেতাই মানুহৰ সম্প্ৰীতিৰ বাবে সৰ্বস্ব উজাৰি দিবলৈ মুখেৰে প্ৰতিশ্ৰুতি দিছিল। আজি কোনে বুজিব প্ৰসন্নৰ স্পন্দিত হৃদয়ৰ অস্ফুট গাথা। দোদুল্যমান অৱস্থাৰেই গৈ সি ঔষধালয়ত উপস্থিত হ'লগৈ। ঔষধ কিনি থকা অৱস্থাতেই ঔষধালয়ৰ বেৰত থকা টেলিভিচনৰ পৰ্দাত পৰৱৰ্তী বাতৰিৰ শিৰোনামকেইটালৈ প্ৰসন্নই দৃষ্টি নিক্ষেপ কৰিলে। টেলিভিচনৰ পৰ্দাত ভাঁহি আহিল, "ভাতৃঘাতী সংঘৰ্ষৰ বিৰুদ্ধে সবল স্থিতি জনপ্ৰিয় নেতা হেমকান্ত বৰুৱাৰ।" "সবিশেষ চাওঁক আঠ বজাৰ বিশেষ এঘণ্টাত।" সি সশব্দে হাঁহি উঠিল। অনুসন্ধিৎসু চকুবোৰক আওকাণ কৰি মাকৰ ঔষধ লৈ ধীৰ খোজেৰে প্ৰসন্ন আগবাঢ়িল। ঃঃঃ



# আলি-কেঁকুৰি

দিব্যজ্যোতি শইকীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা

নীলা আকাশখনৰ তলেদি বগলী দুটিমান উৰি গৈ আছে কোনোবা অদূৰলৈ। ৰান্ধনি ৰ'দৰ পৰশত কৃষ্ণচূড়াজোপাৰ এফাল উজলি উঠিছে যদিও আনফালে নিস্তেজ। মাথো বতাহৰ পৰশত দুৰুদুৰুকৈ কঁপি উঠিছো বৰুৱাই নিস্তব্ধ হৈ চাই আছে সকলোবোৰ।

মৌনতাৰ সাগৰত ঝংকাৰ তুলি সমুখৰ উপপথটোৰে পাৰ হৈ গ'ল এখন মালবাহী ট্ৰাক। গাটো অলপ লৰাই পুনৰ বৰুৱা আৰামী চকীখনত হেলান দি বহি পৰিল। বৰ ভাগৰুৱা যেন অনুভৱ কৰিলে বৰুৱাই। নিৰ্জনতাক ভাল পোৱা বৰুৱা এতিয়া নিঃসংগতাৰ সৈতে যুঁজি যুঁজি ক্লান্ত হৈ পৰিছে। বৰুৱাৰ অমনোযোগিতাক উপলুঙা কৰি স্মৃতিয়ে হৃদয় সাগৰৰ তীৰত ঢৌ হৈ বাৰম্বাৰ খুন্দা মাৰিছেহি। চেষ্টা কৰিও বৰুৱাই নিজক ভাবনাৰ মেৰপেচৰ পৰা মুক্ত কৰিব পৰা নাই। বাধা পালে পানীৰ সোঁত বাঢ়ে। বৰুৱাৰ ক্ষেত্ৰতো সেয়াই প্ৰযোজ্য। বৰুৱাৰ সকলো চেষ্টা বাৰিষাৰ বানক বালিৰে ভেঁটা দিয়াৰ দৰেই হৈছে। স্মৃতিৰ ছাঁ-পোহৰ পৰা বিশাল ক্ষেত্ৰখনৰ হাত বাউলিৰ ওচৰত বৰুৱাই হাৰ মানিছে বহুবাৰ।

বৰুৱা আচৰিত হৈ ভাবে, আচলতে জীৱনে তেওঁক কি দিলে? জীৱনৰ পৰা কি পালে বা নাপালে সেয়া বৰুৱাৰ বাবে আজিও সাঁথৰ। কি নাই বৰুৱাৰ। অথচ কিয়ে বা আছে তেওঁৰ। এতিয়া তেওঁ জীয়াই থকাৰ মূল্যই বা কিমান...? তেওঁৰ কি পৰিচয় আছিল, কি আছে...? ভাৱনাই বৰুৱাক কেতিয়াবা বেঙে মুতা গৰুৰ দৰে অস্থিৰ কৰি তোলে। কেতিয়াবা মাজ নিশা কেতেকীৰ বিননিয়েও চুব নোৱৰা বেদনাৰ সাগৰত জোলোকা জোলোকে পানী খুৱায়। কেতিয়াবা দুই ওঁঠত বিৰিঙাই তোলে ক্ষন্তেকীয়া

অথচ সদ্যোজাত শিশুটিৰ মুখৰ হাঁহি। শেষত বৰুৱাই বিশ্বাস কৰিবলৈ বাধ্য হয় স্মৃতিয়ে হুঁহুৱায়, স্মৃতিয়ে কন্দুৱায়, এই প্ৰবাদ বাক্যশাৰী।

বৰুৱা আছিল মধ্যবিত্ত পৰিয়ালৰ সন্তান। মেট্ৰিক আৰু হায়াৰ ছেকেণ্ডৰী পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। স্নাতক মহলাতে বৰুৱাৰ জীৱনৰ সৰলৰৈখিক নদীখনে ক্ৰমাৎ একা-বেঁকা গতি লৈছিল। আজিও বৰুৱাক আমনি কৰে কেতিয়াবা এহাল কজলা বৰণৰ বাষ্পকুল চকুৱে মহাবিদ্যালয়ৰ সপ্তাহৰ দুবাৰকৈ শ্ৰেষ্ঠ সাহিত্যিকৰ সন্মান অৰ্জন কৰা হেতু বৰুৱা গাৰ্লছ্ কমনৰূম চৰ্চাৰ পাত্ৰ হৈ পৰিছিল। বৰুৱাই বিশ্বাস কৰিছিল প্ৰেম সৰগীয় তথা পবিত্ৰ। কিন্তু বৰুৱাই কলেজীয়া প্ৰেমৰ কোনো ধৰণৰ সুস্থিৰতা বিচাৰি পোৱা নাছিল। সেয়ে বৰুৱাই নিজকে এই প্ৰেমৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিল। যাৰ কাৰণে বৃষ্টিৰ দৰে এজনী ছোৱালীৰ ভালপোৱা প্ৰস্তাৱো বৰুৱাই একেষাৰতে না কৰিবলৈ শক্তি পাইছিল।

জীৱনৰ আঠাইশটা বসন্ত পাৰ হোৱাৰ পাছতহে বৰুৱাই যুগ্ম জীৱনৰ পাতনি মেলিছিল। প্ৰথম দুটা বসন্ত আনন্দৰে পাৰ হোৱাৰ পাছতেই বৰুৱাৰ সংসাৰত কলীয়া মেঘৰ ছাঁ পৰিছিল এটি দুটিকৈ পাহি মেলিবলৈ লোৱা পদুম কলিটিয়ে সম্পূৰ্ণ পাহি নেমেলোটেই বৰুৱাৰ দুহাতৰ বন্ধনৰ পৰা আঁতৰি গৈছিল বহু দূৰলৈ বৰুৱাক অকলশৰীয়া কৰি ...।

বৰুৱাই এতিয়াও বহু বিনিদ্ৰ ৰজনী পাৰ কৰে সপোনৰ পখিলা খেদি। ৰোমন্থন কৰে নিশাৰ নিৰ্জনতাত নিজৰ অতীতক। আজিৰ পৰা প্ৰায় দুবছৰ মানৰ আগত, এদিন বৰুৱাই লগ পাইছিল কলেজীয়া বন্ধু শ্যামলক। পুত্ৰ পৰিবাৰ সবাৰে শ্বপিং কৰিবলৈ আহিছিল সি। বৰুৱাই চিনিয়ে পোৱা নাছিল। শ্যামলেহে মাত দিছিল প্ৰথমে...

ঃ কিহে বৰুৱা শ্বপিং কৰা নেকি?

ঃ অ'... তুমি ...।

ঃ পাহৰি গ'ল নেকিহে, শ্যামল।

ঃ অ' অ', কোৱাচোন কেনেকুৱা খবৰ?

ঃ খবৰ ভালে দিয়া, এয়া দেখিছাই নহয়, পিচে তোমাৰ কথা কোৱা, গল্প-কবিতা লিখি আছানে নাই...?

ঃ বাদ দিছোঁ, বাকী ভালে দিয়া...।

ঃ অ' বৃষ্টিৰ খবৰ ৰাখিছানে? তাই এতিয়া দিনে ৰাতিয়ে সমাজৰ কামতে ব্যস্ত ...।

ঃ ....!!

সেইদিনাৰ পৰা বৰুৱাই বাহিৰত ওলাবলৈ ভয় কৰা হ'ল। অতীতৰ বন্ধুক লগ পালেই বৰুৱাৰ স্মৃতিৰ পটত খুলি যায় আপোনা আপুনি। অনেকযোৰ চকুৱে একেলগে বৰুৱাক যেন থকা-সৰকা কৰি থৈ যায়। এতিয়া প্ৰায় ঘৰতে থাকে বৰুৱা। ৰাতিপুৱা ৰবাৰ্টক লৈ সন্মুখৰ উপ-পথটোত অলপ খোজ কাঢ়ে। তাৰ পাছত হকাৰে দি থৈ যোৱা পেপাৰ মেলি লৈ পঢ়ে, চাহ খায়, মন গ'লে টিভিটো মেলি লয়। ক্ৰিকেট খেল বিশেষকৈ ভাৰতৰ হ'লে বৰুৱাই প্ৰায়ে চায়, লগত ৰবাৰ্ট। আবেলি আগতে ওলাই গৈছিল যদিও আজিকালি ঘৰতে থাকে। নিজৰ চৌহদৰ ভিতৰতে পাক দুটামান মাৰে। মিটিৰ কুটুম বুলিবলৈ ভায়েকটো, সিও ব্যৱসায় সংক্ৰান্ততে ঘূৰিয়ে ফুৰে। অন্যৰ মানুহৰ লগতো বৰুৱাৰ সম্পৰ্ক প্ৰায় কমিয়ে আহিছে। বৰুৱাৰ ব্যৱসায়ো এতিয়া ভায়েকে চায়। ঘৰতে ল'ৰা এটা ৰাখিছে , ঘৰত সকলো কাম সিয়ে কৰে। গতিকে বৰুৱাৰ এতিয়া অপৰ্যাপ্ত সময়।

আজি বৰুৱাই বৰকৈ নিসংগ অনুভৱ কৰিছে। সঁচাকৈ মানুহে সমাজ নহ'লে থাকিব নোৱাৰে নেকি বাৰু...। বৰুৱাই আজি জীৱনৰ লগৰীয়াৰ অভাৱ অনুভৱ কৰিছে। যিমানে অনুভৱ গভীৰ হৈ গৈছে সিমানে বাষ্পকুল দুটি নয়নে বৰুৱাক অস্থিৰ কৰি তুলিছে। সদায় হাঁহিমুখে থকা ছোৱালীজনীয়ে বিদায় পৰত বাষ্পকুল দুচকুৰে বৰুৱাক কি কৈছিল, সেয়া বৰুৱাৰ মনত নাই। মাথো মনত আছে এখন ৰঙা নোট বুক তাই বৰুৱাক দিছিল। তেতিয়া পঢ়িছিল যদিও তাত কি লিখা আছে বৰুৱাই এতিয়া ক'ব নোৱাৰে।

হঠাৎ বৰুৱাৰ মন গ'ল বৃষ্টিৰ সেই নোটবুকখন এবাৰ পঢ়ি চাবলৈ। কিজানি জীয়াই থকাৰ প্ৰেৰণা পায়ে। কিজানি পায় যায় মৃত্যু দিনা সঞ্জীৱনী মন্ত্ৰৰ সন্ধান। মুহূৰ্ততে বৰুৱাই নিজস্ব ৰিডিংৰূমত সযতনে সাঁচি ৰখা পুৰণি নোটবুকখন উলিয়াই আনিলে। হালধীয়া বৰণ ধৰা প্ৰতিখিলা পাতৰ ওপৰত গোট গোট আখৰে লিখা প্ৰতিটো শব্দই যেন আজি বৰুৱাক নতুন বসন্ত আদৰাৰ বাবে শক্তি যোগাব। একান্ত মনেৰে বৰুৱাই চকু ফুৰাই গ'ল। পাহৰণিৰ গৰ্ভত পিছলি পৰা বহু মধুৰ মুহূৰ্ত পুনৰ সজীৱ হৈ ধৰা দিলে বৰুৱাৰ মনৰ দাপোণত। শেষত কি লিখিছিল তাই - "তোমাৰ হৃদয়ৰ বৰফবোৰ যেতিয়া গলিব, তেতিয়া এবাৰলৈ মোক মনত পেলাবা।" হৃদয়খন তেন্তে বৰফ আছিল নেকি যদি আছিল এতিয়াও বৰফ হৈ আছে নে গলিব ধৰিছে। বৰুৱাই ভাৱি থাকিল, নাই এতিয়া হৃদয়ৰ বৰফ গলি পানীও শেষ হ'ল। এতিয়া বৰুৱাৰ হৃদয়ত নৈপৰীয়া এৰাবাৰীৰ ইকৰা গজিছে। লাহে লাহে বৰুৱাই বহীখন বুকুত সাৱতি লৈ শুই পৰিল আৰামী চকীখনত। ভাৱনাৰ সাগৰত টৌ খেলি থাকিল বহু সময়লৈ একেটি বাক্য - "এবাৰলৈ মোক মনত পেলাবা...."

ইতিমধ্যে ৰাতিৰ মহানগৰখনে সাৰ পাই উঠিছে। ৰবাৰ্টে সন্মুখৰ খিৰিকিৰে একান্তমনেৰে চাই আছে ব্যস্ত মহানগৰীৰ আলেখ লেখ। খোলা খিৰিকীৰে সোমাই আহিছে স্নিগ্ধ জোনৰ সুবাস। বৰুৱা ওলায় আহিল সন্মুখৰ বাগিচাখনলৈ। কাষৰ গছজোপাৰ পৰা বাদুলি এটা হঠাৎ উৰি গ'ল ধপ্ .. ধপ্... ধপ্..... ঃঃঃ

# অভিশপ্ত বৰষুণ

য়াছ্মিন আলম
পৰিকলন বিভাগ, প্ৰথম ষাণ্মাসিক

দবাপিটা বৰষুণজাকৰ পাছত হঠাৎ আকাশখন ফৰকাল হৈ পৰিল। নতুনকৈ দৌৰিবলৈ শিকা শিশুৰ দৰে ডাৱৰবোৰ ইফালৰ পৰা সিফাললৈ দৌৰিবলৈ ধৰিলে।

আকাশে ওপৰৰ পিনে এবাৰ দৃষ্টি নিক্ষেপ কৰি ধীৰ খোজেৰে নদীৰ ফালে যাব ধৰিলে। নদীৰ পাৰত বহি সি চৌপাশৰ দৃশ্য বিমুগ্ধ হৈ কিছু সময় চাই থাকিল। চৌপাশৰ প্ৰত্যেকটো সৰু-ডাঙৰ বস্তুৰেই সি এতিয়া আৰু তেতিয়াৰ লগত কল্পনা কৰি চালে। একোৰেই যেন মিলা নাই এই সকলো বস্তুৰে।

সৰুৰে পৰা সেই নদীখনৰ বিভিন্ন ৰূপ দেখি আহিছে সি। কিন্তু যোৱা দুদিন মানৰ আগত সি সেই ল'ৰালি কালৰ বন্ধু-স্বৰূপ নদীখনৰ যি ৰূপ দেখিলে সেয়া তাৰ কল্পনাৰো অগোচৰ আছিল। আকাশে উদাস মনেৰে পানী এচলু হাতত লৈ ধৰি ৰখাৰ অসফল প্ৰচেষ্টা চলাই চালে। সৰুতে যি খন নদীত সাঁতুৰি-নাদুৰি ডাঙৰ হৈছিল সেই নদীখনেই এতিয়া তাৰ আৰু তাৰ গাঁওখনৰ কাৰণে কাল স্বৰূপে থিয় দিছে।

যোৱা এমাহৰ আগতে বানে সৃষ্টি কৰা তাণ্ডৱে সিহঁতৰ জীৱনৰ সকলো আশা যেন শেষ কৰি থৈ গ'ল এখন নিষ্ঠুৰ হৃদয়ৰে সৈতে।

এই সকলো কথা ভাবি থাকোঁতেই ওচৰৰ পৰা অহা এটা শব্দই তাৰ সকলো ভাব ভংগ কৰিলে। শব্দটো তাৰ কাষৰ পৰাই আহিছিলে। সি লাহে লাহে শব্দটো অনুসৰণ কৰিলে। যেতিয়া সি সেই শব্দটো অহা ঠাইত উপস্থিত হ'ল সি উপলব্ধি কৰিলে যেন তাৰ বাকী থকা আশাকণো লাহে লাহে একেবাৰে নাইকিয়া হৈ পৰিল। সি নিজৰ চকুৰ আগত তাৰ সকলো সপোন ভাঙি পৰা দেখা পালে। তাৰ ঘৰখন লাহে লাহে গড়াখহনীয়াত খহি খহি নদীত মিলি গ'ল। এফালৰ পৰা যেন সকলোবোৰ গ্ৰাস কৰিহে নিছে নদীখনে আৰু এতিয়া তাৰ শেষ আশা থকা ঘৰখনো তাৰ পৰা কাঢ়ি লৈ গ'ল, য'ত সি সৰুৰে পৰাই খেলি-ধূলি বৰ্তমানৰ পৰ্যায়। পাইছেগি। তাৰ যেন চিঞৰি-চিঞৰি কান্দি দিবৰ মন গ'ল। নিমিষতে গড়া-খহনীয়াই এটা এটাকৈ তাৰ গাঁওখনৰ সকলোবোৰ বিধস্ত কৰি নিলে। সি হস্পিতালত থকা বেমাৰী মাক আৰু পাচলি বেপাৰ কৰি যেন তেন পৰিয়ালটো পোহপাল দি থকা দেউতাকৰ কথা চিন্তা কৰি চালে। ভাবিও পাৰ নোপোৱা এটা অৱস্থাত যেন সি উপনীত হ'ল। এইবোৰৰ কাৰণে সি ভগৱানক দোষাৰোপ কৰিলে। ভগৱানৰ প্ৰতি থকা আস্থা সম্পূৰ্ণৰূপে হেৰাই যোৱা উপক্ৰম হ'ল। কোনো ফালেই আশা দেখা নাপালে সি। কেৱল নিৰুপায় হৈ বিধবস্ত হোৱা তাৰ মৰমৰ ঘৰটো থকা ঠাইলৈ চাই ৰ'ল। সি ভাবি চালে এতিয়ালৈকে পোৱা কষ্ট কি সিহঁতৰ কাৰণে কম আছিলনে? যেতিয়াই সি তাৰ মাক-দেউতাকৰ কথা ভাৱি চাই তাৰ বুকুখন গধুৰ হৈ পৰে। অশ্ৰুসিক্ত চকুৰে এইবোৰ ভাবি চাই সি কোনো ফালেই আশাৰ ৰেঙণি দেখা নাপাই কেৱল চাই ৰ'ল আকাশৰ ফালে। ঃঃঃ





# দৰ্পচূৰ্ণ

ঋত্বিজ ঠাকুৰ
উঃ মাঃ প্ৰথম বৰ্ষ (কলা শাখা)

আমাৰ গাঁৱত ভাওনা পাতিছে। "কালহংসৰ দৰ্পচূৰ্ণ"। মোৰ এইবাৰ আখৰা চোৱা নহ'ব। গৰমৰ বন্ধত বাংগালুৰুত থকা পেহীৰ তালৈ যাম বুলি আগতেই 'প্লেন' কৰি থোৱা আছে. পেহীহঁতৰ ঘৰৰ কাষতে থকা অৰবিন্দয়ো মোক কেতিয়াবাৰ পৰা মাতি আছে। অৰবিন্দ মোৰ ভাল বন্ধু। আগৰবাৰ তালৈ যাওঁত সি মোক তাৰ বহু ঠাই ফুৰাইছিল। সি এটা সংস্কৃতিৱান পৰিয়ালৰ ল'ৰা।

ইতিমধ্যে গৰমৰ বন্ধ আৰম্ভ হ'ল। মই খুৰাৰ লগত লৈ বাংগাৰুলু পালোঁগৈ। আমি ট্ৰেইনত গ'লোঁ। ঘৰৰ পৰা আগদিনাই গৈ এৰাতি গুৱাহাটীত থকা বৰদেউতাহঁতৰ ঘৰত থাকিলোঁ। মই যোৱাৰ বাবে অৰবিন্দৰ কিযে স্ফূৰ্তি। সি মোক কৈ থৈছিল - 'তুমি ইয়ালৈ আহিলে এইবাৰ ময়ো তোমালোকৰ লগত অসমলৈ যাম।' তাৰ সম্পৰ্কীয় মোমায়েক এজনে এন.আৰ.এল.ত ভাল চাকৰি কৰে। মোক পেহীহঁতৰ ঘৰত থৈ ফুৰা দুদিনৰ পিছতে ঘূৰি আহিল। তাত মই কেইবাদিনো থাকিলোঁ।

দুদিনমানৰ পাছতে আমাৰ নামঘৰত ভাওনা। পেহা-পেহীৰ লগত আমি আহিবলৈ ওলালোঁ। আমি মানে মই আৰু অৰবিন্দ। সি আমাৰ লগত অহাটো আগৰ পৰাই খাতাং কৰি থৈছিল। তদুপৰি পেহা-পেহীহঁতৰ যোৰহাটত থকা পুৰণা ঘৰখনৰক সৰুজনী ভতিজা ৰিনিকিবাৰ কেইদিনমানৰ পাছতে বিয়া। দৰা হেনো দুলিয়াজানত।

মই অৰবিন্দক ক'লো "তুমিতো ইয়াক মোক বহুত কিবা কিবি দেখুৱালা। তোমালোকৰ এইফালৰ কলা-সংস্কৃতিৰ লগত, বন্ধু-বান্ধৱৰ লগত মোক চিনা পৰিচয় কৰাই দিলা, এইবাৰ মই তোমাক আমাৰ ভাওনা দেখুৱাম।" সি ক'লে - "মই ভাওনাৰ কথা শুনিছোঁ, কিন্তু আজিলৈকে

ভাওনা বাৰু কি হৈছে! এতিয়া বাৰু কোনে প্ৰৱেশ কৰিছে। মানুহ বাৰু কিমান হৈছে! পুষ্প দাইটি আৰু বৰ বায়নক এইবোৰ কথা সোধোঁ জানো! এনে এশ-এবুৰি প্ৰশ্ন মোৰ মনত ভাঁহি উঠিছে।

হ'লে চোৱা নাই। তুমিযে কৈছিলা গোটেই নিশা ভাওনা হয় বুলি, মই কিন্তু গোটেই নিশা চাম।" 'হ'ব হ'ব চাবা' - মই ক'লোঁ।

ভাওনাৰ আগদিনাখন আহি আমি ঘৰ পালোঁহি। আমাক ঘৰত থৈ পেহা-পেহী যোৰহাটলৈ গ'লগৈ। সেইদিনা ঘৰতে জিৰণি ল'লোঁ। কালিলৈ অৰবিন্দক আমাৰ ভাওনা দেখুৱাম। ভাওনা চাই সিয়ে কিমান মজা পাব। সি ঘূৰি গৈ তাৰ মানুহ খিনিক আমাৰ পৰম্পৰা, আমাৰ কলা-সংস্কৃতিৰ বিষয়ে ক'বগৈ। ৰাতি সি মোৰ লগত ভাওনা সম্পৰ্কে বহু কথাই পাতিলে। বৰদেউতায়ো আমাৰ আলোচনাত ভাগ ল'লে। সি বৰদেউতাক পেঘেনিয়াই পেঘেনিয়াই কথাবোৰ সুধি থাকিল। মাজতে আহি ভণ্টি ৰাখিয়ে আমাক আমনিও কৰিছিল। সি কিন্তু আমনি পোৱা নাছিল। 'ভাত খাবৰ হ'ল তহঁতৰ ভাগৰ লগা নাইনে? কালিলৈ ভালকৈ চাই আহিবা অৰবিন্দ। এতিয়া ভাত খাই শুই থাকা।' কথাকেইটা কৈ মা পুনৰ পাকঘৰলৈ ঘ'ল।

আজি দেওবাৰ। আমাৰ নামঘৰত ভাওনা। পুৱাই ডবাৰ শব্দত খকমকাই বিছনাৰ পৰা উঠিলো। এয়া চাগে পুষ্প দাইটি। পুষ্প দাইটি নামঘৰীয়া। অৰবিন্দ উঠিল। দেখিলো সি ব্ৰাচেৰে দাঁত ঘঁহি ঘঁহি বাৰান্দাত থিয় দি আছে। ওচৰতে ভণ্টি। সি ভণ্টিক ভাওনাৰ কিবা কিবি কৈ আছে। তাৰ চাগে' আজি বৰ আনন্দ। সি আজি ভাওনা চাব। কালি বৰদেউতাৰ পৰা কথাবোৰ শুনি ভাওনাৰ বাদে আন কথা তাৰ মূৰত নোসোমোৱা হ'ল।

দিনৰ ভাগত আমি এপাক এন.আৰ.এল.ৰ পৰাও আহিলোঁগৈ। সন্ধিয়াৰ আগে আগে তাৰ পৰা ঘূৰিলোঁ। আহি পাই গা ধুলোঁ। অৰবিন্দই ধুলে। মা পাকঘৰত আমালে ৰুটি ভাজি কৰাত ব্যস্ত। আজি আমি চবেই ৰুটি খাম। অৰবিন্দই পাকঘৰলৈ গৈ মাক ক'লৈগৈ 'খুৰি আমাৰ দুটাক আগতীয়াকৈ দিব। আমি সোনকালে ভাওনালৈ যাম।' ভণ্টিকো আমাৰ লগতে নামঘৰলৈ যাবলৈ লাগে। মায়ে ক'লে - 'তই আমাৰ লগত যাবি।'

ইতিমধ্যে নামঘৰত গায়ন আৰম্ভ হ'ল। অৰবিন্দৰ মনত কেতিয়া যাও কেতিয়া যাওঁ লাগি আছে। মোকো সি যথেষ্ট আমনি দিছে। অৰবিন্দ আৰু মই ভাওনালৈ বুলি ওলালোঁ। গৈ কেঁকুৰিটো পাইছোঁহে মাথোন; এখন বাইক দ্ৰুতগতিত আহি আছে। বাইকৰ স্পীড দেখি আমি একেবাৰে ৰাস্তাৰ দাঁতি পালোঁগৈ। সি জেওৰাখনত ভেঁজা দি যিমান পাৰে সিমান দাঁতিলৈ গ'ল। এনেতে এটা বিৰাট শব্দ কৰি গছ এজোপাত খুন্দা মাৰি বাইকখন আৰু বাইকৰ আৰোহী দুজন উফাল খাই চিটিকি পৰিল। আমি দুটাই দৌৰি গৈ মানুহ দুটাক দাঙি ধৰিলোঁ। মোৰ বুকুখন টিপিংকৈ গ'ল। এয়াচোন বিকি দা আৰু সত্য দা। ঠাইডোখৰ তেজ আৰু পানীৰে লুতুৰি-পুতুৰি হ'ল। কিবা এটা উৎকট গোন্ধত অৰবিন্দ নাক কোঁচালে। এয়া কিহৰ গোন্ধ আমাৰ আৰু বুজিবলৈ বাকী নাথাকিল।

সত্য দাদা নামঘৰীয়াৰ ল'ৰা আৰু বিকিৰ দেউতাক বৰবায়ন।

এক দুইকৈ বহুত মানুহ গোট খালে। কোনে জানো খবৰ দিলে ১০৮ এম্বুলেঞ্চ আহি পালেহি। চবেই ধৰি-মেলি দুইটাকে গাড়ীত উঠালোঁ। লগত এতিয়া কোনো নযায়। মাজতে কোনোবা এটাই ক'লে - "মৰিলে মৰক। ডিঙিলৈকে এসোপা গিলি আহিছে। পেণ্টৰ পকেটতো আনিছে।"

অৰবিন্দ আৰু মই সিহঁতৰ লগত হস্পিতাললৈ যাব লগা হ'ল। আমি দুটা এতিয়া হস্পিতালত সিহঁতৰ লগত ব্যস্ত। ইতিমধ্যে বহুপলমকৈ হ'লেও নামঘৰীয়া পুষ্প দাইটি আৰু বৰবায়নো আহি পালেহি।

ভাওনা বাৰু কি হৈছে! এতিয়া বাৰু কোনে প্ৰৱেশ কৰিছে। মানুহ বাৰু কিমান হৈছে! পুষ্প দাইটি আৰু বৰ বায়নক এইবোৰ কথা সোধো জানো! এনে এশ-এবুৰি প্ৰশ্ন মোৰ মনত ভাঁহি উঠিছে। অৰবিন্দৰ মুখত মাত নাই। হস্পিতালৰ বাৰান্দাৰ বেঞ্চ এখনত সি আঁউজি বহি আছে। লাজত তাৰ ওচৰলৈ যাবলৈ মোৰ সাহস হোৱা নাই। সি বাৰু মোক ভাওনাৰ কথা আৰু সুধিবনে? সি ঘূৰি গৈ আমাৰ কলা-সংস্কৃতিৰ কথা কি ক'বগৈ! সি বাৰু কি ভাবিছে! আমাৰ গাঁওবোৰ, গাঁৱৰ মানুহবোৰ এনেকুৱাই নেকি? আজি ভাওনাৰ দিনটোত বিকি দাদা, সত্য দাদাহঁতে আগভাগ লৈ কৰিব লাগিছিল কি আৰু কৰিলে কি? সিহঁত দুটাৰ এটাৰ বাপেক নামঘৰীয়া আৰু আনটোৰ বাপেক বৰবায়ন। দেখিলো, বেঞ্চখনৰ এটা চুকত আউজি অৰবিন্দ শুই পৰিছে।



অৰবিন্দৰ আৰু ভাওনা চোৱা নহ'ল। সি ভাওনাৰ কথা সুধি মোক আৰু আমনি নকৰে। তাক যে মই কৈছিলোঁ, আমাৰ কলা-সংস্কৃতিৰ কথা চব বুমেৰাং হৈ গ'ল। এইবিলাকক লৈ কৰা মোৰ গৌৰৱ, মোৰ অহংকাৰ নিমিষতে শেষ হৈ গ'ল। মোৰ দৰ্পচূৰ্ণ হ'ল। অ' মোৰ মনত এনে ভাব হৈছে যেন কালহংসৰ নহয় মোৰহে দৰ্পচূৰ্ণ হ'ল। কালিলৈ সি এন.আৰ.এল.ত থকা তাৰ মোমায়েকৰ ঘৰলৈ যাবগৈ। কথাযাৰ ভাবি মোৰ স্বৰ্গ ঢুকি পোৱা যেন লাগিল। ঃঃঃ

# অব্যক্ত বেদনা

জ্ঞানশ্ৰী বৰা

পৰিকলন বিভাগ, তৃতীয় ষাণ্মাসিক



পুৱা বাহি চোতাল সাৰোঁতে ডিঙি মেলি মেলি ৰাস্তালৈ চোৱাটো এক ধৰণৰ স্বভাৱেই হৈ উঠিছে বন্দনাৰ। গুৱাহাটীৰ পৰা নিবেদিতা আহিলে প্ৰায়ে নাইট ছুপাৰত আহে আৰু চাৰিআলিত বাছৰ পাৰ নামি গপ্‌গপ্‌কৈ খোজকাঢ়ি এইখিনি সময়তে পদূলি পায়হি। প্ৰথমে জীয়েকক অকলে নাইট ছুপাৰত অহা কথাটোক লৈ যথেষ্ট আপত্তি কৰিছিল বন্দনাই। কিন্তু কেৱল যাত্ৰাৰ নামতে দিন এটাৰ অমূল্য দহ ঘণ্টা সময় খৰচ কৰিবলৈ নিবেদিতা সন্মত নহয়।

“নাইট জাৰ্ণিৰ সুকীয়া আমেজ আছে মা। খিৰিকীৰ বাহিৰৰ ৰাতিৰ পৃথিৱীখন বৰ মায়া সনা হয়। এনেয়েতো আৰু মাজ নিশা ৰাস্তাত ফুৰোঁ বুলি ওলাব নোৱাৰোঁ। এইকণ সুখৰ পৰানো মোক কিয় বঞ্চিত কৰিবলৈ বিচাৰিছা মা?” নিবেদিতাই বুজাইছিল। আপত্তি কৰিবলৈ এৰি দিছিল বন্দনাই। গুৰু গোঁসাই নমনা, যুক্তি নথকা সকলো কথাৰে প্ৰতিবাদ কৰি ফুৰা জীয়েকৰ ভৱিষ্যতৰ কথা ভাবি তেওঁ শংকিত হয়। এক সময়তে তেওঁ গৌৰৱবোধ কৰে যে নিবেদিতা তেওঁৰ দৰে ভীৰু নহ’ল, তাই সাহসী। সৰুকালত নিবেদিতাক কাষত বহুৱাই নিজৰ মাকৰ পৰা পোৱা সংস্কাৰৰ টোপোলাটি মেলিবলৈ যতন কৰিছিল বন্দনাই - “ছোৱালী হৈ জন্ম হ’লে বহু কথাই সহ্য কৰিব লগা হয়। অলপ সহনশীল হ’বি...।” উচাৎ মাৰি বহাৰ পৰা উঠি মাকলৈ চকুহাল ডাঙৰ কৰি খেংখেঙাই উঠিল নিবেদিতা — ঠিক তোমাৰ দৰে নহয়। তোমাৰ দৰে সকলো অন্যায় সহ্য কৰি মানুহৰ আগত

মই চুপ হৈ থাকিম আৰু ৰাতি ৰাতি চকুৰ পানীৰে গাৰুৰ কভাৰ তিয়াম...? ইয়াকে বিচাৰা তুমি? চুপ হৈ গৈছিল বন্দনা।— মাকৰ পৰা পোৱা সংস্কাৰৰ টোপোলা কেতিয়াও নুখুলিলে আৰু নিবেদিতাৰ আগত।

আচৰিত ধৰণে বন্দনাক সদায় ব্যক্তিগত সম্পত্তি হিচাপে জ্ঞান কৰা অনিমা চলিহা গৰ্বিত আজি জীয়েকক লৈ। হাইস্কুলৰ ইংৰাজী শিক্ষক মানুহজনৰ কিমান যে আশা আছিল জীয়েকক লৈ। ষ্টাৰ লৈ মেট্ৰিক পাছ কৰি গুৱাহাটীৰ এখন কলেজৰ আৱাসী হ'লগৈ তাই আৰু ইয়াৰ পিছতে গুৱাহাটীৰ আগশাৰীৰ বাতৰি কাকত এখনত যোগদান কৰি চিনাকি দিলে এজনী প্ৰতিষ্ঠিত ছোৱালী হিচাপে আৰু তেতিয়াৰ পৰাই বাহি চোতাল সাৰোতে ডিঙি মেলি ৰাস্তালৈ চোৱাৰ অভ্যাসটো গঢ়ি উঠিল বন্দনা চলিহাৰ।

চাকৰি পোৱাৰ পাছতে মাক-দেউতাকৰ সন্মতিক্ৰমে সাংবাদিক হিচাপে কাৰ্যনিৰ্বাহ কৰা ৰাজবীৰ চলিহাৰ লগত বিবাহ পাশত আৱদ্ধ হয়। আচৰিত ধৰণে সৰুৰে পৰা ঘৰৰ বাহিৰত থকা ছোৱালীজনীৰ বিয়াৰ পিছত ঘৰখন শুদা শুদা লাগিল বন্দনাৰ। কিন্তু সকলোকে আচৰিত কৰি বহাগৰ বিহুৰ উৰুকাৰ দিনা হুৰমুৰকৈ ঘৰ ওলালহি নিবেদিতা। ব্যস্ত হৈ উঠিছিল চলিহা দম্পত্তি— তই এনেদৰে? কাইলৈ বিহু দেখোন? মা-দেউতাই বেয়া নাপাবনে? মাক-দেউতাকৰ বিতত অৱস্থা দেখি মৰম লগাকৈ হাহিছিল তাই। হাঁহি হাঁহি সকলো প্ৰশ্নৰ উত্তৰ দি'লে, চোৱা দেউতা, ৰাজবীৰহঁতৰ তিনিজন ল'ৰা বিহুত দাদা বৌহঁতৰ সকলোৱে ঘৰখন ভৰি থাকিব। কিন্তু মই যদি নাহোঁ বিহুৰ দিনাও দেখোন তোমালোক অকলে থাকিব লাগিব। পৰিস্থিতিটো পাতল কৰিবৰ বাবে সামান্য হাঁহি পুনৰ কৈছিল তাই বিয়াৰ পাছত ৰাজৰ লগত তাৰ মাক-দেউতাকৰ সম্পৰ্ক একে থাকিব আৰু মই ছোৱালী বাবেই মোৰ লগত তোমালোকৰ সম্পৰ্ক শিথিল হৈ যাব লাগিব, নহয়নে? জীয়েকৰ কথাই আশ্বস্ত কৰিব নোৱাৰিলে বন্দনাক কিন্তু জীয়েকৰ লগত তৰ্ক কৰাৰ সাহস নাই তেওঁৰ।

কিন্তু এই দৃঢ় নিৰ্ভীক ছোৱালীজনীৰ বিৰুদ্ধে এদিন সজাগ হৈ উঠিছিল এটা তীব্ৰ প্ৰতাপী সংগঠন। প্ৰতিক্ৰিয়াৰ বাবে পৰোৱা নকৰি বিদেশী ৰাষ্ট্ৰ লগত সম্পৰ্কৰ বিষয়ে লিখিছিল নিবেদিতাই। সংগঠনটোৱে ভাবুকি দিছিল নিবেদিতাক। তীব্ৰ আলোড়নৰ সৃষ্টি হৈছিল নিবেদিতাৰ এই কাৰ্যত কিন্তু নিবেদিতাৰ মুখৰ দৃঢ়তা অলপো কমা নাছিল। অস্থিৰ হৈ পৰিছিল ৰাজবীৰ। কিন্তু তাইৰ এই দৃঢ়তা বেছি সময় স্থায়ী নহ'ল। সহজভাৱে কথা পাতি থকা ছোৱালীজনীয়ে অকস্মাৎ উচাট্ মাৰি উঠি ক'বলৈ ধৰিলে, - "কেনেদৰে তুমি এনে কথা ক'ব পাৰিলা ৰাজ? তুমি জানা মই যি লিখিছিলোঁ সেয়া সম্পূৰ্ণ সত্য। মোৰ হাতত প্ৰমাণ আছে আৰু সেইখিনি অসত্য বুলি মই কেনেদৰে ক'ম এতিয়া?" ওচৰ চাপি আহিছিল বন্দনা, অৰিন্দম চলিহা। ৰাজে তেওঁলোকক কথাখিনি বুজাই কৈছিল। এসপ্তাহ আগতে নিবেদিতাৰ ভাবুকি দিয়া সংগঠনটোৱে যোগাযোগ কৰিছিল ৰাজবীৰৰ লগত। তেওঁলোকে নিবেদিতাই সংগঠন বিৰোধী প্ৰতিবেদনখন অসত্য আছিল বুলি ৰাজহুৱাভাৱে স্বীকাৰ কৰাটো বিচাৰিছিল অন্যথা বেলেগ ব্যৱস্থা লোৱা হ'ব বুলি ভাবুকি দিছিল সদস্যকেইজনে। কিন্তু এই কথাৰ সম্পূৰ্ণৰূপে বিৰোধিতা কৰিছিল নিবেদিতাই। ৰাজবীৰ আৰু নিবেদিতাৰ তৰ্কাতৰ্কিয়ে এসময়ত চূড়ান্ত ৰূপ ল'লে। নিবেদিতাৰ মতামত সলনি কৰিব নোৱাৰি বিৰক্ত হৈ পৰিছিল ৰাজবীৰ। বিৰক্তি লুকুৱাৰ সামান্যও চেষ্টা নকৰি সি মুকলিকৈ কৈ উঠিল - এনে এটা সংগঠনক জোকাই লোৱাৰ পৰিণতি কেনে হয় কোনে জানে? এনেদৰে ভাবুকি পাই থাকিলে মই কাম কৰিব নোৱাৰো। তুমি যি কৰা কৰি থাকা। তোমাৰ বাবেময়ো বিপদ মাতি আনিব নোৱাৰোঁ। ইয়াকে কৈ সকলোকে আচৰিত কৰি নিবেদিতাক লগ নধৰাকৈয়ে ৰাজবীৰ বাছত উঠিল। নিবেদিতাৰ মুখত এটি ব্যংগৰ হাঁহি এটা ফুটি উঠিল।

বহুপৰলৈ স্তব্ধ হৈ ৰ'ল বন্দনা আৰু অৰিন্দম চলিহা। নিবেদিতাই একো নক'লে বৰঞ্চ নিস্তেজ আৰু করুণ হৈ পৰা তাইৰ মুখখন লাহে লাহে স্বাভাৱিক হৈ পৰিল।

অলপ আগতে গুৱাহাটীলৈ বুলি ওলাই গৈছে নিবেদিতা। তাইক আগবঢ়াই দিবলৈ যোৱা দেউতাক এতিয়াও আহি পোৱাহি নাই। নিবেদিতাৰ কোঠাৰ বিছনা পাৰিবলৈ যোৱা বন্দনা যেন স্থানু হৈ পৰিল। গাৰুৰ কভাৰটোত এটা পাতল পানীৰ দাগ। তেওঁ ঠিকেই বুজি পালে, এয়া চকুলো, চকুলোৰে দাগ।

বন্দনাৰ বুকুখন অত্যন্ত গধুৰ গধুৰ লাগিল। বাঢ়নিডাল লৈ তেওঁ চোতাল সাৰিবলৈ আৰম্ভ কৰিলে। অভ্যাসবশতঃ তেওঁ ৰাস্তালৈ ডিঙি মেলি চালে। কোনে জানে এই দীঘল ৰাস্তাটোৰে নিবেদিতা পুনৰ কেতিয়া ঘৰলৈ আহিব। কোনে জানে এই প্ৰতীক্ষাৰ অন্ত ক'ত....? ঃঃঃ

গ|ল্প

# সেই ছোৱালীজনী

## অংকিতা দত্ত

পঞ্চম ষাণ্মাসিক

সৰু চহৰখনৰ সোঁমাজতে পৌৰসভাৰ কাৰ্যালয়। ওচৰত ড° ভূপেন হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ ত্ৰিমূৰ্তিৰ সমন্বয় ক্ষেত্ৰ। সমুখতে এটা ফুটপাথত বস্তা এটা পাৰি বহি থাকে সেই সৰু ছোৱালীজনী। ছোৱালীজনী দেখিবলৈ বৰ ধুনীয়া। তাইৰ মুখত বিষাদৰ চিন নাই।

সেই ছোৱালীজনীৰ নাম কি মই নাজানো। তাই বৰ ধুনীয়া গীত গায়, তাইৰ গীত শুনি পথচাৰী ৰৈ যায়। কাৰোবাৰ মুখৰ পৰা মই শুনিলোঁ যে তাইৰ মাক-দেউতাকৰ ভগ্ন স্বাস্থ্য। তেওঁলোক অসহায় বাপেকৰ কোনো উপাৰ্জনৰ পথ নথকাৰ বাবে তাই পঢ়া-শুনা আধাতে এৰি এইদৰে ফুটপাথৰ ওপৰত বহি গীত গাই নিজৰ পৰিয়ালটো পোহপাল দিয়ে।

মই অফিচলৈ যাওঁতে বাটত তাইক সদায় দেখোঁ। তাই ড° ভূপেন হাজৰিকা, জ্যোতিপ্ৰসাদ আৰু বিষ্ণুপ্ৰসাদৰ গীত বৰ সুন্দৰকৈ গায়। বিশেষকৈ ড° ভূপেন হাজৰিকাৰ সেই কালজয়ী গীতটো -

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা? সমনীয়া,
মানুহে মানুহৰ বাবে ...

এই গীতটো তাই প্ৰায়ে গায়। পথচাৰীয়ে তাইৰ গান শুনি ভাল পায় আৰু তাইক দুই, এটকা দিয়ে,ময়ো দিওঁ। এদিনাখন অফিচলৈ যাওঁতে মই বাটত তাইক দেখা নাপালোঁ। তাইৰ বস্তাটো ফুটপাথতে পৰি আছিল। মই ওচৰৰে পাণদোকানখনত সোধাত দোকানীজনে ক'লে যে সেইদিনা আছিল ৰবিবাৰ। সেইদিনাখন ছোৱালীজনীয়ে "মানুহে মানুহৰ বাবে.." গানটো গাই থাকোঁতে এখন টাটা মেজিকে তাইক খুন্দিয়াই থৈ গ'ল। তাই ৰাস্তাত ছটফটাবলৈ ধৰিলে, ৰাস্তাটো তেজেৰে ৰক্তাক্ত হৈ গ'ল। বাটৰ মানুহবোৰ কিছুপৰ থৰ লাগি ৰ'ল। কিছু সময়ৰ পাছত সকলোৱে নিজৰ কামত ব্যস্ত হৈ পৰিল। কোনোবাই তাই ছট্‌ফটাই থকা দৃশ্য কেমেৰাত বন্দী কৰিলে। কিছুমানে তাইৰ এই দৃশ্য দেখি নাক কোঁচালে। কিন্তু কোনেও তাইক চিকিৎসালয়লৈ লৈ নগ'ল। প্ৰায় ৪৫ মিনিট সময় তাই বিষত চিঞৰি চিঞৰি ছট্‌ফটাই অৱশেষত প্ৰাণ ত্যাগ কৰিলে। তাইৰ নিথৰ দেহ বহু সময়লৈকে ৰাস্তাত পৰি থাকিল।

এনে বেদনাদায়ক ঘটনাটো শুনি মোৰ বুকুখন বিষাই গ'ল। মই অন্তৰত বৰ বেজাৰ পালোঁ। মই ভাবিবলৈ বাধ্য হ'লোঁ যে সেই ছোৱালীজনীক বচাবলৈ কোনো মানুহৰ হৃদয় নগলিল নে? কৰ্মব্যস্ততাৰ মাজত মানুহে নিজৰ মানৰ ধৰ্ম পালন কৰিবলৈ পাহৰি গ'ল নেকি? মানুহৰ দয়া, ক্ষমা, পৰোপকাৰ আদি মানৱীয় ধৰ্মবিলাক নাথাকিলে মানুহ জানো পশুতুল্য নহ'ল। ঃঃঃ



# এজাক সপোন যেন বৰষুণ


**ময়ুৰাক্ষী শইকীয়া**

তৃতীয় ষাণ্মাসিক


সন্ধ্যা লাগিবৰ হ'ল। আবেলিৰ পোহৰ জাক খোলা খিৰিকীৰে সোমাই কোঠাটো পোহৰাই তুলিলে। এজাক বতাহ আহি ৰাজশ্ৰীৰ গোটেই শৰীৰটো জীপাল কৰি গুচি গৈছে। ডুব যাওঁ যাওঁ হোৱা বেলিটোৰ ফালে একেথৰে ৰৈ চাই চাই তাই ভাবত বিভোৰ হৈ আছে। ক্রিং... ক্রিং ... ক্রিং... হঠাতে বাজি উঠা ফোনটোৱে তাইৰ ভাবত যতি পেলাই দিলে।

ঃ হেল্ল' ড° ৰাজশ্ৰী বৰদলৈয়ে কৈছোঁ।

ঃ হয় বাইদেউ, অহা কালি যোৰহাট মেডিকেল কলেজত এখন সভাৰ আয়োজন কৰা হৈছে , তালৈ আপোনাক নিমন্ত্ৰণ জনালোঁ। আপোনাৰ অলপ সময় আমাক দি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ জনাই যেন।

ঃ হয়, মই নিশ্চয় যাম।

ঃ ধন্যবাদ বাইদেউ।

পুৱা ঠিক ৯.০০ মান বজাত তাই ৰেডী হ'ল। নিজৰ বক্তিত্বতকৈ সাধাৰণ পোছাক এযোৱা পৰিধান কৰিছে। সকলো থাকিও আজি তাই বৰ অকলশৰীয়া অনুভৱ কৰিছে। নিজকে যেন ক্ষমা কৰিব পৰা নাই তাই। প্ৰায় ১০.০০ মান বজাত তাই সভাত উপস্থিত হ'ল। অলপ পাছতেই সভা আৰম্ভ হ'ল। এজন ছাত্ৰই বাইদেউক দুৱাষাৰ মান ক'বৰ বাবে



অনুৰোধ জনালে। বক্তৃতা শেষ হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰী সকলৰ লগত তাই মুকলিভাৱে আলোচনা কৰিলে। বিভিন্নজনে তেওঁক ভিন্ন ভিন্ন প্ৰশ্ন সুধিলে। তাৰ মাজৰ এজনী ছাত্ৰীৰ পৰা এই প্ৰশ্নটোৰ সন্মুখীন হ'ম বুলি তাই সপোনতো ভবা নাছিল। প্ৰশ্নটো আছিল তেখেতৰ মতে প্ৰেমৰ মূল্য আছেনে? তেখেতে প্ৰেমক কিমান বিশ্বাস কৰে? তেখেতৰ জীৱনত সংঘটিত প্ৰেমৰ বৰ্ণনা আছে নেকি? সকলো নিতাল হৈ গ'ল। কিন্তু তাই মনে মনে সিদ্ধান্ত লৈ পেলালে যে তাই আজি সকলো ক'ব। আগবাঢ়ি গ'ল তাই কৰা জীৱনৰ ডাঙৰ ভুলটো স্বীকাৰ কৰিবলৈ।

গাঁৱৰ এটি দুখীয়া পৰিয়ালৰ ছোৱালী আছিল ৰাজশ্ৰী। তাই এজনী অতি মেধাৱী ছাত্ৰী। তাই সৰুৰে পৰা সপোন - তাই ডাঙৰ হ'লে ডাক্তৰ হ'ব। কিন্তু চহৰত লক্ষ্যাধিক টকা খৰচ কৰি ডাক্তৰী পঢ়ুওৱাৰ দায়িত্বৰ ক্ষমতা তাইৰ পৰিয়ালৰ নাই।



অভিজাত পৰিয়ালৰ ল'ৰা বিৰাজ, যি ৰাজশ্ৰীৰ প্ৰেমিক। প্ৰাণভৰি ভাল পাইছিল বিৰাজে তাইক। সকলো বিপদত সি তাইক সহায় কৰিছিল। আনবাৰৰ দৰে এইবাৰো তাই বিৰাজৰ সহায় বিচাৰিলে। সিও তাইক সহায় কৰিম বুলি প্ৰতিশ্ৰুতি দিলে। কিছুদিনৰ পাছত গুৱাহাটী মেডিকেল কলেজত তাই নামভৰ্তি কৰিলে। দিন বাগৰি যোৱাৰ লগে লগে বিৰাজৰ জমা টকাও শেষ হ'বলৈ ধৰিলে, মাক-দেউতাকক সহায় বিচাৰিলে সি, কিন্তু সহায় নকৰাত তাৰ ভাগত পৰা সম্পত্তি খিনিও সি তাইৰ কাৰণে বিক্ৰী কৰি দিলে, যাৰ বাবে সি মাক-দেউতাকৰ ত্যাজ্যপুত্ৰ হ'ব লগা হ'ল, এইবোৰ কথা কিন্তু সি ৰাজশ্ৰীক গম পাবলৈ দিয়া নাছিল, কিজানি তাই কষ্ট পায়। সিফালে আকৌ ৰাজশ্ৰী চহৰীয়া জীৱনটোৰ লগত ব্যস্ত হৈ পৰিল। বিৰাজে লগ ধৰিবলৈ আহিলেও নানা অজুহাত দেখুৱাই লগ নকৰোঁ বুলি ওভতাই পঠিয়াইছিল। সকলো নীৰৱে সহি গ'ল সি। লাহে লাহে বিৰাজৰ জীৱনলৈ অন্ধকাৰ নামি আহিল। এদিন তাইক লগ কৰিবলৈ যাওঁতে, তাইৰ বান্ধৱী এজনীৰ মুখৰ পৰা সি গ'ম পালে যে সুখ্যাতিৰে আগবঢ়াৰ বাবে তাই বিদেশলৈ যোৱাৰ সুযোগ পালে। পৰহিয়েই তাই গ'লগৈ আৰু লগতে এখন চিঠিও আগবঢ়াই দিলে তাক। তাত লিখা আছিল "মোৰ কাৰণে তুমি বহুত কৰিলা। তাৰ বাবে অশেষ ধন্যবাদ। কিন্তু মোক ক্ষমা কৰিবা। মই এতিয়া তোমাৰ পৰা বহু দূৰলৈ আঁতৰি আহিলোঁ। সাধাৰণ বি. এ. পাছ কৰা ল'ৰা এজন মই মোৰ যোগ্য বুলি নাভাবোঁ। তুমি মোৰ লগত কৰা খৰচ মই তোমাক সুদে মূলে ঘূৰাই দিম।"

বাৰিষাৰ ধাৰাসাৰ বৰষুণৰ দৰে তাৰ দুচকুৰেদি অশ্ৰু নিগৰি আহিল। তাইৰ লগত কটোৱা প্ৰতিটো স্মৃতিয়ে যেন দুখৰ বন্যাৰূপে বৰষুণৰ টোপাল হৈ তাৰ দেহাটো তিয়াই পেলাইছিল। এজাক সপোন যেন বৰষুণ হৈ উটি গৈছিল ...

কথাখিনি কৈ ৰাজশ্ৰী অলপ সময় নীৰৱ হৈ গ'ল। আকৌ আৰম্ভ কৰিলে, আজি সকলো থাকিও তাই অকলশৰীয়া, এই কথাটো উপলব্ধি কৰা বেছি দিন হোৱা নাই। যোৱা সপ্তাহত যেতিয়া তাই যোৰহাট মেডিকেল কলেজত জইন কৰিছিল, তাৰ ঠিক দুদিনৰ পাছৰ কথা, হঠাৎ তাইক কোনোবাই পিছফালৰ পৰা মাতিলে, ঘূৰি চাই দেখে তাইৰ একমাত্ৰ ভায়েক উৎপল।

ঃ ভাইটি।

ঃ নামাতিবি তই ভাইটি বুলি। ঘিণ কৰোঁ তোৰ মুখৰ পৰা ওলোৱা ভাইটি শব্দটো।

ঃ কিন্তু।

ঃ কি কিন্তু। এয়া চা মৃত্যুৰ সৈতে প্ৰতি পল যুঁজি থকা লোকজনক চা।

তাইৰ একালৰ প্ৰেমিক বিৰাজক দেখুৱালে। শেষ মুহূৰ্তত তাইক লগ পাই তাৰ দুগালেদি অশ্ৰু নিগৰি আহিল। কিন্তু, সি একো ক'ব নোৱাৰিলে, লগে লগে সি পৃথিৱীৰ পৰা বিদায় মাগিলে .........

এফালৰ পৰা ভায়েকে তাইক তাৰ জীৱনত কি কি সংঘটিত হ'ল কৈ গ'ল। মাক-দেউতাকে ত্যাজ্যপুত্ৰ কৰাৰ পৰা আৰম্ভ কৰি সকলো কৈ গ'ল। সম্পত্তি বিক্ৰী কৰি পোৱা টকাও শেষ হোৱাত সি নিৰুপায় হৈ গ'ল। সি তাইক দিয়া প্ৰতিশ্ৰুতিৰ বাবে তাৰ সোঁফালৰ কিডনিটো বিক্ৰী কৰিবলৈও সি কুণ্ঠাবোধ নকৰিলে। সি ভাবিছিল তাৰ মৰমৰ ৰাজশ্ৰী ডাক্তৰ হৈ আহি তাক আকৌ সুস্থ কৰি তুলিব, সকলো আশা, আশা হৈয়ে ৰৈ গ'ল। সকলোখিনি কথা কৈ তাইৰ লগত সম্পৰ্ক ত্যাগ কৰি ভায়েকো গুচি গ'ল। মঞ্চত তাই হিয়া ঢাকুৰি কান্দিছিল, কেৱল কান্দিছিল। হয়তো এতিয়া তাই উপলব্ধি কৰিছিল প্ৰিয়জনে দিয়া দুখৰ বোজা সহ্য কৰাটো কিমান কঠিন।

কোনো নাই আজি তাইক সান্ত্বনা দিবলৈ। সকলো পায়ো আজি তাই নিঃসহায়। টকা-পইচা, মান-সন্মান সকলো থাকিও আপোনজনৰ মৰম কিনিব পাৰিবনে বাৰু তাই!!!

ঃঃঃ



# প্লেটফৰ্মত এতিয়া কোনো নাই

কাবেৰী চেতিয়া
পঞ্চম ষাণ্মাসিক

শীতৰ কুঁৱলিয়ে চৌপাশ আৱৰি ৰাখিছে। ক'ৰবাত লাইট জ্বলিছে; ক'ৰবাত আকৌ গাড়ীৰ হৰ্ণেৰে গোটেই ঠাইখিনিত এক অৰাজকতাৰ পৰিৱেশ বিৰাজ কৰিছিল। চমকা-চমকে জোনৰ পোহৰ পৰি ৰাস্তাটোৰ কোনোবাখিনি উজ্জ্বল হৈ পৰিছিল। সেই পথেৰেই আগুৱাই গৈ আছিল এখোজ দুখোজকৈ কুৰি স্পৰ্শ কৰিবলৈ এতিয়াও দুই তিনিবছৰ বাকী থকা এটা চফল লৰা। গাত চোলাখনো নাই , লংপেণ্টৰ এফালে চিলাই চিগো চিগো অৱস্থা ... হাতত এটা ডাঙৰ বস্তাৰ মোনা। মোনাটোত বৰ বেছি গধুৰ কিবা আছে যেনও নালাগিল। সি আগুৱাই গৈ থাকিল...। কোৰ্হলৰ ব্যস্ততাত জীণ যোৱা সন্ধিয়াটোৰ বুকুত নিজকে বিলীন কৰি দিছে সি। মানুহটো ভিতৰতে গভীৰভাৱে সোমাই পৰিছে , একো কাণসাৰ নাই তাৰ বাহিৰত কি হৈছে জানিবলৈ। হঠাৎ, উচপ খাই উঠিল, উজুটিত নখ এৰুৱাই নিলে। তেজ এডোঙা লাহেকৈ বৈ গ'ল, নাই তাৰ কেতিয়াও একো চিৎকাৰ নাই ... যেন একোৱেই হোৱা নাই। কেইদিন ধৰি ল'ৰাটো কোনোবা অন্য এখন জগতত সোমাই আছে। আনে কোৱা কথাবোৰ শিল হৈ হজম কৰিছে। মনৰ ভিতৰত যে এসোপা চিন্তাশীল কথা কঢ়িয়াই লৈ ফুৰিছে , মুখৰ চেহেৰাই কয়। গাখীৰ যেন ল'ৰাটো এঙাৰৰ দৰে হ'ল, চুলিবোৰে কেঁকোৰা ৰূপ পলে। চালখনো ৰুক্ষ, খহটা যেন লাগিল। মানুহবোৰো আহিছে গৈছে... গাত উমাল চোলা, ঊণৰ টুপী। কোনোবাজনে ল'ৰাটোলৈ কেৰাহীকৈ চাইছে। কোনোবাজনে নোচোৱাকৈয়ে পাৰ হৈ গুচি গৈছে। সি অলসভাৱে ফুটপাথৰ দাঁতিতে বহি পৰিল। বৰ ভাগৰুৱা যেন লাগিল তাক।

সি ক'ৰ পৰা আহিছিল, ক'ত থাকে কোনেও নাজানিছিল। কেতিয়াবা কোনোবাই সুধিলে কয় - "জকাইচুকীয়া গাঁও এখনৰ পৰা সি এদিন ওলাই আহিছিল, কিন্তু ক'ব নিবিচাৰে পৰিয়ালৰ কথা।" সেই কথা সুধিলে যেন, তাৰ বোজা আৰু বাঢ়ে। ঘূৰি ফুৰে সদায় এনেকৈয়ে, কেতিয়াবা গছৰ তলেই তাৰ ঘৰ, কেতিয়াবা ফুটপাথ। আজিও তাৰ ব্যতিক্ৰম নাছিল।

সন্ধিয়াটো গভীৰ হৈ আহিছে লাহে লাহে। ঘোৰ আন্ধাৰে বেৰি ধৰিব যেন চৌপাশত। ফুটপাথৰ কাষতেই দিয়া ঘুমটি খনত পথিক সকলে আহি চাহৰ জুতি লৈছে। ল'ৰাটোৰেও মন কৰে তেনেকৈ ধোঁৱা উৰুৱাই চাহ খাবলৈ। কিন্তু, অসহায় এই সময়। চকুৰ আগত ভাঁহি অহা সপোন তৎক্ষণাত চূৰমাৰ হৈ যায়। কুচি-মুচি আকৌ বহি পৰে, অথবা... থৰ হৈ গতি লয়।

এখন জীয়া কৰুণ ছবিয়ে অগা ডেৰা কৰি যায় তাৰ সন্মুখত। শৈশৱৰ সময়খিনি কেনোবা বেলিকা নামি আহি ... হৃদয়ৰ স্পন্দনবোৰত গতি খৰ কৰে। গাঁৱৰ মানুহ একেলগ হৈ মাকক আৰু তাক দেউতাকৰ উপদেশ মৰ্মেই খেদি পঠাইছিল। কাৰণৰ নাম দুটাই, দেউতাকৰ মতে ... মাকে সময়ত দিব পৰা নাছিল যৌতুকৰ হিচাপ, আৰু ... শাৰীৰিকভাৱে অক্ষম ল'ৰা এটাক জন্ম দিয়া। সেয়া পাঁচ বছৰৰ আগৰ কথা... কঠিন কাৰুণ্যক সি সহজে ল'বলৈ শিকিলে। মাকৰ এদিন হঠাৎ মৃত্যু হ'ল আৰু সেই তেতিয়াৰ পৰাই অকলশৰীয়া সংগ্ৰাম জীৱনৰ স'তে। যি এটি জুপুৰিত মাকৰ স'তে আছিল সময়ত সেইটোত অকল খেৰ কেইডাল মানহে বাকী থকা অৱস্থাৰ বাবেই তাৰ ঠিকনা  ফুটপাথ।

কামিজ নিপিন্ধা শৰীৰটোৱে ভোকত আতুৰ হোৱাৰ উমান দিয়ে। বাটৰুৱাইনো কিমান যাচি দিয়ে বস্তু খাবলৈ ? পিন্ধিবলৈ ? শীতে চুব নোৱাৰে তাৰ পংকিল দেহ। জীৱনমুখীয়াত স্বপ্নই দোলা দি যায়, কিন্তু ... নিস্তব্ধ হৈ পৰে সেইদিনাই ৰাতিলৈ সকলো। সেই ল'ৰাটো, আধা লিখা গল্পৰ দৰেই ... দুখৰ বিষয় হৈ পৰে। সি জীয়াব খুজিছিল, অথচ দৰিদ্ৰতাই কোঙা কৰা জীৱনৰ বিকল্পই যে তাৰ হাতত একো নাছিল। সি লাহে লাহে নোহোৱা হৈ গৈছিল, সেই ঠাইৰ উপস্থিতি পূৰাব নোৱৰা হৈছিল। সেই ফুটপাথ, সেই গছ তল...সৱ এক শূন্যতাৰে ভৰা বাস্তৱলৈ ৰূপান্তৰিত হৈছিল। কোনোবাই আগদিনাৰ লৈকে দেখি থকা ল'ৰাটো, নোহোৱা হোৱাৰ দিনাহে... মনলৈ বৰকৈ আনিছিল। তেনেকুৱাই, আচলতে কথাবোৰ ... থাকোঁতে অনুভৱ নহয়। তাৰ এই অপমৃত্যুত পৃথিৱীয়ে কান্দিছিল। ল'ৰাটোৰ নামটো নজনাকৈয়ে তাক সদায় দেখিও নেদেখাৰ ভাও জোৰা মানুহবোৰে শোকৰ নামত কৰিছিল ভেকো-ভাওনা। চাহৱালাজনো দুদিন নহাকৈ থাকিছিল, হয়তো দুখত ... অথবা ভয়ত। কিন্তু ... সেই গছ তল, ফুটপাথ, ফটা-চিটা কাপোৰ বোৰে হৃদয়ৰ নিভৃত কোণৰ পৰা দুখেৰে বিদায় দিছিল এটা আশাবাদী জীৱন , এসাজ ভোকৰ মালিকক। ভোকৰ বাবেই তাৰ মৃত্যু। এই মৃত্যুয়ে ফুটপাথৰ মৃত্যুক সোঁৱৰায়, এই মৃত্যুৱে ভোকক সোঁৱৰায়। ভোকৰ বাবেই এই ল'ৰাটোৰ দৰে কতজনৰ মৃত্যুৰ আগমন। শূন্যতাৰ দুৱাৰডলিত এতিয়া কোনো নাই। আহিছে গৈছে মানুহবোৰ ... কিন্তু, কেৰাহিকৈ চাবলৈও প্লেটফৰ্মত এতিয়া কোনো নাই।

ঃঃঃ





# অতীতে মাতে ৰিঙিয়াই ...

প্ৰণতি কলিতা
চতুৰ্থ ষাণ্মাসিক

"জীৱনত সফলতাৰ শিখৰত উঠি কি লাভ হ'ব যদি তুমি তোমাৰ সন্তানে প্ৰথমবাৰ খোজ কঢ়া চাবলৈ নাপালা? বিশাল প্ৰাসাদ সজাই কি লাভ যদি সেয়া কোনোদিন তোমাৰ ঘৰ হৈ নুঠে?"

ক'ত শুনিছিল এই কথাষাৰ ঋষিকেশ বৰুৱাই? নাই পাহৰিছে...। পাহৰাৰ বেমাৰটোৰ বাবেই বহুত কিবা কিবি হেৰুৱাইছে বৰুৱাই।

জীৱনৰ পঁয়সত্তৰটা বসন্ত গৰকা বৰুৱাৰ আজি একো নাই। সকলো হেৰুৱাই দিশহাৰা বৰুৱা। জীৱনৰ পৰা কি পোৱা নাছিল বৰুৱাই ... সকলোৰেইতো পাইছিল ... অভিনন্দাৰ দৰে এগৰাকী পত্নী; অভিনৱ আৰু অনুসূয়াৰ দৰে দুই সন্তান, নিজৰ এক উচ্চপদস্থ চাকৰি। বৰুৱা আছিল এখন জাকত জিলিকা মহাবিদ্যালয়ৰ গণিত বিভাগৰ প্ৰবক্তা।

পত্নী অভিনন্দাই সদায়ে আক্ষেপ কৰি কৈছিল "তুমি মোক সময় দিব নোৱাৰা...। নালাগে আমাক ইমান টকা-পইচা। তোমাৰ কলেজৰ চাকৰিটোৰেইচোন আমাৰ পৰিয়ালটো চলি যায়। তাৰ পিছতো কিয় তুমি ব্যৱসায় কৰিব লাগে? চাবা, এদিন তুমি সকলো হেৰুৱাবা।"

নাই, সেই সময়ত একো বুজা নাছিল বৰুৱাই। অভিনন্দাৰ কথা আওকাণ কৰিছিল। কলেজৰ পৰা আহিয়েই ব্যৱসায়ৰ কামত লাগিছিলগৈ। আৰু যেতিয়া ঘৰ আহি পাইছিল অভিনৱ - অনুসূয়া গভীৰ নিদ্ৰাত। বৰুৱাই সময় দিব পৰা নাছিল পৰিয়ালক। তেওঁৰ ধাৰণা আছিল অভিনৱ - অনুসূয়াক টকা-পইচাৰ অভাৱ অনুভৱ কৰিবলৈ নিদিয়ে। যিমান কষ্টেৰে বৰুৱা আজিৰ পৰ্যায়ত উপনীত হৈছে সিমান কষ্ট যাতে তেওঁৰ সন্তানে নাপায়।

আৰু অভিনন্দা ...। নাই একো বুজাব পৰা নাছিল বৰুৱাক ...। অভিনৱ - অনুসূয়াৰ দেউতাক থকাৰ পাছতো স্কুল-কলেজত এডমিশ্যনৰ পৰা আৰম্ভ কৰি খোৱা-বোৱা সকলো দায়িত্ব পৰিছিল অভিনন্দাৰ হাতত। বৰুৱাক বুজাই বুজাই বাগৰি পৰাত অভিনন্দাৰ ভিতৰৰ মানুহজনী চাগে' শুকান গছবোৰৰ দৰে লঠঙা হৈ পৰিছিল। সৰাপাতে আলিবাট ভৰাই পোলোৱাৰ দৰে চাগে' অভিনন্দাৰ মনতো ভৰি আছিল কান্দোনেৰে ...। নাই তেতিয়া একো বুজি পোৱা নাছিল বৰুৱাই। টকাৰ পিছে পিছে দৌৰিছিল বৰুৱাই ... মাথোঁ দৌৰিছিল। যেতিয়া বুজি পাইছিল তেতিয়া বহুত পলম হৈ গৈছিল। অভিনন্দাৰ মান অভিমান সকলোৰে হাৰ মানিলে, গুৱাহাটী অভিমুখী ট্ৰাকৰ খুন্দাত সকলো হেৰুৱাই পেলালে বৰুৱাই ...; অভিনন্দা, অভিনৱ, অনুসূয়া .. সকলো গুচি গ'ল। অনুসূয়াক হোষ্টেলত থ'বলৈ গৈ ৰাস্তাতে সংঘটিত হৈছিল সেই ভয়ংকৰ দুৰ্ঘটনা...।

ঋষিকেশ বৰুৱাই সকলো হেৰুৱাইছিল সেই দিনটোত, চকুৰ পচাৰতে ধূলিত পৰিণত হ'ল বৰুৱাৰ সংসাৰ। বৰুৱা এতিয়া নিঃসংগ। জীয়াই আছে মাথোঁ যন্ত্ৰচালিত পুতলাৰ দৰে। জীৱনত মাথো এতিয়া আঁউসীৰ আন্ধাৰ।

প্ৰভাতী পখীৰ মাতত বৰুৱা বাস্তৱলৈ ঘূৰি আহিল। চকুত তেওঁৰ চকুলো। সকলো হেৰুৱালে তেওঁ। অভিনন্দাৰ কথাবোৰ তেওঁৰ কাণত পুনৰ বাজি উঠিল। আন্ধাৰত মাথোঁ এতিয়া তেওঁ জোনাক বিচাৰিছে। অভিনন্দাৰ অভিমান, অভিনৱ - অনুসূয়াৰ ল'ৰালি...। প্ৰতিটো ক্ষণতে মৰি মৰি জীয়াই আছে বৰুৱা, স্মৃতিবোৰ সাবটি উচুপিছে মাথোন।

অভিনন্দাৰ ফটোখন সাবটি মুখেৰে বিৰ্‌বিৰাইছে তেওঁ "মোক দিয়া প্ৰতিশ্ৰুতি কিয় পাহৰি গ'লা? মোৰ ভুলৰ ইমান ডাঙৰ শাস্তি কিয় দিলা? অভিনৱ-অনুসূয়াকো লৈ গ'লা.... তোমাৰ সান্নিধ্য, অভিনৱ-অনুসূয়াৰ লগত কটোৱা প্ৰতিটো পল-অনুপল মোক ঘূৰাই দিয়া। তোমালোক ঘূৰি আহা ...।"ঃঃঃ

# জীৱনৰ শেষত

বিভা ফুকন
পঞ্চম ষাণ্মাসিক

ৰাতিপুৱা শোৱাপাটীতে ফোনটো অহাৰ লগে লগে কাপোৰযোৰ পিন্ধি মৃণালে বাইকখন লৈ ওলাই গ'ল। ফোন আহিলেই যাব লাগে, ব্যৱসায়ৰ কথা আছে। এই কাম আৰু তাৰ কৰিবলৈ সমূলি মন নাযায় কিন্তু উপায় নাই, তাৰ যে টকাৰ প্ৰয়োজন। হোটেলৰ সন্মুখত গাড়ীখন ৰখাই সি সোমাই গ'ল। বাজে কথা এটাত কুটিল হাঁহি মাৰি এখন চেক আগবঢ়াই দিলে আৰু এটা কামৰ ঠিকনা দিলে। কামটোৰ কথা ভাবি-ভাবি মৃণাল ওলাই আহিল। ভনীয়েক নথকা হ'লে হয়তো সিও ইমান দিনে এই পৃথিৱীত জীয়াই নাথাকিলহেঁতেন। মাকে দেউতাকৰ মৃত্যুৰ পিছত একমাত্ৰ ভনীয়েক মণি আৰু মৃণাল। মৃণালে মণিৰ বাবে সকলো কাম কৰিবলৈ সাজু।

নতুন নম্বৰ এটাৰ পৰা ফোন ক'ল আহিছে। ছোৱালীৰ কণ্ঠস্বৰ, "হেল্ল' ঃ মই হিয়া... মই তোমাৰ হিয়া। চিনি পোৱা নাই।" (অলপ ধেমেলীয়া সুৰেৰে ক'লে)। তৎক্ষণাত সি ফোনটো কাটি দিলে। কি সময়ত যে কোনে ফোন কৰে নহয়। তাৰ এইবোৰত মতলব নাই। উহ..। কি যন্ত্ৰণা এয়া তাৰ ... এয়াই তাৰ কৰ্ম, এয়াই তাৰ অৰ্থ। বাইকখন ৰখাই আশে পাশে এবাৰ চকু ফুৰালে। হয়, বছে দিয়া ঠিকনাতে থিয় হৈ আছে এগৰাকী অপৰূপা সুন্দৰী। অপৰূপাৰ দুচকুত কিবা যেন এমুঠি হেৰুৱাৰ বিষাদ আৰু এমুঠি পোৱাৰ হেঁপাহ। কোমল বয়সৰ এই ছোৱালীজনীৰ বাৰু কি সূত্ৰ এই ব্যৱসায়ত? তাইৰ মুখমণ্ডলতেই ফুটি উঠিছে তায়ো যে



নজৰাপাৰাৰ বিলাসী হোটেলত কেইগৰাকীমান অপৰূপাৰ প্ৰয়োজন। আজিৰ ভিতৰত আৰু বিনিময়ত তাৰ উপহাৰ আকষৰ্ণীয়। তাৰ মনৰ ভিতৰত পিশাচটো পুনৰ জাগি উঠিল। উন্মুক্ত হৈ পৰিল সি। হিচাপ এটা কৰিলে মৃণালে – এজনী ... দুজনী ... তিনিজনী ...।

. . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . . .

নিৰুপায়। প্ৰস্ফুটিত হ'ব ধৰা তাইৰ জীৱনটোত এজাক ধ্বংসমুখী বতাহ।

ঃ উঠা ... সি লাহেকৈ ক'লে। এইবাৰ সি অপৰূপাক বিলাসী হোটেলখনৰ সন্মুখত নমাই দিলেহি। এই অপৰূপাসকলক দেখিলেই মৃণালৰ বুকুখনত বিষ এটা অনুভৱ হয়। তাৰ মানসিকতাবোৰ পংগু হৈ পৰে। জীৱন্ত বাস্তৱত নিৰ্জীৱ স্বপ্ন। অলপ শিক্ষা থকা হ'লে হয়তো সি ভাল কাম এটা পালে হয়। নাই, সি ভনীকেক পঢ়োৱাব, সি কিবা কৰি হ'লেও তাইক মানুহ কৰিব। তাক টকা লাগে। যিকোনো প্ৰকাৰেই লাগে। অপৰূপাৰ সন্ধান আৰু তেওঁলোকক অনা-নিয়া কৰা - এয়াই তাৰ কাম আৰু তাৰ বিনিময়ত সি অলপ টকা পায়। যিয়ে সিহঁতৰ সৰু সৰু অভাৱবোৰ পূৰ কৰে।

এটা মেছেজ আহিছে। ম'বাইলটো চালে সি, বছৰ মেছেজ... নিজৰাপাৰাৰ বিলাসী হোটেলত কেইগৰাকীমান অপৰূপাৰ প্ৰয়োজন। আজিৰ ভিতৰত আৰু বিনিময়ত তাৰ উপহাৰ আকৰ্ষণীয়। তাৰ মনৰ ভিতৰত পিশাচটো পুনৰ জাগি উঠিল। উন্মুক্ত হৈ পৰিল সি। হিচাপ এটা কৰিলে মৃণালে - এজনী ... দুজনী ... তিনিজনী ...। তিনিজনীহে আৰু ক'ত পাব সি? ফোনটো বাজি উঠিল তেনেতে।

ঃ হেল্ল' মই হিয়া। তোমাৰ হিয়া হিঃ হিঃ হিঃ (হাঁহিৰ খিল্‌খিলনি শুনা পালে, সি মাতটো চিনি পালে সেইদিনা ফোন কৰা পৰীৰ কণ্ঠস্বৰেই)

ঃ অ' হেল্ল'.. মই হৃদয়, কোৱাচোন কি ক'বা। (প্ৰত্যুত্তৰত লুকাই থাকিল ছলনাৰ অভিপ্ৰায়)

ঃ কি ক'ম? আহি আছোঁ কলেজৰ পৰা তোমাক দেখা পোৱাৰ আশাৰে। (পুনৰ হাঁহিৰ খিল্‌খিলনি)

ঃ নিশ্চয় ক'ত দেখা দিম পিচে, সিও হাঁহিৰে ক'লে।

ঃ কলেজ চাৰি আলিত ... আমি দুজনী ...নীলা ছাতি ... হিঃ হিঃ দুজনী ছোৱালীমানে অপৰূপ। উন্মুক্ত হৈ পৰিল পুনৰ সি। কি কৰা যায়। তাৰ মনৰ দুৰ্দান্ত দানৱটোৱে বেছিকৈ জঁপিয়াইছে। মোবাইলটো উলিয়াই এটা নম্বৰ ডায়েল কৰিলে।

ঃ হেল্ল'.. শুন.. কলেজ চাৰিআলি যা ..। এখন গাড়ী নিবি আৰু দুটা মানুহ, দৰকাৰ হ'ব।

ঃ ঠিক আছে। (সিফালৰ পৰা)

কি কৰিছে মৃণালে এয়া নিজেই নাজানে। জীৱশ্ৰেষ্ঠ হৈয়ো সি আজি নিকৃষ্ট। এটা নৰপিশাচ। জীয়া মানৱৰ কেঁচা তেজ পী খোৱা নৰপিশাচ। তাৰ জীয়াই থকাৰ কোনো প্ৰয়োজন নই।

ক্ৰিং... ক্ৰিং.... ক্ৰিং ... ফোনটো বাজি উঠিল। কি হ'ল আকৌ। কিবা গণ্ডগোল কৰি দিয়া নাইতো সিহঁতে? গাটো শিঁয়ৰি উঠিল তাৰ।

ঃ হেল্ল' দাদা দাদা মণিক অপহৰণ কৰিছে কোনোবাই কলেজ চাৰি আলিৰ পৰা, মিনাক্ষীও আছিল লগত। দুইজনীকে অপহৰণ কৰি নিছে এখন গাড়ীত।

ফোন সৰি পৰিল হাতৰ পৰা, তাৰ বুজিবলৈআৰু বাকী নাই। কলেজ চাৰি আলি, নীলা ছাতি, ক'লা গাড়ী.. কি কৰিলে সি এয়া? মানে .. মানে মৰমৰ ভনীয়েক মণিয়েই আছিল সেয়া। আৰু ফোনত সেইজনী মৰমিয়াল নিলাক্ষী, যিজনীয়ে অনবৰতে খুহুতীয়া কথাৰে ৰসাল হৈ থাকে। তাৰ হাওফাও বন্ধ হৈ যাব এতিয়া। ভৰিৰ ঠৰ নোৰোৱা হ'ল। কঁপিছে সি আৰু কঁপি কঁপিয়েই বাইক দৌৰাইছে ভনীয়েকৰ কাষলৈ। আৰু এয়া কি...? মৃণাল উফৰি পৰিছেগৈ ৰাস্তাৰ মাজত। দ্ৰুতবেগী ট্ৰাকে মহতিয়াই নিলে তাক। নাপালেগৈ সি ভনীয়েকৰ কাষ। চকুৰ পতা জাপ খোৱালৈকে তাৰ মনলৈ আহি থাকিল মণিৰ মুখখন। হয়তো তাৰ জীৱন শেষ হোৱাৰ আগতেই শেষ হৈ গ'ল মণিৰ নৱপ্ৰস্ফুটিত জীৱনতো....।



# উভতি অহাৰ গল্প এটা

অভিজিৎ বৰা

সৰু চহৰখনৰ মাজভাগৰ ওখ বিল্ডিং এটাৰ পৰা সি আকাশ কঁপাই চিঞৰিব। ৰাস্তাটোৰ সিপাৰৰ অন্য এটা বিল্ডিঙৰ পৰা জয়াই চিঞৰিব— সমস্বৰে। চহৰখনৰ তেনেই ক্ষীণ জঁকাটোৰ মধ্য বিন্দুৰ পৰা যোৱা সেই চিঞৰ দুটাই এটা আস্ফালন তুলিব, এটা বৃহৎ আস্ফালন! একে সময়তে হয়তো আৰু বহুতে চিঞৰিব। উকি, হাঁহি আৰু অটহাস্য। চিঞৰবোৰ এটা সময়ত ভাগৰুৱা হ'ব আৰু লাহে লাহে এটা অনুচ্চ পদশব্দত লীন যাব। নতুন বছৰটোৰ প্ৰথম ৰাতিপুৱাটোত চহৰখন খুব মৌন হৈ শুই থাকিব। মিউনিচপাল্টীৰ কৰ্মচাৰীয়ে চহৰখন ৰাতিপুৱাই সাৰি-পুচি নিকা কৰি যোৱাৰ পাছতো নিচাসক্ত চহৰখন শুয়েই থাকিব। পুনঃশ্চ এটা নতুন পুৱা- ঘূৰি ঘূৰি উভতি অহা—

উভতি আহিব ক'ৰবালৈ যাবই লাগিব। আপুনি যি ডোখৰ ঠাইলৈ যাব, তাত বিৰক্তি বা অস্বস্তিৰে আপোনাৰ মন ভৰি পৰিব লাগিব অথবা একধৰণৰ গভীৰ অতীত প্ৰীতিয়ে, আপোনাক চোঁচৰাই লৈ যাব লাগিব আপুনি এৰি অহা ঠাইডোখৰলৈ— য'ৰ পৰা আৰম্ভ হৈছে এই যাত্ৰা। আপোনাৰ কলিজাত কিছুমান দাগ বহিব লাগিব— সেই দাগবোৰ যেন চিগাৰেটৰ ধোঁৱাই

কলিজাক আঁকি দিয়া বিন্দু বিন্দু ক'লা দাগ। সেই দাগবোৰ যেন কোনোবাই বুকুৰ গভীৰতম অঞ্চলত নিৰ্মমভাৱে কৰা কুঠাৰঘাত। আঘাত। কথাৰ আঘাত।

কথা আছিল — বেলি পৰাৰ আগতেই সি উভতি অহাৰ কথা আছিল।

দৈয়াং-টেঙানীৰ পৰা বৰপথাৰ হৈ গোলাঘাট চহৰলৈ আহিবলৈ একা-বেঁকা এটা দীঘলীয়া বাট। মাজতে নামবৰ হাবি। বাহি মানে, এটা বৃহৎ বনাঞ্চল। নামবৰত মাজে মাজে হাতী ওলায়। বাটত কেতিয়াবা হাতীয়ে গাড়ী-মটৰ আগভেটি ধৰে, সেইবোৰ পুৰণি কথা। আগতে এখনেই বাছ আছিল— 'অনা পম্পী'। এতিয়া বাঢ়িল। তথাপি চহৰলৈ মানুহৰ যাতায়াত একেই, সেৰেঙা। সেয়েহে কানু ঘৰৰ পৰা ওভতাৰ দিনা চুবুৰীয়াৰ এশ এটা লেঠা— 'অমুক বৰ্তাৰ সৰুজনী ছোৱালীৰ বাবে দুখন কুইজৰ কিতাপ কিনি উভতি যোৱা গাড়ী এখনৰ ড্ৰাইভাৰৰ হাতত দি পঠিওৱা', 'তমুক ককাইদেউৰ নতুন মটৰ চাইকেলখনৰ ইনষ্টলমেণ্টৰ টকাখিনি সময়মতে জমা দিয়া', 'গাঁৱৰ মূৰৰ আহতৰ তলৰ ল'ৰাজাকৰ বাবে চাই-চিতি কেৰম এখন কিনি দি সেইখন হানি-বিঘিনি নোহোৱাকৈ নিয়াৰ বাবে বিশ্বাসী কাৰোবাক চম্জাই দিয়া' অথবা 'অমুক জেঠাইৰ যোৱা সপ্তাহত কিনা কমলা ৰঙৰ ব্লাউজটো পিন্ধিলে কাষলতিত চেপা মাৰি ধৰে, সেইটো সলনি কৰি ফেক্টৰীলৈ কেঁচা চাহপাত অনা তমুক দদাইদেউৰ গাড়ীত দি পঠিওৱাঁ'।

শনিবৰীয়া বন্ধটো গাঁৱতে কটাই দেওবাৰে পুৱাই দৌৰাদৌৰিকৈ উভতিছে কানু। এহাতৰ মোনাত সপ্তাহটোৰ জোখাৰে চাউল এটোপোলা, আচাৰৰ বৈয়াম, কাজিনেমু কেইটামান আৰু খুচখাচ কিবাকিবি। ইহাতত চুবুৰীয়াৰ হৰেক ৰকমৰ লেঠা। অফ্ছেট প্ৰেছত ডি.টি.পি. অপাৰেটৰৰ কাম তাৰ (দৰমহাৰ কথা কোনোও নাজানে, আজিলৈকে কোৱা নাই কাকো)।

হয়ো, দৰমহাৰ কথা আনৰ আগত কোৱা নাযায়— ... কৈ কি লাভ। দৰদ দেখুৱাব কোনে। মাহটোৰ 'অভাৰ টাইম'ৰ টকাখিনিৰ খৰচৰ অংক এটাই কানুৰ মগজুত চাৎকৈ খেলি গ'ল। ভাৰা বাঢ়িছে ভাৰাঘৰৰ, যোৱা মাহৰ পৰা। প্ৰেছৰ সমুখৰ দোকানখনতো তিনিশ বিছ টকা ধাৰ। চোলাৰ আগ জেপত জিলিকি থকা ভনীয়েকে দি পঠিওৱা ডেৰ ইঞ্চি কাগজখন মস্ত ডাঙৰ যেন লাগিল তাৰ। ইমান দিগদাৰ দিয়ে তাই। কিন্তু সৰু বস্তু এটাতে ৰাজী হৈ যায়। সুখী হ'বলৈ বৰ বেছি ওপৰঞ্চি উপাদানৰ প্ৰয়োজন নাই। চোলাৰ জেপৰ জেপত সোঁ হাতখনেৰে সামান্য হেঁচা এটা দিলে কানুৱে, গাত লিপিট খাই গ'ল ডেৰ ইঞ্চি কাগজখন। বহি থকা ছিটটোৰ পৰা কিছু পৰিমাণে কাষলৈ হাউলি পিছফালে চালে— বাছখনত যাত্ৰী তাকৰ। পিছফালৰ ছিটত এক বয়স্ক পুৰুষে .....জমাইছে। কেইবাখনো অবাক মুখে তেওঁৰ ফালে ভেবা লাগি চাই আছে। কানুৰ আগৰটো ছিটত বহি চাধা মলি থকা খীণ, ওখকায় ল'ৰাটোক পাওদানিৰ পৰা হেণ্ডিমেনে চকুৰে কিবা এটা ইংগিত দিছে। প্ৰথম ছিটত বহি অহা ভদ্ৰ মহিলা আৰু তেওঁৰ পাঁচ-ছয়বছৰীয়া কণমাণিজনীয়ে ছেল্ফি উঠিছে। বাউসীটো মুখখনৰ ওচৰলৈ টানি আনি কণমানিজনীৰ নাটকীয় ভংগি দেখি কানুৰ হাঁহি উঠি গ'ল।

ঃ কি ৰকম মানুহ অ'— ড্ৰাইভাৰে চিঞৰি উঠিল।

ঃ হেই...হেই..মৰিবি মৰিবি। — বাছৰ আগ দুৱাৰত ওলমি হাৱা খাই অহা পিলিঙা ডেকা দুটাৰ মাজেৰে মুৰটো সৰকাই হেণ্ডিমেনে অকস্মাৎ ৰাস্তাটোৰ সিপাৰলৈ যাব বিচৰা অসাৱধান ছোৱালী দুজনীলৈ চাই চিঞৰিলে।

চিনেমাৰ দৰে যদি দৃশ্যটো কৰা যায়— ডাঠ কুঁৱলীৰ মাজত ডিচেম্বৰৰ শেহৰটো ৰাতিপুৱাত জয়াক দেখা গৈছে ৰহঢলা পথাৰৰ জিৰণি চ'ৰাত। বিকট চিঞৰ এটা মাৰি ট্ৰেক্টৰ এখন পাৰ হৈ গৈছে অকস্মাৎ- ঘট ঘট ঘট। ট্ৰেক্টৰৰ ক'লা ধোঁৱা আৰু ডাঠ কুঁৱলিৰ সংমিশ্ৰিত হাৱা। যেন দুটা বিপৰীতধৰ্মী সংগীতৰ ফিউজন ঢং-ঢাং আৱাজ। যোৱা দুটা সপ্তাহ ধৰি ধাৰাসাৰ প্ৰেক্টিছ চলিছে সিহঁতৰ— ক্লাছিকেল ডান্সৰ। নতুন বছৰটোৰ আৰম্ভণিতে দিল্লীলৈ উৰিব সিহঁত। দুচকুত এতিয়া সম্ভাৱনাৰ বীজ।

সোঁ সোঁ শব্দেৰে বতাহ বলিছে। বৈ বৈ আঁঠু বিষাইছে, বাটলৈ চাই চাই তাইৰ চকু বিষাইছে। এনে দীঘলীয়া আমনিদায়ক মুহূৰ্তবোৰৰ অন্তত দূৰৈত গাড়ী এখনৰ মাত শুনি জিৰণি চ'ৰাটোৰ পৰা ৰাস্তাটোলৈ কোবাকোবিকৈ উঠি গ'ল তাই। সোঁ হাতখন জোখতকৈ দুবাৰ বেছিকৈ জোঁকাৰিলে। গাড়ীখন ৰ'ল। ভিৰ ঠেলি উঠিল তাই গাড়ীত। স্বাভাৱিকতে জাৰৰ দিনত সহযাত্ৰীৰ গাৰ গেলা গোন্ধে নাকত আমনি নিদিয়ে। কিন্তু সেই নিয়ম ভাঙি দুৰ্গন্ধ এটা তাইৰ নাকত ভেটেক্কৈ লাগিল। বেগৰ ভিতৰত হাতখন ভৰাই আন্দাজ কৰিলে তাই— খুচুৰা আছে। দেৰগাঁৱলৈ ভাৰা বিছ টকা। ঝন্‌ঝননি এটা কৰি বেগটো কঁপি উঠিল হঠাৎ। বেগৰ পৰা ফোনটো উলিয়াই বুটাম টিপিলে তাই। চাৰিটা মিছড্ কল আৰু দুটা মেছেজ। হাই জয়া, ইয়'ৰ এমাজন অৰডাৰ ইজ অন দ্য ওৱে...। জাতীয় এই মুহূৰ্তত তাই অলাগতিয়াল বুলি ভবা মেছেজ এটা আৰু আনটো বন্যাই পঠিয়াইছে —ক'ত মৰি আছ ৰে? ছাৰ জলি আছে। জলদি আহ... আমি ষ্টাৰ্ট কৰিমেই এতিয়া।

গাড়ীৰ পৰা নামিয়েই জয়া খৰ-ধৰকৈ কলা কেন্দ্ৰত সোমাইছে। ভয় উদ্বিগ্নতা বাঢ়ি গৈছে তাইৰ। ধ্ৰুপদী সংগীতৰ তালে তালে এটা যুগল নৃত্য চলি আছে। এটা গহীন পৰিৱেশ। চিৰিংকৈ গৈছে বুকু। কি হ'ব, কি হ'ব ধৰণৰ দোধোৰ মোধোৰ অৱস্থা এটাৰ অন্তত স্মিত হাঁহি এটাৰে দুই এটা নিৰ্দেশনা দি আঁতৰি গৈছে ছাৰ। আস্...ৰক্ষা।

এটা বিৰতিৰ পাছত আকৌ আৰম্ভ হৈছে নৃত্য। ধীৰ গতিত লয়লাস ভংগি। মনৰ মাজত এক অনামী অস্থিৰতা ফুটি

উঠিছে তাইৰ। যথাসম্ভৱ সোনকালে ঘৰলৈ উভতি যোৱাৰ কথা। আবেলিটো লাহে লাহে সন্ধিয়া হৈ আহিছে। ৰঙীণ পোহৰত সজীৱ হৈ উঠিছে কলা-কেন্দ্ৰৰ প্ৰতিটো কোণ। বাৰে বাৰে ভাব হৈছে তাইৰ— কিবা এটা আধৰুৱা কাম থাকি গৈছে। বাদ পৰি গৈছে কিবা এটা। এই সাময়িক ভংগিমাৰ পৰা তাই পলাই যাব নেকি। যাব-যাব নে নেযায়।

ভীষণ স্পীডত খিৰিকীৰ দৃশ্যবোৰ সলনি হৈছে। খিৰিকীত হাত থৈ আৰু হাতৰ ওপৰত থুঁতৰিটো গুজি দি কানুৱে উদ্দেশ্যহীনভাৱে জুমি চাইছে বাহিৰলৈ— মটৰ চাইকেলেৰে সাউৎকৈ পাৰহৈ গৈছে এহাল যুৱক-যুৱতী। যুৱতীৰ উঠন বুকু যুৱকৰ পিঠিত লিপিট খাই হাউলি পৰিছে যুৱক। স্পীড্ বাঢ়িছে দুগুণ। পেট্ৰ'ল শেষ হোৱা গাড়ী এখনৰ কাষত শকত পেটুৱা মানুহটোৱে হাত দাঙি থিয় হৈ আছে। এজন উলংগ বাবাক পুলিছে ৰাস্তাৰে খোজ কঢ়াই আনিছে। কিছু সময়ৰ কাৰণে পিছৰ দৃশ্যবোৰ সেউজীয়া হৈ থাকিল।

পেঁ-পেঁ, ভোঁ ভোঁ...। যাত্ৰী হেণ্ডিমেনৰ ভাৱা সম্পৰ্কীয় তৰ্ক যুদ্ধ-বিনোদ ফাংছুৰ মৃত্যু ৰহস্য, কৃষি বিভাগত চৰকাৰৰ গাফিলতি, মৌজ-মস্তি নথাকিলে জীৱন বেকাৰ— কোহালৰ মাজত বাছখন ঝাট্কা এটা দি ৰ'ল। আকৌ হৈ হাল্লা— কি হ'ল, কি হ'ল..., আঁঠুতে দুখ পালোঁ..., আঃ বেগটো মাঠাতে পৰিল..., মোৰ মোবাইলটো ক'ত গ'ল..., চাল্লা, চোঁৰৰৰ বাচ্চা...।

ইঞ্জিন খাৰাব হৈছে। মেকানিক আনিবলৈ পঠাইছোঁ— দেৰি হ'ব।

হেণ্ডিমেনৰ কথাৰ পৰা বুজা গৈছে, মানে এটা দীঘলীয়া কাৰবাৰ। কানু বাছৰ পৰা নামিল। লগে লগে আটাইবোৰ নামিল। ৰঙাজানৰ পৰা চহৰলৈ যাবলৈ কিবা এটা দিহা কৰাত আটাইবোৰ ব্যগ্ৰ হৈ পৰিল। চাৰি-পাঁচ কিলোমিটাৰ বাট-মাজতে ধনশিৰি দলং। ধীৰে ধীৰে পশ্চিম আকাশৰ বেলিৰ সেন্দূৰীয়া ছিটিকনিটো ধনশিৰি ফালে বিয়পি গ'ল। গধূলিটো নামি আহিল হেলনীয়াকৈ আৰু একা-বেঁকা বাটটোত অন্ধকাৰ ঘনীভূত হৈ পৰিল। দীঘল দীঘল খোজেৰে কানু আগবাঢ়িল। যথসম্ভৱ সোনকালে ওভতাৰ কথা আছিল। ছেঃ দেৰি হৈ গৈছে বহুত। ধনশিৰিৰ নতুন দলঙলৈ যোৱা ৰাস্তাটোত যৌৱনৰ এমুখ হাঁহি— দুই এখন মুখ চিনাকী যেন লাগিল যদিও আন্ধাৰত কানুৱে চিনিব নোৱাৰিলে। মইনাপাৰাৰ ৰাস্তাৰ কাষৰ ওখ গছবোৰৰ ঘনত্বই সন্ধিয়াটো সময়ৰ জোখতকৈ অধিক ক'লা কৰি তুলিছে। দূৰৈৰ কেঁকুৰিটোত লাগি থকা শাক-পাচলিৰ গুমটিটোৰ চাকিৰ পোহৰটো বহুত দূৰলৈকে ট-টকৈ জিলিকিছে। ডাঠ ক'লাৰ মাজতে মটৰ চাইকেলেৰে অহা কোনোবা এটাই চিঞৰিলে— কি হে ডেকা ল'ৰা! ক'ৰ পৰা?

ওচৰলৈ দৈ দেখিলে কানুৱে, প্ৰেছৰেই নিয়মীয়া গ্ৰাহক-নক'ব আৰু খুৱা, কাহিনী দীঘলীয়া।

উঠাচোন বাৰু। বাটত শুনিম কাহিনী।

ৰিক্সাখনৰ পৰা নামি দুৱাৰত নক্ কৰিবলৈও জয়াৰ গাত শক্তি নাছিল। ফোঁপনি উঠিছিল, ভাগৰ লাগিছিল ভীষণ। একেৰাহে কেইঘণ্টা প্ৰেক্টিছ। ভৰি দুটা গধুৰ হৈ পৰিছে। থাৰ্টি ফাৰ্ষ্টৰ পাৰ্টিটোৰ বাবে বন্ধুবোৰৰ তাগিদা। তাগিদা মানে 'ন' কমেণ্ট' জাতীয় এটা উৎপীড়ন। পাৰ্টিটো এলিজাই এৰেঞ্জ কৰিছে, খুব কম সময়তে— চহৰখনৰ মাজভাগতে থকা ওখ বিল্ডিং এটাৰ তৃতীয় ফ্লোৰত, ছাদত উকি আৰু তমাচা চলিব— য'ৰ পৰা সুন্দৰকৈ চহৰখন দেখা পোৱা যায়। নিজৰ আদৰ-কায়দাৰে ৰুচি অনুযায়ী ভড্কা আৰু ওৱাইনৰ বটল। বলিউডী নৃত্য আৰু ৰঙীণ নিশা। কাম অন জয়া—

ইচ্ছা কৰাহেঁতেন জয়াই সমস্বৰে 'বেসুৰা' গানবোৰ চিঞৰিব পাৰিলেহেঁতেন। সিহঁতৰ উদ্দাম নাচত এটা 'ধামাকা এণ্ট্ৰি' মাৰিব পাৰিলেহেঁতেন। মন যোৱা নাই। ভাগৰ লাগিছে তাইৰ। কিন্তু ভৰি দুটাচোন উৰিব পৰা জোখাৰে পাতল এতিয়া তথাপি, ভাগৰ এটাই আজুৰি আছে তাইক— উভতি অহাৰ ভাগৰ।

বৰ অস্থিৰভাৱে দৌৰাদৌৰিকৈ কানুৱে ভৰাঘৰৰ দুৱাৰখন খুলিলে। ঘৰৰ পৰা অনা টোপোলাবোৰ পাকঘৰত থ'লে। অকস্মাৎ আইনাখনত চকু পৰিল তাৰ। সবিস্ময়ে চালে নিজকে— আঃ সিচোন হালধীয়া হৈ পৰিছে। খেয়াল আহিল— নহয়। ঘৰৰ পৰা অনা হালধীয়া ৰং লাগিল মুখত। ঘৰুৱা হালধীয়া ৰং বৰ কাঢ়া। মুখখন ধুই খৰধৰকৈ সি ওলাল ভাৰাঘৰৰ পৰা। ওখ বিল্ডিংটোত আউজি বহিল লাহেকৈ। ৰাস্তাটোৰ সিপাৰে ছোৱালীজাকৰ উদ্দাম নৃত্য, উকি আৰু হাঁহি। কাণ উণাই শুনিলে সি। চালেও আন্ধাৰতে। নাইচোন—ক'ত গ'ল? নিশকতীয়া চিঞৰ এঠা ক'ত থাকি গ'ল? বৰ অস্থিৰভাৱে তাৰ চকুহাল বহু সময়লৈকে পিট্‌পিটাই ফুৰিল।

ধীৰে ধীৰে ঘণ্টাবোৰ মিনিট হ'ল। বহুত দিনৰ মূৰত চিগাৰেট এটা জ্বলালে কানুৱে। অভ্যাসটো পুৰণি যদিও মাজত সুদীৰ্ঘ বিৰতি। এটা পুৰণা কায়দাৰে চিগাৰেটৰ ধোঁৱাৰে বতাহত শূন্য আঁকিলে সি। ক্ৰমশঃ মিনিটবোৰ ছেকেণ্ড হ'ল। ওচৰৰ দুই এখন ছাদৰ পৰা কোনো কোনোৱে চিঞৰিলে, সমস্বৰে- চাৰি... তিনি... দুই... (ফটকা, আতছ-বাজী, ৰঙা চিঞৰ, হিন্দী চিনেমাৰ সহজাত উল্লাস)

নতুন বছৰটোৰ প্ৰথম ৰাতিপুৱাটোত বিচ্ছুৰিত ৰ'দজাক আৰু কাউৰীৰ কৰ্কশ কা-কা ৰ মাজতো চহৰখন খুব মৌন হৈ শুই থাকিব। ডাষ্টবিনৰ জাবৰ নিবলৈ অহা মিউনিচিপেলিটিৰ কৰ্মচাৰী এটাই ওখ বিল্ডিং এটাৰ তলত চিগাৰেটৰ পেকেট এটা আৱিষ্কাৰ কৰিলে। উৎফুল্লিত হৈ চিঞৰিলে লগৰটোক— ঐ দুটা চিগাৰেট পাই গ'লোঁ, গোল্ড ফ্লেক- ইটোৰ সিটোলৈ চাই ঈষৎ হাঁহি এটা মাৰি চিগাৰেট দুটা জ্বলালে আগ্ৰহেৰে আৰু পেকেটটো হাতেৰে মোহাৰি ৰাস্তাৰ কাষৰ লেতেৰা নলাটোলে দলিয়াই দিলে।

# কবিতা

# দেৱ্ৰাজীয়ান



# প্ৰেমগীত

## দিগন্ত শইকীয়া



I grow old ... I grow old ...
I shall wear the bottoms of my trousers rolled
---T.S.Eliot, *The Love Song of J. Alfred Prufrock.*

আলেঙে আলেঙে থাকোতেই বহিলে বেলি--- শামুকৰ
জীৱন। পিঠিত খোলাৰ ঘৰ। বাট যদি লুণীয়া নিৰাপদ নিৰ্ভৰ

মজিয়াত যঁতলগা উলসূতা, ওৰ বিচাৰি হেৰায় মোৰ
চিৰিনাওত ভৰি দিলেই সাগৰে টানে

ৰূপালী খিৰিকি ৰুদ্ধ দুৱাৰ শুনিছো সিপাৰে মায়াৰ চহৰ
এলাগী দৰ্শক অনুমান মাথোঁ ---
মখমল শ্বলৰ তলত জুৰীয়া হাতীৰ দাঁত
লিহিৰি আঙুলিৰ বোলনিত সন্ধ্যা নিমাত

ফিকা চাহে জুখিলো জীৱন
সৰ্বোচ্চ খ্যাতি মোৰ এই জনমৰ

নিমাতে নিৰৱে ঘূৰা এই গোলকৰ
থাপি থওঁ ক'ত মই মোক!
চুলেই ভাগি যাব ছাইৰেণ বাজি যাব
বিপদ নামাতো অহেতুক

বয়স বাঢ়িছে মোৰ টুটিছে আয়ুস
সেওঁতাৰে পিছলৈ ফণিয়াম চুলি

হলৌ চোলা চেপা পেন্
সময়ৰ সতে ৰচিটনা খেল

বাটৰ কাষৰ খিৰিকি নিজান
নিতৌ দেখো নিতৌ শুনো মই
আদহীয়া বৰলাই কৰুণ সুৰ জোঁটায়

কি বিচিত্ৰ বনৰ গহ্ন!
ফুল ফুলি সৰি যায় নিজান চেঁচুক
সাপ বিছা বাদুলি ফেঁচা
শালিকা ডৰিকে ডাঁকে ফুটা আধাফুটা

বহু কথা থাকি গ'ল--- বহু বাটত নপৰিলে ভৰি
ইঙ্গিত বহু মুখে নামাতিলে এষাৰ
আতৰালে ভেঙুচালি কৰি
নোচোৰা নোপোৰাবোৰ ভিতৰি বাঢ়িছে
আহ্নিক গতিৰ সতে গোপনে ঘূৰিছে ⏭

# মই ভগৱানে কৈছোঁ

**বৰ্ণালী কলিতা**

তৃতীয় যাণ্মাসিক

পুৱা-গধূলি নামঘৰত ডবাৰ ধ্বনি
মন্দিৰতো ভক্তৰ অগণন লানি
কিন্তু .. কিয় লাগিছে?।
মইতো কাহানিও খোজা নাছিলোঁ
মোলৈ বুলি ‘তেজৰ বলি’
অ.. মই ভগৱানে কৈছোঁ।

চৌদিশে জ্বলিছে মাথোঁ হিংসাৰ জুই
মানৱতা আজি থাকিল শুই,
নীল-অভিজিৎহঁত হ’ল অন্ধবিশ্বাসৰ বলি,
ভাতৃয়ে ভাতৃকেইচোন নাপায় চিনি,
ন্যায়ৰ দুৱাৰ আজি হ’ল বন্ধ
কিয়নো মিছাৰ ওচৰত আজি সঁচা অন্ধ
এইখন পৃথিৱীতো নহয় মই স্ৰজা
য’ত অধৰ্ম আজি হৈছেহি ৰজা।

মই স্ৰজিছিলোঁ এখন পৃথিৱী সবাতো সুন্দৰ
য’ত বৈছিল কেৱল শান্তিৰ লহৰ,
নিৰ্মল বতাহজাকৰ তাত আছিল স্পৰ্শ
উন্নতিৰ নামত যাক কৰিলা ধ্বংস।
ধৰ্ম-জাতি-ভেদ তোমালোকেই ৰচিলা
আনকি মোৰ নামতো বেপাৰ কৰিলা
সেউজীয়া পৃথিৱীখন তেজৰঙী হ’ল
ভগৱানো আজি ভাগ ভাগ হ’ল।

হেৰৌ ... অবোধ মানৱ!
এতিয়াও সময় আছে বুজা ...
এজনে আনজনক সাবটিলে নহয় জাতিভ্ৰষ্ট
মনত ৰাখিবা ...
অসত্যৰ বিৰুদ্ধে সত্যহে অস্ত্ৰ,
শিলৰ মূৰ্তিত নাথাকো মই
তাক পুঁজি নকৰিবা সময় নষ্ট
তোমালোকৰ হৃদয়খনেই মোৰ আৱাসস্থল
সেয়ে কৈছোঁ ...
‘মানৱ সেৱাহে ধৰ্ম শ্ৰেষ্ঠ।’ ⏭

# উত্তৰ বিচাৰি

**ৰশ্মি শইকীয়া**
তৃতীয় যাণ্মাসিক

তুমিতো জানা, তোমাৰ কৰণীয় সকলোৰে লক্ষ্য কৰে,
তোমাৰ কৰণীয়ৰ ওপৰত তোমাৰ ভৱিষ্যত নিৰ্ভৰ কৰে।
নিৰ্ভৰ কৰে এখন সমাজৰ ভৱিষ্যত, তোমাৰ ওপৰত
কাৰণ তুমি এই সমাজৰ যুৱ প্ৰজন্ম।
তোমাৰ ব্যক্তিত্বক আদৰ্শ হিচাপে লয়
কণমানি তোমাৰ অনুজসকল,
তুমি যেতিয়া উন্নতিৰ উচ্চ শিখৰত উপনীত হোৱা
তেতিয়া তেওঁলোকে বিচাৰে সেই শিখৰত বগাবলৈ।
কিন্তু তুমি যেতিয়া উচ্ছৃংখল আচৰণ কৰা, ভাবিচানে কি হয়
তেতিয়া?
অনুসৰণ কৰেনে তেতিয়া, তোমাৰ অনুজে তোমাক?
অনুসৰণ কৰিলেও বাৰু, তেওঁলোকে জানো বেয়া পথে
পৰিচালিত নহয়?
তেতিয়া জানো তুমিয়ে এখন উচ্ছৃংখল সমাজ সৃষ্টি নকৰা?
সকলো জানা তুমি, সকলো বুজা তুমি
তেন্তে কিয় নিজৰ ভৱিষ্যত, সমাজৰ ভৱিষ্যত সুন্দৰৰূপত
গঢ় দিয়াৰ পৰিৱৰ্তে
গঢ়িব প্ৰয়াস কৰিছা এখন বিশৃংখল সমাজ?
কিয় কৰিব খুজিছা এই সমাজৰ ভৱিষ্যত অন্ধকাৰ?
সকলো জানিও, সকলো বুজিও পাহৰি গৈছা তুমি
নে আহৰি পোৱা নাই ভাবিবলৈ,
যুৱ প্ৰজন্ম হয় তুমি, ভৱিষ্যৎ হয় তুমি এই সমাজৰ
সমাজে বিচাৰে সীমাহীন প্ৰশ্নৰ উত্তৰ তোমাৰ পৰা
কিয়নো, তোমাৰ কৰণীয়ই গঢ়িব এই সমাজ। ⏭

# তুমি যদি আহিলাহেঁতেন

**দীপজ্যোতি হাজৰিকা**
তৃতীয় ষাণ্মাসিক

শিক্ষাৰ বিশাল পৃথিৱীখনৰ
জীৱন আৰু যৌৱনৰ
সেন্দূৰীয়া বাটত,
আবেগৰ এই কোবাল নদীত...
লগ পালোঁ তোমাক
কলেজৰ বাকৰিত।
যৌৱনৰ সুবাসে
কঢ়িয়াই আনিছিল,
মোৰ জীৱনলৈও
অনেক আশাৰ ফল।
তোমাৰ মিঠা হাঁহি আৰু
আন্তৰিকতাই দিছিল
মোক উৎসাহ।
যৌৱন আৰু জীৱনৰ
মায়াজালত সঁচাকৈ
মই আজি আবদ্ধ।
অন্তৰত পুহি ৰাখিছোঁ
অলেক কল্পনানীত সপোন,
অলেখ ভাষাহীন মৰম।
ডায়েৰীৰ প্ৰতি পাতে পাতে
ৰাখিছোঁ -
তোমাৰ স্মৃতি।
তুমি যদি আহিলাহেঁতেন
শৰতৰ জোনাক নিশাত,
আঁকি দিলোহেঁতেন তোমাৰ বুকুত
জোনাকৰ শুভ্ৰতা।

চিনাকী কৰি দিলোহেঁতেন
মোৰ জীৱনৰ প্ৰতিটো ৰঙৰ লগত।
যদি আহিলাহেঁতেন
বুজি পালোঁহেঁতেন
তোমাৰ প্ৰতি থকা
মৰমৰ সীমা কিমান?
ভাবিছিলোঁ তোমাৰ লগত
পাতিম জীৱনৰ সকলো কথা,
গঢ়ি তুলিম সুন্দৰ জীৱন।
এতিয়ানো কি দিম তোমাক?
এতিয়া যে মোৰ মাজত
নিৰ্জনতাৰ শেঁতা ৰং।
তথাপি তুমি যদি আহা
কৰি দিম তোমাক পৰিচয়
মোৰ জীৱনৰ বিষাদবোৰক।। ⏭

# অভিন্ন

**পাৰ্থ প্ৰতিম শৰ্মা**
প্ৰাক্তন ছাত্ৰ

সকলো যেন এক হৈ যাওক,
যত নাথাকক কোনো বিভিন্নতা।
ধনশিৰিয়েদি উজাই আহক
কোনোবা বৃহৎ জাহাজ,
উজাই আহক কোনোবা
জে'ক আৰু ৰ'জ,
মাস্তুলৰ ধোঁৱাৰে পৰিবেষ্টিত হওক
নৈৰ ওপৰৰ আকাশ,
জাতিংগাৰ দৰে
কাজিৰঙাতো জুই লাগক,
আৰু মই আত্মজাহ যাওঁ
সহনশীলতাৰ মাপকাঠি সামৰি।

যেন মই কোনোবা দূৰ প্ৰান্তৰ
ক্ষত হৃদয়ৰ আহত বিহংগ। ⏭

# ব্যস্ত বজাৰ


## ৰশ্মিৰেখা নাথ
পঞ্চম ষাণ্মাসিক


ব্যস্ত বজাৰৰ হেঙুলীয়া আভাস
বাস্তৱতাত পূৰ্ণ প্ৰকাশ
ব্যস্ততাৰ ঘন ঘন উশাহ।

উশাহৰ বিৰতিত এপাহ ফুল ফুলে
সেউজীয়া নাইবা হালধীয়া,
তগৰ নাইবা গোলাপ
অথবা জল শুৱনি পদুম।

ব্যস্ততাবোৰে পুনৰ উশাহ লই
আৰু ঘন-ঘনকৈ!
ব্যস্ত বজাৰৰ সিপাৰে সুখৰ ঘৰ
শান্তিয়ে তাত খিড়িকি কাটে
কুঁৱলিয়ে পৰ্দা আঁৰে
ক্লান্ত হৃদয়ে ব্যস্ততাবোৰক হেঁচি ধৰে!
ব্যস্ততাত আজাৰ নুফুলে!!

পূজাৰ বেদীত নলগা ফুল আজাৰ
আজাৰত বেজাৰ নাই
আজাৰ তেওঁৰ সৃষ্ট, তেওঁৰ প্ৰিয়।



হাজাৰপাহ কাঁইটীয়া গোলাপে বিন্ধা
ৰক্তাক্ত হাতৰ তলুৱাতকৈ
এপাহ আজাৰৰ
সুৰক্ষিত সুকোমল স্পৰ্শৰ অনুভৱে
চন্দ্ৰলৈ হাত মেলা সপোনৰ বাস্তৱ
বাওনাকো দেখাব পাৰে!
ব্যস্ততাত আজাৰ নুফুলে!
ব্যস্ত বজাৰখনতো অঘৰীয়ে কান্দে
বিধৱাই সেন্দূৰ বিচাৰে
অসম্পূৰ্ণবোৰে খেদি খেদি মাৰে
হাঁহিবোৰ দৌৰি ফুৰে ..........
দূৰে - দূৰে ।

নাও ঘাটত লাগে
ব্যস্ততা নামে
বৃদ্ধ আগবাঢ়ে!
আজাৰজোপা দুগুণে ফুলে
ফুলাৰ হেঁপাহেৰে ....
আকাশ হোৱাৰ সপোনেৰে! ⏭

# মানৱতা


## লাকী দাস
তৃতীয় ষাণ্মাসিক


হে' মানৱ,
তুমি কিয় ইমান নিষ্ঠুৰ,
বিচাৰা মাথোঁ জাতি আৰু ধৰ্মৰ পৰিচয়
ইজনে-সিজনৰ আৱেগ-অনুভূতি, দুখ-বেদনাৰ
উম ল'বলৈ নিবিচাৰা তুমি?

ধৰ্মীয় -গোষ্ঠী সংঘৰ্ষৰ মাজতেই
মতলীয়া হৈ পৰিছা তুমি।
তুমি হয়তো মানৱতাক পাহৰি পেলাইছা
যাৰ বাবে কোনোবা হয়তো
হৈ পৰিছে অনাথ,
গৃহহাৰা আৰু বহুতো ...।

হে' মানৱ,
ঘূৰি আহা তোমালোক ...।
শান্তিৰ-সম্প্ৰীতিৰ বাণীৰে
অশান্ত ধৰাৰ বুকুলৈ
কঢ়িয়াই আনা
শান্তিৰ নিজৰা। ⏭

# সোঁৱৰণি


**ৰাফেল কিং দুৰৰা**
পৰিকলন বিভাগ, তৃতীয় ষাণ্মাসিক


আকৌ জানো আহিব উভতি
সেই জোনালী শৈশৱ
বোকা-পানীৰে লুতুৰি-পুতুৰি হৈ থকা
আধা-নাঙঠ দেহা
মাৰ যে কিমান গালি
দেউতাৰ এচাৰি
'নামাৰিবা মা, নামাৰিবা দেউতা'
পিছ মুহূৰ্ত্ততে
আকৌ বোকা-পানী, ধূলিৰ ভাত আঞ্জা
ৰজাৰ দ'লৰ কথা
মা! দেউতা! মোক আকৌ মাৰা
মাথোঁ ঘূৰাই দিয়া মোৰ সোণালী শৈশৱ
এতিয়া ডাঙৰ হৈছোঁ
ইমান জটিল জীৱন
আঁহা ঘূৰি আঁহা ঘূৰি
মোৰ সোণালী শৈশৱ
সোণালী শৈশৱ। ⏭



# পোহৰৰ সন্ধান বিচাৰি


**পুলিন শইকীয়া**
প্ৰথম ষাণ্মাসিক


আন্ধাৰৰ আঁচল টানি
পোহৰৰ ফাঁকু খেলি
আজি নতুন দিনৰ
নৱ প্ৰভাতত প্ৰকাশিত
উৰ্দ্ধমুখী হেঙুলী কিৰণ ....।।

আধুনিক পৃথিৱীত জ্ঞান-গৰিমা
উন্মুক্ত নিঃশব্দ,
স্বতন্ত্ৰ উমান,
নৱ নৱ চিন্তাৰ নৱ ধাৰণাত,
ক্ৰম নিৰ্মিত আজি
বিশাল সান্ধ্য আইন

আজি কিছু জাগৰিত জনতাই চিঞৰিছে,
নিষ্পেষিত জনতাই কান্দিছে
ঠিকনা বিচাৰি
পোহৰ ক'ত?
পোহৰ ক'ত?

হে' মোৰ স্বনাম ধন্য মহা মহা মানৱ
শলাগোঁ শতবাৰ তোমাৰ ব্যক্তিত্ব,
মুখা খুলি নিস্বাৰ্থৰে বিলাই দিয়া
জ্ঞান সাগৰৰ মুকুতা।
নিষ্পেষিত জনতাক
পোহৰৰ সন্ধান দিয়া। ⏭

# জীৱন


**শতাব্দী পূজাৰী**
পৰিকলন বিভাগ, প্ৰথম ষাণ্মাসিক


মানুহ মানুহ কি সুন্দৰ জীৱন,
জন্ম-মৃত্যু-বিবাহ কি যে সৰল।
কত ঘাত-প্ৰতিঘাতৰ মাজে মাজে
জীৱনৰ দিনবোৰ পাৰ কৰে।
কি যে জীৱনৰ বাট অতি খাল-বাম,
তাৰ মাজতো যে কত নীচ কাম।
মানুহ জীৱনৰ বাটত থমকিব ৰয়
কিন্তু মাজে মাজে আগুৱাব লয়।
সুখ-দুখ আশা-আকাংক্ষাৰে ভৰা,
এই জীৱনৰ নিত্য নৈমিত্তিক মেলা।
য'ত থাকে প্ৰেম অতিকৈ বহুল,
তাত থাকে ভালপোৱা, মৰম ব্যাকুল।
দিনবোৰ যে গতিশীল এই জীৱনৰ
য'ত থাকে মৰণ অতি শোকৰ
জীৱন জীৱন সঁচাই বৰ অনুপম। ⏭

# বন্ধুলৈ এটি অনুৰোধ

## দৃষ্টি বনিয়া
প্ৰথম যাণ্মাসিক

বন্ধু,
আন্ধাৰ দেখি তুমি ভয় খাই
থমকি ন'ৰবা।
তোমাৰ যাত্ৰাৰ পথত
খেপিয়াই খেপিয়াই
আন্ধাৰৰ মাজেৰে আগবাঢ়ি যোৱা
তাৰ মাজতো ধিমিক-ধামাক
পোহৰ দেখা পাবা।
আন্ধাৰতো পোহৰ থাকে অ' বন্ধু!
পোহৰ পাবলৈ লাগিব ধৈৰ্য, সাহস আৰু আত্মবিশ্বাস
সাহসেই যাত্ৰা পথৰ প্ৰধান সংগী বন্ধু
হেজাৰটা কাল ধুমুহাক তুমি সাহসেৰেই
প্ৰত্যাহ্বান জনাবা তেতিয়া দেখা পাবা
সঁচা পোহৰৰ চিত্ৰ।
পাহৰি নাযাবা বন্ধু
দিশহাৰা পক্ষীয়ে
বাট-কুৰি বাই বাই বিচাৰি পাই নিজ ঠাই
তুমিনো নাযাবা কিয়!
জীৱ শ্ৰেষ্ঠ মানৱ তুমি
জীৱনটোত মাথো আগুৱাই যোৱা
আন্ধাৰলৈ ভয় নকৰি
তোমালৈ ৰৈ আছে হাত বাউলি
মাথোঁ আগুৱাই যোৱা
আন্ধাৰলৈ ভয় নকৰি। ⏭



# এই দিনৰ প্ৰতিচ্ছবি

## বিভা ফুকন
পঞ্চম যাণ্মাসিক

এই সময় তেতিয়াৰ নহয়
শুকুলা ডাৱৰৰ আঁৰত
নিশাকৰে লুকা-ভাকু খেলা
এটি নিৰৱ মুহূৰ্ত
নীলিম জোনাক ৰাতি
অমিয়া সুৰত ভাঁহি অহা
কোনো প্ৰেমিক বাঁহীৰ
কৰুণ সুৰ।।
জগমগ কুসুমৰ
মিঠা পৰিমলৰ সোঁতত
উটি অহা মাধুৰীমা
দুবাহুত সঞ্চিত বলে
হেঁচি ৰখা জ্বলন্ত বাসনা
কৃষকৰ ঘামৰ টোপালত
সাৰ পোৱা সেউজ পথাৰ।
এই সময় জাগ্ৰত জ্বালামুখীৰ
কেঁচা তেজেৰে জ্বলি উঠা
চাকিৰ শলিতাডালৰ নীলা শিখা
নিৰ্জন অৰণ্যৰ বুকুত
খলকনি লগোৱা
দুৰ্দান্ত দানৱৰ তাণ্ডৱ নৃত্য। ⏭

# আবেলিৰ প্ৰেমিক মই

## সংগীতা তামুলী
তৃতীয় ষাণ্মাসিক

নৈখন বৈ যায়
নিঃসংকোচে
বহু কথাই কৈ যায়
নৈৰ কুলু কুলু ধ্বনিৰে।

স্বৰান্বিত হয় মোৰ জীৱনৰ গতি
নতুন এটি সপোনে
পোখা মেলেহি আহি
শিপাই যায় বিশালতা ভেদি

নিষ্ঠুৰ বাস্তৱৰ সৈতেও
বহুবাৰ মুখামুখি হ'লোঁ
তথাপি
জীৱনৰ প্ৰত্যেকটো আবেলিৰ
মই প্ৰেমিক হৈ ৰ'লোঁ।

দুখ অথবা দুখ
উপভোগ কৰাত দুয়োটাতে
পূৰ্ণ মাদকতাৰ পৰিমাণ
প্ৰায় সমানেই মোৰ।

সহজ সৰল দুখৰ হাঁহি
বুকু ভৰি থাকে জীপাল কৰি
এটি সুখৰ হাঁহিতেই
মোৰ জীৱন সন্তুষ্টি।। ⏭

# সৰাপাত

## তপন গগৈ
পঞ্চম ষাণ্মাসিক

মই সৰাপাত,
স্তব্ধ
নিৰস
জঠৰ মই।
নিৰৱতাক আপোন কৰি
পৰি ৰওঁ মেদিনীৰ বুকুত।।
ভৰিৰ খোজবোৰে যদি
কৰিহে আমনি
বতাহেও যদি জনায় সঁহাৰি
চেতনা পাওঁ মৌনতা ভেদি।।
সঙ্গী-বিহীন মই
সঙ্গ নাই পলাশৰ স'তে
সঙ্গ নাই মোৰ জলৰ স'তে।।
সুখী মই অকলশৰে
সুখী মই ধূলিত বিলীন।
ক্লান্ত বাটৰুৱাৰ সাৰথি হওঁ
নিৰ্জন পথৰ।। ⏭



# সপোন

## দিকিমণি শইকীয়া

এমুঠি সপোন আগুৱাইছোঁ
জীৱনৰ একা বেঁকা বাটত।
মোৰ সপোন মাথোঁ মোৰ জীৱনৰ লক্ষ্যই নহয়,
তাৰ অবিহনেও মোৰ সপোন আছে,
বহু হেঁপাহ ৰাখিছোঁ মনত।
মন যায় মোৰ গান গাবলৈ,
মন যায় দুপাখি মেলি উৰিবলৈ।
তোমাৰ বুকু কামেং সাঁতুৰি,
যাবলৈ মন যায় ফাগুনৰ দেশলৈ।
অথবা ভালপোৱাৰ ৰঙীন পোছাক পিন্ধি,
বিলীন হৈ যাবলৈ তৰাৰ দেশত।
ভালপোৱাৰ গভীৰতাৰে মন আকাশৰ ঢৌবোৰ,
আস্ফালিত কৰি বহু কথাই ক'বলৈ মন যায়।
সুগন্ধি সুবাসবোৰৰ মাজত,
হেৰাই যাবলৈ মন যায় তুমি আৰু মই।
কিন্তু, আজিযে মই নিৰুপায়
এফালে মোৰ জীৱনৰ যুদ্ধ আৰু আনফালে,
মোৰ কলিজাৰ ঢৌবোৰ ।
কেতিয়াবা অচিনাকী বতাহে,
ধুমুহাৰ সৃষ্টি কমে মোৰ হৃদয়ত।
বৰ ভয় লাগে জানানে?
কিজানি সেই ধুমুহাই, বুকুৰ মাজত গজি উঠা
সপোনবোৰ ভাঙিয়েই পেলায়। ⏭

# জীৱনৰ মাটিডৰাত
# তুমি ৰোৱা কঠিয়াজোপা

**দুলুমণি বৰা**
তৃতীয় ষাণ্মাসিক

জীৱনৰ মাটিডৰাত
দুখনি একা-বেঁকা নদী।
এখনিৰ নাম সুখ আৰু
আনখনি দুখ।
কেতিয়াবা এখন নদী অবিৰত বয়
আৰু আনখনি থমকি ৰয়।

সুখৰ নদীখনে কঢ়িয়াই আনে
অসংখ্য সপোন। হাজাৰ আশা
আৰু অসীম হেঁপাহ।
কিন্তু দুখৰ নদীখনে কেতিয়াবা
উটুৱাই লৈ যায়
সেই সপোনবোৰ
এটা এটাকৈ।
এদিন হঠাৎ
তুমি বৈ আহিছিলা
সুখৰ নদীখনেৰে।
মই তোমাক
দুহাতত তুলি লৈছিলোঁ আলফুলে।
তুমিয়ে,
তুমিয়ে মোক চিনাকী কৰি দিছিলা
জীৱনৰ প্ৰতিটো ৰঙৰ লগত।
তুমিয়ে মোক এদিন কৈছিলা
জীৱনৰ গভীৰতা কিমান?
আৰু বুজাইছিলা মোক
জীৱনৰ বিশাল অৰ্থ।



জীৱনৰ মাটিডৰাত থকা
অলেখ কঠিয়াৰ মাজৰ পৰা
তুমি মোক বাছি দিছিলা
যৌৱনৰ কঠিয়াজোপা।

মোক পাহৰিবলৈ শিকাইছিলা।
দুখৰ নদীখনক।
মই বাউলি হৈ পৰিছিলোঁ
তোমাৰ প্ৰেমত।
কিন্তু, আকৌ এদিন হঠাৎ
উটুৱাই লৈ গ'ল তোমাক
দুখৰ নদীখনে।
মই কৰিব পৰা
তাত একো নাছিল।
আজি মাথোঁ মোৰ সাৰথি
তুমি চিনাকী কৰি দিয়া
যৌৱনৰ কঠিয়াজোপা ⏭

# নিসংগতা

**চয়নিকা শইকীয়া**
দ্বাদশ শ্ৰেণী

হয়, তুমি ঠিকেই শুনিছা
আজিকালি মই মদাহী।
আৰু কাৰণটো যে সুধিছা
কাৰণটো হ'ল -
নিসংগতা আঁতৰাবলৈ।
অহঃ ছ'ৰি ভুলেই হৈ গৈছে
এতিয়াতো মই নিসংগ নহয়
মোৰটো এজন বিশ্বস্ত সংগী আছে
সেয়া হ'ল মদ
সি যেন তোমাৰ অএন্য এক ৰূপ
যাক লৈ মই জীয়াই আছোঁ
কিন্তু, পাৰ্থক্য এটাই
সি কেতিয়াও বিশ্বাসঘাতকতা কৰিব নাজানে
আৰু, তুমি যে মোক সুধিছা
"তুমিতো আগতে মদক ঘিণ কৰিছিলা"
আচলতে কি জানা - আজিকালি মোৰ
ভালপোৱা বেয়াপোৱাবোৰ
সললি হৈ গ'ল
আজিকালি মই ফুলনি ভাল নাপাওঁ
ভাল পাওঁ অৰণ্য।
আজিকালি মই জোনাক ভাল নাপাওঁ
ভাল পাওঁ আন্ধাৰ।
আৰু কি জানা
আজিকালি মই কোলাহল ভালপাওঁ
কাৰণ,
নিৰ্জনতালৈ যে মোৰ...
ভয় লাগে। ⏭

# মই সলনি হ'লোঁ মা


**শুভ্ৰাজ্যোতি বৰা**

পঞ্চম ষাণ্মাসিক




মা,
মই তোৰ ছোৱালী হৈ থকা নাই এতিয়া
মই সলনি হ'লোঁ
যান্ত্ৰিকতাৰ পৃথিৱীত মই
হেৰাই গ'লোঁ অ' মা
তই জাননে, মা ?
কিয় পোহৰ ভাল পোৱা তোৰ ছোৱালীজনীয়ে
আন্ধাৰ ভালপোৱা হ'ল ?
কিয় মানুহক ভালপোৱা তোৰ ছোৱালীজনীয়ে
নিৰ্জনতা ভাল পোৱা হ'ল ?
সত্যৰ বাবে প্ৰতিবাদ কৰা তোৰ ছোৱালীজনীয়ে
কিয় মৌনতা অৱলম্বন কৰিলে ?
মা, কেনেকৈ বুজাব তোক ?
তই যে এইবাৰ শুনিলে মাটিত ঢলি পৰিবি,
মা, পৃথিৱীখন বৰ জটিল অ'
এই পৃথিৱীত টকা দিলে সকলো কিনিব পাৰি
মৰম, সন্মান আৰু সকলো
আমি যে সাধাৰণ মানুহ
টকা দিবও নোৱাৰো ............
পেটৰ কথাও চিন্তা কৰিব লাগে অ'
কেতিয়াবা বেদনাত জৰ্জৰিত হৈ
বুকুখন বৰকৈ বিষায়...........
চিঞৰি চিঞৰি কান্দিবৰ মন যায়........
কিন্তু
কিমান কান্দিম ?
কোনে বুজি পাব ?
কিমান যন্ত্ৰণাত
চকুৰপানী চকুতে শুকাই যায়।
হিংসাৰ দবানলত আজি
হেৰুৱাই পেলাইছোঁ
বুকুৰ আপোনজনকো
আজি চাৰিওফালে মানুহ আৰু মানুহ ...
মা ... তথাপি বিচাৰি পোৱা নাই
মানৱতাৰ সংজ্ঞা
মা ...
মই এখন কংক্ৰিট পৃথিৱীত
আজি পথভ্ৰষ্ট।
মা ... মই তোৰ কষ্ট সাৰ্থক কৰিম বুলি
গাঁৱৰ পৰা চহৰৰ বাট লৈছিলোঁ
কিন্তু ... মই নোৱাৰিলোঁ
মা, মই তোক সুখ দিব নোৱাৰিলোঁ
পাৰ যদি মোক ক্ষমা কৰি দিবি
মা ...
পাৰ যদি ক্ষমা কৰি দিবি। ⏭

# আশ্বাস

## হৰি বৰগোহাঁই

পঞ্চম ষাণ্মাসিক

কোনোবাই মোক এমুঠি আশ্বাস দিলে,
মই আঁজলি ভৰাই বিশ্বাস দিম।
কোনোবাই মোক এজোঁলোকা
আন্তৰিকতা দিলে,
আজীৱন জোলোঙা ভৰাই
সহৃদয়তা দিম।

মোক অলপ মিঠা মাত দিবা;
তোমাৰ সকলোখিনি তিতা মোৰ কৰি ল'ম।
মোৰ দুখত এটোপাল সঁচা চকুপানী দিবা;
তোমাৰ আটাইখিনি দুখ কলিজাত ল'ম।
মোলৈ এধানি সহায়ৰ হাত আগবঢ়োৱা,
দুয়ো হাত মেলি,
মোৰ কলিজা উন্মুক্ত কৰি,
তোমাৰ বিপদ পথত বাধা হৈ ৰ'ম।

কোনোবাই মোক অলপমান জোনাক দিলে,
বিনিময়ত সূৰুযৰ উজ্জ্বলতা বোৱাই আনিম।
কোনোবাই মোক অকণমান সুৰভি দিলে,
খৰিকাজাঁইৰ সমস্ত সুবাস বিনিময়ত বাকিম। ⏭



# মানৱতা

## লাকী দাস

তৃতীয় ষাণ্মাসিক

হে মানৱ,
তুমি কিয় ইমান নিষ্ঠুৰ,
বিচাৰা মাথোঁ জাতি আৰু ধৰ্মৰ পৰিচয়
ইজনে - সিজনৰ আৱেগ অনুভূতি,
দুখ বেদনাৰ
উম ল'বলৈ নিবিচাৰা তুমি?

ধৰ্মীয়-গোষ্ঠী সংঘৰ্ষৰ মাজতেই
মতলীয়া হৈ পৰিছা তুমি।
তুমি হয়তো মানৱতাক পাহৰি পেলাইছা
যাৰ বাবে কোনোবা হয়তো
হৈ পৰিছে অনাথ,
গৃহহাৰা আৰু বহুতো ...।

হে' মানৱ,
ঘূৰি আহাঁ তোমালোক ...।
শান্তিৰ-সম্প্ৰীতিৰ বাণীৰে
অশান্ত ধৰাৰ বুকুলৈ
কঢ়িয়াই আনা
শান্তিৰ নিজৰা। ⏭

# আজি যেতিয়া উভতি চাওঁ

## সজাগ বৰা

প্ৰথম ষাণ্মাসিক

ৰান্ধনি বেলিটো বিলীন হ'ব ধৰিছে
পথাৰখনিৰ সিমূৰে,
সদায়ৰ দৰে আজিও ব্যৰ্থ হৈ
মেলানি মাগিলে বেলিটোৱে,
হয়, ব্যৰ্থ হৈ।
ব্যৰ্থ হ'ল পুনৰ বাৰ
সভ্যতাৰ মুখা পিন্ধা
নৃশংস সমাজখনক পোহৰাই তুলিবলৈ
আজি যেতিয়া উভতি চাওঁ
দেখা পাওঁ
সকলোৱেচোন পৰিৱৰ্তনৰ চাকনৈয়াত
বাৰুকৈয়ে আৱদ্ধ হৈ পৰিছে
ল'ৰালিৰ হাঁহি, ল'ৰালিৰ ধেমালি
আদি সকলোবোৰচোন এতিয়া ভাঁহি
ফুৰিছে
চিএঃৰ হৈ
ধূসৰ পৃষ্ঠাৰ পৰা হেৰাই যাব ধৰিছে
'প্ৰকৃত' শব্দৰ অৰ্থ।
আৰু মই?
ময়ো পিন্ধি লৈছোঁ তেনে এখনি
কৃত্ৰিম ভাওনাৰ মুখা
হৈ পৰিছোঁ
কংক্ৰিট জগতখনৰ এটি
আজীৱন যন্ত্ৰ মানৱ।। ⏭

# আমি পাৰিব লাগিব

**ঋত্বিজ ঠাকুৰ**
উঃ মাঃ প্ৰথম বৰ্ষ (কলা শাখা)

মই অসমীয়া
অসমৰ সন্তান মই
মোৰ গাত আছে অসমীয়াৰ তেজ
আজিকালি সকলোৰে বাবে
অসমীয়া, অসম পেলনীয়া নহয় জানো?
তাঁৰে, আমৈ, মা, দেউতা
সেইবোৰ শুদ্ধ এতিয়া সাধুকথা
কাৰণ আমি এতিয়া আধুনিক
কিন্তু মই!
মই ভালপাওঁ অসমীয়াক,
অসমক
দৰকাৰ হ'লে
ময়ো দিম এই অসমৰ কাৰণে
মোৰ জীৱন,
মোৰ তেজ
এই অসমীয়াই যদি মান আৰু মোগলক
খেদিব পাৰে
আমি কিয় নোৱাৰিম
আমিও পাৰিম
অ' আমিও পাৰিম
কাৰণ আমাৰ গাতো আছে
লাচিতৰ তেজ, মুলাগাভৰুৰ তেজ
পাৰিব লাগিব।
আমিও পাৰিব লাগিব
দেশৰ বাবে মৃত্যুবৰণ কৰাসকলৰ
তেজৰ মূল্য দিব
পাৰিব লাগিব অবৈধ বাংলদেশীক খেদিব
হে',
মানৰ সমাজ সকলো ওলাই আহক
সকলো মাৰ বান্ধি থিয় দিওঁ আহক
অবৈধ বাংলাদেশীৰ বিৰুদ্ধে
হে ' দেশ প্ৰেমিকসকল
তোমালোকে আমাক শক্তি দিয়া
এই কাম কৰিবলৈ।। ⏭

# জাতিৰ দলিলত অসমীয়াৰ অনুভৱ

**দেৱাশ্ৰী শইকীয়া**
প্ৰথম যাণ্মাসিক

মই এতিয়াও শান্ত হ'ব পৰা নাই অ' অসমী আই
মই শান্ত হ'ব পৰা নাই।
বুকুৰ শোণিতেৰে তোৰ শিৰ তেজাল কৰি
বগা কাপোৰৰ সমাধিত শয়ন কৰি
শত শ্বহীদৰ চকুলো দেখি মই শান্ত
হ'ব পৰা নাই অ' আই।
স্বদেশ আৰু স্বজাতিৰ বাবেই যি সংগ্ৰাম
নিৰিহৰ ভেটি-মাটিৰ বাবেই যি সংগ্ৰাম সি আজিও
হোৱা নাই অৱসান।
নুবুজে তোক নুবুজে আজিৰ মানৱতাহীন
বৰমূৰীয়াই
নুবুজে য'ত ক্ষমতাৰ যুঁজৰ বাবে জাতি-মাটি
বিক্ৰী যায়।
নিৰীহৰ ভোকৰ ভাত মুঠিও হেৰায়।
অসমীয়াৰ তেজ শুহি অসমীয়াৰ চকুলো টুকি
হৈছিল তাহানিৰ অসম চুক্তি
সেই কথা বৰমূৰীয়াই নুবুজে আজি।
আই আজি আমি অসহায়।
অসমৰ মাটিত আজি শান্ত অসমীয়াৰ প্ৰাণ যায়।
অসমীয়াৰ পৰিচয় আজি মৃতপ্ৰায়।
থলুৱাৰ পৰিচয় আজি প্ৰায় যায় যায়
সকলোতে দেখো বহিৰাগতইহে স্থান পায়।
আই তোৰ চাদৰ খহাই সিহঁতি তৃপ্তিৰ কিৰিলি বাই।
এতিয়া সকলোতে মাথোঁ ক'লা ধোঁৱাৰ চানি
সকলোতে থলুৱাৰ কৰুণ বিননি
জাতিৰ ভেঁটি ৰক্ষাৰ নামত যদিও হৈছে
ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ উন্নতি
তাতো দেখোঁ ক্ষমতাৰ আঁৰিয়া-আঁৰি
মিথ্যাচাৰ প্ৰৱঞ্চনাৰ দপ্‌দপনি।
জাতিৰ দলিল খনিতো যদি সানে কলংকখিনি
অসমীয়াৰ হেৰাবলৈ আৰু থাকিব কি?
সেয়ে মোৰ সন্দেহ বাঢ়ি যায়
অসমীয়াৰ চকুলো ওলায়
শ্বহীদে বিৰহৰ সুৰ বজায়
মই শান্ত হ'ব পৰা নাই অ' আই।
মই শান্ত হ'ব পৰা নাই অ' আই। ⏭

# ডাৱৰীয়া

**শৰৎ চেতিয়া**
চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

আজি হয়তো বতৰ ডাৱৰীয়া হ'ব,
ক'লীয়া ডাৱৰে আকাশখন ছানি ধৰিব,
বৃষ্টিৰ আগত ৰ'দালি পৰাজিত হ'ব।
হয়তো অলপ পাছত বিহগৰ
ৰাংঢালী প্ৰকৃতি অস্পষ্ট হ'ব,
ৰুদ্ধ হ'ব ৰসিক ৰুচি।।
প্ৰকৃতি পবিত্ৰ কৰাৰ মানসেৰে
ধৰণীলৈ নামি আহিব,
স্বৰ্গৰ মধুৰ গান।
যি গানে মৰ্ত্যত সঞ্চাৰ কৰিব
মৌনব্ৰত কৰা নিষ্ঠুৰ মহীৰূহক
দুৰ্লভ দীক্ষা। ⏭



# অনুভৱৰ এটি কলি

**দিব্যজ্যোতি শইকীয়া**
উঃমাঃ প্ৰথম বৰ্ষ (কলাশাখা)

বিশাল জলৰাশি
বুকুত সাবটি
নৈখন বৈ থাকে
অতল সমুদ্ৰলৈ....।
আলোক প্ৰত্যাশী
চৰাইটোৱেও
মুহূৰ্ততে উৰা মাৰে
সেউজীয়াৰ বুকুলৈ...।
হৃদয়ৰ পৰা
নিঃশব্দে বৈ আহে
এটি উচ্ছ্বল নিজৰা
তোমাৰ বুকুৰ সেউজীয়া ধৰালৈ ...।
তোমাৰ অবুজ ভাষাবোৰ
বাজি উঠে মোৰ
হৃদয় মন্দিৰত -
কেতিয়াবা উছাহৰ গান হৈ ....
কেতিয়াবা বিষাদ ভৰা কবিতা হৈ ...। ⏭

# মানৱ সমাজৰ পশুত্ব

**চুমী গগৈ**
দ্বাদশ শ্ৰেণী

কি বীভৎস! কি জঘন্য
কি অমাৰ্জনীয় অক্ষমনীয় পাপ,
কি এই ভয়াবহ পশুত্ব
এয়া তাই কিহৰ প্ৰায়শ্চিত্ত কৰিছে।

তাইৰ দৰিদ্ৰতাৰ, অপৰূপৰ নে,
তাইৰ অহংকাৰৰ, দুৰাকাংক্ষাৰ
নে তাইৰ মূৰ্খামিৰ
তাইতো শিক্ষিতা আৰু ভদ্ৰ নাৰী,
ডিগ্ৰীধাৰী এক দেশকৰ্মী
কিযে প্ৰহসন!
তাই এজনী উচ্চ শিক্ষিতা নাৰী হৈয়ো
আনৰ প্ৰৱঞ্চনাত যে তাই এতিয়া
মাত্ৰ .......
এটাই পৰিচয় তাই এজনী পতিতা
এজনী শিক্ষিতা বেশ্যা,
তাই এতিয়া বীৰাঙ্গনা।। ⏭

# শব্দহীনতা

## আকিপ আহমেদ

কবিতাৰ ছন্দে-ছন্দে একো-একোটা অনুভৱ
মনৰ কোনোবা গুপুত কোণেদি ওলাই আহে
এই অনুভৱবোৰ।
এনে প্ৰভাৱী অনুভৱৰ ...
আকৰ্ষণীয় শব্দবোৰ।
অনুভৱৰ মূৰ্চ্ছনাত একোটা শব্দৰ
ভিন্ন ৰূপ।

শব্দৰ এনে ৰূপ দেখিলে
তোৰ কথালৈ বৰ মনত পৰে 'আই'।

'আই'.. তই কোৱা
সেই প্ৰত্যেক কথাই মোৰ মনত আহে।
তই কৈছিলি ...
"শব্দ হৈছে অনুভৱৰ অলংকাৰ
শব্দই নকৰে একো বিচাৰ,
অনুভৱেৰে সুশোভিত প্ৰত্যেক কবিতা
অনুভৱেই হৈছে প্ৰত্যেক কবিতাৰ আধাৰ।"
কিন্তু 'আই' ...
আজি মই শব্দহীনতাত ভুগিছোঁ,
তই শিকোৱা সেই সমস্ত শব্দখিনি
পাহৰিছোঁ।
জান 'আই'...

আজিকালি মই কবিতা লিখিব
নোৱৰা হৈছো,
কবিতাৰ ছন্দই যেন মোৰ লগ এৰিছে,
শব্দ যেন মোৰ মনৰ পৰা ...
বহু দূৰলৈ আঁতৰি গৈছে।
কবিতাৰ বাবে সাঁচি থোৱা
প্ৰত্যেক শব্দ, ছন্দ, লয়, তালে
মোক যেন আজি প্ৰৱঞ্চনা কৰিছে।
আজি কবিতা লিখোঁ বুলিও নোৱাৰিছোঁ
লিখিব,
কবিতাত মই আগৰ দৰে
ৰস নোপোৱা হ'লোঁ ... নিৰস ....।
হয়তো,
যৌৱনৰ উন্মাদনাত মই নিজকে
বিলীন কৰি দিছোঁ।
আধুনিকতাৰ পৰশত যেন,
মই নিজ অস্তিত্বকে হেৰুৱাই দিছোঁ।
মোক ক্ষমা কৰি দে 'আই',
তই শিকোৱা কথাখিনি ...
মই সাঁচি ৰাখিব নোৱাৰিলোঁ,
মোক ক্ষমা কৰি দিবি 'আই'।। ⏭

# নদী এখনৰ আজি অপমৃত্যু হ'ল


## কাবেৰী চেতিয়া
স্নাতক চতুৰ্থ ষাণ্মাসিক


নদী এখনৰ আজি অপমৃত্যু হ'ল
পানীৰ বুকুত অতদিনে জীয়াই থকা
এজাক জীয়া মাছৰো জীৱন শেষ হ'ল।
আবেলি হোৱাৰ পৰতেই এজাক বৰষুণ,
আকাশৰ বুকু ফালি ওলাই আহি পৰিছিল।
নদী পাই সেমেকি গ'ল সপোন এজাকৰ।
নদী এখনৰ আজি অপমৃত্যু হ'ল
সিপাৰে আছিল তেওঁ, এইপাৰে মই...
মই আটাহ পাৰি চিঞৰিলোঁ।...
আৰু, সেই ...
জীৱন ডিঙা মোৰ চপাই ঘাটে ঘাটে...
বুলি গোৱা জনে চিঞৰি চিঞৰি,
একেথৰে চাই ৰ'ল।
নদী এখনৰ আজি অপমৃত্যু হ'ল,
হেৰাই গ'ল হাজাৰ জীয়া হেঁপাহ...
নেদেখা এক গভীৰ বাটেৰে।
নদীক লৈ তেওঁ ৰং দেখিছিল,
নদীক লৈ সিহঁতে জীয়াই আছিল,
নদীক লৈ মই সপোন দেখিছিলোঁ।
কিন্তু, হঠাৎ...
সকলো চূৰ্ণ-বিচূৰ্ণ হৈ অ'ত ত'ত পৰি ৰ'ল।
নদীক সাক্ষী কৰি হোৱা কথোপকথনবোৰ
স্মৃতিৰ ৰঙত মিলি গ'ল।
দুচকুৰ আগেৰে সোণোৱালী সপোন এটাৰ
অপমৃত্যু হ'ল ...
পানীৰ সোঁতত বাগৰি গ'ল অসমীলৈ
তেওঁ হেৰুৱালে ৰঙ ...
আৰু সিঁহতে জীৱন,
আৰু পানীয়ে হেৰুৱালে নদীৰ বুকু। ⏭

# মই নাৰী ...

## প্ৰণতি কলিতা
চতুৰ্থ যাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ



আন্ধাৰবোৰ খেদি খেদি
পাৰ হ'লোঁ সাত-সমুদ্ৰ
জীৱন নাটৰ চক্ৰবেহুত দিশহাৰা
মোৰ জীৱন সূৰ্য ...।
কি ভুলৰ বাবে এই দুখৰ ৰাতি
কেৱল নাৰী হোৱাৰ বাবেই নেকি?
আন্ধাৰ ৰাতিৰ সুযোগ লোৱা
এজাক দানৱৰ কামনাৰ বলি
মই নাৰী ......
চৌদিশে দেখোঁ কেৱল দুখৰ কুঁৱলী ..........।
মুখা পিন্ধা ভদ্ৰ বণিকৰ বাবে
মই যে পণ্য ....
মুক্ত আকাশৰ বিহংগ
কিয় আজি মই আবদ্ধ?
সমাজৰ চকুত মই লাঞ্ছিত
আজি যে মই পৰিত্যক্ত ..........!
মোৰ বাবেই সৃষ্টি আৰু ধ্বংস
মানৱে নুবুজে মোৰ অস্তিত্ব ....।
ওপজিয়েই বোজা মই
কোনো পিতৃৰ
ডাষ্টবিনৰ কোলাতে সামৰোঁ পৃথিৱী
কত জানি মাতৃৰ বুকু উদং কৰি
মই যে নাৰী ...।
যৌৱনৰ দুৱাৰ দলিত ভৰি থৈ
ৰঙা সেন্দূৰৰ মেৰপাকত সোমাই
কোনো অচিনজনৰ সংগী হৈ
হেৰুৱাওঁ আপোন ঘৰখনি
পাকঘৰেই হৈ পৰে মোৰ স্থায়ী সংগিনী ...
হওঁ আনৰ গৃহিণী .....
মই যে নাৰী ....।
আপোনজনক হেৰুৱাই
বিৰহ নদীৰ কোবাল সোঁতে
মচি নিয়ে ৰঙা সেন্দূৰৰ পাপৰি...
শুকুলা সাজযোৰ অলংকাৰ কৰি
'আলক্ষী' উপাধিৰে বিভূষিতা
মই যে নাৰী ............।
শুকাই যোৱা সন্ধিয়াবোৰত
উৱলি যায় মোৰ ভগ্ন হৃদয়খনি .....।
ঘনকলীয়া ডাৱৰৰ আঁৰত লুকাই
আশাৰ বালিচৰত বালিঘৰ সাজি
এবুকু বেজাৰ কঢ়িয়াই
অনিশ্চয়তাৰ দিশত ধাৱমান
মই নাৰী .............।

# বন্ধু, শেষ বিদায়

**মনীশ কুমাৰ থাপা**
ষষ্ঠ ষাণ্মাসিক

মৰমৰ,
এপাহ ৰঙা গোলাপ
তোৰ নামত ...
এয়া যে বিদায় বেলা!
কিন্তু বিদায় বুলিয়েই জানো
বিদায় দিব পাৰি?
হৃদয়ৰ গভীৰ স্থানৰ পৰা
উলিয়াই দিব পাৰি জানো তোৰ নাম?

তই যে নাই ...
মনে মানি ল'ব পৰা নাই ৰে!
তোৰ মৃত্যু যে মোৰ বাবে সহজ নাছিল।
তই বৰ আপোনা আছিলি অ'
আপোনৰো আপোন ভাই আছিলি।
তয়েই দেখোন মোক
জীৱন ভালপোৱাৰ গান শিকাইছিলি .........
কিন্তু আজি ... !!
মনত আছেনে,..
তই যে কৈছিলি , ...
"জীৱন যুদ্ধত আমি একেলগে জয়ী হ'ম।"
তয়েইতো মোক সাহস দিছিলি,
কিন্তু তই আজি কেনেকৈ হাৰি গ'লি?
তইতো ইমান দুৰ্বল নাছিলি!!
মোক ক্ষমা কৰি দিবি ৰে' ...
মই তোক সাহস দিব নোৱাৰিলোঁ।
কিন্তু তয়ো মোক একো নক'লি,
একো নোকোৱাকৈয়ে গুচি গ'লি
এক অজান পৃথিৱীৰ দূৰ দেশলৈ।

আজি মই বৰ অকলশৰীয়া,
তোৰ অনুপস্থিতিত যেন
সকলোখিনি উকা, সকলো নিৰস!
তোৰ প্ৰতিটো স্মৃতিত
কান্দি উঠিব বিচাৰে হৃদয়খন।
সঁচাকৈয়ে স্মৃতিত চকুপানী থাকেই,
সি যিমানেই মধুৰ নহওক কিয়!
আজি তোৰ সেই প্ৰত্যেকটো স্মৃতিতেই
চকুপানী ...
তোক লগ কৰা নহ'ল অ'
তই প্লিজ বেয়া নাপাবি।
এতিয়া ওপৰতেই লগ হ'ম আমি,
তাতেই মোৰ বাট চাবি।
তই আক' মোক পাহৰি নাযাবি ...
নিতৌ আহিবি তই,
সৌ শালিকী চৰাইটি হৈ,
তোলৈ আগবঢ়াই দিম
মোৰ বুকুৰ সমস্ত ভালপোৱাখিনি....।
তোৰ অনুপস্থিতি বহুত অনুভৱ কৰোঁ বন্ধু,
য'তেই আছ' কুশলে থাক।
সৌ দূৰ আকাশত নিতৌ জিলিকি থাকিবি
এটি উজ্জ্বল তৰা হৈ ...
আজিলৈ সামৰোঁ,
তোক পুনৰ লগ পোৱাৰ আশাৰে ...
এবুকু মৰমৰ সৈতে
তোৰ মৰমৰ বন্ধু

(বন্ধু চন্দন, এপাহ ৰঙা গোলাপৰ সৈতে আজিৰ এই কবিতা
তোৰ নামত উছৰ্গিত। অশ্ৰুসিক্ত নয়নেৰে তোক বিদায় বন্ধু।)

*হৃদয়ত খোদিত নাম যাৰ,*
*বিদায় দিব পাৰি জানো তাক।* ⏭

# অতীতলৈ এপলক দৃষ্টি

**ৰিকিমণি হাজৰিকা**
তৃতীয় ষাণ্মাসিক

সোণালী সূতাৰে গুঠা মোৰ দিনলিপিত
আছে মাথোঁ অতীতৰ পোছাক
বিচাৰি পাওঁ তাতেই
ল'ৰালিৰ ধূলি বালি, ৰজা ৰাণী
আৰু ক'ত যে কি ...
নীলৰঙী আকাশৰ তলত
সমীৰণত হালি-জালি নচা
কহুঁৱাডৰায়ো আনি দিয়ে,
স্মৃতিৰ এটি মিঠা আবেলি,
নিয়ৰৰ টোপোলাত প্ৰাণ পাই উঠা
দূবৰিডৰাত খোজ দি
উভতি চাওঁ ল'ৰালিৰ বাটলৈ
দূৰৈৰ পাহাৰৰ পৰা ভাঁহি আহে,
নিজৰাৰ পানীৰ এটি মিঠা সুৰ
আৰু দেহ-প্ৰাণ আপ্লুত কৰি তোলা
এজাক উৰণীয়া পখীৰ কোলাহল।
কি যে ৰঙীন এই পৃথিৱী নহয়নে??
অনুভৱীজনে অনুভৱ কৰে
তাত দ্ৰৱীভূত হৈ থকা
প্ৰাণ প্ৰাপ্তিৰ সুখানুভূতি। ⏭

# আন্ধাৰ ঃ একো-একোটা পৃথক অধ্যায়

**ৰশ্মিৰেখা নাথ**
স্নাতক চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ

আন্ধাৰৰ প্ৰতিটো চেপাৰ ভাঁজত
নৰ-পিশাচৰ তৃপ্তিবোৰে জখলা বগাই উঠে।
নিজকে বচাবলৈ সপোনকুঁৰৰী হৰিণীজনীয়ে
জোপোহাৰ আন্ধাৰবোৰক আশ্ৰয় ভিক্ষা মাগে
পিশাচৰ দৃষ্টিত হৰিণাৰ মাংসবোৰ
শুকুলা হিমেৰে আৱৰা তৃপ্তিৰ সুউচ্চ হিমালয়।
আন্ধাৰত জাবৰৰ দ'মবোৰে মৌনতা ভংগ কৰে
পুৱতি নিশা এটি সদ্যজাত শিশুৱে
পলিথিনৰ পাকতেই পৃথিৱীক সামৰে।
এয়াটো কোনোবা এটা অনিচ্ছাকৃত আন্ধাৰৰ
অভিশাপৰেই স্পষ্ট ওলোটা দাপোন।
আন্ধাৰবোৰ বৰ দুষ্ট
ছাঁটোক ৰাখি মানুহটোক বেচে
মুখাবোৰৰ বাবে বিৰতিৰ সময় ৰচে,
জোনবাইটোত থকা দাগবোৰৰ দৰেই
ক'লাৰ মাজত থকা বগাতো ক'লাক আঁকে।
এই আন্ধাৰেই নিজৰ পোহৰক হেৰুৱাই
মাজনিশা হঠাতে চিৎকাৰ কৰি উঠে!
সৰ্বহাৰা হৈয়ো গৌৰৱেৰে মূৰ দাঙি কয় -
"আন্ধাৰতেই দীপক জ্বলে,
পোহৰত দীপকে অস্তিত্বৰ নিশ্বাস এৰে।"
আন্ধাৰবোৰ নিঃসংগ!
অলিয়ে-গলিয়ে সংগীহীনতাৰ গীত গাই ফুৰে।
কেতিয়াবা উন্মাদ পিয়লাৰ এচুকত চুমুক যাচে,
কেঁচা মঙহৰ গোন্ধত দুৱাৰত টোকৰ মাৰে
কষ্টৰ বিনিময়ত সঁচা ৰঙা তেজবোৰেৰে ফাকু খেলি
পাতল কাগজৰ পাহাৰবোৰত আন্ধাৰক থিতাপি দিয়ে।
এই আন্ধাৰেইতো
নাৰীৰ দেহৰ আন্ধাৰবোৰ আঁজুৰি
পোহৰ দিয়াৰ ষড়যন্ত্ৰ ৰচে।
বিয়া হোৱাৰ দুদিন পিছতে বিধৱা হোৱা কইনাগৰাকীক
বগা সাজৰ বিষৰূপী আজীৱন-অলংকাৰ জোৰেৰে যাচি,
পিঠিৰ পিছফালে অ-লক্ষী উপাধিৰে বিভূষিত কৰে।
সন্তান সম্ভৱা হোৱাত অপাৰগ হোৱা দেৱীগৰাকীকো
পৃথিৱীৰ বোজাৰ আসনত অধিষ্ঠিত গৰাকী!
পুৱা মুখ দেখিলে দিনটোলৈ পোহৰে লগ এৰে!!
আসঃ আন্ধাৰ! আন্ধাৰ! আৰু আন্ধাৰ!!
ভয়ৰ ভিন্নৰূপী জোৱাৰ।
আন্ধাৰবোৰ সত্য, স্পষ্ট
সুন্দৰ পোহৰৰ প্ৰতিমূৰ্তি।
ক'লাবোৰতো থাকে বগা পোহৰৰ পবিত্ৰতা।।
কিন্তু দাগসনা আন্ধাৰবোৰ
গেলি-পঁচি যোৱা মানুহৰ দেহেৰে সজা!
আন্ধাৰ - ক'লাবোৰত পবিত্ৰতাৰ প্ৰমাণ!
আন্ধাৰ - আশ্ৰয়ৰ একোখনি ঢাল-তৰোৱাল!
আন্ধাৰ - বিকৃত মানসিকতাৰ প্ৰতিবিম্বত
পোনপটীয়া প্ৰহাৰ!!! ⏭

# আহিবা তুমি

**প্ৰিয়াংকী বৰা**
প্ৰথম ষাণ্মাসিক

তুমি আহিবা বুলি
আছোঁ মই বাট চাই
হৃদয়ৰ দুৱাৰ খুলি,
আহিবানে তুমি?
দিম তোমাক বহিবলৈ
আদৰেৰে দলিচা পাৰি।

যেতিয়া এজাক কোমল বতাহে
মোৰ হৃদয়খন চুই যায়
এনে লাগে মোৰ
তুমি যেন আহিছা
আহিবা এদিন
দিম বহিবলৈ দলিচা পাৰি
আহিবা তুমি। ⏭

# ৰোমাঞ্চকৰ এটি পুৱা

## প্ৰস্তুতি চুতীয়া

তৃতীয় ষাণ্মাসিক

শীতল অনুভৱে আৱৰা শান্ত
পুৱাত
মোৰ মন পদূলিত চুলি মেলি ৰয়
অঙ্গৰা কৃষ্ণচূড়া জুপি,
ৰিব্ৰিব্ বতাহ গাত মেৰিয়াই
কৃষ্ণচূড়াজুপিৰ মাজেৰে সৰকি
আহে সূৰুযৰ চিকি-মিকি
ৰাঙলী কিৰণ।
খিট্খিটকৈ মুখত হাঁহি পিন্ধি
জীপাল ঘাঁহনিডৰালৈ জাকি মাৰি
উৰে কণ কণ, আশাৰ পখীজাক
মন পৰশাত হেপাঁহৰ ফুলনিত
বিৰঙি পখিলাই সৌন্দৰ্যৰ মেলা
পাতি মোৰ সৰ্বশৰীৰত শিহৰণ
তোলে।
কিন্তু অভিমানী সময়বোৰে
দিবাস্বপ্নক আজুৰি পলকতে
উৰা মাৰে। ⏭





# বিপ্লৱী বীৰ

## গীত বৰুৱা

**পঞ্চম ষাণ্মাসিক**

শিল্পী তুমি অমসীয়া চোতালৰ
সৃষ্টিৰ বিপ্লৱৰ সোণালী কবি তুমি
জ্যোতি প্ৰসাদ নাম লৈ
গোটেই অসমখন কৰিলা জ্যোতিময়।
মই বিচাৰিছোঁ তোমাৰ ভাষাবোৰ
কিজানিবা ময়ো পোহৰ বিলাব পাৰোঁ।
কণমানি পখিলাৰ পিছে পিছে ঘূৰি
কিজানিবা ফুলৰ ৰেণু চুহিব পাৰোঁ।
কত ইচ্ছা থাকোঁতেও মই তোমাক বিচাৰি নাপালোঁ
পূৰ্বজন্মৰ পাপৰ ফল এতিয়া ভূগি আছোঁ
সেয়েহে নিশাৰ আকাশত জোনটিৰ লগত
চিঞৰি চিঞৰি ক'ব খোজোঁ মোক ক্ষমা কৰাঁ।
পুৱতি আকাশৰ তৰা হৈ তুমি মোৰ ফালে চোৱাঁ
অন্ধকাৰৰ ভয়ানক ৰাতিৰ ফেঁচাৰ কুৰুলিত
মোৰ ভয় হয় তোমাক হেৰুৱাম বুলি।
ছিকমিক সন্ধিয়াৰ ঘিটমিট আন্ধাৰক
পোহৰে ওপচাই দিয়া যাতে আন্ধাৰ কাতি হয়,
নতুবা তুমি মোক অলপ শক্তি দিয়া যাতে
জোনাকী পৰুৱা হৈ ময়ো পোহৰ বিলাব পাৰোঁ। ⏭

# স্বগতোক্তি

**ধ্রুৱজ্যোতি কলিতা**
প্ৰাক্তন ছাত্ৰ

এনেয়েতো তোমাক মনত পেলোৱাৰ কোনো যুক্তিয়েই মোৰ
ওচৰত নাই ...
তোমাক লৈ সপোন ৰচাৰ এতিয়া আৰু কোনো অৱকাশো নাই ...
অস্পষ্ট হৈ পৰিল তোমাৰ মোৰ প্ৰতিটো স্মৃতি ...
তোমাৰ নামত অশ্ৰু নিগৰোৱাৰ এতিয়া আৰু কোনো অৰ্থও
নাই... !!

লাহে লাহে তোমাক মই পাহৰিবলৈ ধৰিছোঁ...
তোমাক বাদ দিও নিজকে চিনিবলৈ শিকিছোঁ ...
এনে নহয় যে তুমি আৰু কোনোদিনে মোৰ মনলৈ নাহা ...

আহিবা ... নিশ্চয় আহিবা ...

কিন্তু পুৰা-গধূলি তোমাৰ নামত এতিয়া কান্দিবলৈ এৰিছোঁ...!!

মবাইলৰ স্ক্ৰীণত তোমাৰ নামটো জিলিকি উঠালৈ এতিয়া আৰু
আপেক্ষা নকৰা হৈছোঁ ..
হেঙুলীয়া আবেলিবোৰ অকলশৰেই উপভোগ কৰিবলৈ লৈছোঁ ...
তুমি আকৌ নাভাৱিবা যে মই অদ্ভুত ধৰণেৰে সলনি হৈ পৰিছোঁ ...
নাই ...

মই কেৱল তুমি নোহোৱাকৈ জীৱনটো জীয়াবলৈ শিকিছোঁ... !!

পুনশ্চঃ
তুমি কিন্তু ঘূৰি নাহিবা মোৰ কাষলৈ ...
কি ঠিক... মই মোৰ মনটোক বুজাব পাৰোঁ কি নোৱাৰোঁ...
এনেয়েই মোৰ মন তোমাৰ প্ৰতি দুৰ্বল ...
এবাৰ প্ৰতাৰিত হোৱাৰ পাছতো যদি আকৌ তোমাৰ প্ৰেমতেই
পৰো....!! ⏭



# प्रकृति माँ

**अनुब्रता चन्द्र**
बि. एस. सि. तृतीय षान्मासिक

पहारी के छाती से निकलता
सुबह की वह पहली किरण है आता
प्रात:काल का संदेश लाती, चहकती चिड़िया
याद दिलाती हमें, कितनी अपार है हमारी प्रकृति माँ।।

पेड़ो के तनो से झूलते झूले
शाखाओं से लिपती पत्तियो का स्नेह
धूप में भी बहती हुई ठण्डी हवा,
याद दिलाती हमे; कितनी दयालू है हमारी प्रकृति माँ।।

बरसात के दिनों मे झरती बूँदें
नदी,स दरीया में उफन्ता पानी
मेण्डंक की खुशी, और वह कागज की नाँउ
याद दिलाती हमे; कितनी प्यारी है हमारी प्रकृति माँ।।

ठण्ड के दिनों की वह जलती अंगारे
खेतो में फलती सब्जीयाँ और फस्ल,
शाम के समय में उड़ती चिड़ियों का सुर
याद दिलाती हमें, कितनी प्यारी है हमारी प्रकृति माँ।।

तो रुकना नही तुम, चलते रहों, प्रकृति के संग
पेड़ लगाओं, पेड़ बचाओ का नारा संग लेकर,
बढ़ते रहो ढलते रहो प्रकृति कें रंग
क्योकि इतनी ही महान; है हमारी प्रकृति माँ।। ⏭

# OUT OF MY MIND



## Jugal Kishore Saikia

An hour feels like a day,
A day feels like an year ...
Now that you are gone for a month,
I have this damn fear!
What if I couldn’t see you again ?
What if you just fade away ?
It couldn’t be more worse
As I feel like,
I’m being cursed.
This feeling,
keeps on stealing
That part of me
which wasn’t meant to be!
May be there’s no end to the shuttering,
Until time stops it’s buttering.
And when it does
we will meet again
under the same terrain
You’ll be at the first,
I’ll be at the last.
Gazing at you like nothing ever mattered.
But until then I write this poem of mine,
In a piece of paper
with a sign,
And making a plane of it.
Will blew it high.
into the sky.
Sending it to the heavens.
And hoping it will land to you with love.
Cause you’re one of a kind,
And I can’t get you out of my mind. ⏭

# The youth of the world

## Himadri Rekha Gogoi
B.CA 5th Sem

We are the youth of the world
ambitious and ready to quake soul
Sometimes, the roads seem difficult and worst
We don’t lose heart as our mission is to move forward
When we try to achieve our dream
We have to suffer and strive
But we will do everything
Never give up, Never break down
If we prevail, we must wear the crown
Sometimes it sum cloudy and rainy
But there will be Sunshine to dazzle our aim
Our hopes and Goals may be difficult
Nothing is impossible ... only have to try hard
Whenever we fall down and feel broken
there might be someone who will heal our pain
No waves and obstacles can hinder our path
We are here to work till our last
Its we and our responsibility to bring change
in the society, may be yesterday was difficult
Today is hard, but tomorrow there will be a lot
of opportunities. ⏭

# Let’s Make Her Green Again

**Raju Sisty**
BCA 1st Sem
Computer Science dept.

Look! What you have done.
You never cared for it,
It was all for happiness and fun,
But now you ought to think a little bit.

You thought about your own,
A world which had place for none;
To build your selfish shelter
And to build your thrones

The axe took the blame
When you destroyed the trees,
The hook did its duty
When you disturbed the seas.

You never heard her pain,
She bore all your wrong,
‘Beloved mother Nature’
She stayed silent for long.

She cries out loud to us
To understand her pain,
Through floods, through quakes
and through the acid rain.
Look ! What have you done ?
Now stop engaging things
That daily create pollution
And yes, try to find
Some other means, Some solution

It’s not too late my friend,
Let’s extend our hands
To MAKE HER GREEN AGAIN.
To MAKE HER GREEN AGAIN. ⏭



# Youth

**Rosmita Gogoi**

B.A. 3rd Sem

Youth is
like being trapped inside a never ending maze
Youth is
like being unable  to breath under the deep
blue sea
Youth is
like climbing up a mountain of thorns
Youth is
an unsolvable puzzle
Youth is
falling hard injuring yourself yet still
running after your dreams.
Youth is
daring to do the impossible
Youth is
making mistakes and learning from them
Youth is
setting yourself free
Youth is feeling alienated from the whole world
Youth is
ephemeral
Yet still realizing it was one of the
most beautiful moments of your life. ⏭

# Pandora's Box

**Himadri Rekha Gogoi**
B.CA 5th Sem

It would come in a box
They say,
Brighter than anything,
Brighter than the old lady's eyes,
Waiting for her second life.
And see
here you go again,
With your wildest dreams
blinded by hopeless shimmers.

Her's was a wooden doll
So
carefully crafted, coated by the color coral.
Foolishness of hers,
lost in the dirt, of endless blue
in the old lady's yard.

And all those years
Still she searched,
for the box they hide.
And till she found
her hands all rooted,
but still with dried eyes
The box she opened,
to find the wooden doll
with a hole in its hearts.
And she asked
Why did after all these endless blue ?
Don't you have heart ?
And slyly they whisper
in her ears, with a vague smirk
wish we had one.

# Maturity

**Neekita Urang**
B.Sc. 3rd Semester

They say,
"When you reach maturity,
You cease to grow."

But how can maturity limit
The heights that I soar,
The expansion of my mind,
The vision of my soul,
Or, the width of my smile
When I, as a human,
wrap myself in the arms of nature ?

Yes, it doesn't.
'Cause' limitations exists
only if you let them.

# Reminisee of One's School life

**Priyanus Hazarika**
3rd Semester

The days of my childhood were placed on those
stairs:
The whirling and amusement will be everlasting
in my tears.
The bags on our shoulders that were heavier
than our thoughts.
Will miss those conversations and feelings which
were unable to be bought!
A little smile that passed from a stranger ;
was enough to cure all the sadness and danger
And become a part of the family forever.
The infinite and imaginary dreams
that we saw at that time,
Hope that now, it will be
MINE.

# The future

**Aloksparsa Borah**
B.A. 5th Sem

We ran
without knowing what we were
Running towards
We ran from home
Until it was darkness
I hate all we saw.
We were innocent souls
With sufferings of our own
10 is too many they say
Yes, it is too many
For the wood was never enough
And what can be worse than
A drunk abusive father ?
So we ran in pain.
In spite and in revenge
And end up in the world hell
On earth.
The devil came offering
Food and chocolate
And it was a dream come true
But just for a second
As all we knew vanished
Into the dark deep sleep.
How many things they took, from us ?
Liver, kidney, virginity and sometimes
Our eyes were on the line.
And the ladder ended with an identity
of a beggar, a prostitute and a dead body.
We are forgotten.
Never to be rescued again
And we lived only for two seconds
While being alive
Don't dare say the world is a
creed place
For you have never lost
Everything and everyone to it
We never held the words
Never knew how to count
We never held on to the balloons
Or ate a birthday cake
And we are already dead
We are the future of the world.

# Showers of Blessings

**Jaya Dubey**

How beautifully you fall on the Earth
Like a Showers of Blessings

How beautifully you fall upon
Bringing joy in Everyone's heart
farmer's field, children's dance
you fall upon

How beautiful to see you
Falling upon my garden
my flowers keeps boosting you
You fall upon

How beautiful to feel you
On my hands and feet
I feel cool and pleasant
You fall upon.

How beautiful to see you
When Everything seems death
you give life on them
you fall upon.

# Enough

**Saif Ali**
B.A. 1st Sem

Enough, I can't bear anymore
Enough, I can't cry anymore
My eyes are wearing, my breath is freezing
I feel, I can't live anymore.

Enough, I can't bear anymore
Enough, I can't be afraid anymore
Please don't torture, don't force
Let me smile just once more.

Where is the youth, where is the quake ?
Please do something to someone else
Enough, enough, enough shame on us
Let's get united today, let's save our society today
Let's get building our nation today.

# To Walk In Humility

## Ilyne Lakra

“A haughty lawyer once asked
a godly farmer -” Why don’t
you hold your head up high
the way I do? No one pus hes
me around, I bow before
neither god nor man.”

Then the farmer replied to him
“See the field of grain. Only the
empty heads stand up. Those
that are well filled always
bow low.” “The plus sign”
is made with two minus! It
means all negative things can
be shaped as positive by our
hard work and positive attitude

# To Inspire

## Purnima Limbu
5th Sem

A river, two persons
Sailing on their boats.
Goal is same - to catch fish.
One has started early
Other is just enroute
The first one looks back
To tell the other
What he had left behind
And is happy to see that
The second one is moving ahead
Not leaving nothing behind
First one gets encouraged
To proceed further
And second one to bring
Success closer
Because their goal is the same
It is not a complementation.

# The Testament of Water

## Yojurved Rajkhowa Baruah
4th Semester

Perhaps ... a word I
never believed in, A faith
that never restored
Perhaps I weren’t that unhappy, if
I weren’t found free every where
You call me by different names,
Use me to your fullest, yet I am
Cursed; when I create a havoc,
A havoc caused by your progeny
I flow, I come to your use, I ...
A help to others is a known,
Blessing, but my fate has a curse.
I am helpless, can’t you see?
I watch you making me flow
incessantly, down the drain.
I watch you dirtying my body,.
while cleaning yours, I watch
when you waste my body
I ...... a helpless commodity
I am that same commodity that
you quench your valued thirst with
while I weep in pain
It’s said funny though,
“Good begets good”.
Good can never, be well defined
To me, it’s an unknown soul
That was never in my fate
I am water
Immense pain has my soul seen
perhaps, I were happy if I weren’t
a commodity
Perhaps ........

# Tribute to Raj Kishore Gogoi



The wind ruffled caressing the black frizzy hair, the sunlight touched the beautiful tiny shut eyes, the ever smiling lips lay barren, withered as he was taken away on the arms of four men.His body shrouded as if hiding his soul to be taken into the other realm.But with the shed of a tear, he was gone, a talent departed and a soul rekindled with the nature...

Rajkishore, a rather simple name on a boy whose talents spoke louder than his words. The boy with the prolific light of literature who strummed melodies of words thawing even the most frozen of hearts. The poems, he weaved in the tapestry of our minds told sagas of tales unknown, with words carefully selected maneuvering the toughest of emotions in the path of ease. A master of word play with the mind of a well honed genius, he grabbed success in whatever field he stepped foot in. A well crafted quizzer, an efficient entrepreneur and an appreciator of fellow talent striving to take a part of the world towards amelioration and greater perquisites.

But the cruel arms of destiny tugged the ropes too early, dropping the drapes, indicating that this play of life was over. Taken away was the beholder of the prolific talents leaving behind him a void that nobody can ever fill.

*Dear friend, the niche created after you left is unfillable. May your soul find peace wherever you are.*

# THE CLIMAX

**Yojurved Rajkhowa Baruah**
5th Semester

A void feel
A tear jerker one indeed
One that hurts yet can't be replaced,
By other thoughts Silence,
That has stepped in those shoes,
Wearing which, the words,
Of joviality once travelled.
Accompainied by many, young and old,
Weak and bold, in a play that lead to,
A climax, Destiny screamed of a tragedy,
It's bellows, echoing in the walls
Of the white marble gallery
It's body, bleeding of cessation.
But denouement, nowhere to be written.
For the curtains that were raised, once,
By the hands of nativity, assuring the bond
Of a lifetime, have been dropped
By those very hands, the mouth screaming
Of the show being over, Over shadowing
The roars of the audience, who were promised
A climax that speaks of hope,
Resentment, peace and graduation blues.
For the end was inevitable, the expectations
Were just for a complete one
The audience that accompanied, the journey
Of a script, are now left standing
On a precipice
Their minds left uncertain, confused,
Uselessly hopeful about the story,
That could have been, the dialogues
That could have been said, the emotions
That could have been felt. The silence,
Replaced, by the hands of time, now
Lies defeated, by confused mutterings,
Of grief, sorrow and uncertainty.
But the story remains, uncertain still,
Without a climax.



# A Mother's Regrets

Raj Kishore Gogoi
4th Semester

"It's so futile to persuade you sometimes Maa. Fine then! Don't regret for your decision in front of me after someone else seize the opportunity." - Sudha said to her mother.

She had been trying to convince her mother for almost a week now and not just her, her little brother and even her father have tried, but all in vain. Her mother won't just listen. Sudha came out of the kitchen, a bit annoyed by her mother's obstinacy. "How can one be so stupid to lose as golden an opportunity as this?" She was simply stunned. She had always noticed, how so many chances knocked at her mother's door, but she would never let them in. She would simply refuse and her reason would be, " I don't have that blood and spirit anymore."

" I will help you in the houshold work when you'd be busy." - Mahesh said to his wife on the dining table.

" Oh really? Do you remember that week I was away in Guwahati for training and the pile of plates that were waiting for me whan I got back? - Mother taunted.

" Maa, don't worry about me too, I will do all my stuff by myself. I have grown up." - Her little brother Tishi said.

"Then is there a ghost who leaves his underwear in the bathroom after bathing, or spills his things all around the room after returning from school ?" - Saying, mother burst into a peal of laughter and the rest three joined her.

Sudha knew her mother's qualifications. This would leave her thinking, what could be the reason her mother nowadays kept herself away from things such as jobs and social participations.

In the evening Rishi's best frient Ankit and his mother visited them.

Sudha woke up from her nap and heard her mother speaking, "You know Rachna, I had that zest and ambition once. But after my marriage, things became like chalk and cheese for me. Not that my husband didn't support me, he did his best to convince me to do something, but I, didn't want to be away working, instead of being near my children, attending to their needs, I did teach in a primary school but after a couple of years I quit. Then I joined a training centre where I had to teach elderly women. It was a bit interesting but that too ran for not more than three years. I needed to quit because Sudha's board exams were approaching. I couldn't keep myself engaged in other business because my kids are more important for me."

Sudha didn't enter the drawing room.

At night, when all four of them were having dinner, Mahesh asked his wife -

" So is your decision final?"

" Isn't that apparent enough?"

" You promise you will not regret when someone who is less qualified compared to you becomes the Chairman?"

" I would rather look after my two precious gems than moving around, handshaking politicians.". - She said, winking at Sudha.

***************

# ৰাজকিশোৰ গগৈৰ দুটি কবিতা

## সোণৰ শান্তি উপত্যকা

অ' মেঘ ইমানকৈ কিয় চিঞৰিছা তুমি ?
নাজানা নেকি এই শান্তি উপত্যকাত কোলাহল নিষেধ ?
য'ত মুহূৰ্তে মুহূৰ্তে মধুৰ মৃত্যুৰ ভয়,
ৰাতি ধোঁৱাৰ মলয়া বলে
দিনত তেজৰ নিজৰা জিৰ্‌জিৰকৈ বয়।

শুনা নাই তুমি ইয়াৰ মধুৰ সংগীত ?
জানা মোৰ দেশৰ প্ৰতিজন প্ৰজা এই কলাৰ বিশাৰদ।
প্ৰতিবাদৰ মিঠা লয়ত, প্ৰকৃতিয়ে ইয়াত নৃত্য কৰে
তেনে এখন উপত্যকাৰ শান্তি কিয় ভংগ কৰিছা তুমি ?

জানানে ইয়াত মানুহে ভোক চিনি নাপায়
লাঠিচালনা, কন্দুৱা গেছৰ আকাল নাই
শূন্যলৈ গুলিচালনা কৰিলে বাটৰ কুকুৰে কিৰিলিয়াই
দোষীক শাস্তি বিহিবলৈ গ'লে নিজেই শাস্তি পায়

এয়াই মোৰ দেশ অ' কজলা মেঘ
সপোনৰ চালপীৰাত শুবলৈ কাৰো আহৰি নাই
গৰজি থাকা, হিয়া উজাৰি কান্দা অ' কজলা মেঘ
সোণৰ শান্তি উপত্যকাৰ কাৰো চকুলোলৈ ভ্ৰুক্ষেপ নাই।



## মই এটা মানুহ দেখিছোঁ

কেঁকুৰিটোত বহি আছিল এজন অন্ধ জ্যোতিষী,
হাতত এখন পুৰণি বীণ লৈ,
মই গৈ সুধিলোঁ -
মোৰ দুচকুলৈ চোৱাঁ, কি দেখিছা তুমি ?

আচৰিত কৰি মোক, দুচকু মেলি মোলৈ চাই ক'লে -
'মই এটা মানুহ দেখিছোঁ
শুভ্ৰ তুষাৰৰ এটা কোঠাত সি বন্দী।'

'মই এটা মানুহ দেখিছোঁ
আত্মমুক্তিৰ বাবে স্ব-আত্মাৰ স'তে যুঁজি আছে সি
অচেতন হৈ পৰি আছে, উত্তাল বানত দিশহাৰা হৈ
কাৰাগাৰৰ শীতল মজিয়াত।'

'মই এটা মানুহ দেখিছোঁ
অৱচেতনত বৈ আছে যাৰ অস্থিৰতাৰ ধুমুহা
নামি আহিছে সাগৰৰ জলমগ্ন চিৰিৰে
সশস্ত্ৰ এদল সৈন্য।'

'মই এটা মানুহ দেখিছোঁ
তুষাৰৰ এটা কাৰাগাৰত বন্দী সি;
বৰফময় হৃদয়ত বন্দী যেনেদৰে
মুক্তিৰ ক্ষণ গণি থকা অনুভূতিৰ জাক।'
'মই এটা মানুহ দেখিছোঁ'।

# উপন্যাসিকা

দেৱ্ৰাজীয়ান





# ত্ৰয়ম্বকে’ গৌৰী ...

**যুগল কিশোৰ নাথ**
প্ৰাক্তন ছাত্ৰ

শিলৰ কান্দোনৰ শব্দত সমগ্ৰ উজ্জয়ন কঁপি উঠিল। নন্দী, বীৰভদ্ৰহঁতে এফালৰ পৰা সমস্ত যজ্ঞমণ্ডপ ভাঙি চূৰমাৰ কৰি গৈছে। সতীৰ দগ্ধ গলিত গেহটো আলফুলে বুকুৰ মাজত সাবটি শিৱই হুকহুকাই কান্দি উঠিল। - সতী - শিৱৰ প্ৰাণৰ পুতলী সতী। - শিৱৰ কান্দোন শুনি ভগ্ন যজ্ঞবেদীৰ কাষলৈ দৌৰি আহিল নন্দী। - সতীৰ গলিত দেহ সাবটি শিৱই বাৰে বাৰে চুমি চাইছে সতীৰ দুগাল, সতীৰ কপাল। - এই যেন মাটিত নমাই থ’লেই পলকতে নিঃশেষ হৈ যাব শিৱৰ প্ৰাণৰ পুতলী সতী। কান্দি কান্দি অজলা শিৱ ভাগৰি পৰিছিল তেতিয়ালৈ। কি আছে এই অজলা মানুহটোৰ বুকুত ! সদায় হাঁহি থকা এই মানুহটোৱে কান্দিবও জানেনে ? এই যেন প্ৰথম নন্দীয়ে দেখিলে শিৱৰ এই ৰূপ। ভৈয়ামৰ শান্ত নদীৰ কি অকল্পনীয় সংহাৰী মূৰ্তি !!

দীপাধাৰত তেল ঢালি থকাৰ পৰাই মেনকাই সুধিলে, “পাৰ্বতী, সন্ধ্যা আৰতি কৰিবৰ হ’ল, গম পাইছনে?”

মেনকাৰ কথাৰ কোনো উত্তৰ নিদিয়াকৈ তন্ময় হৈ পাৰ্বতীয়ে চাই থাকিল শিৱলৈ। চাই থাকিল হিমাৰন্তলৈ। ব’লক। এতিয়া ইয়াত কন্দা-কটা কৰি থাকিলে নহ’ব। আইৰ শ-সৎকাৰ কৰিব লাগিব। ব’লক - থৰ লাগি বহি থকা শিৱৰ কান্ধত হাত থৈ নন্দীয়ে ক’লে - নাই শিৱৰ কাণসাৰ নাই। এই বিশ্বব্ৰহ্মাণ্ডত ক’ত কি ঘটিছে-নঘটিছে সেয়া যেন শিৱৰ জনাৰ প্ৰয়োজন নাই। - শিৱ অজলা। শিৱই একো নাজানে। নুবুজে। - শিৱই যদি চিনি পায় কেৱল সতীক। সতীৰ পিতৃ দক্ষৰ মুণ্ডহীন শৰীৰটো যজ্ঞবেদীৰ ওচৰতে পৰি আছে। সমস্ত যজ্ঞমণ্ডপ ধ্বংস কৰি বীৰভদ্ৰ আৰু ভৈৰৱ এইবাৰ শিৱৰ কাষ চাপি আহিল। কান্দি কান্দি ভাগি পৰা তেওঁলোকৰ অজলা বন্ধু শিৱক কি বুজনি দিব - তেওঁলোকে ভাবি পোৱা নাই।

- সহস্ৰ গাজনি ঢেৰেকণি ধুমুহা বৰষুণৰ অন্ততো গোমা হৈ থকা আকাশৰ



ৰহস্য কোনে উদ্‌ঘাটন কৰিব পাৰে! অঁকৰা অজলা সহজ-সৰল মানুহবোৰে বুকুত এজাক ধুমুহা বৈ ফুৰে প্ৰতিনিয়ত। - শিৱও ব্যতিক্ৰম নহয়। - তথাপি অনেক বুজনিৰ শেষত কোলাত তুলি স্নেহকুসুম সুৱাগমণি সতীৰ দেহ শিৱ আঁতৰি গ’ল নিমাতে - নীৰৱে। শিৱ গুচি গ’ল। গলিত সতীৰ দেহ বুকুত বান্ধি। সতীৰ লগে লগেই হেৰাই গ’ল শিৱৰ সংসাৰৰ প্ৰতি মোহ। এই পৃথিৱীৰ প্ৰতি শিৱৰ কোনো ভালপোৱা নাই। শিৱ হৈ পৰিল অঘৰী, যাযাবৰ। ভোগৰ এই পৃথিৱীৰ পৰা শৰ গুচি গ’ল বহু দূৰলৈ।

দক্ষৰ প্ৰতি তীব্ৰ ঘৃণাত মুখ কোঁচাই পাৰ্বতীৰ হৃদয় কঁপি উঠিছিল শিৱৰ কাৰণে। পুৰা দেখি অহা সেই অচিন বৈৰাগী শিৱৰ ইতিহাসে পাৰ্বতীক তিয়াই পেলাইছে। এই ভোগ-মোহৰ পৃথিৱী এৰি শিৱ কেনেকৈ যে আঁতৰি গ’ল - কিমান ভালপোৱা থাকিলে মৃত পত্নীৰ প্ৰতি, এজন পুৰুষে বাছি ল’ব পাৰে যৌৱনতেই বৈৰাগ্যৰ বাট? - পাৰ্বতীয়ে নাজানে।

বুকুত কিমান যে কাহিনী লৈ ফুৰিছে হিমাৰন্তই। যুগ যুগৰ ইতিহাস, কত ঘাত-প্ৰতিঘাত, কত ভগ্নবুকুৰ হুমুনিয়াহৰ কাহিনী বুকুত সাঁচি ৰখা কথনকলা বিশাৰদ হিমাৰন্তই কিশোৰী দুহিতা পাৰ্বতীৰ বিষাদ উৎকণ্ঠাৰ ইতি পেলাই কৈ পেলালে শিৱৰ কাহিনী। সতীৰ আত্মাহুতিৰ পাছত পৃথিৱীক বেয়া পাই গুচি যোৱা শিৱৰ কাহিনী। চকুৰ পলক নেপেলোৱাকৈ পাৰ্বতীয়ে শুনি থাকিল শিৱ গাথা।

ৰাতিলৈ পাৰ্বতীৰ দুচকুত শিৱ!
মনত শিৱ!!
বুকুত শিৱ!!!

সতী -- সতী -- উঠা সতী -- মই আহিছো সতী। এই যেন ৰুদ্ৰাক্ষৰ গুটি এটা সৰিল পাৰ্বতীৰ কোলাত - এই যেন ভাঙৰ বৈৰাগী সুগন্ধি মালতী হাত এখনে চুই গ’ল পাৰ্বতীক। - সতী ভাবনাত ডুব গৈ থাকোঁতে পাৰ্বতীয়ে সপোনতে দেখিছিল হাতখন আছিল হেনো শিৱৰ। - দুচকু মেলি সপোন কুহকৰ আৱৰণ খুলি দেখে - আচলতে হাতখন আছিল হিমাৰন্তৰ ...

জয়া-বিজয়াৰ সৈতে গোমুখত ঘূৰি ফুৰোঁতেই হঠাৎ পাৰ্বতীয়ে দেখা পাইছিল তেওঁক। প্ৰথম দেখোঁতেই আচৰিত ধৰণে পাৰ্বতী আকৰ্ষিত হৈছিল সেই অদ্ভুত বেশ-ভূষাৰ উদাসী মানুহটোৰ প্ৰতি। বাৰে বাৰে জুমি চাইছিল তেওঁলৈ গছৰ আঁৰৰ পৰা, গোমুখৰ ডাঙৰ ডাঙৰ শিলবোৰৰ আঁৰৰ পৰা। - কি আচৰিত এক সৰলতা সেই জধলা মানুহটোৰ মুখত। কি বিষাদৰ কালকূটে পিষ্ট কৰি আছে তেওঁক। - এই অন্তহীন সৌন্দৰ্যয়ো কিয় তেওঁক হাতবাউলী মতা নাই। অলকানন্দাৰ কুলু-কুলু শব্দ কিয় কালিন্দী ভোমোৰা হৈ তেওঁৰ হৃদয়ত এবাৰলৈও গুম্‌গুমনি তোলা নাই। এই ভৰপক যৌৱনতো কেনেকৈ ইমান উদাস,কেনেকৈ ইমান বিচ্ছিন্ন তেওঁ। - কি বা বিচাৰিছে তেওঁ সৌ শিলত বাগৰি বাগৰি! ইমান করুণ অথচ ইমান নিৰ্বিকাৰ নিৰ্লিপ্ত চাৱনি চকুত। দেখিলেই বুকু মোচৰ খাই যায়। - ভাঙৰ মোহিনী চকু-মুখত সানি থোৱা সেই মানুহটোলৈ পাৰ্বতীৰ মৰম লাগি গ’ল। অন্তৰৰ চপলতা ঢাকিব নোৱাৰি সুধি পেলায়, জয়া-বিজয়াক কোন সেই করুণ দৃষ্টিৰ বৈৰাগী? জাননে তহঁতে সখী ইমান সুন্দৰ, ইমান সুঠাম অথচ ইমান জধলা, ইমান নিৰ্লিপ্তি বিস্তৃত হৈ আছে তেওঁৰ মুখত। পাৰ্বতীৰ উৎকণ্ঠাৰ অন্ত পেলাই জয়া-বিজয়াই কৈছিল — তেওঁ শিৱ।

শিৱ ... শিৱ .... শিৱ...

আসঃ নামটোতেই কি এক সন্মোহনী, যেন সহস্ৰ সহস্ৰ দুখভাণ্ডাৰ বুকুত সাবটি হাঁহিব জনা এজন মানুহ, - যেন জীৱন বিভ্ৰমৰ বিষ পান কৰিও জী থকা এজন মানুহ। - শিৱ যেন এক সন্মোহন, যি সন্মোহনত ডুবি থাকিব পাৰি - অনন্তকাল।

ঃঃ ঃঃ ঃঃ

সন্ধিয়া ৰাজহাউলীত অজস্ৰ প্ৰদীপ

জ্বলি উঠাৰ সময়তে পাৰ্বতীয়ে প্ৰশ্ন কৰে হিমাৱন্তক - শিৱ কোন, পিতা?

হঠাৎ কিশোৰী কন্যাৰ মুখত শিৱৰ নাম শুনি হিমাৱন্তই থৰ লাগি ৰৈ গ'ল। কোৱা যায়নে শিৱ কথা, ক'ব পাৰিনে এই কন্যাক শিৱৰ ইতিহাস—

- কোৱানা পিতা।

শিৱৰ বাবে বাউলী হৈ পৰা পাৰ্বতীৰ আব্দাৰত হিমাৱন্তই খুলি দিলে এখন দুৱাৰ। যি দুৱাৰ সিপাৰে দূৰৈত বহু দূৰৈত পাৰ্বতীৰ বাবেই ৰৈ আছিল শিৱ। - নদীৰ উৎস মুখৰ অবিহনে কল্পনা কৰিব পাৰি জানো অৱবাহিকাৰ অন্য অংশ? - পাৰি জানো বিচাৰিব দীঘলীয়া পদূলিৰে সাগৰত মিলি যোৱা নদীৰ অস্তিত্ব—

এমুঠি ছাই উৰি আহিল। পাৰ্বতীৰ চকু-কাণ-নাক-চৰ্ম ভেদি হৃদয় চুই উৰি গ'ল ছাইমুঠি। কুণ্ডলী পকাই তামস বিস্তৃতিৰ মাজতো জিলিকি জিলিকি বৈ আহিল এসোঁতা ধোঁৱা। হিমাৱন্তই মেলি দিয়া দুৱাৰেৰে বনপখিলা হৈ চাঁই মুঠি আৰু ধোঁৱাৰ কুণ্ডলীয়ে কি কালিন্দী-কালিয়নী ৰাগিৰে মেৰিয়াই মেৰিয়াই আঁজুৰি নিছে পাৰ্বতীক সেই তামস কন্দৰেদি। ইমান আন্ধাৰতো ইমান উজ্জ্বল সেই আৱাহনী দুহাত। সঁচাই -ছাঁই নহয় যেন শিৱৰ দুহাত— ধোঁৱা নহয় যেন শিৱৰ মাত!

কথন কলা বিশাৰদ হিমাৱন্তৰ মুখেৰে পাৰ্বতীয়ে শুনি গ'ল শিৱৰ গাথা, শিৱৰ অন্তহীৰ ৰহস্য। শিৱৰ দুখত দুখী হৈ থেতেলিয়াই থেতেলিয়াই কিশোৰী হৃদয়, হাহাকাৰ কৰি উঠিল পাৰ্বতীৰ। সেই নিশাই ৰাতিলৈ পাৰ্বতীৰ দুচকুচত শিৱ! মনত শিৱ!! বুকুত শিৱ!!!

সেই সপোনৰ পাছত ধোঁৱা আৰু ছাইৰ সন্মোহনী লতাত মেৰ লৈ লৈ পাৰ্বতী চটফটাই থাকিল ওৰে নিশা বিছনাত যেন গভীৰ পানীৰ মাছ, পাৰৰ বালিত পৰি চটফট - চটফট ...

৩

ঃ ব্ৰহ্মাদেৱ, এই সময়ত শিৱক স্বাভাৱিক অৱস্থালৈ অনাটো খুবেই জৰুৰী। শিৱৰ অবেহনে তাৰকাসুৰক বাধা দিয়াটো আমাৰ সমস্ত দেৱজাতিৰ বাবে অত্যন্ত কঠিন। হিমালয়ৰ উচ্চ শিখৰত অৱস্থিত আমাৰ এই সৰু ৰাজ্যখনত তাৰকক বাধা দিয়াৰ শক্তি সঁচাকৈয়ে কাৰো নাই। দক্ষিণাপথৰ তাৰকাসুৰৰ ৰাজ্যত বিশাল বিশাল অসুৰ-ৰাক্ষসেৰে ভৰা সেনাবাহিনী আছে। গতিকে তাৰকহুঁতৰ হাতৰ পৰা আমাৰ এই দেৱৰাজ্য আৰু জাতি বচাবলৈ শিৱৰ সহায় লাগিবই। - নাৰায়ণৰ কথাত হয়ভৰ দি পুৰন্দৰে ক'লে - আৰ্যাৱৰ্তৰ যিবোৰ ৰাজ্যই আমাক দেৱতা মানি সহায় কৰে, সেইবোৰৰ কোনোৱেই তাৰকাসুৰৰ বিৰোধিতা কৰিব নোৱাৰে। আৰ্যাৱৰ্তত আমাৰ দেৱজাতিৰ সন্মান ৰাখিবলৈ হ'লে দেৱজাতিৰ শিৱৰ ওচৰত এবাৰলৈ সৰু হ'বই লাগিব।

ঃ বিষ্ণুদেৱ আৰু দেৱগণ, সঁচা ক'বলৈ গ'লে মোৰ ল'ৰা দক্ষৰ প্ৰাণ লোৱা শিৱৰ প্ৰতি মোৰ ভাল ভাব কেতিয়াও নাহে। কিন্তু এতিয়া ৰাজ্যৰ স্বাৰ্থত মই শিৱৰ সৈতে আপোচ কৰিবলৈ ৰাজী আছোঁ। কিন্তু .....

ঃ কিন্তু বুলি কিয় ৰৈ গ'ল ব্ৰহ্মাদেৱ? মই জানো আপুনি কি ক'ব বিচাৰিছে? শিৱৰ মানসিক স্থিতিৰ বাবে আপোনাৰ চিন্তা হৈছে, নহয়নে?

ঃ বিষ্ণুদেৱ, আপুনি ঠিকেই ভাৱিছে, শিৱ দেখোন বৈৰাগী, শিৱ পগলা - শিৱ অঘৰী। কৌতুহলমিশ্ৰিত চাৱনিৰে মনৰ ভাব ব্যক্ত কৰি ব্ৰহ্মাই নাৰায়ণলৈ চালে। - এক স্মিত অথচ কুটিল হাঁহি মাৰি কিবা ক'ব খুজিছে নাৰায়ণে। - অত্যন্ত চালাক - কূটনীতিবিশাৰদ মানুহ এই নাৰায়ণ। - তেওঁৰ চলনা - কূটনীতিৰ ইতিহাস বৰ বিস্তৃত। অৱশ্যে এই সকলোবোৰ দেৱজাতিৰ স্বাৰ্থতেই।

ঃ শিৱক নিৰ্মাণ কৰিব লাগিব। জধলা শিৱক নিৰ্মাণ কৰি ৰুদ্ৰ কৰিব লাগিব। - নাৰদ, বৈৰাগী শিৱক বিষয়ী কৰাৰ দায়িত্ব তোমাক দিলোঁ। শিৱৰ বৈৰাগ্যৰ যৱনিকা পেলাই হিমাৱন্তৰ কন্যা পাৰ্বতীৰ প্ৰতি শিৱক



আকৰ্ষিত কৰিব লাগিব।

ঃ আপুনি সকলো কথাতে মোকহে বিচাৰি পায়নে বাৰু? ঠিক আছে, আপুনি কৈছে যেতিয়া কৰিবতো লাগিবই আৰু ... নাৰায়ণ, নাৰায়ণ।

নাৰদক সকলো বুজাই দি নাৰায়ণে পুনৰ ক'লে - চাওক ব্ৰহ্মাদেৱ, শিৱ আৰু শিৱৰ ফৈদৰ মানুহখনিৰ বিষয়ে আপুনি জানেই। শিৱক নতুন ৰূপত নিৰ্মাণ কৰিব লাগিব। মোৰ পৰিকল্পনামতে সকলো কামত লাগি যাওক। প্ৰয়োজন হ'লে শিৱক আমি উচ্চ দেৱতাৰ স্থান পৰ্যন্ত দিব লাগিব। মুঠতে তাৰকাসুৰৰ কাহিনীক ধ্বংস কৰিবলৈ শিৱক লাগিবই।

ঃ কি নাভূত-নাশ্ৰুত কথা কয়হে আপুনি? অনাৰ্য শিৱক আৰ্য সমাজত উচ্চ দেৱতাৰ স্থান - উসঃ কেনেকৈ কল্পনা কৰিছে আপুনি?

দৈৱত্বৰ অহংকাৰত ব্ৰহ্মা ধৰফৰাই উঠিল। - শিৱৰ দৰে অনাৰ্য অসংস্কৃত, বাউল মানুহ এটাক দেৱজাতিলৈ তোলাটো অসম্ভৱ। আৰ্য উচ্চাত্মিকতাবোধত ব্ৰহ্মাৰ গা জিকাৰখাই উঠিল।



ঃ ব্ৰহ্মাদেৱ জাতি আৰু ৰাজ্যৰ স্বাৰ্থত শিৱক আমি দেৱ কৰিবই লাগিব। জনমানসত তিনিদেৱৰ ধাৰণা প্ৰতিষ্ঠা কৰিব পাৰিলেহে দেৱজাতিয়ে যুগলৈ বৰ্তি থাকিব পাৰিব। ব্ৰহ্মাৰূপে আপুনি সৃষ্টি কৰ্তা, বিষ্ণুৰূপত মই পালনকৰ্তা আৰু শিৱ ৰুদ্ৰৰূপত সংহাৰকৰ্তা। - শিৱক আমাৰ ভৱিষ্যতৰ বৃহৎ স্বাৰ্থত ব্যৱহাৰ কৰিবই লাগিব ব্ৰহ্মদেৱ। - কূটনীতি, চলনা বিশাৰদ নাৰায়ণৰ কথা অমান্য কৰিব নোৱাৰি ব্ৰহ্মা মনে মনে থাকিল। পুৰন্দৰ, আদিত্য, সোমহঁতেও অনেক আপত্তি থকাৰ পাছতো নিমাতে নাৰায়ণৰ প্ৰস্তাৱকেই মানি ল'লে। আচলতে মানি ল'বলৈ বাধ্য হ'ল তেওঁলোক।

৪

ঃ শিৱ, তুমি কিয় এনেকৈ থাকা? মন্দাকিনীৰ পাৰৰ ঘাঁহনিডৰাৰ মাজৰ ওখ শিলছটা আঁউজি ডাঙৰ কালিন্দী মোহনীত বুৰ গৈ থকা শিৱক প্ৰশ্ন কৰিলে পাৰ্বতীয়ে। ওপৰত নীলা আকাশ, দূৰৈত দুটামান পানী গছা, ওখ-ওখ সৰল, ভূৰ্জপত্ৰ গছবোৰে মন্দাকিনীৰ দুপাৰ আৱৰি আছে। ডাঠ জলফাইৰঙী অৰণ্যখনৰ মাজৰ পৰাই আৰম্ভ হোৱা পৰিৱেষ্টিত এই সেউজ ঘাঁহনিৰ উপত্যকাটোত কিমান সময় ধৰি শিৱ বহি আছে, পাৰ্বতীয়ে নাজানে! - হেমনী ভাঙৰ গা ৰাইজাই কৰা কামৰূপী কালিন্দী সুগন্ধি এটা বতাহে কোবাই আনিছে পাৰ্বতীলৈ। উশাহত উজাই চালে পাৰ্বতীয়ে, -- সেই একেই বৈৰাগ্য -- সেই একেই নিৰ্লিপ্ত - সেই একেই উদাসী হুমুনিয়াহ বৈ আছে শিৱৰ নিশ্বাসত।

ঃ তোমাক কিমানবাৰ ক'ম বালিকা, কিয় মোক বিচাৰি ফুৰা? নাহিবা মোৰ ওচৰলৈ। যি শিৱক বিচাৰি তুমি টোকৰ মাৰিছাহি এই বন্ধ গবাক্ষত সেই দুৱাৰ বন্ধ চিৰদিনৰ বাবে। গুচি যোৱা বালিকা, গুচি যোৱাঁ। তোমালোকৰ চিন্তাৰে জীৱনক যিমানলৈ বুজি পোৱা তাৰো বহু দূৰৰ পৰাহে মোৰ জীৱন আৰম্ভ। আমাৰ জীৱনচৰ্যাৰ কোনো প্ৰকাৰেই মিল নাই।

ঃ যাম শিৱ, নিশ্চয় আঁতৰি যাম। কিন্তু তুমিওতো জানা শিৱ, একো মিল নথকাৰ পাছতো নদীয়ে ভাল পায় সমুদ্ৰক, নদীৰ জীৱনৰ সমাপ্তিতেইতো সমুদ্ৰ জী উঠে, একো মিল নথকাৰ পিছতো পৃথিৱীয়ে ভাল পায় আকাশক। তেন্তে মই কিয় তোমাক বিচাৰিব নোৱাৰোঁ? কিয় মোৰ ভালপোৱাৰ উষ্ণতাৰে সেকিব নোৱাৰোঁ তোমাৰ চেঁচা অৰ্দ্ধমৃত হৃদয়! কিয় মই বৰষুণ হৈ তিয়াব নোৱাৰোঁ তোমাৰ মৰুভূমি মন??

ঃ এই কিয়ৰ কোনো উত্তৰ নাই। গুচি যোৱা কন্যা, গুচি যোৱা।

শিৱ উঠি গুচি গ'ল মন্দাকিনীৰ পাৰৰ পৰা। এৰি থৈ পাৰ্বতীৰ কাষত এসোঁতা বৈৰাগী বেজাৰ।

- একপক্ষীয় ভালপোৱাত যি বেদনা আছে, সেয়া আনে অনুভৱ কৰিব নোৱাৰে। - শিৱ যেন গভীৰ সমুদ্ৰ আৰু পাৰ্বতী এটি সৰু নিজৰা - সমুদ্ৰক ধিয়াই বৈ যোৱাৰ অনন্ত হেপাঁহ থকা সত্বেও নদীতেই নিঃশেষ হৈ যায় নিজৰা। এই প্ৰেমত নাথাকে প্ৰেমাস্পদৰ কোনো উমাল স্পৰ্শ, সান্নিধ্য। থাকে মাথোঁ অসহ্যকৰ যন্ত্ৰণা।

ঃঃ ঃঃ ঃঃ

ঃ আপুনি নাজানে এয়াই বিধাতাৰ বিধান। আপোনাৰ প্ৰিয় সতীয়েই পাৰ্বতী, পাৰ্বতীয়েই আপোনাৰ সতী। আপুনিয়েই আদ্যাশক্তি। মহাদেৱ, জগতৰ মংগলৰ বাবে আপুনি পাৰ্বতীক বিবাহ কৰাওক।

ঃ কথাবোৰ মোৰ খেলিমেলি, কোনেওতো কোৱা নাছিল এই কথা। পাৰ্বতী ইমান সৰু যুৱতী। সতী দাক্ষায়িণী আৰু পাৰ্বতী হিমাৱন্ত দুহিতা। - নাই - নাই এইবোৰ মোৰ বিশ্বাস নহয়।

ঃ মহাদেৱ, বিশ্বাস কৰক সতীয়েই পাৰ্বতী। এয়াই বিধাতাৰ লিখন। পাৰ্বতী কেৱল আপোনোৱা বাবেই মহাদেৱ।

শিৱৰ আউল লাগিল। জঁট লগা এৰাঁসূতা এমুঠিৰ আগ-গুৰি বাছিব নোৱাৰি শিৱই মনত লৈ ফুৰিল পাৰ্বতীৰ বুকুত সতী।

ঃঃ ঃঃ ঃঃ

ঃ হে হিমাৱন্ত, আপোনাৰ কন্যা পাৰ্বতী শিৱপত্নী সতীৰেই পুনৰ্জন্ম। গতিকে নৰায়ণ আৰু ব্ৰহ্মাদেৱৰ নিৰ্দেশমতে মই আপোনাক অৱগত কৰিবলৈ আহিলোঁ। জগতৰ কল্যাণৰ বাবে পাৰ্বতীক মহাদেৱলৈ বিবাহ দিবই লাগিব।

ঃ বিধাতাৰ ইচ্ছাক অমান্য কৰাৰ সাহস মোৰ নাই। মোৰ কন্যা পাৰ্বতী সৰ্বগুণসম্পন্না। শিৱক মই অঘৰী অনাৰ্য বুলি কোনোদিনেই অৱমাননা কৰা নাই। পাৰ্বতীৰ কাৰণে শিৱ নিশ্চয়কৈ উপযুক্ত বৰ।

এটা এটাকৈ পদুমৰ পাহিবোৰ ছিঙি ছিঙি, বাওঁভৰিৰ নখেৰে মাটিত অবুজ ছবি আঁকি আঁকি পাৰ্বতীয়ে শুনি আছিল নাৰদ আৰু হিমাৱন্তৰ কথাবোৰ। লাজৰ ৰক্তবিন্দু দুটা বিয়পি বিয়পি পশ্চিমৰ অপৰাহ্ন আকাশ এখন বহি থাকিল পাৰ্বতীৰ দুগালত।

আকৌ ৰাতিলৈ পাৰ্বতীৰ দুচকুত

শিৱ। মনত শিৱ। বুকুত শিৱ।

ঃঃ ঃঃ ঃঃ

দক্ষিণাপথৰ সমুদ্ৰৰ পাৰত তাৰকৰ ৰাজ্য। দেৱজাতিৰ পূৰ্বকৃত অত্যাচাৰৰ বাবে অসুৰ জাতিয়ে যুগে যুগে বেয়া পাই আহিছে দেৱজাতিক আৰু দেৱজাতিৰ অনুগ্ৰহৰ পাত্ৰ আৰ্যাৱৰ্তৰ সমস্ত মানুহক। আৰ্যাৱৰ্তৰ মানুহৰ মাজত অসুৰ জাতিৰ সম্পৰ্কে অনেক ভ্ৰান্ত ধাৰণা প্ৰচলিত হৈ আহিছে। সেইবাবেই দক্ষিণাপথৰ অসুৰ জাতিয়ে কোনোদিনেই আপোন কৰিব পৰা নাই উত্তৰ জম্বুদ্বীপৰ দেৱ, সৌৱীৰ, কুৰু, পাঞ্চালিহঁতক।

দেৱজাতিৰ প্ৰধান নাৰায়ণে সমস্ত দেৱজাতিক ৰক্ষণা-বেক্ষণ দি আছে। পুৰন্দৰ ইন্দ্ৰৰ নেতৃত্বত দেৱজাতিয়ে অসুৰসকলক নানান অত্যাচাৰ-উৎপীড়ন চলাই আহিছে। - অসুৰ জাতিয়ে ভয় নকৰে, বিভিন্ন বাধা অতিক্ৰম কৰিও তেওঁলোকে নিজকে প্ৰতিষ্ঠা কৰিছে। কিন্তু শেহতীয়াকৈ শিৱ আৰ্যদেৱগোষ্ঠীৰ সৈতে লগ লগাত তাৰকহঁতৰ চিন্তা হ'বলৈ ধৰিছে। শিৱৰ শক্তিৰ কথা তাৰকহঁতে ভালকৈয়ে জানে। সীমাৰ বাবে কৈলাশৰ কাষত হোৱা যুদ্ধখনত শিৱই তাৰকহঁতক এসেকা ভালকৈয়ে দিছিল। কিন্তু শিৱৰ প্ৰতি তাৰকহঁতৰ বা তাৰকহঁতৰ প্ৰতি শিৱৰ কোনো বেয়া ভাব নাই। - সেই শিৱ এতিয়া দেৱ-জাতিৰ প্ৰধান দেৱতা হৈ পৰাতহে তাৰকবাহিনীৰ আশংকা বৃদ্ধি পাইছে।

ঃ অসুৰপতি, শুনিছোঁ শিৱই হিমাৱন্তৰ কন্যা পাৰ্বতীক বিবাহ কৰাব। - এই বিবাহ হ'লে শিৱৰ ফৈদ আৰু দেৱজাতিৰ যি মিল হ'ব সেয়া আমাৰ বাবে ভয়ানক হ'ব দেখোন। বিদ্যুন্মালীৰ প্ৰশ্নত তন্ময়তা ভাগিল তাৰকৰ।

ঃ এৰা, বৰ্তমান আমাৰ অসুৰ ৰাজ্য কেৱল দক্ষিণাপথতেই বিস্তৃত হৈ আছে। পূৰ্বে সিন্ধু, কেকয়, নামনি মদ্ৰ, কামৰূপ, কাঞ্চনাদ্ৰি পৰ্যন্ত আমাৰ অসুৰ জাতিৰেই বিস্তৃতি আছিল। মোৰ পিতৃ বজ্ৰনাগৰ দিনতহে অসুৰ ৰাজ্যৰ সীমা কমি আহিল। আৰ্যবোৰ অতি সীয়ান, টেঙৰ; সিহঁতে মানুহক আভুৱা ভাৰিবলৈ তৎক্ষণাত জ্যোতিষ, দেৱ-দেৱী তথা পুনৰ্জন্মৰ কাহিনী সাজি দিব পৰে। সিহঁতকৈ আমি কোনোগুণেই কম নহয়। কিন্তু সিহঁতৰ কৃষিপদ্ধতি আৰু লেখন কলাৰ বাবেই সিহঁত শ্ৰেষ্ঠ হৈ আহিছে। আৰ্যৰ লেখন কলা আমি এতিয়াও আয়ত্ত কৰিব পৰা নাই। আমাৰ মানুহবোৰৰ জীৱন তেনেই সাধাৰণ। আমাক নএগ্ৰৰ্থক দৃষ্টিৰে চায়। — আমি অসুৰজাতি সিহঁতকৈ নিকৃষ্ট আমাক দমন কৰিবৰ ববেই সিহঁতৰ বহুত দেৱ-দেৱীৰ জন্ম হৈ থাকে। সিহঁতৰ লেখনকলা আৰু যাগ-যজ্ঞই প্ৰধান শত্ৰু আমাৰ। সিহঁতে যি লিখে সেয়াই মানুহৰ মাজত ৰৈ যায়। সিহঁতৰ ঈশ্বৰৰ ধাৰণাই আমাক বহু ক্ষতি কৰি আহিছে।

ঃ অসুৰপতি, এই আৰ্যবোৰকতো আমি বেয়া নাপাওঁ। কিন্তু সিহঁতৰ প্ৰধান দেৱতা নাৰায়ণক মোৰ সহ্য নহয়। আমাৰ অসুৰ জাতিৰ প্ৰধান শত্ৰু এই নাৰায়ণহে। অত্যন্ত চতুৰ, চলনাবিশাৰদ তথা শক্তিশালী হোৱাৰ বাবেই সি আমাক দমন কৰি আহিছে।

উত্তৰ জম্বুদ্বীপৰ জলবায়ু ভাল, আমাৰ দক্ষিণাপতকৈ শীতল। আমাৰ পুৰণি বাসভূমিক আৰ্যৰ হাতৰ পৰা উদ্ধাৰ কৰাটো আমাৰেই কৰ্তব্য। কিন্তু এতিয়া শিৱ যদি আৰ্যৰ দেৱতা হৈ পৰে ....

জেওৰা দি থকাৰ পৰা শিৱই ক'লে, চা তাৰক, এইবোৰ সীমা ঠেলা-ঠেলি কাৰবাৰ মই ভাল নাপাওঁ, যিকেইটা দিন আমি জী থাকিম মিলা-প্ৰীতিৰে থাকচোন। অকণমান মাটিৰ কাৰণে মানুহৰ লগত যুঁজ-বাগৰ নকৰিবি। এইবাৰলৈ মই একো নকৰিলোঁ, কিন্তু সদায় আমি এনেকৈ নাথাকোঁ। মই নকৰিলেও মোৰ ল'ৰা-ছোৱালীৰ দিনত যে এইবোৰ কাৰণত যুঁজ-বাগৰ নহ'ব কি ঠিক। গতিকে আমাৰ মাটি-আমাৰ সীমা কৰি যুঁজি নুফুৰিবি। যা তহঁতৰ মানুহবোৰক সৌ বাঁহনিখনৰ ওচৰত ভৈৰৱহঁতে বান্ধি থৈছে। মোকলাই নে গৈ যা ...

ঃ অসুৰপতি। কি ভাবি আছে?

ঃ হেঃ নাই,. শিৱৰ কথাই মনলৈ আহিছিল। শিৱ বাৰু সঁচাই বিক্ৰী হৈ গ'ল নেকি চতুৰ নাৰায়ণৰ দেৱবাহিনীৰ ওচৰত?

৫

ঃ পাৰ্বতী তোমাক এই ঘৰৰ সম্পূৰ্ণ দায়িত্ব দিলোঁ। তোমাৰ কিবা প্ৰয়োজন হ'লে নন্দীক ক'বা, সি আনি দিব। - মোৰ পৰা এইবোৰ আশা নকৰিবা।

আপোনভোলা মানুহটোলৈ পাৰ্বতীৰ মায়া জাগি উঠিল। বিবাহৰ প্ৰথম নিশাৰ প্ৰেমৰ কামিনীকাঞ্চন সুগন্ধিৰে আমোলমোল এই কোঠাত শিৱক বাহুবিন্ধনৰ বাদে নো কি প্ৰয়োজন হ'ব আজি? - সেই কথা খুলি ক'ব পাৰি নেকি শিৱক! - নাই - নাই। নোৱাৰি নোৱাৰি। পাৰ্বতীৰ লাজ লাগি গ'ল।

দুদিনমান শিৱই ভাং মুখত দিয়া নাই। মানস সৰোবৰৰ পাৰত বহি বৰশী চিপিয়াই থকা শিৱলৈ চাই পাৰ্বতী গোহালিত সোমাল। শিৱৰ এপাল গৰু, ভেড়া, মেথোন



আছে। সহায় কৰিবলৈ নন্দী-ভৃংগী আৰু অনেক মানুহ আছে। - গাখীৰ খিৰাই অঁতাই পাৰ্বতীয়ে গৰুকেইজনী এৰাল দিয়াৰ চলেৰে শিৱৰ কাষ পালেগৈ।

ঃ শুনাচোন।

ঃ তুমি ইয়ালৈ কিয় আহিলা পাৰ্বতী?

ঃ গৰু চৰাবলৈ আকৌ। - হাঁহি হাঁহি শিৱৰ কাষতে শিলত বহিল পাৰ্বতী। - ইমান সৰল মোৰ শিৱ। দেখিলেই মৰম লাগি যোৱা থাওকাল গঢ়ৰ মানুহটো; এতিয়াও সেই একেই নিৰ্বিকাৰ নিৰ্লিপ্ত। - মানুহে কয় মোৰ শিৱ আদিদেৱ, আদিযোগী - মহাদেৱ আৰু মই আদিশক্তি। নাই - নাই শিৱ আৰু মই সাধাৰণ মানুহ। শিৱ মোৰ! কেৱল মোৰ।

ঃ এই লাগিল, লাগিল। চিপ্ মাৰি দিলে শিৱই। এবেগেতীয়া মাছ এটা বৰশীৰ আগত চট্‌ফটাই আছে। শিৱৰ মুখত হাঁহি। শিৱৰ দুচকুত সন্মোহনৰ হাঁহি। পাৰ্বতী ঢলিল। - সেই হাঁহিতে ঢলিলি পাৰ্বতী। গালত হাত থৈ শিৱলৈ চাই চাই বহি থাকিল পাৰ্বতী ...

প্ৰিয়া মোৰ, চোৱা ইমান ধুনীয়া সৌ অৰণ্যখন, ইমান নীলা আকাশখন। - এই ঘাঁহনিখনত মোৰ তোমাৰ সৈতে বাগৰি দিবলৈ মন গৈছে , পাৰ্বতী ... মোৰ চেনেহী পাৰ্বতী। চাওঁ, এটা চুমা দিওঁ তোমাৰ গালত।

ঃ যাঃ - হাতৰ খাৰু দুপাট জুনজুনাই উঠিল।

ঃ কি হ'ল পাৰ্বতী? - সেই একেই নিৰ্বিকাৰ কণ্ঠ শিৱৰ - বাস্তৱৰ শিৱৰ।

ভাবনাত যি শিৱ বৈ আছে মোৰ ইমান মনোমোহা - বাস্তৱৰ শিৱ ইমান নিৰ্বিকাৰ - ইমান পৃথক - শিৱ, তুমি নুবুজা একো। - ভালপাওঁ তোমাক, ভালপাওঁ বহুত। - চেতনাৰ গহনত মোৰ যি চাকি জ্বলে তোমাৰ নামত, কোনে তাক নুমুৱাব পাৰে। - এবাৰ চুই চোৱাঁ মোক। এবাৰ বুজি পোৱা মোক। - ক'ব খুজিও দুই ওঁঠ জঠৰ হৈ ৰৈ গ'ল পাৰ্বতীৰ।

ঃ ব'লা যাওঁগৈ। ইয়াত অকলে বহি থাকিব নালাগে। - শিৱই মাতে। — শিৱৰ মাতত আদৰ আছে , আছে সন্মোহনো, হয়তো এই সন্মোহনতেই পাৰ্বতী জী থাকিব লাগিব অনন্তকাল।

ঃঃ ঃঃ ঃঃ

শুই থকা শিৱৰ মুখখন চাই পাৰ্বতীয়ে হেঁপাহেৰে সাবটি ধৰিলে শিৱক। - এবাৰ কাণ পাতি শুনা - অভ্যন্তৰৰ গহনত কি সুৰ বাজিছে শুনা - মোৰ হৃদয়ৰ আবাহনী সংগীত তুমি নুশুনা কিয় শিৱ? - মোৰ ...ক তুমি সম্পূৰ্ণ কৰা, বৰফৰ দৰে চেঁচা ...ওক উত্তাপিত কৰি তোলাৰ সামৰ্থ ...াই পাৰ্বতীৰ - ইমান অৱহেলা কৰা - ইমান অৱজ্ঞা - এবাৰ বুজি চোৱা শিৱ। এবাৰ - নিৰ্বিকাৰ জড় শিলাখণ্ডক পাৰ্বতী শেলুৱৈ হৈ গজি থাকিল ওৰে ..



ঃঃ ঃঃ ঃঃ

হালোৱা গৰুহাল মেলি শিৱই তিয়াই আহিল। বিজয়াই যতনাই দিয়া ...নটো খাই তামোল পকটিয়াই আলেঙে ...ঙে পাৰ্বতীক চালে। — পাৰ্বতী স্নান ...াহিছে। বাহিৰ ফুৰিবলৈ গৈছিল চাগে' অসমত। স্মিত সুগন্ধি এটা শিৱৰ ওচৰলৈ উৰি আহিল।

ঃ হেৰা, এই গুণাকেইডাল বাতি দিয়াচোন। টোকাৰীখন ঠিক কৰি লওঁ।

পাৰ্বতীয়ে বুজে - শিৱ সলনি হৈছে আগতকৈ - পাৰ্বতীৰ ওচৰত কিবা এটা চেলু লৈ থাকিবলৈ ভাল পোৱা হৈছে শিৱই। পিছ বাৰান্দাতে ঢাৰি এখন পাৰি পাৰ্বতী বহিল। - আজিনো টোকাৰীখন কিয় লগা হ'ল তোমাক?

ঃ কাম আছে - কাম আছে। কটাৰীখনেৰে টোকাৰীখনৰ খোলাটো খুন্দিয়াই ফৰিঙাটো টানি লৈ শিৱই ক'লে - এইবোৰ আমাৰ সম্পদ। আমিয়েই যদি কৃষ্টি ধৰি নাৰাখোঁ কোনে ৰাখিব। মানুহ যিমানেই শিক্ষিত নহওক, যিমানেই উচ্চ পৰ্যায়লৈ নাযাওক, নিজৰ কৃষ্টি-সংস্কৃতি চিনি নাপালে শিপাডাল ছিগি নাথাকিব জানো।

আন্ধাৰ-আন্ধাৰ-- উসঃ ইমান আন্ধাৰ আন্ধাৰ লাগিছে। পৃথিৱীখন ঘূৰিছে - চক্‌চকাই ঘূৰিছে পৃথিৱীখন - পাৰ্বতীকে মেৰু কৰি পৃথিৱী ঘূৰিছে - হালি-জালি গৈছে পাৰ্বতী - হাতৰ গুণা খহিল - উসঃ

ঃ কি হৈছে পাৰ্বতী? - শিৱই তুলি ধৰিলে পাৰ্বতীক - বি...জ....য়া...

উধাতু খাই দৌৰি আহিল বিজয়া। পাৰ্বতীৰ মূৰ ঘূৰাইছে। ডাংকোলা কৰি শিৱই পাৰ্বতীক বিছনাত শুৱাই দিয়েগৈ। - সদায় কওঁ বেছি চিন্তা নকৰিবা - বেছি কাম নকৰিবা - ইমানবোৰ মানুহ থাকোঁতেও গোটেই কামবোৰ তেওঁ কৰিলেহে হয়। ঢপলিয়াই গৈ লোণপানী অকণ আনি পাৰ্বতীক খুৱাই দিলে শিৱই। - অলপ ভাল পাইছানে? - পাৰ্বতীয়ে মিচিকিয়াই হাঁহিলে মাথোঁ। শিৱই দেখিলে কি নেদেখিলে, বুজিলে কি নুবুজিলে শীতৰ শেহত লঠঙা গছজোপাত কুঁহিপাত মেলি উঠা।

বসন্ত আহিছে। গোটেই ঘৰ্ঘৰা - অলকানন্দাৰ দুপাৰ ভৰি ফুলি উঠিছে বসন্তৰ ফুল। শিৱৰ ব্যস্ততা বাঢ়িছে। পাৰ্বতীয়ে গা-মূৰ ধোৱা নাই। শিৱৰ ভয় বাঢ়িছে। শিৱৰ উৎকণ্ঠা

বাঢ়িছে। বসন্তৰ ফুলবোৰৰ প্ৰতি প্ৰত্যেকৰ কিমান যে বাসনা। বসন্তৰ ফুলে পৰিৱৰ্তন আনে। শীতৰ খৰাঙৰ ধূলিত পোত যোৱা গছবোৰ বসন্ততেই কুঁহিপাত আৰু ফুলেৰে জাতিষ্কাৰ হৈ উঠে। - মানুহৰ জীৱনলৈও বসন্ত আহে। আঁতৰাই অপ্ৰাপ্তি-বিষাদৰ ভোমোৰা ক'লীয়া ডাৱৰ, বসন্তই আনে হেমন্তৰ সুমিষ্ট ফুলৰ প্ৰতিশ্ৰুতি। - টোকাৰীখন তুলি আলফুলে বজাবলৈ ধৰিলে শিৱই।

শিৱৰ দুচকুত বসন্ত!

বুকুত পাৰ্বতী!

ভাবনাত বসন্ত - পাৰ্বতী!!

ৰাতিৰ ৰাতিটো শিৱই টোকাৰী বজাই বহি থাকিল আকাশৰ আটাইতকৈ উজ্জ্বল তৰাটোলৈ মুখ কৰি।

৬

শিৱৰ বৰত তাৰকাসুৰক কোনেও বধিব নোৱাৰে - একমাত্ৰ শিৱপুত্ৰৰ বাদে। শিৱ-পাৰ্বতী-আদিপুৰুষ -আদিশক্তি, মহাদেৱ আৰু জগতজননী পাৰ্বতীৰ পুত্ৰ কাৰ্ত্তিক। - নাৰায়ণৰ স্তাৱক ঋষি-মুনিসকলে লিখি যোৱা কাহিনীয়েই সঁচা। এই কাহিনীসমূহে কিমান যুগলৈ যে জম্বুদ্বীপক অন্ধ কৰি ৰাখিব হিচাপ নাই। আমি কোনো দেৱ-দেৱী নহয়। আমি অসুৰ। আৰ্যৰ পুৰাণে আমাক অনাচাৰী অত্যাচাৰী কৰিয়েই ৰচনা কৰিছে। - মানুহৰ মাজত চমক সৃষ্টি কৰি, ঢৌ তুলি চতুৰ আৰ্যসকলে দেৱ-দেৱীৰ যি ৰহস্য দি গৈছে, সি আমাৰ দক্ষিণাপথৰ অসুৰসকল আৰু পশ্চিমৰ পাৰ্শৱ, বাহলিকসকলৰ বিস্তৰ ক্ষতি কৰিছে।

- ঠিকেই কৈছা বিদ্যুন্মালী। - সুৰপদ্মনে ক'লে - অৱশ্যে আৰ্যদেৱসকল যথেষ্ট শক্তিশালীও, বিশেষকৈ নাৰায়ণ, পুৰন্দৰ, আদিত্য আদিৰ লগতে এতিয়চা মহাদেৱো অত্যন্ত শক্তিসম্পন্ন। দেৱীসকলে গঠন কৰা সশস্ত্ৰ দুৰ্গাবাহিনীও অত্যন্ত শক্তিশালী নাৰীশক্তিৰে ভৰণ। আমি অসুৰবোৰে যুঁজৰ নীতি সলাবৰ হ'ল। নহ'লে দক্ষিণাপথতো আমাৰ ঠাই নোহোৱা হ'ব।

ঃ ব'লা অসুৰপতিৰ লগত এইবিষেয়ে আলোচনা কৰোঁগৈ।

ঃ ব'লা।

ঃঃ ঃঃ ঃঃ

কাবেৰীৰ পাৰত দেৱ আৰু অসুৰসকলৰ মাজত ভয়ংকৰ যুদ্ধ হৈ গ'ল। শিৱৰ ফৈদৰ অনেক গৰু, ঘোঁৰা, ভেড়া অসুৰবোৰে খেদি লৈ যাওঁতেই দেৱ সেনাপতি কাৰ্তিকৰ নেতৃত্বত দেৱ সেনাই অসুৰবোৰক চাৰিওফালৰ পৰা ঘেৰি ধৰিলে। - অজস্ৰ কাঁড়, উৰি উৰি অসুৰবোৰৰ বুকু শালি পেলালে। শিলৰ অস্ত্ৰ-কুঠাৰতকৈ ধনু কাঁড়ৰ জোৰ বেছি। থাকোঁতে অসুৰৰ তামৰ তৰোৱালো আছিল - কিন্তু দেৱ-সেনাৰ নতুন ধৰণৰ এই ধনু কাঁড় আৰু জুই লগা যাঁঠীবোৰৰ আগত সকলো নিস্তেজ হৈ পৰিল। - গৰু ভেড়াবোৰে ভয়ত হেম্বেলিয়াই বেবাই তৎ পোৱা নাই। অসুৰ তিৰোতাবোৰে পাহাৰক ওপৰৰ পৰা বৃহৎ বৃহৎ শিল ঠেলি ঠেলি অনেক মানুহ মাৰিলে যদিও নিজৰ মানুহো মৰিল বহুত। - ঘোঁৰাত উঠি কাৰ্তিকে দুহাতেৰে তৰোৱাল ধৰি এফালৰ পৰা অসুৰবোৰ মাৰি গ'ল। কাৰ্তিকৰ যুদ্ধকৌশল আৰু তেজ দেখি দেৱ-অসুৰ সকলো থৰ লাগিল। - ৰণৰ দেৱতা কাৰ্তিকৰ জয় - দেৱ সেনাপতি কৰ্তিকৰ জয়। জয় জয় ধ্বনিত অসুৰবোৰ যেনি পাৰে তেনিয়েই পলাবলৈ ধৰিলে। অশ্বাৰোহী কাৰ্তিকক দূৰৰ পৰা ৰঙা জুই একুৰা যেন লাগিছিল। - ইমান তেজ শিৱপুত্ৰৰ। ঘোঁৰা চেঁকুৰাই চেঁকুৰাই আধাতকৈ বেছি অসুৰমাৰি কাৰ্ত্তিকে তাৰকাৰ পিছ ল'লে। সন্মুখত যিয়েই আহিছে তকেই এফালৰ পৰা কাটি-মাৰি এইবাৰ জুই লগা যাঠি এপাট মাৰি পঠিয়লে তাৰকলৈ। - অব্যৰ্থ, যাঁঠিপাতে তাৰকৰ বাওঁহাতখন গুৰিতে চিঙি পেলালে। - অসহ্য যন্ত্ৰণাত দেদাউৰিয়াই দেদাউৰিয়াই তাৰক ঢলি পৰিল। - মোক নামাৰিবা। নামাৰিবা। - অন্তৰৰ সমস্ত কাতৰতা ঢালি তাৰকে কাকূতি কৰি উঠিল। কিন্তু ৰণচালি



দিয়া সিংহই জানো আহত হৰিণৰ প্ৰাৰ্থনা শুনে! - ঘোঁৰাৰ পৰা জাঁপ মাৰি কাৰ্তিকে তৰোৱালৰ অব্যৰ্থ ঘাপেৰে তাৰকৰ মূৰ ছিঙি দিলে। ধৰ্ফৰাই ধৰ্ফৰাই তাৰকৰ মুণ্ডহীন শৰীৰটো পৰি থাকিল। দেৱ সেনাই উল্লাসত চিএঙৰিবলৈ ধৰিলে, কোনোৱে শংখ, কোনোৱে ঢাক-ভেৰী বজাই উলাহত নাচিবলৈ ধৰিলে।

হাৰি যোৱা মানুহৰ কথা ক'তো পোৱা নাযায়। যদি পোৱা যায় সেয়া মাথোঁ ব্যৰ্থতাৰ ইতিহাস, নঞাৰ্থক, মিথ্যা কথাৰ বৰ্ণনাৰে কিম্ভূত-কিমাকাৰ ৰূপত উন্মোচিত হয় - পৰাজিতজনৰ ৰূপ, চৰিত্ৰ তথা সমস্ত জাতি।

পাৰ্বতীৰ চুলিত পক ধৰিছে, চিন্তাতে। কাৰ্তিকৰ চিন্তাত। মূৰত পানী এচলু লৈ পাৰ্বতী শিৱৰ ওচৰ পালেহি। - বহুদিনৰ মূৰত শিৱই ভাঙৰ খোলাত বহিছে। পুত্ৰৰ বহুদিনীয়া অনুপস্থিতিয়ে শিৱক টানি নিছে ভাঙৰ খোলালৈ। তথাপি খং এটা উজাৰ খাই আহিল পাৰ্বতীৰ। ঃ মোৰ ফুলকুমলীয়া ল'ৰাটোক পঠিয়াই দি নিজে ভাঙৰ শোহনী মাৰি আছে। এনেকুৱা বাপেক ক'তো দেখা নাই মই।

ঃ পাৰ্বতী, কিনো খং কৰি থাকা?

আমাৰ ল'ৰা এতিয়া দেৱতাৰ সেনাপতি। এটা বৃহৎ জাতিৰ মংগলৰ বাবে সি কৰ্ম কৰিছে। তাক ৰণৰ দেৱতা বুলি জম্বুদ্বীপত পূজে। কিমান গৌৰৱৰ কথা এয়া। - আপোনাভোলা হাঁহি এটা মাৰি শিৱই ক'লে ঃ লোৱাঁ লোৱাঁ তুমিও শোহা এটা মাৰি লোৱাঁ। বুকুত লৈ ফুৰা দুখ-যাতনা একোৱেই নাথাকিব। সকলো পাহৰাই ভাং মৰীচিকাই উৰুৱাই ফুৰাব তোমাক।

ধক্‌কৈ মাৰিলে পাৰ্বতীৰ বুকুখন। কি কয় শিৱই! কি কয়! - এই সহজ-সৰল মানুহটোৱে বুকুত কি লৈ ফুৰিছে - মই জনা নাই নে পাহৰি আছোঁ - শিৱলৈ আঁৰ চকুৰে পুনৰ চালে পাৰ্বতীয়ে। ওঠৰ বছৰ আগৰ সেই সেই নিৰ্লিপ্তি ঘূৰি অহা নাইতো! হে' প্ৰভু, সেই দুৰ্বিসহ দিনবোৰ ঘূৰাই নানিবা আৰু। ৰাতিৰ ৰাতিটো পাৰ্বতী ধৰ্‌ফৰাই থাকিলয। বুকুত শিৱ! মনত শিৱ!!

ঃঃ ঃঃ ঃঃ

শিৱৰ পাৰ্বতী। শিৱৰ চেনেহ কুসুম আলফুল পাৰ্বতী। পাৰ্বতী শিৱৰ জী থকাৰ নিচা। জধলা অজলা শিৱক পাৰ্বতীয়ে তুলি নধৰা হ'লে ইমানদিনে থাকিলহেঁতেন জানো শিৱৰ অস্তিত্ব! - তিয়নিখন সলাই শিৱই ভাবি থাকিল পাৰ্বতীৰ কথা। - কিমানদিনলৈ যে পাৰ্বতীৰ পৰা আঁতৰি থাকিব লাগিব মই। উপায়ো নাই শিৱৰ। এফালে পত্নী পাৰ্বতী, আনফালে পুত্ৰ। দেৱকৰ্মৰ বাবে দক্ষিণাপথত থাকিবলৈ লোৱা পুত্ৰৰ ঘৰলৈ যাব শিৱ। - কাৰ্ত্তিক নিজেই আহিছে নিবলৈ। জয়া-বিজয়া, নন্দী থাকিব বাৰু পাৰ্বতীৰ লগত। তথাপি এৰি যাবলৈ সৎ নাযায় শিৱৰ। - পাৰ্বতীকো লগ ধৰিছিল শিৱই। - ঘৰখনকে কামুৰি ধৰি থাকিব। - নাই ক'তো নাযায় পাৰ্বতী।

ঃ ভালে থাকিবা পাৰ্বতী। মই যাওঁ। সোনকালেই ঘূৰিম পৰাপক্ষত।

ঃ আই, তুমি যোৱা হ'লে বৰ ভাল পালোহেঁতেন।

ঃ নালাগে সোণটো, দেউতাৰকে নে। মই পাছে-পৰেও যাম। তৌলৈ বোৱাৰীও গোটাব লাগিব সোনকালেই। দেউতাৰক থ'বলৈ আহোঁতে সময় লৈ আহিবি।

ঃ আয়ে যে কি কয়। আমি যাওঁ।

ঃ পাৰ্বতী থাকা। নন্দী, আয়েৰাক চাবিহঁত। হনহনাই শিৱ ওলাই গ'ল। এসোঁতা বেজাৰ উজাৰ খাই আহিল পাৰ্বতীৰ। নাই যাত্ৰাৰ সময়ত বেজাৰ দেখুৱাব নোৱাৰি। চকুলো দিনৰ নহয়। ৰাতিৰ, আন্ধাৰে সাবটি থাকিলেহে চকুলোক বাট কাটি দিব লাগে হৃদয়ৰ পৰা। শিৱ-কাৰ্ত্তিক গুচি যোৱালৈ চাই থাকি এটা সময়ত পাৰ্বতী ভিতৰলৈ আহিল। ভিতৰ সোমায়েই হাতত তুলি ল'লে ধান একুলা। চাদৰৰ আগটোৰে মূৰটো ঢালি ধান জাৰি জাৰি কুকুহাবোৰ উৰাই থাকিল পাৰ্বতীয়ে। ভাবনাত চলি থাকিল শিৱ আৰু কাৰ্ত্তিকৰ যাত্ৰাপথৰ বাৰ্তালাপ।

ঃঃ ঃঃ ঃঃ

অলকানন্দাৰ পাৰত ঘূৰি থাকোঁতে হঠাৎ পাৰ্বতীয়ে জোৰেৰে চেপি ধৰিলে বিজয়াৰ হাত।

ঃ কি হ'ল পাৰ্বতী?

ঃ সৌটো চাচোন মানুহৰ কেঁচুৱাৰ দৰে মাটিৰ দ'মটোত কি শুই আছে?

ঃ হয় সি হয় - ব'লচোন ওচৰৰ পৰা চাওঁ।

বিজয়াক টানি নিয়াদি নি পাৰ্বতী মাটিৰ দ'মটোৰ ওচৰ পালেগৈ। - বোকাত লুতুৰি পুতুৰি এটি কণমানি মানৱ সন্তান। - জীৱিত নে মৃত? - বিজয়াই চুই চালে। জীয়াই আছে। কি কৰ ইয়াক? - ইফালে সিফালে চালে পাৰ্বতীয়ে। - নাই কোনো নাই। আলফুলে কোলাত তুলি ল'লে সন্তানটিক আৰু ক'লে - ইয়াক মই ডাঙৰ কৰিম। ই মোৰ পৰাই জন্ম হৈছে। মই জগত জননী যদি হওঁ, ই মোৰেই সন্তান। ব'ল বিজয়া, ঘৰলৈ যাওঁ।

গৰম পানীৰে ধুৱাই-পখলাই ল'ৰাটোক কোলাত তুলি পাৰ্বতীয়ে বুকুৰ উম দিলে। পাৰ্বতীৰ বুকু ভৰি আহিল। - এক গভীৰ প্ৰশান্তিত দুচকু মুদি দিলে পাৰ্বতীয়ে। কেঁচুৱাৰ কান্দোনত পাৰ্বতীৰ ঘৰ ভৰি উঠিল। - শিৱ কেতিয়া আহিব! - কেতিয়া আহিব শিৱ! মোৰ এই সন্তানৰ খবৰ শিৱক কোনে দিব! শিৱই বাৰু ল'ৰাটোক কি বুলি মাতিব...

ঃ মোৰ সোণটো চাওঁ, চাওঁ - দেউতাৰ কোললৈ আহাঁ, ডম্বৰুটো বজাই শিৱই মাতিছে ল'ৰাটোক।

ঢপলিয়াই যায় সি। - শিৱই কোলাত তুলি ল'বলৈ দুহাত মেলি দিয়ে।

ঃ আই, আই, পোনাকণক মোক দিয়কচোন। নন্দীৰ মাতত পাৰ্বতী ভাবনাৰ পৃথিৱীৰ পৰা ঘূৰিল। নন্দীৰ কোলাত তুলি দিলে শিশুটি - নন্দীকাই, বাহিৰলৈ নিনিবা, জাৰ পাব।

ঃ হ'ব আই। - কেঁচুৱাটো বুকুত সাবটি জুহালৰ ওচৰতে বহি থাকিল নন্দী।

বাৰান্দাত থিয় হৈ সন্ধিয়াৰ আকাশলৈ চাই থকা পাৰ্বতীক বিজয়াই সোধে - কি নাম থ'বি ল'ৰাটোৰ?

মৌনতাৰ কপাট খুলি পাৰ্বতীয়ে ক'লে - শিৱপুত্ৰ সি। শিৱৰ সমস্ত গণৰ অধিপতি সি সেয়ে নাম থ'লো - গণপতি।

- গণপতি।

- অ', নাম থ'লো গণপতি। ⏭

# অনুভৱৰ গদ্য
# আৰু
# অন্যান্য

দেব্রাজীয়ান

# দেৱৰাজ ৰয় মহাবিদ্যালয়
# মোৰ স্বাভিমানৰ অন্য নাম

**ৰক্তিম নাথ**

*"When I think of my past, I realise everytime I rejected from something good. Actually I was redirected to something better."*

উপৰিউক্ত কথাষাৰ যেন মোৰ ক্ষেত্ৰত বাৰুকৈয়ে প্ৰযোজ্য। মানুহ হয়তো মনৰ পৰা ভাগি পৰে যেতিয়া কিবা মনেৰে বিচৰা বস্তু নাপায়। এনে এক মুহূৰ্তে মই নামভৰ্তি কৰিছিলোঁ গোলাঘাটৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত।

উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা সমাপ্ত কৰি যেতিয়া মই উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয় নিৰ্বাচন কৰি আছিলোঁ, তেনেতে কাৰোবাৰ মুখত শুনিছিলোঁ গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ কথা। মাজুলীৰ বাসিন্দা হিচাপে যোৰহাটৰ বাদে বাকী ঠাইৰ মহাবিদ্যালয়ৰ কথা নজনাটো স্বাভাৱিক কথা। হয়তো তাৰ পিছতেই থিৰাং কৰিছিলোঁ এবাৰ দেৱৰাজ ৰয় মহাবিদ্যালয় চোৱাৰ বাবে। আকস্মিকভাৱে এদিন দেউতাৰ লগত আহিলোঁ এই মহাবিদ্যালয়লৈ। কথাতে কয় গোলাঘাটত গ'লিৰ অভাৱ নাই, আৰু এই গ'লিতেই আমি বহু সময়ৰ অন্তত উপস্থিত হ'লোঁ আমাৰ লক্ষ্যস্থান দেৱৰাজ ৰয় মহাবিদ্যালয়ত। সন্মুখৰ প্ৰৱেশদ্বাৰ অতিক্ৰম কৰোঁতেই মোৰ এনেকুৱা অনুভৱ হ'ল যে মই বিচাৰি ফুৰা মহাবিদ্যালয়খন এইখনেই। মহাবিদ্যালয় পৰিৱেশে মোক বাৰুকৈয়ে আপ্লুত কৰিলে আৰু থিৰাং কৰিলোঁ মই এই মহাবিদ্যালয়তে অধ্যয়ন কৰিম। কথামতেই কাম হ'ল, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ৰসায়ন বিজ্ঞান বিভাগত মই নামভৰ্তি কৰিলোঁ।



মাজুলীৰ একমাত্ৰ ছাত্ৰ হিচাপে মহাবিদ্যালয়ত মোৰ জীৱনৰ অন্য এক অধ্যায়ৰ আৰম্ভ হ'ল। প্ৰথম ভয় আৰু সংকোচেৰে। কিন্তু লাহে লাহে এক আত্মীয়তাৰ বান্ধোনেৰে বান্ধ খাই গ'লোঁ মহাবিদ্যালয়ৰ লগত। অচিনাকি ঠাইৰ মানুহবোৰো হ'ব ধৰিলে মোৰ আদৰৰ। এনেকৈয়ে আৰম্ভ হ'ল মোৰ স্নাতক পৰ্যায়ৰ অধ্যয়ন। হয়তো সপোন সপোন লগা এক অনুভৱ মোৰ বাবে। মা-দেউতাৰ দূৰৰ পৰা দিয়া মৰম আৰু শিক্ষাগুৰুৰ আশীৰ্বাদেৰে তিনিটা বছৰ সফলভাৱে পাৰ কৰিলোঁ। তিনিটা বছৰ পাৰ হ'ল বন্ধু-বান্ধৱীৰ সান্নিধ্যত, অতি মধুৰ ভাৱে, যিসকল আছিল মোৰ প্ৰেৰণাৰ উৎস। আৰু সেই সময় আহিল যেতিয়া ২০১৮ চনৰ জুনমাহত বিদায় ল'লোঁ মৰমৰ ঠাইখনৰ পৰা, সেই আপোন মানুহৰ পৰা যিসকল মোৰ বাবে আছিল জীৱনৰ অন্যতম সাহস আৰু প্ৰেৰণাৰ উৎস। অশ্ৰুসিক্ত নয়নেৰে বিদায় ল'লোঁ, মনত আশা আৰু অযুত সপোনেৰে স্নাতকোত্তৰ অধ্যয়নৰ বাবে। শিৰত ল'লোঁ মোৰ জীৱন গঢ়োঁতা শিক্ষাগুৰুসকলৰ আশীৰ্বাদ। এনেকৈয়ে সমাপ্ত কৰিলোঁ মোৰ জীৱনৰ অন্যতম মধুৰ সময়ৰ।

দেৱৰাজ মহাবিদ্যালয় মোৰ বাবে আছিল জ্ঞানৰ এক বটবৃক্ষ, যাৰ আশ্ৰয়ত মই পাৰ কৰিলোঁ তিনিটা বছৰ সগৌৰৱে। সেই বটবৃক্ষৰ ৰসায়ন বিজ্ঞান বিভাগ নামৰ ডালটোত বৈ মই জিৰালোঁ, ফল হিচাপে গ্ৰহণ কৰিলোঁ প্ৰকৃত মানুহ হোৱাৰ মন্ত্ৰ। কিন্তু পৰিভ্ৰমী চৰাইৰ দৰে আকৌ উভতিলোঁ সেই দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰা নতুন দিগন্তলৈ, মাথোঁ থৈ আহিলো কিছু সুমধুৰ স্মৃতি।

মাজুলীৰ বাসিন্দা হিচাপে মাজুলীয়ান হিচাপে যেনেকৈ মোৰ এক পৰিচয় আছিল, দেৱৰাজ ৰয় মহাবিদ্যালয়ে মোক এক নতুন ভুষণেৰে অলংকৃত কৰিলে - দেৱৰজীয়ান। গৌৰৱ কৰোঁ নিজকে দেৱৰাজীয়ান হিচাপে। দেৱৰাজ ৰয় মহাবিদ্যালয়ে মোক যি দিলে তাৰ বাবে সকলো শিক্ষাগুৰু তথা দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ওচৰত মই চিৰঋণী হৈ ৰ'ম।

শেষত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ গৌৰৱ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ। জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়। ⏭

# আমাৰ মহাবিদ্যালয়ৰ 'পুৰস্কাৰ'

**মণিষা চলিহা**
প্ৰাক্তন ছাত্ৰী, অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ

২০১৮ চনৰ আগষ্ট মাহৰ প্ৰথমখন একাডেমিক কাউন্সিলৰ সভাত পূজনীয় অধ্যক্ষ মহোদয়ৰ এটা প্ৰস্তাৱ অতি সময়োপযোগী আছিল। মই ভাবোঁ তেখেতৰ কাৰ্যকালৰ এইটো অতি চহকী কাম, যিটো আমি পঢ়ি থকা সময়ছোৱাত অথবা চাকৰি জীৱনৰ বিগত কালছোৱাত আমাৰ মহাবিদ্যালয়ত কেতিয়াও হোৱা নাছিল। প্ৰস্তাৱটোৱে কাৰ্যকৰী ৰূপ পাইছিল যেতিয়া সেইটো মাহতে ডিগ্ৰী পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰা প্ৰায় ১৫০জন ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা স্থান পোৱা শিক্ষাৰ্থীসকলক নিমন্ত্ৰণ কৰি মুকলি ফিল্ডত সকলোৰে সমুখত সম্বৰ্দ্ধনা জনোৱা হৈছিল। তেওঁলোকৰ মাজত বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ 'গ্ৰেজুৱেট'জনো আছিল।

শৈক্ষিক মনোবিজ্ঞানত পুৰস্কাৰৰ এটা বিশেষ ভূমিকা আছে। শিক্ষণ হ'ল উদ্দীপক আৰু প্ৰতিক্ৰিয়াৰ এক বান্ধোন। যিমানেই এই বান্ধোনৰ তীব্ৰতা শক্তিশালী হ'ব সিমানেই শিক্ষণৰ কাৰ্যকাৰিতা বৃদ্ধি পাব আৰু এইটো আচৰিত যে পুৰস্কাৰৰ জৰিয়তে এই বান্ধোন শক্তিশালী কৰি তুলিব পাৰি। B.F. Skinner নামৰ মনোবিদজনে এখোপ আগুৱাই পুৰস্কাৰক Rainforcer হিচাপে প্ৰতিষ্ঠা আগুৱাই। Pavlov ৰ প্ৰাকৃতিক বান্ধোনক সাৰথি কৰি তেওঁ পুৰস্কাৰৰ জৰিয়তে শ্ৰেণীকোঠাৰ কৃত্ৰিম বান্ধোনক স্থায়ী কৰিবলৈ পৰামৰ্শ দিছিল যিটো উত্তৰ আধুনিক যুগৰ সকলো মনোবিদ সমৰ্থন কৰিছে আৰু আধুনিক ভাৰতীয় শিক্ষাব্যৱস্থাত ইয়াৰ পৰ্যাপ্ত পয়োভৰ ঘটিছে। শিক্ষণৰ ফলত লাভ কৰা চাৰ্টিফিকেট, টকা-পইচা বা আন বস্তু, শিক্ষকৰ উৎসাহপূৰ্ণ ব্যক্তব্য, মৰমিয়াল মাত-কথা আদৰভৰা চাৱনি, প্ৰয়োজন সাপেক্ষ দাবী-ধমকি এই সকলোৰেই এক 'পুৰস্কাৰ' যিয়ে শিক্ষাৰ্থীসকলক শিকিবলৈ বাধ্য কৰে।

চৰকাৰী বৃত্তি-আঁচনিসমূহক বাদ দি আমাৰ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰলৈ কেইবাটাও পুৰস্কাৰ প্ৰদান কৰা হয়। ব্যক্তিগত অভিজ্ঞতাৰে ক'ব পাৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ ভিতৰতে ই এক অভিলেখ। সুৰেন্দ্ৰনাথ ৰয় স্মৃতি ন্যাস, পূৰ্ণকান্ত গোহাঁই স্মৃতি ন্যাস, শ্ৰেষ্ঠ স্নাতক-পুৰস্কাৰ, শিক্ষক গোটৰ পুৰস্কাৰ প্ৰফুল্ল শৰ্মা তামুলী স্মাৰক পুৰস্কাৰৰ উপৰি শেহতীয়াভাৱে প্ৰাক্তন দেৰৱাজীয়ান দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ড° দয়া সিঙে এটি পুৰস্কাৰৰ ব্যৱস্থা কৰিছে। আন এগৰাকী প্ৰাক্তন দেৰৱাজীয়ান কটন বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° চিৰঞ্জিতা বৰাই শিক্ষাৰ্থীসকলৰ কল্যাণৰ বাবে প্ৰয়াত পিতৃৰ নামত এটি ন্যাস গঠন কৰিছে। পুৰস্কাৰ প্ৰদান অনুষ্ঠানসমূহত উপস্থিত থাকি আমি পুৰস্কাৰ দিওঁতা আৰু লওঁতাৰ মানসিক প্ৰতিপুষ্টি সদায় উপভোগ কৰোঁ। প্ৰফুল্ল শৰ্মা-তামুলী স্মাৰক পুৰস্কাৰটি প্ৰদান কৰিবলৈ তেওঁৰ কন্যা গায়ত্ৰী শৰ্মা তামুলীয়ে একে বিভাগৰে ড° পৰেশ চন্দ্ৰ দত্ত ছাৰক প্ৰতিবাৰেই অনুৰোধ কৰা দেখি আহিছোঁ। এই ক্ষেত্ৰত প্ৰাক্তন অধ্যাপক ড° অমৰেন্দ্ৰ নাথ দত্তছাৰক আটাইতকৈ আগৰণুৱা যেন লাগে। অতি আকুলভাৱে, স্বতস্ফূৰ্ত আনন্দেৰে পাপ্যজনক তেওঁ দাতা হিচাপে পুৰস্কাৰটো প্ৰদান কৰে।

আমাৰ ছাত্ৰ জীৱনৰ সময়ছোৱাত প্ৰথম শ্ৰেণীৰ স্নাতক হোৱাটো এক প্ৰকাৰ দুৰূহ আছিল। সীমিত সংখ্যক প্ৰথমশ্ৰেণী পোৱা আমাৰ সমনীয়াসকলক আমি সমীহ দৃষ্টিৰে চাইছিলোঁ। কিন্তু তেওঁলোকক আজিৰ দৰে পুৰস্কৃত কৰাটো দূৰৰ কথা তেওঁলোকক শিক্ষক বা অধ্যক্ষই চিনিয়েই পোৱা নাছিল। তাৰবাবে সেই বুধিয়ক কিশোৰসকলৰ মনত আক্ষেপ-দুখ আছিল নেকি? এটা উদাহৰণ দিওঁ —

১ ম বন্ধু - ঐ তই অসমীয়াত প্ৰথম শ্ৰেণী পাইছ, ব'ল প্ৰিন্সিপাল ছাৰক চিনাকী কৰি দিওঁ।

২ য় বন্ধু - নাযাওঁ। ইমান দিনে তেওঁ মোক চিনি নাপালে। এতিয়া উপযাচি চিনাকী নহওঁ।

কথোপকথনৰ ১ ম বন্ধুজন আমাৰ কলেজৰ ইংৰাজী বিষয়ৰ অধ্যাপক হেম ফুকন ছাৰ আৰু ২য় বন্ধুজন গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অসমীয়া বিভাগৰ অধ্যাপক চেনীৰাম নাথ ছাৰ।

যথাযোগ্যভাৱে এজন ভাল ছাত্ৰক পুৰস্কাৰ প্ৰদান কৰাটো শিক্ষকসকলৰ এটা প্ৰধান কৰ্তব্য। আমাৰ এনে কাৰ্যই ছাত্ৰসকলৰ জীৱনৰ উত্তৰণত যদি কিঞ্চিত কামত আহে সেয়াও এক মহৎ কাৰ্য হ'ব পাৰে। মই নিজে বি.এ. পাছ কৰোঁতে অধ্যক্ষ মহোদয়ৰ কোঠাৰ পৰা খিড়িকীৰে মোক বিভাগীয় মুৰব্বী প্ৰয়াত তৰুণ শৰ্মাদেৱে ভিতৰলৈ মাতি নিছিল। তেতিয়াৰ অধ্যক্ষ তিলেশ্বৰ বৰগোহাঁইছাৰে সেই মুহূৰ্তত মোক উপহাৰ দিয়া প্ৰাণ খোলা হাঁহিটো, শৰ্মাছাৰৰ সদস্ত মাতটো মোৰ বাবে যে আজিও কলেজীয়া জীৱনৰ সৰ্বোত্তম পুৰস্কাৰ হৈ আছে সেইটোতো কোনেও নাজানে।

আমি জানো, আমাৰ প্ৰতিজন দেৰৱাজী নিজেই এক উৎকৃষ্ট 'পুৰস্কাৰ'। তেওঁলোকৰ অফুৰন্ত শক্তিক উৎসাহ যোগাবৰ বাবেহে মহাবিদ্যালয়ত কেইবাজনো স্বনামধন্য দাতা, শিক্ষকবৃন্দ আৰু স্বয়ং অধ্যক্ষই বিভিন্ন পুৰস্কাৰৰ ব্যৱস্থা কৰিছে। আমি আশা কৰোঁ আমাৰ ছাত্ৰসকলৰ প্ৰত্যেকেই এই পুৰস্কাৰ আদান-প্ৰদান অনুষ্ঠানটোৰ অংশীদাৰ হৈ আনন্দ উপভোগ কৰক আৰু জীৱনৰ বাটত শক্তিশালী হোৱাৰ চেষ্টা কৰক, তোমালোকৰ প্ৰতি আমাৰ শুভেচ্ছা আৰু শুভকামনা সদায় আছে। কাৰণ — "জীৱন সহজ নহয়/ জীৱনৰ অংক বেলেগ/ দুয়ে দুয়ে চাৰি নহয়/একৰ এক গ'ল নহয় শূন্য.../ আমি ভবাতকৈ বেলেগ জীৱনৰ অংক।" (জীৱনৰ কবিতা .... দেবানন্দ ভট্টাচাৰ্য, প্ৰান্তিক, ২০০৩, পৃ. ৫৬, ১৬ অক্টোবৰ)

*(কথোপকথনটি হেমফুকনদেৱৰ ভাষণৰ পৰা উদ্ধৃত)*

# অনুভৱৰ কৰণিত গ্ৰাম্য সমাজ


## কাব্যশ্ৰী বৰা
অৰ্থনীতি বিজ্ঞান বিভাগ


প্ৰকৃতিৰ এক অনবদ্য উপাদান পাওঁ, যি ফালেই দৃষ্টি নিক্ষেপ কৰোঁ আৰ্দ্ৰিত হৈ উঠে মোৰ মন। নৈৰ কাণৰ বিৰিণাই সঁচাকৈয়ে দেহ মন জুৰাই। হালি-জালি ৰ'দত বিভোৰ হৈ থকা নৈৰ পাৰৰ খাগৰি, কহুঁৱাই সঁচাকৈয়ে পুলকিত কৰি তোলে মোৰ মন। পাহাৰৰ ওখ ওখ বিৰিখৰ মাজে আঁকাই-পকাই কুলু কুলু সুৰেৰে বৈ থকা জুৰি-জানবোৰ যেন লাজৰ ওৰণি টানি বিভূৰ মহিমাৰ বন্দনা গীত গাই অসীম উদ্দেশ্যে যাত্ৰা কৰিছে লুকাই লুকাই, অনাঘ্ৰাত। পাহাৰীয়া অনামিকা কুসুমৰ সুৰভিৰ সঁফুৰাৰ দ্বাৰা মনত সৃষ্টি হোৱা আবেগৰ হেন্দোলনিৰ উপভোগ, হিয়া ওপচা অনুভূতি অনুভৱৰ কৰণিত সাঁচি ৰাখিব পাৰি মাথোঁ গাঁৱলীয়া পৰিৱেশৰ দ্বাৰাহে।

ৰিব্ ৰিব্ মলয়াৰ মৃদুল হিল্লোলৰ পৰশত হালি জালি আনন্দ বিভোৰ হোৱা পথাৰৰ সেউজীয়া লখিমী, শাৰদীয় পূৰ্ণিমাৰ স্নিগ্ধ জ্যোৎস্নাৰ ৰূপালী পৰশত বিলত ফুলা ভেটফুল, সূৰ্য্যৰ আগমনৰ মাহেন্দ্ৰ ক্ষণত শতদলে মৰা মিচিকীয়া হাঁহি, সুনিৰ্মল বাৰিধিয়ে আলফুলে আলিংগন কৰা প্ৰস্ফুটিত ভেট আৰু পংকজৰ কোমল ছায়া, ৰাজহাঁহ, বতাহ কোঢ়া, শৰালিয়ে তাৰ মাজে মাজে দাপোণত মুখ চাই সাঁতুৰি নাদুৰি সৰসীৰ বুকুত ৰঙৰ হোলা পতা আৰু বহুতো ... কিযে হিয়া মন জুৰ পেলোৱা দৃশ্য এইবোৰ বৰ্ণনাতীত।

নিশাৰ আন্ধান নাশি, দুবৰিৰ দলিচাত আলফুলে পৰি ৰোৱা মুকুতাসদৃশ নিয়ৰকণাবোৰ, নিয়ৰৰ দলিচাত আপোনমনে খেলি থকা শেৱালিফুল, গুণ গুণ শব্দেৰে বকুলৰ বুকুত তোলা ভোমোৰাৰ গুঞ্জন, ডালে ডালে বিবিধ বিহংগৰ সুৰৰ সুমধুৰ কাকলি তথা নৃত্যৰ মূৰ্চ্ছনা, কুলু কুলু সুৰেৰে বৈ থকা নদী-নিজৰাৰ দুয়োকাষে আপোনামনে চৰি থকা চঞ্চল হৰিণী, দুখৰ পোছাক খুলি, সুখৰ পোছাক পৰিধান কৰি আঘোণক আদৰাৰ বাবে গাঁৱলীয়া লোকৰ প্ৰস্তুতি, কপৌফুলাৰ বতৰত হেঁপাহৰ বহাগক আদৰাৰ মনোৰম দৃশ্য, কাতিৰ কুঁৱলী সনা বিষণ্ণতাৰ দুপৰীয়া, আঘোণৰ সোণালী পথাৰৰ হালধীয়া হাঁহি ... সকলোবোৰ যেন সৌন্দৰ্যৰ একো একোটি স্ফুলিংগ।

কিন্তু নিষ্ঠুৰ সময়ে এইবোৰ ধৰি ৰাখিবলৈ কাহানিও নিদিয়ে। ব্যস্ত সময়ৰ মেৰপেচত ধূসৰ হৈ ৰয় এনে মিঠা অনুভৱবোৰ। অনুভৱৰ কৰণিখন খুলিলেই মনলৈ ভাহি আহে এই মিঠা মিঠা অনুভৱবোৰ য'ত মই বিচাৰি পাওঁ মোৰ আবেগ, মোৰ অনুভূতি সকলো। স্মৃতিৰ পাত লুটিয়ালে মনত হেন্দোলনি তোলে জোনক নিশা চোতালত বহি আইতাৰ মুখৰ পৰা শুনা সাধুকথা আৰু ইটো সিটো বহুতো স্মৃতিয়ে। ⏭

*কথা কবিতা*

# আকাশ


## নয়নজ্যোতি হাজৰিকা
পৰিকলন বিভাগ, পঞ্চম ষাণ্মাসিক


বৰষুণত জীপাল হোৱাৰ হেঁপাহ, বৰষুণ ভালপোৱা জনেহে জানে। মনৰ ভাববোৰ বৰষুণে যেন সজীৱ কৰি তোলে। উটি ভাঁহি যায় মনৰ সাগৰত ঢৌ খেলি আবেগ-অনুভূতি আৰু ক'ত যে কি। এই কেইদিন যে বৰকৈ তুমি মোক কবিতা লিখিবলৈ কৈ আছা, জানানে কবিতা লিখিলে মনটো কিমান গভীৰ হৈ যায়। পাতল মন এটা লৈ পাৰি জানো কবিতা লিখিব? বিভিন্ন চিন্তাৰে মনটো গধুৰ কৰি তোলে। থৈ দিলোঁ সেয়ে কলম কাগজ আৰু এয়া বৰষুণ চাই বহি আছোঁ আগফালে বাৰাণ্ডাত। 'বাৰাণ্ডা' আৰু কিবা বাৰাণ্ডাৰ সমাৰ্থক শব্দ আছে নেকি বাৰু? কথাবোৰ দেখোন কিবা খেলি-মেলি লাগি গৈছে। ভাবি একো সিদ্ধান্ত নোপোৱাৰ দৰে। সেয়ে নাভাবোঁ একো মাত্ৰ আমেজ লৈছোঁ। বৰষুণৰ মৃদু সংগীতৰ মৃদু বতাহৰ আৰু অলেখ হৃদয় জুৰোৱা ভাবনা।

কাগজৰ নাও সাজি খেলাৰ বয়সৰ পৰাই প্ৰিয় এই বৰষুণ। 'তুমি যেন কৈছিলা মই আকাশ ভালপাওঁ বুলি' তোমাৰ কথাশুনি আচৰিত গৈ গৈছিলোঁ। কেনেকৈ জানিলা তুমি মোৰ একান্ত কথাবোৰ, কেতিয়াওতো কোৱা নাছিলোঁ তোমাক? মই যে কেৱল আকাশ ডাৱৰ চাই থাকোঁ সেয়ে গম পালা চাগৈ নহয় জানো। উম মই আকাশ, বৰষুণ বৰ ভালপাওঁ, কিন্তু কেৱল নীলা আকাশ নহয়। ডাৱৰে গঢ়া বিভিন্ন চিত্ৰ লগতে ৰ'দে বুলাই দিয়া চিকমিকনিত সু-নিপুণ চিত্ৰকৰৰ দৰে ভাব হয়। পশ্চিমত যেতিয়া বেলিটিয়ে ডাৱৰৰ লগত লুকা-ভাকু খেলে, চাই ইমান ভাল লাগে। তুমি ভাল পোৱানে বাৰু? তোমাক সুধিবলৈ থাকিয়েই গ'ল, মোৰ মনটোৱে কেৱল ডাৱৰৰ লগত লুকা-ভাকু খেলি থাকিল।

এচাটি বৰষুণৰ টোপাল মিশ্ৰিত বতাহে কৰুণাৰ মুখমণ্ডল তিয়াই পেলালেহি। তেতিয়াহে তাইৰ চেতনা ঘূৰি আহিল, মাকে যে ইমানকৈ চিঞৰি আছে। ভিতৰত পানী পৰিছে, ঘৰৰ ছালৰ টিনবোৰ মামৰে ধৰি প্ৰায়বোৰেই ফুটা ওলাইছে। 'ফুটা যেতিয়া পৰিবই, বৰষুণ এৰিলে টুকিম থৈ দিয়া এতিয়া' কৰুণাই মাকক চিঞৰিলে। তাই আকৌ নিজৰ চিন্তাত বিভোৰ হ'ল। দিন-দুখীয়া হ'লেও তাইৰো আছে এটা চহকী মন, অলেখ সপোন। ⏭

# জীৱশ্ৰেষ্ঠ মানুহ, পিতৃ-মাতৃ-সন্তানৰ বান্ধোন আৰু ভিন্ন ভাৱনাৰ স্বৰলিপি ...

**ৰশ্মিৰেখা নাথ**
পঞ্চম ষাণ্মাসিক

পৃথিৱীৰ অস্তিত্বক অনুধাৱন কৰোঁতাৰ ক্ষেত্ৰত সম্ভৱ কৰি তোলা বাস্তৱৰ অন্য এক সংজ্ঞাই পিতৃ আৰু মাতৃ। জীৱনৰ বিন্দুক স্থাপন কৰি ৰেখাৰ সৃষ্টি কৰাৰ প্ৰথম অধ্যায়ৰ পৰা ৰেখাৰ প্ৰতি বিন্দুত খামুচি থকা পিতৃ-মাতৃৰ জীৱন সন্তানৰ নামত হেলাৰঙে ত্যাগ কৰি দিয়াটো ঈশ্বৰৰ অন্য এক ৰূপৰ তুল্য। সম্বন্ধৰ সংজ্ঞা সকলোৰে বাবে পৃথক হ'লেও সৰু সৰু কীট-পতংগকৰ পৰা আৰম্ভ কৰি জীৱশ্ৰেষ্ঠ মানৱ জাতি পৰ্যন্ত কিছু সম্বন্ধৰ অনুভৱৰ সম্পূৰ্ণ সাদৃশ্য দেখা যায়। কেঁকোৰা আৰু মকৰাই পোৱালি জন্ম দিয়াৰ পৰৱৰ্তী সময়ত নিজৰ দেহটোকেই খাদ্য হিচাপে তাহাঁতৰ সন্মুখত উৎসৰ্গা কৰি দিয়ে। কুলি চৰায়ে অন্যৰ বাঁহতেই নিজৰ কণীবোৰ উম দিবলৈ নানানটা কৌশল প্ৰয়োগ কৰে। সৰু সৰু পৰুৱাবোৰৰ পৰা আৰম্ভ কৰি জন্তুৰ ৰজা বাঘলৈকে প্ৰতিটো জীৱৰ আচাৰ-আচৰণত স্পষ্টকৈ ফুটি উঠে পিতৃত্ব অথবা মাতৃত্ববোধৰ অকৃত্ৰিম-অফুৰন্ত যত্ন তথা আদৰ্শ।

ইতিহাসৰ পাতবোৰ যদি লুটিয়াই চোৱা হয়, তেতিয়া বহু লোকৰ ব্যক্তিত্বই এই সম্বন্ধটো আৰু গাঢ় কৰি তোলা দেখা পোৱা যায়। পাচি লৈ অন্ধ পিতৃ-মাতৃক এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই লৈ ফুৰা শ্ৰৱণ কুমাৰৰ দৰে সন্তানৰ ব্যক্তিত্ব চিৰপৰিচিত। সমগ্ৰ ৰাজ্যৰ ভাৰ তৎক্ষণাত ত্যাগ কৰি পিতৃ বাক্য পালনেৰে শ্ৰীৰামচন্দ্ৰই ৰাজ অট্টালিকাৰ বিপৰীতে বনবাসী জীৱন কটাবলৈও কুণ্ঠাবোধ কৰা নাছিল। ইয়াৰ উপৰি সূৰ্যপুত্ৰ কৰ্ণৰ মাতৃৰ প্ৰতি থকা শ্ৰদ্ধা তথা সন্মান সঁচাকৈয়ে প্ৰশংসনীয়। সূতপুত্ৰ হিচাপে জগত পৰিচিত, তথাপি কুন্তী সন্তান, এনে এক লুপ্ত সত্যৰ বিপৰীতেও, মাতৃ-আদৰৰ পৰা বঞ্চিত হোৱা সত্বেও কৰ্ণই কিন্তু মাতৃক দিয়া প্ৰতিশ্ৰুতি মৰ্মেই ভাতৃসকলক ৰণ ক্ষেত্ৰত সুযোগ পোৱাৰ সত্বেও বধ কৰা নাছিল।

ইতিহাসে এনেদৰেই বহু কথা বিভিন্ন সময়ত ৰিঙিয়াই যোৱা সত্বেও জ্ঞানৰ অধিকাৰী মানৱ সমাজে জ্ঞানৰ আদৰ্শ দাঙি ধৰাৰ বহু ক্ষেত্ৰতেই ব্যৰ্থ হৈছে। ক'বলৈ লাজ লগা যদিও এই ক্ষেত্ৰত জীৱ-জন্তুৰ আচৰণ কিন্তু অতীজৰেই পৰা একেই আছে, সেই একেই সু-আদৰ্শৰে আগবঢ়ি গৈ আছে জন্তু পোক পৰুৱা আদিৰ দৰে জীৱবোৰ, মাত্ৰ ব্যতিক্ৰমী হৈ পৰিছে যদি, একমাত্ৰ মানৱসমাজ। প্ৰতিদিনৰ অসংখ্যটা পিতৃ-মাতৃৰ বিপৰীতে হোৱা সন্তানৰ অত্যাচাৰে বৰ্তমানৰ জগত কঁপাই আছে। অসাধাৰণৰ পৰা লাহে লাহে সাধাৰণ বাতৰি হৈ পৰা এনে কৰ্মবোৰ মানৱ সমাজৰ বাবে একো একোটা কলংক। মানৱ জীৱন লৈ ক'লা অধ্যায় কঢ়িয়াই অনা এনেবোৰ বিষয়ৰ বিলুপ্তিয়ে আনিব পাৰে এক সুখ সমৃদ্ধিৰ সুস্থ সংজ্ঞা। বিষয়ৰ উৎপত্তি য'ত বিলুপ্তিত ত'ত। এনে অসহনীয় কাণ্ডৰ পৰিক্ৰমালৈ আনিব আশা-বিশ্বাস-আস্থা আৰু ভৰসাৰ সঞ্চাৰ।

আমাৰ হৃদয়ভৰা গভীৰ প্ৰত্যাশা সমাজখন পৰিৱৰ্তন হওক, পিতৃ-মাতৃৰ কষ্ট ত্যাগ তথা ভাল পোৱাৰ মূল্যক প্ৰতিজন সন্তানে গুৰুত্ব প্ৰদান কৰক। প্ৰতিজন সন্তানেই হৈ পৰক পিতৃ-মাতৃৰ সৰ্বস্ব বিশ্বাস, হৈ পৰক আস্থা-আশ্বাসৰ থল গঢ়োঁতা একো-একোটা অমূল্য শিল্প। ⏭

# কাৰুণ্য

**বিক্ৰম ফুকন**
পঞ্চম ষাণ্মাসিক

একশাৰীৰ গল্প

"মাৰৰ নাম নাজান ভালকৈ" - "ফটো এখনো হাতত নাই, চৈধ্য বছৰৰ মূৰত মানুহ এজনীক এনেকৈ বিচাৰি পোৱাটো সহজ নেকি?" — ফুটপাথত শুই থকা ছোৱালীজনীক মানুহবোৰে সোধা প্ৰশ্নত তাইৰ চকুৰ সন্মুখত ভাঁহি আহিল — তাইৰ তিনিবছৰ হৈ থাকোঁতেই অস্পৃশ্য বুলি ভাবি দেউতাকে মাকক ঘৰৰ পৰা উলিয়াই দিয়াৰ এখন জীয়া কৰুণ ছবি! ⏭

# দিল্লী ভ্ৰমণৰ কিছু অভিজ্ঞতা

**প্ৰতীক্ষা শইকীয়া**
ষষ্ঠ যাণ্মাসিক, ইতিহাস বিভাগ

নজনাটো জানিবলৈ, নেদেখাটো চাবলৈ মানুহৰ দুৰ্বাৰ আকাংক্ষা। এই আকাংক্ষাক বাস্তৱত ৰূপায়িত কৰাৰ কিছু সুযোগ প্ৰদান কৰে ভ্ৰমণে। শৈশৱৰ পৰাই দীঘলীয়া ভ্ৰমণৰ প্ৰতি এটা হেঁপাহ আছিল। মোৰ এই সপোন বাস্তৱত ৰূপায়িত কৰাৰ সুযোগ দিলে আমাৰ অতিকৈ স্নেহৰ দেৰৰাজ ৰয় মহাবিদ্যালয়খনিয়ে তথা মহাবিদ্যালয়ৰ ইতিহাস বিভাগটিয়ে। বহু জল্পনা-কল্পনাৰ অন্তত আমি ২৪ জনীয়া এটি দলে যোৱা ২৫ নৱেম্বৰত শিক্ষামূলক ভ্ৰমণৰ বাবে যাত্ৰা আৰম্ভ কৰিছিলোঁ স্থাপত্য-ভাস্কৰ্যৰ নগৰী-আগ্ৰা, ভাৰতৰ প্ৰাণকেন্দ্ৰ দিল্লী মহানগৰী আৰু কাৰুকাৰ্যখচিত জয়পুৰলৈ।

২৫ নৱেম্বৰ ২০১৮, আমাৰ যাত্ৰা আৰম্ভ হৈছিল ফৰকাটিং জংচনৰ পৰা। আমাৰ দলটোৰ নেতৃত্বত আছিল শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত দুলেন গগৈদেৱ আৰু শ্ৰীযুত দেৱেশ্বৰ বৰুৱাদেৱ তথা বিভাগটিৰ প্ৰাক্তন ছাত্ৰ ভাস্কৰজ্যোতি মহন্ত। পৰিয়ালৰ সকলোৰে মৰম-আশীৰ্বাদ তথা বহু উপদেশৰ সৈতে আমি দিনৰ ২.৩০ বজাত "অৱধ আছাম ট্ৰেইন"ৰে দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ। আমি অসম পাৰ হৈ পশ্চিমবংগ, বিহাৰ আদিৰ মাজেৰে গৈ অৱশেষত ২৭ নৱেম্বৰৰ ৰাতি ৯ মান বজাত আমি গন্তব্যস্থলত উপস্থিত হ'লোঁগৈ। ৰে'লৰ পৰা নামি আমি দিল্লীৰ "Hotel UK" লৈ গৈছিলোঁ আৰু তাতেই আমাৰ থকা খোৱাৰ ব্যৱস্থা কৰা হৈছিল।

২৮ নৱেম্বৰ কাহিলী পুৱাতে আমি আগ্ৰা অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলোঁ। যাত্ৰাপথত যথেষ্ট ফূৰ্তি-তামাচা হৈছিল। আগ্ৰাত উপস্থিত হৈ আমি প্ৰথমতে সোমাইছিলোঁ 'Agra fort' চাবলৈ এইখিনিতে আমাৰ এজন টুৰিষ্ট গাইডে সহযোগ কৰিছিল। উল্লেখযোগ্য যে আগ্ৰাৰ ফ'ৰ্ট /দুৰ্গই হ'ল একমাত্ৰ দুৰ্গ য'ত প্ৰাৰম্ভিক কালৰ মোগল সম্ৰাটসকলে অৱস্থান কৰিছিল। পাণিপথৰ প্ৰথম যুদ্ধৰ পিছতে Agra Fort মোগলসকলৰ দ্বাৰা আধিকৃত হয় আৰু ইয়াৰ পাৰই শাসনকাৰ্য চলাবলৈ লয়। বৰ্তমানৰ যি আগ্ৰাৰ দুৰ্গ দেখিবলৈ পোৱা যায় সেয়া আকবৰৰ শাসনকালত পুনঃনিৰ্মিত। আকবৰে এই দুৰ্গ ৰঙা বালি আৰু পাথৰেৰে প্ৰায় ৮ বছৰত নিৰ্মাণ সম্পূৰ্ণ কৰায়। আগ্ৰা ফ'ৰ্টলৈ প্ৰৱেশ কৰাৰ চাৰিখন মূল প্ৰৱেশদ্বাৰ আছে (ক) অমৰ সিং গেট (খ) দিল্লী গেট (গ) Elephant Gate আৰু (ঘ) খিজৰা গেট। আবুল ফজলৰ বিৱৰণী মতে এই দুৰ্গত প্ৰায় ৫০০ টামান ধুনীয়া মহল আছিল। ইয়াৰে কিছুমান ছাহজাহানৰ ৰাজত্বকালত আৰু প্ৰায়বোৰ ব্ৰিটিছশাসকসকলৰ হাতত ধ্বংস হয়। বৰ্তমান ইয়াৰ উল্লেখযোগ্য মহলবোৰৰ ভিতৰত দিৱান-ই-খাচ আৰু দিৱান-ই-আম প্ৰধান। তদুপৰি ইয়াত কেইখনমান মোগল সম্ৰাটসকলৰ সিংহাসন, Bath Tab দেখিবলৈ পাইছিলোঁ।

ইয়াৰ পিছতে আমি গৈছিলো বিশ্বৰ অন্যতম আকৰ্ষণীয় কেন্দ্ৰস্থল 'তাজমহল'লৈ। তাজমহল পৰিদৰ্শন কৰি আমি সকলো অভিভূত হৈ পৰিছিলোঁ। অপূৰ্ব সুন্দৰ, ভাষাৰে বৰ্ণনা কৰিব নোৱৰা কাৰুকাৰ্যখচিত বগা মাৰ্বলৰ ওপৰত যেন লিখা আছে মমতাজ-ছাহজাহানৰ প্ৰেমৰ জীয়া কাহিনী। মোগল স্থাপত্যৰ অক্ষয় কীৰ্তি বহন কৰিছে এই তাজমহলে।

তাজমহল দৰ্শন কৰি আমি ফুৰিছিলোঁ ভগৱান শ্ৰীকৃষ্ণৰ স্মৃতি সম্বলিত বৃন্দাবন আৰু মথুৰা। মথুৰাৰ পৰা আমি পুনৰ দিল্লীৰ "Hotel UK"লৈ ঘূৰি গৈছিলোঁ।

২৯ নৱেম্বৰৰ দিনা আমি দিল্লীৰ ঐতিহাসিক স্থানসমূহ পৰিদৰ্শনৰ বাবে সাজু হৈছিলোঁ। সেইদিনা আমি প্ৰথমে লক্ষ্মীনাৰায়ণ মন্দিৰত উপস্থিত হৈছিলোঁ। এই মন্দিৰক বিৰলা মন্দিৰ বুলিও জনাজাত। ইয়াত প্ৰধানকৈ লক্ষ্মীনাৰায়ণ অৰ্থাৎ বিষ্ণুক উপাসনা কৰা হয়। ইয়াৰ পাছতে উপস্থিত হৈছিলোঁগৈ 'ইন্দিৰা গান্ধী মে'মৰিয়েল'ত। এই স্মৃতিভৱনত ইন্দিৰাগান্ধীৰ নিত্যব্যৱহাৰ্য বহুতো সামগ্ৰীৰ লগতে বিভিন্ন ধৰণৰ গুৰুত্বপূৰ্ণ আলোকচিত্ৰ, বাতৰিকাকত, গ্ৰন্থ আদি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। সামগ্ৰীসমূহ ইমান পৰিপাটিকৈ সজাই থৈছিল যে আমাৰ সকলোৰে মন আকৰ্ষণ কৰিছিল। এই স্মৃতিভৱন দৰ্শন কৰি ইন্দিৰা গান্ধী



তথা ৰাজীৱ গান্ধীৰ জীৱন দৰ্শন সম্পৰ্কে বহুতো কথাই জানিব পাৰিলোঁ।

দুপৰীয়া আমি উপস্থিত হ'লোঁগৈ ইণ্ডিয়া গেটত। ব্ৰিটিছ সাম্ৰাজ্য ৰক্ষাৰ বাবে প্ৰথম বিশ্বযুদ্ধ আৰু তৃতীয় এংলো আফগান যুদ্ধত প্ৰায় ৯০,০০০ ব্ৰিটিছ ভাৰতীয় সৈন্যৰ মৃত্যু হৈছিল। এই সৈনিকসকলৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে ইণ্ডিয়া গেট নিৰ্মাণ কৰা হৈছিল। এই গেটত বীৰ শ্বহীদসকলৰ নাম সোণালী আখৰে লিপিবদ্ধ কৰা হৈছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতে ইয়াত ইংলেণ্ডৰ ৰজা পঞ্চম জৰ্জৰ এক মূৰ্তি আছিল, যিটো স্বাধীনতাৰ পিছত উঠাই দিয়া হয়। ইণ্ডিয়া গেটৰ কিছু পুনৰ নিৰ্মাণ কৰা হয়। ইয়াত ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামীসকলৰ নামো খোদিত কৰিবলৈ লয়। ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধত নিহতসকলৰ সন্মানাৰ্থে 'অমৰ জোৱান জ্যোতি' প্ৰতিষ্ঠা কৰা হয়।

ইণ্ডিয়া গেটৰ পৰা আমি কুতুবুদ্দিন আইবাকৰ দ্বাৰা নিৰ্মিত কুতুবমিনাৰ চালোঁগৈ। ইটাৰে নিৰ্মিত বিশ্বৰ এটা অতি সুউচ্চ মিনাৰ কুতুবমিনাৰ। ইয়াৰ উচ্চতা প্ৰায় ৭৩ মিটাৰ আৰু পাঁচটা অংশ (five storys) আছে। এই মিনাৰ নিৰ্মাণৰ কাৰ্য কুতুবুদ্দিন আইবাকে আৰম্ভ কৰিছিল যদিও ইলটুটমিছেহে সম্পূৰ্ণ কৰে। কুতুবমিনাৰৰ দাঁতি কাষৰতে আলাউদ্দিন খিলজীয়ে নিৰ্মাণ কৰিব খোজা আন এটা মিনাৰৰ অংশত দেখিবলৈ পোৱা গৈছিল। কুতুবমিনাৰৰ চাৰিওকাষে চুলতানী যুগৰ প্ৰাৰম্ভিক স্মৃতিচিহ্নসমূহ আছে।

আমাৰ ইয়াৰ পাছৰ লক্ষ্য আছিল





মহাত্মাগান্ধীৰ সমাধিস্থল ৰাজঘাট। ৰাজঘাটৰ পৰিৱেশ আছিল শান্ত, নিৰিবিলি আৰু মনোমোহা, জাতিৰ পিতাৰ অন্তিম শয়নৰ এক উপযুক্ত স্থান। এইদৰে দিল্লীৰ ঐতিহাসিক স্থানসমূহ পৰিদৰ্শন কৰি থাকোঁতে কেতিয়ানো সন্ধিয়া নামি আহিল গমকে নাপালোঁ। লৰালৰিকৈ আমি সৰু সুকৰা দুটামান বজাৰ কৰোঁ বুলি 'পালিকা মাৰ্কেট'লৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। এইখিনিতে আমাৰ সকলোৰে প্ৰথমবাৰৰ বাবে মেট্ৰ'ত উঠাৰ অভিজ্ঞতাও হ'ল।

৩০ নবেম্বৰৰ দিনা আমি পুৱা ৬ মান বজাতে ৰাজস্থানৰ জয়পুৰ যাবলৈ সাজু হ'লোঁ। প্ৰায় ১২.৩০ মানত আমি জয়পুৰ পালোঁগৈ। জয়পুৰৰ অন্যতম প্ৰখ্যাত ৰাজপুত ৰজা মান সিঙৰ "Amer fort" চালোঁ। "Amer fort"ৰ যি স্থাপত্য-ভাস্কৰ্য তথা প্ৰতিৰক্ষা কৌশল সেয়া আছিল তবধ মানিবলগীয়া। ইয়াৰ আটাইতকৈ আকৰ্ষণীয় মহলটি আছিল "চীচ মহল" অৰ্থাৎ আইনাৰ মহল। ইয়াৰ পিছতে আমি "Pinkcity" জয়পুৰৰ সৌন্দৰ্য উপভোগ কৰিছিলোঁ। জয়পুৰৰ প্ৰায় সকলোবোৰ ঘৰেই আছিল গুলপীয়া। ইয়াত আমি "হাৱামহল" প্ৰত্যক্ষ কৰিলোঁ। তাৰ পিছত আমি যন্তৰ-মন্তৰত প্ৰৱেশ কৰিছিলোঁ। এই যন্তৰ-মন্তৰ ৰাজপুত ৰজা দ্বিতীয় জয় সিঙে নিৰ্মাণ কৰাইছিল। সমকালীন সময়ছোৱাত ইয়াৰ যন্ত্ৰসমূহৰ দ্বাৰা সময় নিৰ্ধাৰণ কৰাৰ লগতে জ্যোতিষ চৰ্চা কৰা হৈছিল। ইয়াৰ পিছতে আমি প্ৰত্যক্ষ কৰিছিলো "জলমহল"। এই মহলো বিশাল জলৰাশিৰ মাজত ৰজা দ্বিতীয় জয় সিঙে তেওঁৰ ৰাণীৰ বাবে নিৰ্মাণ কৰাইছিল ১৮ শতিকাত। জলমহল চাই আমি পুনৰ দিল্লীলৈ ৰাওনা হ'লোঁ।

ইয়াৰ পিছদিনা অৰ্থাৎ ১ ডিচেম্বৰৰ দিনা আমি সকলোৰে বজাৰ কৰিবলৈ বুলি "সৰোজনী মাৰ্কেট"লৈ গ'লোঁ। আমি সকলোৰে পছন্দ অনুসৰি বজাৰ কৰি আহিলোঁ। সেইদিনাই আমি ঘৰলৈ উভতি অহাৰ কথা। ৰাতি ১১.৩০ বজাত ঘৰলৈ বুলি "ব্ৰহ্মপুত্ৰ মেইল"ত উঠিলোঁ। ঘৰলৈ উভতি অহাৰ আনন্দৰ লগতে দিল্লী এৰি অহাৰ এক বিষাদেও আৱৰি ধৰিছিল আমাৰ প্ৰত্যেককে। অৱশেষত আমি ৪ ডিচেম্বৰ ৰাতি ২ বজাত ফৰকাটিং জংচন পালোঁহি।

ভ্ৰমণে আমালৈ বহু অভিজ্ঞতা আৰু মনলৈ সজীৱতা কঢ়িয়াই আনে। দিল্লী, জয়পুৰ আৰু আগ্ৰা ভ্ৰমণে আমাক বহুতো অভিজ্ঞতাৰ উপহাৰ দিলে। ট্ৰেইনত যাওঁতে আহোঁতে, হোটেলত আৰু যাত্ৰাপথত আমি সকলোৰে যথেষ্ট ফূৰ্তি কৰিছিলোঁ। ছাৰসকলক আমি খুব ওচৰৰ পৰা পাইছিলোঁ, য'ত আমি যে ঘৰৰ পৰা অকলে ফুৰিবলৈ আহিছোঁ সেই কথা পাহৰিয়ে গৈছিলোঁ। এই আপাহতে তেওঁলোকক পুনৰবাৰ কৃতজ্ঞতা জনাইছোঁ। শেষত এই যাত্ৰাৰ স্মৃতি সকলোৰে মানসপটত ভাঁহি থাকক তাৰে আশা কৰি কাহিনী সামৰিলোঁ। ⏭

# গ্ৰন্থমেলাই দিয়া এক বিক্ষিপ্ত অভিজ্ঞতা

**জয়ন্ত দত্ত**

গৱেষক ছাত্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

অৱশেষত সেই অভিশপ্ত ঘৰটোৰ চোতালতেই আমাৰ গ্ৰন্থমেলাখনৰ আয়োজন হৈছিল। সাহিত্য সভাৰ সৈতে জড়িত কৰ্মীসকলে কিয় সেই ঘৰটোৰ চোতালখন গ্ৰন্থমেলাৰ থলি হিচাপে নিৰ্বাচন কৰিছিল আমি বুজিব নোৱাৰিলোঁ। ষ্ট'লৰ সংখ্যা যথেষ্ট কম আছিল। আমিও বিশেষ প্ৰস্তুতি নথকাকৈ নগাঁও গ্ৰন্থমেলাৰ পৰা পোনপটীয়াকৈ ধুবুৰীলৈ যাত্ৰা কৰিছিলোঁ। দীৰ্ঘদিন ধৰি কেইবাখনো গ্ৰন্থমেলা হৈ থকাৰ কাৰণে আমি মানুহকেইজন অলপ ভাগৰুৱা হৈছিলোঁ। দহ দিন ধৰি ডিব্ৰুগড়ত চলি থকা গ্ৰন্থমেলা সামৰি আমি নগাঁৱলৈ যাত্ৰা কৰিছিলোঁ। খুব তাৎক্ষণিকভাৱে ডিব্ৰুগড় গ্ৰন্থমেলা ভাঙি নগাঁৱলৈ যাত্ৰা কৰাৰ সময়তেই আমি দুজন মানুহ প্ৰায় ভাগৰুৱা হৈছিলোঁ। গ্ৰন্থমেলা ভঙাৰ দিনটো যথেষ্ট কষ্ট হয়। সমগ্ৰ নিশা টোপনি খতি কৰি ৰাতিপুৱাই ডিব্ৰুগড়ৰ মিলনজ্যোতি ক্লাৱৰ পৰা নগাঁৱৰ নেহেৰুবালি খেলপথাৰ অভিমুখে গাড়ী এৰিছিলোঁ। দুৰ্ভাগ্যক্ৰমে গৌৰী সাগৰত আমাৰ ট্ৰাক বেয়া হোৱাত তিনিঘণ্টা পলম হৈছিল। বোকাখাত পাৰ হৈ কাজিৰঙা পোৱালে সন্ধ্যা সাতমান বাজিছিল। যিমান পাৰি সোনকালে পোৱাৰ কাৰণে গাড়ীখনৰ স্পীড বঢ়োৱাৰ চেষ্টা ড্ৰাইভাৰে কৰিছিল। তথাপি লোড বেছি হোৱাৰ কাৰণে গাড়ী স্পীডত চলাব পৰা নাছিল। পথৰ মধ্যভাগত এটা প্ৰকাণ্ড খালত থেকেছা খাই গাড়ীখনৰ লাইট দুটা নুমাল, এনেতে এটা গাহৰী সন্মুখেৰে পাৰ হওঁতেই গাড়ীৰ খুন্দাত গাহৰীটো ক'ত চিটিকি পৰিল সেই কথা জনা নহ'ল। তথাপি নিশা ন বজাত নেহেৰুবালি পাইছিলোঁ। গতানুগতিকতাৰে গ্ৰন্থমেলাখন পাৰ হোৱাৰ দহ দিন পাছত পোনপটিয়াকৈ ধুবুৰীলৈ যোৱাৰ সিদ্ধান্ত হৈছিল। নগাঁৱৰ পৰা যোৱা গাড়ী খনতেই সন্ধ্যাৰ সময়ত জালুকবাৰীত কিতাপৰ নতুন পেকেট কেইটামান লোড কৰি আমি ধুবুৰীৰ দিশে আগুৱাইছিলোঁ। নগাঁও গ্ৰন্থমেলাতেই লোহা এডাল মোৰ ভৰিৰ বুঢ়া আঙুলিত পৰি প্ৰচুৰ শীতত অসহ্য বিষ এটাত ভাগৰিছিলোঁ। সমগ্ৰ নিশা কাৰ্টুনৰ ওপৰত শুই আমি আগুৱাইছিলোঁ। প্ৰচুৰ শীতল বতাহে নৰনাৰায়ণ সেঁতু পাৰ হোৱাৰ সময়ত আমাক হাঁড়লৈকে কঁপাইছিল।



দিনৰ বাৰমান বজাত আমি গন্তব্যস্থানত উপস্থিত হৈছিলোঁ। ধুবুৰী আছিল আমাৰ কাৰণে এখন অচিনাকী চহৰ। ব্ৰহ্মপুত্ৰৰ কাষত একাষৰীয়াকৈ থকা এখন সৰু চহৰ। যিখন খেল পথাৰত সাহিত্য সভাৰ অধিৱেশন হৈছিল তাৰ বিপৰীত দিশত তিনিশ মিটাৰ মান দূৰত আছিল বিশ্বৰ ইতিহাসত এটা অভিশপ্ত ঘৰ। সেই ঘৰটোৰ চোতালৰ মাজমজিয়াত আমি কিতাপখিনি গাড়ীৰ পৰা নমাইছিলোঁ। আমাক গন্তব্য স্থানত থৈ গাড়ীখন উলটি অহাৰ পাছত চোতালৰ একাষে পেকেটখিনি ৰাখি লগত যোৱা মানুহকেইজনক কিবা এটা খাই আহিবলৈ পঠাই দি মই ঘৰটোৰ বেলকনিত কিছু সময় বহিলোঁ। কিছু সময়ৰ বহাৰ পাছত এবাৰ উঠি গৈ সমগ্ৰ ঘৰটোৰ ভিতৰখন ভালকৈ পৰীক্ষা কৰিলোঁ। ইমান ভাল ঘৰ এটা চহৰৰ মাজমজিয়াত কিয় এনেই পেলাই থোৱা হৈছে , কথাটো মনৰ ভিতৰতে এবাৰ ভাবিলোঁ। মই সেই মুহূৰ্তলৈকে ঘৰটোৰ বিষয়ত কোনো কথা জনা নাছিলোঁ। অলপ পাছতেই আমাৰ মাজত কথাবোৰ স্পষ্ট হৈছিল যে সেই ঘৰটো আছিল এসময়ৰ ধুবুৰী জিলাৰ দণ্ডাধীশ উপেন ৰাজখোৱাৰ ঘৰ। যিটো ঘৰত ৰাজখোৱাই নিজৰ পত্নী আৰু তিনিজনী কন্যাক নৃশংসভাৱে হত্যা কৰিছিল। যি ঠাইত আমাৰ কিতাপৰ কাৰ্টুনবোৰ ৰখা হৈছিল সেই ঠাইত পুতি থৈছিল মাক আৰু জীয়েকহঁতক।

এনেকুৱা এৰাপলীয়া ঘৰ এটাত আমাৰ গ্ৰন্থমেলাৰ বিক্ৰী যে ভাল নহয় সেই কথা আমি বুজি পালোঁ। কমিটিয়ে নিৰ্দিষ্ট কৰি দিয়া ষ্ট'লটোলৈ আমাৰ কিতাপৰ পেকেটখিনি কঢ়িয়াই কিছু ঠিক-ঠাক কৰিলোঁ। সময়মতে খোৱা

বোৰা নোহোৱাৰ ফলত শাৰীৰিক ক্লান্তিয়ে কিছু কোঙা কৰিছিল। তদুপৰি ভৰিৰ আঙুলিৰ বিষটো ক্রমে বাঢ়ি অহাৰ কাৰণে শইকীয়াক লগত লৈ মই ধুবুৰী অসামৰিক চিকিৎসালয় পালোঁগৈ। ডাক্তৰক দেখুৱাই অলপ দৰৱ-পাতি লৈ খোৱা-বোৰা কৰি ৰাজখোৱাৰ ঘৰলৈ আহিলোঁ। ৰাজখোৱাৰ ঘৰটো আছিল এটি ওখ টিলাত। সন্মুখতে জিলা ন্যায়াধীশৰ কাৰ্যালয়। তাৰ ইপাৰে ব্ৰহ্মপুত্র। নৈখনৰ পৰা অহা বতাহে অহৰহ ৰাজখোৱাৰ ঘৰৰ চোতালৰ গছৰ পাতবোৰ কঁপাইছিল। গ্রন্থমেলাৰ কমিটিয়ে ধুবুৰী আৱৰ্ত ভৱন আৰু গুৰুদ্বাৰত আমাৰ গা-পা ধোৱাৰ ব্যৱস্থা কৰিছিল। ৰাজখোৱাৰ ঘৰৰ চোতালৰ পৰা বাওঁফালে আৱৰ্ত ভৱনটো দেখা যায়। তাৰ পৰা দুশ গজ মান আগুৱালেই গুৰুদ্বাৰ পায়। গুৰুদ্বাৰলৈ গ'লে তাৰ প্ৰচলিত নিয়ম ভংগ কৰিব নোৱাৰিব। মূৰত এখন কাপোৰ বান্ধিহে তাত প্ৰৱেশ কৰাৰ অনুমতি আছে। মই যি কেইদিন তাত আছিলোঁ, দৈনিক গৈ গুৰুদ্বাৰলৈ গৈছিলোঁ। তাৰ পৰিৱেশ বৰ সুন্দৰ। ৰাজখোৱাৰ ঘৰৰ সোঁফালে ছয়শ মিটাৰমান দূৰত আছিল নেতাই ধুবুনী ঘাট। (য'ৰ পৰা ধুবুৰী নামটো উৎপত্তি হৈছে বুলি ক'ব খোজা হয়।)

নিশা আমি ৰাজখোৱাৰ ঘৰৰ চোতালতেই শুইছিলোঁ। মেধি, খনিন, গোপী আদিৰ উপৰি অভিজিৎ, তাৰ দেউতাক, সতীৰ্থ, কল্যাণী আদিকে মুখ্য কৰি আন প্ৰকাশনৰ কোনেও ঘৰটোৰ ভিতৰত থকাৰ সাহস কৰা নাছিল। ধুবুৰীৰ স্থানীয় ব্যৱসায়ী হিচাপে মণ্ডলদাইয়ে অলপ সাহ দেখুৱাইছিল। কিন্তু ৰাজখোৱাৰ ঘৰৰ ভিতৰত শোৱাৰ সাহস তেওঁৰো নাছিল। সন্ধ্যাৰ আগে আগে খনিন আৰু মই ঘৰটোৰ ভিতৰ সোমাই কোঠাবোৰৰ ফটো সংগ্ৰহ কৰিছিলোঁ। কোনো বিশেষ কাৰণ নোহোৱাকৈ যি ৰাজখোৱাৰ কাহিনীটো জানিছিল তাৰ মনত অলপ হ'লেও ভয়ভাব সোমাইছিল। চাৰিটা মানুহ ৰহস্যকৰভাৱে হত্যা কৰা কথাটো পুনৰ মানুহবোৰ মুখত ব্যাখ্যা হৈছিল। দৰাচলতে ভূতৰ ভয়ত যে মনবোৰ শেঁতা পৰিছিল এনে নহয়। চাহ খাবলৈ গৈ দুযাৰ কথা পতা দোকানীজন, বেটাৰী ৰিক্সাৰে আমাক হাস্পতাল লৈ যোৱা ড্ৰাইভাৰজন, গুৰুদ্বাৰৰ পহৰীজন, চাৰ্কিট হাউছৰ চকীদাৰজন, হস্পিতালৰ ৱাৰ্ডবয়জন সকলোৰে মুখত একেই আশ্চৰ্য।

ঃ "বুক ফেয়াৰ? ক'ত?"

ঃ "ভূত বাংলাত?"

নিশাটোতে পাৰ হৈছিল বেচ কৌতুহলে। মূৰৰ শিতানত খনিনে দা কটাৰী গোটাই ৰাখিছিল। চোতালতো ঘৰটো থকাৰ ফালে শুবলৈ গোপি বোলা কৰ্মীজনে মন কৰা নাছিল। ভয়ত মেধি দাক কাষত নোহোৱাৰ কথা স্পষ্ট কৰিছিল। ধুবুৰী টাউনখনত সন্ধ্যা সাত বজাৰ পাছত মানুহৰ সমাগম একেবাৰে নহয়। প্ৰয়োজন নহ'লে দিনৰ ভাগতো ৰাজখোৱাৰ ঘৰৰ কাষৰ পথেদি মানুহ অহা যোৱা নকৰে। সেই কাৰণে আবেলিৰ পৰাই ঠাইখন নিৰ্জন হৈ পৰে। অঞ্চলটোৰ মানুহখিনিও বিভিন্ন সম্প্ৰদায়ৰ। ভাষাটোও খিছিৰি। সৰহভাগেই বাংলা ভাষা কয়। কিছুমানে চিলেটিয়া আৰু কিছুমানে হিন্দী। নিভাঁজ অসমীয়া ভাষা কোৱা মানুহৰ সংখ্যা কম। কৰ্ট- কছাৰিতো বাংলা ভাষাৰ প্ৰচলন বেছি। এনেবোৰ কাৰণত পৰিৱেশটো আছিল বেছ আচহুৱা।

"ক'ত আহিলোঁ" বুলি খনিনে কথাৰ প্ৰসংগত হাঁহিবলৈ ধৰিলে। ফোন যোগে গ্ৰন্থমেলাৰ অৱস্থাটোৰ কথা মই ভিনদেউক জনালোঁ। আলিবাট প্ৰকাশনৰ প্ৰাঞ্জল দা, পূৰ্বয়িন প্ৰকাশনৰ অমৃত দাহঁতেও ফোন কৰি খবৰ ল'লে। ফোনতে খনিনে জনালে। "ৰাজখোৱাৰ মৃত্যুৰ ভোজটো খাবলৈ আহিলোঁ।"

নিশা বাৰমান বজাত মৰসাহ কৰি কাষৰ ষ্টলৰ কোনোবা এজন প্ৰস্ৰাৱ কৰিবলৈ উঠিল। ঘৰৰ বাওঁফালে এটা খৰ্‌খৰণি শব্দ হোৱাত একেদৌৰে ভূত বুলি কাপোৰ দাণ্ডি ষ্টলৰ ভিতৰত সোমাল। অলপ পাছতেই ষ্টলৰ কাপোৰ হেঁচি খোৱা বস্তুৰ গোন্ধ পাই প্ৰকাণ্ড গৰু এজনী সোমাল। টোপনিৰ পৰা সাৰ পাই এজনে হঠাৎ গৰুটোকে ভূত বুলি হুৱাদুৱা লগালে। সকলো সাৰ পাই দেখিলে এজনী প্ৰকাণ্ড গৰু। গৰুজনীয়ে ইতিমধ্যে চাউল আৰু পাচলি খাই শেষ কৰিলে। আমাৰ হাঁহিত পেটত নাড়ী ডাল ডাল হ'ল। নিশা দুইমান বজাত ঘৰটোৰ ভিতৰত কিছুমান অদ্ভুত শব্দ হৈছিল। সেই শব্দই টোপনি ভাঙি আমাক আচৰিত কৰি তুলিছিল। প্ৰকৃততে সেই শব্দ কিহৰ শব্দ আমাৰ কাৰণে ৰহস্য হৈ থাকিল। দ্বিতীয় নিশা অৱশ্যে মই শুনা নাছিলোঁ। দুই এজনে শুনিছিলোঁ বুলি মন্তব্য কৰিছিল। অহা দিনালৈকে ঘৰটোৰ ভিতৰত নিশা হোৱা শব্দবোৰ কিহৰ আমি কোনেও উদ্ধাৰ কৰিব নোৱাৰিলোঁ। প্ৰথম নিশাটো সেইদৰে পাৰ হ'ল। দ্বিতীয় নিশাৰ পৰা অৱশ্যে পুলিচ আছিল যদিও কোনো পুলিচেই ঘৰটোৰ ভিতৰত থাকিবলৈ সাহস কৰা নাছিল। এই কথা সত্য যেপুলিচ কেইজনেও ঘটনাটো জানি ভিতৰি ভয় খাইছিল।

দিনৰ ভাগত যিবোৰ মানুহ কিতাপ কিনিবলৈ আহিছিল তেওঁলোকৰ ভিতৰত সৰহভাগেই বিচাৰিছিল বাংলা কিতাপ। আমি বাংলা কিতাপ নিয়া নাছিলোঁ, সেয়ে আমাৰ বিক্ৰী বৰ ভাল নাছিল। কম সংখ্যক মানুহে অসমীয়া কিতাপ কিনিছিল। কিতাপ কিনিবলৈ আহি সকলোবোৰেই ঘৰটোৰ প্ৰসংগত লগতে ৰাজখোৱাৰ কাহিনী কিছু বৰ্ণনা কৰিছিল। বহুতে যে জীৱনত প্ৰথমবাৰৰ কাৰণে সেই ঘৰটোৰ ভেঁটিত ভৰি দিছে সেই কথাও স্পষ্ট কৰিছিল। বহুতৰ মতে এইখন চোতালত গৰু এটাও চৰা নাছিল। মানুহৰ প্ৰৱেশেৰে ঠাইখনৰ অপবিত্ৰ পৰিৱেশটোৰ সংস্কাৰ কৰিব বিচাৰিছিল বুলি কমিটিক অভিযোগ দিয়াৰ কথাও দুই এজন ব্যক্তিয়ে আমাক স্পষ্ট কৰিছিল। দিনৰ পৰিৱেশ অলপ ঠিকেই আছিল যদিও ৰাতি আহিলেই হাতী অহাৰ দৰে অৱস্থা হৈছিল। ছয় ৰাতি ভয় আৰু ভীতিৰ মাজেদি অদ্ভুদ অভিজ্ঞতাৰে ৰাজখোৱাৰ ঘৰৰ চোতালতেই পাৰ কৰিছিলোঁ। খনিন দুই ৰাতি থাকি গুৱাহাটীলৈ উলটি আহিছিল। আমিও গ্ৰন্থমেলাখন শেষ কৰি অন্তিম দিনা ৰাতিয়েই গ্ৰন্থমেলা ভাঙি গুৱাহাটীলৈ বুলি যাত্ৰা কৰিছিলোঁ। ৰাতি কুঁৱলীৰ পৰিমাণ বেছি হোৱাত আমাৰ কিতাপৰ গাড়ীখন বেছি দুৰ আগবাঢ়িব নোৱৰাত পথৰ কাষত ৰখাই কিছু সময় আমি টোপনি গৈছিলোঁ। এহাতে আছহুৱা পৰিৱেশ আৰু আনহাতে পৃথিৱী কঁপোৱা শিহৰণকাৰী ৰাজখোৱাৰ ঘৰৰ ঘটনাটোৱে সমগ্ৰ নিশাটো মোৰ মনত কিবা এক অস্বস্তিকৰ ভাবৰ হেন্দোলনি তুলিছিল। ঘটনাটোৱে ধুবুৰী অঞ্চলৰ সামাজিক চিত্ৰ এখনো প্ৰত্যক্ষ কৰাৰ সুযোগ প্ৰদান কৰিলে। ⏭

# এটি আশাৰ ৰেঙণি


## এনিশা শইকীয়া

পঞ্চম যাণ্মাসিক


সন্ধিয়া পশ্চিমলৈ মাৰ যোৱা বেলিটো চাই পখিলাই লৰালৰিকৈ নিজৰ মোনাখন সামৰি বজাৰৰ পৰা ঘৰলৈ বুলি খোজ ল'লে। হয়, আজিচোন তাইৰ বজাৰো ভাল নহ'ল। ঘৰৰ পৰা অনা অমিতাকেইটা দুমুঠিমান ঢেঁকীয়া শাক, কণী চাৰিটা আৰু নেমুকেইটামানৰ সৈতেই তাই আজি বজাৰলৈ বুলি ওলাই আহিছিল। বজাৰত তাইৰ আজি অলপ বেছিকৈয়েই পলম হ'ল। ঘৰত তাইলৈ বাট চাই থকা তাইৰ আঠবছৰীয়া ছোৱালী গুণগুণৰ কথা মনত পৰি মোনাখন বুকুৰ মাজত সাৱটি ধৰি তাই তীব্ৰ বেগত খোজ দিবলৈ ল'লে।

জোনাক নিশা। আহিন মাহৰ আকাশখনত তৰাবোৰে যেন তিৰ্‌বিৰ্ কৰি মেলা পাতিছে। জোনাকী পৰুৱাবোৰেও জিকমিক পোহৰেৰে তাইক বাট দেখুৱাইছে গাঁৱৰ লুংলুঙীয়া বাটটোৰে গৈ নামঘৰটো পাৰ হৈয়ে তাইৰ সৰু পঁজাটি। আজি তাই খৰটকীয়াকৈ খোজ দি অকলে গৈ থাকোঁতে না না কথাই তাইৰ মনটো বৰকৈ হেঁচা মাৰি ধৰিছে। গিৰিয়েকক হেৰুৱাৰ আজি দুবছৰেই হ'ল তেতিয়া গুণগুণৰ বয়স আছিল মাত্ৰ ছয় বছৰ। আহঃ কিমান যে কষ্টত দিন পাৰ কৰিছে তাই। উপাৰ্জনৰ একমাত্ৰ গৰাকী গুণগুণৰ দেউতাক মেলেৰিয়াত পৰি ঢুকোৱা দিনৰে পৰা তাইৰ জীৱনলৈ নামি আহিছিল কাল অমানিশা। কি কৰিম কি নকৰিম ভাবি অকণমানি ছোৱালীজনীৰ মুখখনলৈ চায়ে জীয়াই থকাৰ সিদ্ধান্ত লৈ তাই ঘৰত হোৱা শাক-পাচলি, মুৰ্গী, কণীকেইটাকে নি চাৰি আলি বজাৰত বহিছিল। গাভৰু বয়সতে বিধৱা হোৱাৰ দুখ তাইৰ অন্তৰত আছিলেই, তাতে আকৌ ডেকা বুঢ়াৰ কু-চকু তাইৰ ওপৰত। তথাপি তাই হাক নামানি সাহসেৰে সকলো সহ্য কৰি জীৱনৰ দুখবোৰ পাহৰি আগুৱাই গৈছে কাৰণ মাথোঁ এটাই, গুণগুণ। তাই মনতে অনুমান এটি কৰিলে গুণগুণ নিশ্চয় স্কুলৰ পৰা আহি ভৰি হাত ধুই তাই বাঢ়ি থৈ অহা ভাতকেইটা খাই তাইলৈ বুলি আগফালৰ বাৰাণ্ডাতে পীৰাখন পাতি বহি আছে। এবাৰ আকৌ অকলে থকা জীয়েকৰ কথা ভাবি তাইৰ বুকুখন কঁপিবলৈ ধৰিছে। একমাত্ৰ তাইহে জানে বাপেক নোহোৱা ছোৱালীজনীক লৈ তাইৰ যে কিমান চিন্তা। নিজৰ মনতে কথাবোৰ মনতে পেলাই ভাবি থাকোঁতে হঠাতে মুখেৰে এটি বাক্য ওলাই আহিল "আহঃ কিযে নিষ্ঠুৰ ভগৱান।" পৃথিৱীৰ সকলো দুখ যেন ভগৱানে তাইৰ কোলাতেই দিলে। একমাত্ৰ মাতৃত্বৰ সৌভাগ্যৰ বাহিৰে সুখ বুলিবলৈ তাইৰ জীৱনত একোৱেই নাই, এসাজ খাই আন সাজৰ কথা চিন্তা কৰিব লগা হয় তাই। কেতিয়াবা গুণগুণে পেট ভৰিল বুলি নিজৰ কাঁহীত ভাত এৰি যায়, যাতে সেইকেইটা ভাত পখিলাই খায়। কাৰণ সৰু হ'লেও গুণগুণে জানে অভাৱ কি? ভোকত জ্বলা পেটৰ পোৰণি কি? তাই গোটেইকেইটা ভাত খালে মাকে যে দিনটো শুদা পেটে থাকিব লাগিব সেই কথা তাই ভালকৈয়ে জানে। পখিলাৰ এইবোৰ কথা মনত পৰি দুচকুৰে অশ্ৰু নিগৰি আহিল। কি যে মাক তাই, নিজৰ সন্তানত এসাজ মাছ মঙহেৰে ভালকৈ তৃপ্তিৰে খুৱাব পৰা সক্ষমতা নাই। নিজে নিজৰ স্বীকাৰোক্তি দিলে। বুকুখন যেন তাইৰ এতিয়া ভাঙি ভাঙি ওলাই আহিব। নাই, আজি তাই বজাৰৰ পৰা ঘূৰি অহা এটা কণী আৰু ঢেঁকীয়াকেইডালেৰে নিশা



ভাত সাজ গুণগুণক আজি খুৱাব বুলি থিৰাং কৰিলে। এনেতে এটা চিঞৰ শুনিলে তাই 'অ' মা পালিহি তই। আজিচোন বহুত দেৰি কৰি কৰিলি তই মা'। এই বুলি চিঞৰি চিঞৰি বাৰাণ্ডাত নঙলাৰ মুখ পোৱা গুণগুণক দেখিহে তাইৰ চেতনা ঘূৰি আহিল। ইমান পৰে নিজৰ আন্ধাৰ জীৱনটোক কথা ভাবি আহোঁতে তাই গমেই নাপালে তাই যে ঘৰৰ সন্মুখত থিয় দিলেহি। গুণগুণৰ উজ্জ্বল মুখখন দেখি এটি শান্তিৰ নিশ্বাস পেলাই তাই মিচিকিয়া হাঁহি মাৰিলে। গুণগুণেইতো তাইৰ জীয়াই থকাৰ অৰ্থ; তাইৰ সৰ্বস্ব। অন্ধকাৰময় জীৱনৰ উজ্জ্বল ভোটা তৰাটি হৈ গুণগুণে তাইৰ জীৱনত আশাৰ ৰেঙণি যোগাইছে। এটি দীঘলীয়া হুমুনিয়াহ পেলাই গুণগুণৰ গালত চুমা এটি আঁকি দি ক'লে, 'হ'ব হ'ব আহ।' এতিয়া ভিতৰলৈ আহ চাকিটো জ্বলাই হাত-মুখকেইটা ধুই গোঁসাই থাপনাত চাকি গছি জ্বলাওঁ।" ⏭

# গছৰ ৰসায়ন

**মাৰ্ধুৰ্য্য বৰা**, পঞ্চম ষাণ্মাসিক

আমাৰ চৌপাশৰ গছ-গছনিবোৰৰ বৈশিষ্ট্যসমূহ সঁচাকৈয়ে মন কৰিবলগীয়া। কিছুমান গছ গোটেই বছৰধৰি সেউজীয়া হৈ থাকে। আন কিছুমান গছৰ পাতৰ ৰং বতৰ বা ঋতু অনুসৰি সলনি হৈ থাকে। কৃষ্ণচূড়া গছ ৰঙা ৰঙেৰে, এজাৰ বেঙুনীয়া ৰঙেৰে সোণাৰু হালধীয়া ৰঙেৰে জাতিষ্কাৰ হৈ পৰে। গছৰ ৰঙৰ পৰিৱৰ্তনৰ আঁৰত আছে কিছুমান ৰাসায়নিক পদাৰ্শৰ উপস্থিতি। গছৰ সেউজীয়া বৰণৰ কাৰণ হ'ল গছৰ পাতত থকা ক্ল'ৰ'ফিল নামৰ এক বিশেষ ৰাসায়ন, ইয়াৰ ৰাসায়নিক সংযুতি $C_{55}H_{70}MgN_4O_6$। গছৰ পাতত পৰা সূৰ্যৰ পোহৰৰ ৰঙা আৰু নীলা পোহৰ ক্ল'ৰ'ফিলে শোষণ কৰা বাবেই গছৰ পাতৰ ৰং সেউজীয়া হয়। ক্ল'ৰ'ফিল ৰাসায়নিকভাৱে বৰ সুস্থিৰ নহয়।

বহু গছৰ পাতত থকা অন্য এক বস্তু হ'ল 'কেৰ'টিনয়ড'। কেৰটিনয়ড কেইবা প্ৰকাৰৰো আছে, এইবোৰৰ এটা হ'ল কেৰটিন। কেৰ'টিনৰ ৰাসায়নিক গঠন হ'ল $C_{40}H_{36}$। এই কেৰ'টিনেই শৰত কালৰ পকা গছৰ পাতৰ ৰং হালধীয়া কৰে। গছৰ পাতত থকা তৃতীয় শ্ৰেণীৰ ৰং হ'ল এনথোচিয়ানিন। এনথোচিয়ানিনে নীলা; নীলা ৰং আৰু সেউজীয়া ৰং শোষণ কৰে বাবে এনথোচিয়ানিন থকা গছৰ পাতৰ ৰং সদায় ৰঙচুৱা হয়। আপেলৰ ৰং ৰঙা, বেঙেনা আৰু আঙুলৰ বেঙুনীয়া ৰং এনথোচিয়ানিনৰ বাবেই হয়।

গছৰ পাত, শিপা বা ডালত কিছুমান বিক্ৰিয়া সংঘটিত হয়। এইবোৰ হ'ল গৌণ বিপাশীয় ৰাসায়নিক বিক্ৰিয়া, গৌণ ৰাসায়নিক বিক্ৰিয়া, গৌণ বিপাশীয় পদাৰ্থ বুলি সৰু সৰু কিছুমান অণুৰ সৃষ্টি হয়। এনে ক্ষুদ্ৰ অণুবোৰ হ'ল - টাৰ্পিনয়ড, এলকানয়ড, ফেলিল প্ৰপানয়ড আদি। এনেবোৰ যৌগই গছজোপা আকৰ্ষণীয় কৰাৰ উপৰি পোক-পতংগৰ পৰা ৰক্ষা কৰে। গছত সৃষ্টি হোৱা বহু টাৰ্পিনয়ড আৰু নাইট্ৰজেন পৰমাণুযুক্ত খাৰুৱা যৌগ এলকালইতসমূহ আমাৰ বিভিন্ন ৰোগৰ চিকিৎসাত ঔষধ ৰূপে ব্যৱহাৰ কৰা হয়। ⏭

# অপমৃত্যু

**সীমাশ্ৰী বৰা**, তৃতীয় ষাণ্মাসিক

ঃ "নাই মানে, ক'লৈ গৈছে? আকৌ দিল্লীলৈ গ'লগৈ নেকি? এবাৰ যে কোম্পানীৰ কাম কৰিম বুলি গৈ বৰমালৈ খুউব মনত পৰাত কাম এৰি গুচি আহিছিল!"

তিনি বজাৰ মহাশ্বেতা বাইদেউৰ এডুকেশ্বনৰ ক্লাছটো কৰি আহি হোষ্টেল পায়েই মোবাইলটোত মাকৰ ছটা মিছকল দেখি জাগৃতিয়ে কলবেক্ কৰিছিল। 'দেবু দা আৰু নাই মাজনী' — ফোনটো ৰিচিভ কৰিয়েই মাকে থোকা-থুকিকৈ কোৱা কথাষাৰ শুনি তাই উশাহ নসলোৱাকৈয়ে সুধি গৈছিল কথাকেইটা। লাহে লাহে তাইক কৈ গৈছিল কেনেকৈ আজি ৰাতিপুৱা সিহঁতৰ ঘৰৰ ওচৰৰ পুৰণি গীৰ্জাটোৰ পিছফালৰ আম গছজোপাত ওলমি থকা দেবুদাৰ প্ৰাণহীন শৰীৰটো গাঁৱৰ মানুহে ঘৰলৈ লৈ গৈছিল।

কথা কৈ কৈ ভাগৰি পৰা মাকে কেতিয়া ফোনৰ সংযোগটো কাটি দিছিল তাই গমেই পোৱা নাছিল। ৰুমৰ বিছনাখনতে বহি পৰিছিল তাই। সন্মুখৰ ৱালখনত ওলমি থকা ছবিখনত জাগৃতিৰ চকুযুৰি থৰ হৈ ৰৈছিল। মাক মাৰিয়াৰ কোলাত যীশু। পেইণ্টিংখন দেবুদাই আঁকা। তেজৰ সম্পৰ্ক নাথাকিলেও তাইতকৈ পাঁচ বছৰ ডাঙৰ চুবুৰীয়া কুল বৰতাকৰ ল'ৰা দেবুদাই তাইক নিজৰ ভনীৰ দৰে মৰম কৰিছিল। ছবি আঁকি ভালপোৱা দেবুদাই আগতে কবিতাও লিখিছিল। কি আছিল শেষৰ শাৰী দুটা..। দেবুদাহঁতৰ ইউনিভাৰ্চিটিৰ মেগাজিনখনত যে প্ৰকাশ পাইছিল দেবুদাৰ কবিতাটো ....? আস্ ....

"বাঁহৰ আগত ওলমি ৰয়
জীৱন আমাৰ।"

আঁত হেৰাই গৈছে আজি কথাবোৰৰ। মাকে কৈছিল তাইক— দেবুদাই হেনো চিঠি এখনো লিখি থৈ গৈছে— তেওঁৰ মৃত্যুৰ বাবে পৰিয়ালৰ কোনো লোক জগৰীয়া নহয় বুলি। ৰাতিপুৱা-আবেলি ঘৰুৱা টিউচন কৰি, দিনটো ওচৰৰ স্কুলখনত কণ্ট্ৰেক্টৰেল টিচাৰ হিচাপে ল'ৰা-ছোৱালীক পঢ়াই মাহে আঠ ন হাজাৰ টকা ইনকাম কৰি ঘৰ চলাই থকা দেবুদাৰ কাহিনী জাগৃতিয়ে জানে। বিলগাঁও প্ৰাথমিক বিদ্যালয়ত ২৮ বছৰ শিক্ষকতা কৰি বিনা বেতনেৰে ৰিটায়াৰ হোৱা স্বামীৰ শেঁতা মুখখন দেখি দেখি লুকুৱাই লুকুৱাই তেজ বমি কৰি দেবুদাৰ মাক এতিয়া খাদ্যনলী কেঞ্চাৰ ৰোগী হৈ বিছনাত পৰি আছে। পৰহি তাইৰ হোষ্টেলৰ ফিজ দিবলৈ আহোঁতে মাকে তাইক কৈছিল নেপকো সৃষ্ট বানে গোটেই গাঁওখনৰ লগতে উটুৱাই নিয়া দেবুদাৰ মাৰ্কশ্বিট চাৰ্টিফিকেটৰ টোপোলাটোৰ কথা। দেবুদাৰ কেহেঁৰাজ বৰণ লোৱা মুখখনৰ কথা।

কথাবোৰ এতিয়া কথা হৈ নাথাকি বিষাদৰ বৰষুণ হৈ জাগৃতিৰ দুচকুত জীয়াঢলৰ সৃষ্টি কৰিছে। ⏭

# টিভি

**উদয় দাস**
ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ



ঃ ঐ ক'ত পলাইছ ৰহ, তহঁতক আজি বান্ধিয়েই থ'ম।

ঃ ভাই পলা আজি সেইটোৰেই ধৰিব পাৰিলে থ'ব কিন্তু।— দুয়ো ফৰিংচিটিকা দি পলায় চাচাৰ সন্মুখত। — চাচা চানা দিয়ক।

ঃ কি হ'ল ইমান লৰফৰাই দুয়ো ক'ৰ পৰা ?

ঃ আগত চানা দিয়ক চাচা, পাছত কৈ আছোঁ সেই পেটকুলীটোৰ কথা।

ঃ দিছোঁ দিছো। এয়া ল, আগৰ পইচা কিন্তু দিয়া নাই, দিনে দিনে বাকী বাঢ়ি গৈ আছে।

ঃ হেই চাচা, আপুনি কিয় চিন্তা কৰিছে? আপোনাৰ পইচা খাই নপলাওঁ। এতিয়া কথাটো শুনক - এই যে অলপ আগত চাইকেল দোকানখনৰ লগত নতুনকৈ টিভিৰ দোকানখন খুলিছে যে তাৰ নামটো কি জানো?

ঃ চাইকেল দোকানৰ লগত নতুনকৈ খোলা টিভিৰ দোকান ... অ' অ' হৰিপ্ৰসাদৰ দোকান ? তাৰ দোকানতনো কি হ'ল ?

ঃ একো হোৱা নাই। আমি চানা খাবলৈ আপোনাৰ ওচৰলৈ আহি থাকোঁতে দেখিলোঁ সেই পেটকুলী হৰিপ্ৰসাদৰ দোকানৰ ডাঙৰ টিভিত এখন বঢ়িয়া চিনেমা এখন চলি আছিল। তাকে দেখি আমি দোকানৰ সন্মুখত ৰৈ চিনেমাখন চাই আছিলোঁ। সেই সময়ত ওলাই আহি গ'ল হৰিপ্ৰসাদৰ চামচা ৰাতুল আৰু আমি টিভি চোৰা দেখি আমাক এনেদৰে দৌৰালে যে আমি চোৱাৰ কাৰণে যেন টিভিটো নষ্টয়েই হৈ গৈছে।

ঃ অ' কথা ক'ৰবাতহে। হ'ব দে একো নাই। ডাঙৰ মানুহৰ দোকান আকৌ নগ'লেই হ'ল। পিচে কচোন আজি দিনটো কেনেকৈ পাৰ কৰিলি ?

ঃ আৰে চাচা আপুনিও যে কি কথা কয়, আমি জাবৰ খোঁচৰা ল'ৰা, আমাৰ দিনটোনো আৰু কেনেকৈ পাৰ হ'ব। সেই সদায়ৰ দৰে ৰাতিপুৱাৰ পৰা কাগজ বটল বুটলি বুটলি দুয়োটাই বিশ বিশ টকা পালোঁ। তাৰেই বিশ টকা দুপৰীয়া খালোঁ আৰু বিশ টকা আছে। আপোনাৰ বাকী মাৰিম বুলি ভাবিছোঁ, কিন্তু আপোনাৰ বাকী মাৰিলে ৰাতি আমি পানী খাই শুব লাগিব।

ঃ নালাগে মোক বাকী দিব, দুয়োটাই কিবা খাই শুই থাকিবি যা।

ঃ অ'কে চাচা আপুনি বহুত দিলদাৰ হয়, চাচা আই লভ ইউ।

ঃ আকৌ ইংৰাজী ? গ'লিনে তঁহতে।

ঃ গৈছোঁ গৈছোঁ। হে' প্ৰভু আপোনাৰো যে কৃপা এই দুই অঘৰীক বাট দেখুৱাৰ।

ঃ ঐ ভাই উঠ, ৰাতিপুৱালে।

ঃ কি ৰাতিপুৱালে ? নাই পুওৱা শুই থাক।

ঃ মই মিছাকে কোৱা নাই, চকু মেলি চা। সেইটো ফুটবলৰ দৰে ৰঙা বেলিটো ওলাই আহিছে।

ঃ অ' উঠিছোঁ উঠিছোঁ। চাহ অলপহে খাবলৈ মন গৈছে ভাই। মন গ'লে জানো হ'ব লগত পইচাটো থাকিব লাগিব। সেইটো হয় পিচে। ব'ল কিবা এটা ব্যৱস্থা কৰোঁগৈ।

ঃ ৰাতিপুৱাই ৰাতিপুৱাই নো কি ব্যৱস্থা কৰিবি। নিজৰ বস্তা উঠা আৰু ব'ল ভাই খোদাই (ভগৱান) কিবা যোগাৰ কৰিব।

ঃ ঐ ল'ৰাহঁত। হয় তহঁতক মাতিছোঁ, এইফালে আহ।

ঃ আমাক ?

ঃ অ' তহঁতক, এইফালে আহ।

ঃ ক'কচোন বুঢ়া ককা ?

ঃ মোৰ এই বস্তা দুটা কঢ়িওৱাত অলপ সহায় কৰি দে, বয়স হৈছে যে নোৱৰা হৈছোঁ আৰু।

ঃ অকে। বুঢ়া ক'কা আমি সহায় কৰিম। ড'ণ্ট টেনচ'ন। ক'ক ক'ত নিব লাগে এই বস্তা ?

ঃ সেই তিনি আলিটোলৈ নিলেই হ'ব, তাতেই গাড়ী পাম।

ঃ হ'ব ককা। ভাই বস্তা উঠা।

ঃ ককা। ইমান গধুৰ কি আছেনো এই বস্তাত ?

ঃ বিশেষ একো নাই। আজি দেওবাৰ নহয় জানো 'হুইচেল' বজাৰ আছে নহয়। তাতেই বিক্ৰী কৰিবৰ বাবে কাপোৰ অলপ লৈ গৈছোঁ অ।

ঃ অ' আমি আকৌ ভাবিছিলোঁ বেলেগ কিবা বস্তুৰেই নি, ইমান গধুৰ।

ঃ হ'ব ইয়াতেই নমা বস্তাকেইটা।

ঃ আমি আহিছো দে ককা।
ঃ ৰহ ক'ত যাৱ? এইটো ল, তঁহত দুয়োটাই কিবা খাবি।
ঃ নেলাগে ককা, পইচা কামৰহে লোৱা হয়, সহায় কৰাৰ নহয়। আমি আপেনোক সহায়হে কৰিছোঁ।
ঃ আহ তেনেহ'লে আমি চাহ অকণেই খাই লওঁ।
ঃ ঠিক আছে চাহটো বাৰু খাব পাৰি ...।
ঃ ককা এতিয়া আমি আহিছোঁ। আপুনি হুইছেল বজাৰ যাব।
ঃ ঠিক আছে যা তহঁত।



ঃ ভাই দেখিলি মই কৈছিলো নহয় খেদাই কিবা যোগাৰ কৰিব। অ' অ' এতিয়া সোনকালে ব'ল, বস্তাত ভৰাবলৈ একোৱেই নহ'ব। ভাই আজি ক'ত যাওঁ জাবৰ খুঁচৰিবলৈ?
ঠ্ঠ তাকে চিন্তা কৰিছোঁ... বৈ, আজি চুৰ বজাৰ যাওঁ, তাত মদাহী ঢেৰ (বহুত) আছে, বটল পাম চাগে'। বৈ বৈ ...।
ঃ ভাই তই ঠিকেই কৈছিলি ইয়াত দেখুন বহুত বটল আছে। অ' বুটল বুটল।
ঃ ভাই আজি বটল বেচি টকা অলপ সৰহকৈয়ে পালোঁ। বৈ সেইটোৰ (হৰিপ্ৰসাদৰ) দোকানত কি চিনেমা লগাইছে অলপ চাই লওঁগৈ আৰু আহোঁতে চানা চাচাৰ বাকী অলপো মাৰি আহিম।
ঃ ৰহ ভাই তাৰ দোকানত আজি যাওঁ জানো চিনেমা চাবলৈ। কালি সি যিটো খঙত আছিল আজি আমাক দেখিলে সঁচাকে বান্ধি থ'ব।
ঃ হয় ভাই তই ঠিকেই কৈছে, বাদদে নেযাওঁ, কাইলে যাম। আজি খাই বৈ ক'ৰবাত শুই থাকোঁগৈ।
ঃ ভাই উঠ। ৰাতিপুৱালে।
ঃ ক' মই সাৰ পায়েই আছোঁ। কি জানো হ'ল আজি টোপনি নাহিল।
ঃ মোৰো একেই ভাই, কালি যে আমি চাচাৰ চানা নখোলোঁ সেইবাবে আমাৰ টোপনি নাহিল চাগে'।
ঃ অ' ভাই, আমাৰনো চাচাৰ বাহিৰে আৰু কোন আছে। চাচাৰ চানা আৰু গালি নেখালে আমাৰ মনটো ভালেই নালাগে। — সঁচাকৈ দে। ব'ল যাওঁ তেনেহ'লে আমাৰ কাম কৰোঁগৈ। আজি চাচাৰ ওচৰত অলপ সোনকালে যাম।
ঃ ভাই আজি চাচাৰ ওচৰতো যাব লাগে, আকৌ সেইটোৰ (হৰিপ্ৰসাদৰ) দোকানত চিনেমাও চাব লাগে। আজি চাৰোকখানৰ কি জানো আছিল সেইখন অ' চিন্নাই এক্সপ্ৰেছ .. সেইখন দিব।
ঃ তোকনো কোনে ক'লে - চিন্নাই এক্সপ্ৰেছ লগাব বুলি আজি?
ঃ কিয় সেই দিনা আমি টিভি চাই থাকোঁতে কোৱা নাছিল - 'চাৰোকখান কি ধামাকাদাৰ ফিল্ম চিন্নাই এক্সপ্ৰেছ দেখিয়ে চোমবাৰ (সোমবাৰ) শাম ছে বাজে চিৰ্ফ জী চিনেমা পৰ।'
ঃ হয় নেকি? তেনেহ'লে সোনকালে কৰ চিনেমা চাই চাচাৰ ওচৰত গুচি যাম।
ঃ হ'ল নে নাই তোৰ? — হ'ল হ'ল সোনকালে ব'ল ...। —ভাই একদম ঠিক তাইমত আহিছোঁ চিনেমা আৰম্ভ হৈছেহে। চা সেইটো চাৰোফখান। Oh my Saruf Khan I Love You.
ঃ চুপ্ মনে মনে, সেইটোৱে শুনিলে থ'ব।
ঃ হয়, হয়, কিন্তু সেইটো (হৰিপ্ৰসাদ) দেখোন দোকানত নাই। ক'ৰবাত গৈছে চাগে' ভালেই হ'ল।
ঃ কি ভালেই হ'ল? আজি তহঁতক ধৰবলৈ মই পিছফালে লুকাই আছিলোঁ। ৰাতুল ৰছী আৰু বেত আন, আজি এই দুটাক মজা দেখাইছোঁ। বান্ধ বান্ধ হাত বান্ধ ইহঁতৰ। ক আজিৰ পৰা টিভি চাব আহিবি?
ঃ ঔ মা নেমাৰিব নেমাৰিব নাহোঁ আমি আৰু টিভি চাব নাহোঁ। সঁচাকে নাহো- নাহো নাহো।
ঃ আহিলে আজি যিমান পিটিছোঁ তাতকৈ দুগুণ পিটিম। পলা এতিয়া।
ঃ কি হ'ল? তহঁতি ইমান মনে মনে যে আৰু আহোঁতেও পলম। ... ... কি হ'ল একো নকৰ কিয়?
ঃ একো হোৱা নাই চানা চাচা।
ঃ নাই কিবা এটা হৈছে নিশ্চয় ক?
ঃ ভাই তয়ে ক চাচাক সেই পেটকুলীটোৰ কথা। চাচা আমি সেইটোৰ (হৰিপ্ৰসাদৰ) দোকানত চিনেমা চাই আছিলোঁ। কিন্তু সি আমাক ধৰিবলৈ পিছফালে লুকাই আছিল, আমি জনা নাছিলোঁ। আৰু তেনেকৈয়ে পিছফালৰ পৰা আহি আমাক ধৰিলে আৰু হাত বান্ধি গৰুপিটন দিলে। সেয়ে আমি মনে মনে।
ঃ মই তহঁতক কিমান মানা কৰোঁ সেইটোৰ দোকানৰ সন্মুখত বৈ চিনেমা নেচাবি। নাই তাৰ দুকানত চিনেমা নেচালে পেটৰ ভাত হজম নহয়েই। পালি এতিয়া চুটুকাটো।
ঃ চাচা আমি কি জানো ...
ঃ চুপ থাক মুখেৰে নেমাতিবি। তহঁতক মৰম কৰি কিবা এটা কথা ক'লে নুশুনই। যা তহঁত যদি তাৰ দোকানত চিনেমা চাব বাদ দিব নোৱাৰ, তেনেহ'লে কালিৰ পৰা মোৰ ইয়াত আৰু চানা খাব নাহিবি।
ঃ ... মাৰ খাই এনেই গা বিষাইছে, তাৰ ওপৰত আকৌ চাচাৰ গালি। চব তোৰ কাৰণে হ'ল। চিন্নাই এক্সপ্ৰেছ চাব যাওঁ চিন্নাই এক্সপ্ৰেছ।
ঃ মই বাৰু কৈছিলোৱে তই কিয় মানা নকৰিলি।
ঃ সেইটোও হয়। দোষ আমাৰ দুয়োটাৰে।
ঃ আজি আৰু ভাত খাবলৈ মন নাই। সেইটোৱে দিয়া বেতৰ কোব আৰু চাচাৰ গালি খাই আৰুনো ভাত খাব ক'ত মন যাব। সঁচাকৈ আজি কিন্তু চাচাৰ বহুত খং উঠিছিল। উঠিবই আকৌ। চাচাই আমাক ইমান ভালপায় আৰু আমি চাচাৰ কথা নুশুনোযে নুশুনো।

ঃ ভাই যি হ'ল হ'ল কালিৰ পৰা আমি চিনেমা নেচাওঁ। কালি চাচাক গৈ Sorry ক'ম আৰু Promis কৰিম আজিৰ পৰা আমি আৰু চিনেমা নেচাওঁ তাৰ দোকানত। আৰু ক'ম আজিৰ পৰা আমি ভালদৰে কাম কৰিম আৰু নিজৰ টকাৰে এদিন আপোনাক টিভি কিনি দেখুৱাম।
ঃ অ' ঠিক আছে। এতিয়া শুই থাকোঁ।
ঃ অ' শুই থাকোঁ। Good Night. ⏭

# গ্ৰাম্য সমাজৰ সৌন্দৰ্য

**অম্লানদীপ বৰা**

পঞ্চম ষাণ্মাসিক

অসমীয়া সমাজ ব্যৱস্থাৰ মূল প্ৰতিচ্ছবি সেউজীয়াৰে আবৃত গাঁৱলীয়া সমাজ। প্ৰায় ৭০ শতাংশ মানুহে বিয়পি থকা গাঁৱলীয়া সমাজখনৰ চিত্ৰপটেই সুকীয়া। কৃষ্টি-সংস্কৃতি, সাহিত্য-কলা, খাদ্যাভাস, ৰীতি-নীতি আদিৰ বিশাল গৰিমাৰে পোত হৈ থকা গাঁৱলীয়া সমাজখনৰ সৌন্দৰ্যত আকৰ্ষিত প্ৰতিজন চহা মানুহ। জেতুকাবুলীয়া মাটিৰ ৰং নখত বুলাই কান্ধত নাঙল লৈ পেটমুঠিৰ ববে তেজক পানী কৰা মানুহবোৰ এই গাঁৱলীয়া সমাজৰেই পো। তিনিটা বিহুৰ (ব'হাগ, কাতি আৰু মাঘ বিহু) কৃষ্টি ৰক্ষা কৰি গাঁৱলীয়া সমাজত বাস কৰা প্ৰতিজন সহজ-সৰল, গুণৱান মানুহ। শাওণমহীয়া সেউজীয়া পথাৰখনৰ পৰা আঘোণৰ হালধীয়া সোণগুটিৰ স'তে সপোন ৰচা গাঁৱৰ এই মানুহবোৰ সকলোৱেই কৃষিজীৱী। অতিৰঞ্জিত খাদ্যাভাসৰ পৰা দূৰত থকা কণমানিটোৰ পৰা পৌঢ়জনলৈকে প্ৰিয় 'পঁইতা ভাতৰ জুতি'। উৎসৱে পাৰ্বনে পিঠা-পনা খুন্দিবলৈ প্ৰযুক্তিৰ সলনি ঢেঁকীতেই খুন্দিকৰি চুবুৰীৰ বৃদ্ধজনে সাজি দিয়া চালনী-খৰাহিৰেই চালি-জাৰি সু-স্বাদু খাদ্যলৈ পৰিণত কৰা 'গাঁৱলীয়া মিঠাই'ৰেই আলহী-অতিথিক আপ্যায়ন কৰালৈকে বৰ 'সুন্দৰ কলা-কৌশল'। বাৰীৰেই তামোল-পাণবোৰ মান্যজনৰ আশীৰ্বাদ বিচৰা, ৰাজহুৱা দোষৰ মাৰ্জনা বিচৰা, বিয়াৰ নিমন্ত্ৰণ আদিত ব্যৱহাৰ কৰাটোও গাঁৱলীয়া সমাজখনৰ এক অন্যতম দিশ।

বিশ্বদৰবাৰত প্ৰতিষ্ঠিত সেৰা অসমীয়াৰ গৌৰৱ,স্বাভিমান গামোচাখনো বৰ আলফুলে তাঁতশালত বৈ উলিয়াওঁতেও গাঁৱলীয়া নাৰীৰেই আঙুলিৰ স্পৰ্শৰ এক কষ্টৰ ফল। তাঁতশালত সপোন ৰচে, সপোন সুন্দৰী হৈ গাঁৱলীয়া জীয়ৰীৰূপে নিজকে প্ৰতিষ্ঠিত কৰে।

বিশ্বদৰবাৰত প্ৰতিষ্ঠিত অসমীয়াৰ গৌৰৱ,স্বাভিমান গামোচাখনো গাঁৱলীয়া নাৰীৰেই আঙুলিৰ স্পৰ্শৰ এক কষ্টৰ ফল। তাঁতশালত সপোন ৰচে, সপোন সুন্দৰী হৈ গাঁৱলীয়া জীয়ৰীৰূপে নিজকে প্ৰতিষ্ঠিত কৰে।

মহাপুৰুষ শংকৰদেৱেই প্ৰতিষ্ঠা কৰি যোৱা নামঘৰত হিংসা, দ্বেষ পাহৰি সমজুৱা নাম গাই, বুজি উঠা প্ৰতিজন সৰল মনা গাঁওবাসীয়ে মানৱ দৰদী কণ্ঠ তথা মানৱীয়তাৰ বিশাল গুণ। অন্ধবিশ্বাসৰ কৰাল গ্ৰাসে সাৱটিব খোজা গাঁৱলীয়া সমাজখন সলনি কৰি প্ৰগতিৰ দিশে আগুৱাই নিয়াৰ দায়িত্বও গঞাসকলৰেই। ভাওনা, বৰগীত আদিৰেই মুখৰিত কৰি ৰখা কলা-সংস্কৃতিৰ লোভনীয় দৃশ্যই আকৰ্ষিত কৰে মানুহৰ মন, মানুহৰ জীৱন। অকণমান অলসভাৱে মাটিয়ে পানীয়ে খেলি-ধূলি কৰা আনন্দৰ আমেজ বুজে গাঁৱৰ প্ৰতিজনেই। শৃংখলাবদ্ধতাৰে সমাজ জীৱনক আৰু এখোজ আগুৱাই নিয়াত একাণপতীয়াকৈ ব্যস্ত গাঁৱৰ বুঢ়া-মেথা, ডেকা-গাভৰু তথা মাত ফুটাৰে পৰা সাজক চিনিবৰৈল, শিকিবলৈ বিচৰা কণমাণিহঁতো। 'হাটবোৰত' সপোন ৰচে জীৱনপিপাসু মানুহবোৰে। মানুহৰ মাজত ধনী-দুখীয়াৰ ভেদ-ভাব আনিব নোৱৰাকৈ সুখী হোৱাৰ অলেখ কুচ-কাৱাজ প্ৰতিদিনেই। বগা চাদৰখন ঘৰতে হোৱা মেখেলাখনৰ স'তে পিন্ধি নিজক পৰিচয় দিয়ে গাঁৱলীয়া বোৱাৰী-জীয়ৰী হিচাপে। এইবোৰ বিক্ৰী কৰি পোৱা পইচাৰে এখন ঘৰ চলায় সুকলমে। আইতাৰ দিনীয়া দুগদুগী, জোনবিৰি ডিঙিত তিৰ্বিৰাই থাকে প্ৰতিগৰাকী নাৰীৰ। প্ৰতিখোজতেই পুৰুষসকলে সহায় কৰে। নিজৰ অধিকাৰসমূহ বিচাৰে ভোটাৰ হোৱাৰ অজুহাতেৰে নিৰক্ষৰ হ'লেও আগ্ৰহী গাঁৱলীয়া প্ৰতিগৰাকী ব্যক্তি। কেৱল শুই বহি নকটোৱা গাঁৱলীয়া সমাজৰ মানুহখিনিয়েই এখন দেশৰ ভৱিষ্যৎ। উপযুক্ত কৌশলেৰে যদি মানৱ সম্পদ গঢ়াত গাঁৱলীয়া মানুহখিনিক আগ্ৰহী কৰিব পৰা যায়, তেতিয়াই এখোজ পিছপৰি ৰোৱা গাঁৱৰ সমাজখনৰ আগুৱাই যাব দলদোপ হেন্দোলদোপেৰে। অন্ধবিশ্বাস, দৰিদ্ৰতা নিৰ্মূল কৰি অলপমান চেষ্টা কৰিলেই প্ৰচুৰ পৰিমাণে সম্পদ সমৃদ্ধ গাঁৱলীয়া সমাজখনে অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক সকলো দিশতেই যে চহকী হৈ পৰিব সেয়া নিশ্চিত। ঃঃঃ

# *লিমাৰিক*

## দৰ্শনা দত্ত
**পঞ্চম ষাণ্মাসিক**

গুদু আছিল বৰ হেণ্ডচম
য'তে ত'তে চলে তাৰ ফ্ৰিডম্।
অৰ্ডাৰ দিলেই চলে তাৰ বিন্দাচ জীৱন।
স্কুলতো তাৰ বৰ দম
সকলোৰে ওপৰতে চলে গুদুৰ এভেক্চন
শিক্ষকে দিলে চেকণীৰ কোব, নচলিব এনে ভেশচন।

কিল খাই গুদুৱে ল'লে ৰিজলিউশ্বন
আনিব নতুন ৰিভ'লিউশ্বন
সেই ভাবি গ'ল টিউচন
হৈ গ'ল তাত ফিউজন
অংক নহয় এয়া পীৰিতিৰ কনফিউজন
গুদুৰ হ'ল মহা টেনচন
তাৰ পাছৰবিলাক আমি নকৰোঁ ইমান মেনচন।

# বিচিত্ৰ সংবাদ

## কল্পনা শইকীয়া
পঞ্চম ষাণ্মাসিক

(১) এসময়ত নিমখৰ (Salt) বহু মূল্য আছিল বাবে বহুতক নিমখেৰে দৰমহা দিয়া হৈছিল। সেয়েহে দৰমহাক Salary বোলা হয়।
(২) তুলা আৰু কপাহত জুই লাগিলে পানীতকৈ পেট্ৰ'ল বা পেৰাফিনেহে সোনকালে জুই নুমুৱাব পাৰে।
(৩) মানুহৰ তেজখোৰা ম'হবোৰ আচলতে মাইকী ম'হ। মতা ম'হবোৰে গছৰ ফল-মূল আদিৰ ৰস পান কৰি জীয়াই থাকে।
(৪) ছ'ডিয়াম আৰু পটেছিয়ামৰ আৱিষ্কাৰক হামফ্ৰে ডেভিৰ স্কুলীয়া শিক্ষা নাছিল।
(৫) মানুহৰ দেহত মজুত থকা কাৰ্বনেৰে ৯০০০ ডাল পেঞ্চিল তৈয়াৰ কৰিব পৰা যাব।
(৬) এছিয়াৰ ভিতৰতেই সৰ্ববৃহৎ পখিলা উদ্যানখন অসমৰ নুমলীগড়ত অৱস্থিত।
(৭) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'ৱ' আখৰটো হেমচন্দ্ৰ বৰুৱাইহে প্ৰথমতে লিখিত ৰূপত ব্যৱহাৰ কৰিছিল।
(৮) শামুকে একেৰাহে তিনিবছৰলৈ শুব পাৰে।

# *কৌতুক*

## আচমিনা বেগম
প্ৰথম ষাণ্মাসিক

(১)
শিক্ষক ঃ তোমাৰ আজি স্কুললৈ আহোঁতে কিয় দেৰি হ'ল হা?
সুপন্দি ঃ ছাৰ, মা আৰু দেউতাই দুয়োজনে কাজিয়া কৰি আছিল?
শিক্ষক ঃ তাতে তোমাৰ দেৰি হ'ব লগা কাৰণ কি?
সুপন্দি ঃ ছাৰ, মোৰ স্কুলৰ জোতা এপাট মায়ে হাতত লৈ আছিল আৰু এপাট দেউতাই লৈ আছিল।

(২)
পুতেক ঃ মা, মই কি ভগৱানৰ নিচিনা দেখোঁ নেকি?
মাক ঃ নহয় সোণ, তোমাকতো ঠিকেই এটা সৰু ল'ৰাৰ নিচিনাই দেখি। কিয় সুধিলা?
পুতেক ঃ নহয়, মানে মা মই ক'ৰবালৈ গ'লেই সকলোৰে কয় হে' ভগৱান আকৌ আহিলি।

(৩)
ট্ৰেফিক পুলিচে ট্ৰাক ড্ৰাইভাৰ এজনক পিছে পিছে খেদি খেদি গৈ ধৰিলে আৰু ট্ৰাকখনৰ পৰা টানি নমালে
ট্ৰেফিক পুলিচ ঃ ঐ, তই কিয় মই হাত দণ্ডাৰ পিছতো গাড়ী ৰখোৱা নাছিলি হাঁ?
ট্ৰাক ড্ৰাইভাৰ ঃ ধেত্ তেৰি, মই আপোনাক টা টা দি থকা বুলিহে ভাবিছিলোঁ।

# শায়রী

## নারায়ণ ঠাকুর
ফিফ্ট চেমিষ্টাৰ

"तु साहिल कश्ती का,
मैं लहरों मे डूबी नाँव हुं,
तु मरहम हर एहसास का
मैं मरहम में लिपटी घाँव हूँ।।"

"आसमान में हर रोज तेरा चेहरा
तराशने की आदत हो गयी,
चाँद पर नजर जाती अब तारे
गिन्ने कों आदत हो गयी।।"

# নীলা খামৰ চিঠি



## নীলা খামৰ চিঠি

**পপী হাজৰিকা**
পঞ্চম ষাণ্মাসিক

মৰমৰ অনুভৱ ...

নষ্টালজিয়াৰ ৰঙ এজাক কঢ়িয়াই দোপালপিটা বৰষুণ এজাক নামি আহিছে, হয়তো, হয়তো ভালপোৱাৰ বৰষুণ! ঝিৰ ঝিৰ কৰি লাহে লাহে ...... কলিজাখনৰ কোনোবা এচুকত আশ্ৰয় ল'বলৈ ঘুৰ্মুটিয়াই ফুৰিছে। স্মৃতিৰ ৰুমালৰ পৰা ওলাই উৰি গৈছে এজাক আবেগৰঙী পখিলা! পুৰণি চিঠিখনৰ কথাৰেই আৰম্ভ কৰিবলৈ লৈছোঁ আজিও ..... তোমালৈ বুলি দুশাৰীমান।

তাহানিৰ এইদৰে অহা বৰষুণজাকেইচোন ....... মোৰ যৌৱনত ৰঙ সানিছিল! নিৰ্ভেজাল হাঁহি এটা ওঠত পিন্ধি ৰ' লাগি চাইছিলো আকাশৰ বুকুৰ হেঁপাহবোৰলৈ ....! এতিয়াচোন সময়বোৰেই কঠিন কিবা! আৰু ... এই ৰ'দ-বৰষুণবোৰো? কেঁচা যৌৱনৰ চোলাটি দেহত উমাল হৈ পৰা আজিনো কিমান দিনৰ কথা? ৰঙা চিয়াঁহিৰ দাগেৰে উকা কাগজৰ পিঠিবোৰত যে এটা এটা নাম দি বিনিময় কৰিছিলোঁ আমি হৃদয়ৰ পৰা হৃদয়লৈ ... ভালপোৱাৰ পানেচৈ।

উফ্... এই বৰষুণজাক কিয় আহিল? সোঁৱৰণিৰ গৰ্ভৰ পৰা নিভাঁজ চিঠিখনৰ কথাবোৰে স্পৰ্শ কৰিছেহি মোক। আজি বহুত দিনৰ মূৰত, ভাল লগাকৈ! কলিজাৰ শেতেলীত স্পন্দনৰ চাকি জ্বলিছে, দুচকুৰ পৰ্দা খুলি খিৰিকীৰে সোমাই আহিছে .... এজাক আবেগসুৰীয়া সমীৰৰ গুণ্‌গুণনি। নষ্টালজিক হৈ পৰিছে আলসুৱা মনটি ... আধা লিখা চিঠিখনিৰ মেৰপাকত নিজক হেৰুৱাই পেলাইছোঁ কোনোবাখিনিত। নপঢ়োঁ বুলিও পঢ়িবলৈ বাধ্য আজি এই বৰষুণজাকৰ স্বাৰ্থত। কিয়নো এই ভালপোৱাৰ বৰষুণজাকত তিতিয়েই আমি অতিক্ৰম কৰিছিলোঁ... জীৱনৰ অলেখ বাধাৰ গল্প, কবিতা, উপন্যাস ইত্যাদি ... ইত্যাদি ...! আৰু .... এদিন এনেকৈয়ে হেৰুৱাইছিলোঁ দুয়ো দুয়োক। সাক্ষী হৈ ৰৈছিল কেৱল ডায়েৰীৰ পৃষ্ঠাবোৰ!

আস্ ... এই সময়! সেই সময়! বিৰাট পাৰ্থক্য যেন ঘড়ীটোৰ কাঁটাৰ আঁৰৰ কাহিনীবোৰত। জোন গলা জোনাক ৰাতিবোৰত যে, নিস্বাৰ্থভাৱে আমি গাইছিলোঁ ... অনুভূতি, অভিমানেৰে মিশ্ৰিত নিচুকনি গীতবোৰ ...! তুমি জোন হৈ মোৰ মন আকাশত চুমা আঁকিবলৈ লওঁতেই যে ... টোপ্‌টোপকৈ কপালৰ সেওঁতাতে আহি শুই পৰিছিল বৰষুণবোৰ। তুমি খঙেৰে কৈ উঠিছিলা ... "বৰষুণ ভাল নাপাবা প্লিজ"! নেজানো কিয় মোৰ ভাব হয় ... এই বৰষুণে তোমাক আঁতৰাই পঠাব যেন মোৰ পৰা বহু দূৰলৈ ... নেদেখা ঠাইলৈ"!

আস্, ... নোৱাৰি আৰু এই চিঠি পঢ়িব। সামৰি লওঁ। সেই সময়ত মই অভিমান কৰি বৰষুণ ভাল পাইছিলোঁ তোমাৰ অনিচ্ছা সত্ত্বেও ... আৰু আজি, তুমি নাই তথাপি বৰষুণজাক থাকি গ'ল হৃদয়ৰ কেম্পাছত...। সেই সময়ত মোৰ অভিমানবোৰ জিকিছিল ... আৰু আজি তোমাৰ সেই বৰষুণ ভাল নাপাবলৈ কোৱা অনুৰোধটি! নাই, এতিয়া মোৰ কোনো সংকোচবোধ নাই .... তোমাক হেৰুৱাটো মোৰ কপালৰ লিখন আছিল, আৰু আছিল .. তোমাৰ অজুহাতবোৰেৰে সমৃদ্ধ এখন স্বাৰ্থৰ পৃথিৱী! বৰষুণত তিতি ভালপোৱাৰ বাবেই মোক পাহৰি যোৱাটো যে ... এক বিৰাট অৰ্থহীন কাঁইটৰ দৰে বাক্য! চিঠিখনৰ প্ৰতিটো শব্দই যেন এতিয়া ... মিথ্যাচাৰৰ সুৱত আসক্ত হৈ পৰিছে! এতিয়া নাই তুমি ... কেৱল তোমাৰ বাবে, নিস্বাৰ্থ বৰষুণজাকৰ বাবেই তোমাৰ অপমৃত্যু হৈছে। আধা লিখা চিঠিখনৰ পাতবোৰো দহি যাব এনেকৈয়ে এদিন নেদেখাকৈয়ে! সেইদিনাও নামিব বৰষুণজাক ... ঝিৰ্‌ঝিৰ্‌কৈ তিয়াই নিব জোনাক ৰাতি! আৰু ... মইজনী আকৌ হৈ পৰিম নষ্টালজিক ... কেৱল নষ্টালজিক, কেৱল নষ্টালজিক!

প্ৰান্তত
—তোমাৰ অনুভূতি

*নীলা খামৰ চিঠি*

## পৰিস্মিতা গগৈ

তৃতীয় যাণ্মাসিক

মৰমৰ,

কেনে আছা তুমি? মোলৈ মনত নপৰে তোমাৰ? জানানে, বৰ্ষণমুখৰ এই আবেলিবোৰত খিৰিকীৰ পৰ্দা কোঁচাই মনৰ আদেশ মানি মই প্ৰায়েই হাতত কলম তুলি ল'ব লগা হয়। সমুখৰ টেবুলখনত বাহিৰৰ বতাহজাকে আহি 'গীতাঞ্জলি'ৰ পৃষ্ঠা লুটিয়াই যায়।

অ'ই শুনা, বাবুলে কৈছে — যমুনা পাৰ্কৰ ফুলনিডৰা হেনো এতিয়া ৰঙা গোলাপে জকমকাই আছে। তাহানিৰ সেই যমুনা পাৰ্কত চকুত চকু পৰিলে দেহ-মন কঁপাই যোৱা মুহূৰ্তবোৰৰ কথা তোমাৰ মনত আছেনে? সেইবোৰ অনাখৰী কথাই আজিও মোৰ হিয়া ভৰাই থৈছে জানা। বাবুলক এইবাৰ স্কুলত নাম লগাই দিলো নহয়। পিচে সি হেনো তাৰ দেউতাকৰ দৰে যুদ্ধ জয় কৰিবলৈ যাব। তাৰ কথা শুনি যদিওবা মই গৌৰৱবোধ কৰোঁ তথাপি হিয়াৰ গুপুত কোণত সদায়েই বিৰহৰ আন্দোলন।

আজিলৈ সামৰোঁ দিয়া। বাবুল শোৱাৰ পৰা উঠিল চাগে'। কাষত মোক নাপালে কান্দিব। আস্! চিঠিখন আজিও পঠিওৱা নহ'ব। জোনবাইটোক আজি ডাৰৰে আৱৰি আছে। কালিলৈকে খুজিম দিয়া তোমাৰ ঠিকনাটো! তুমিতো জোনবাইৰ কাষতে থাকা। চিঠিখন পালে খবৰ জনাবা।

শেষত, মৰমেৰে, তোমাৰ

—মাথোঁ তোমাৰেই অশ্বিনী

*নীলা খামৰ চিঠি*

## গীতাশ্ৰী শইকীয়া

পঞ্চম যাণ্মাসিক

মৰমৰ নীলিম,

শীতৰ সেমেকা ৰাতি কুলু কুলুকৈ বৈ যোৱা চঞ্চল নদীখনৰ মাদকতাপূৰ্ণ সুৰত ব্যস্ত জীৱনৰ সকলো ব্যস্ততাক পৰিহাৰ কৰি তোমালৈ চিঠি এখন লিখাৰ আশাৰে হাতত কলম তুলি ল'লোঁ। নীলিম কেনে আছা তুমি? যদিও এই প্ৰশ্নৰ মই যোগ্য নহয়, তথাপিতো সুধিছোঁ। আজি বহুত মনত পৰিছে তোমাৰ লগত কটোৱা অতীতৰ সেই মনোৰম সময়বোৰলৈ। কিমান যে সপোন ৰচিছিলোঁ তোমাক লৈ। কিন্তু সপোন সপোন হৈয়ে ৰ'ল। সেই সপোন আজি কল্পনাতীত। তুমিও হেৰাই গ'লা যান্ত্ৰিকতাৰ পৃথিৱীত। সময়বোৰ ক্ৰমশঃ পাৰ হৈ গ'ল। অনুভৱৰ সাগৰত নষ্টালজিয়া, আজিও বহু মনত পৰে তোমালৈ। এৰি গ'লা মোক এটি মৃতদেহৰ দৰে। কাঁচৰ টুকুৰাৰ দৰে ক্ষত-বিক্ষত হৈ পৰিছে মোৰ কোমল হিয়া। বহু মনত পৰিছে তোমাৰ সেই মিঠা হাঁহিটোলৈ। কিন্তু আজি সেই মিঠা হাঁহিটোৰে তুমি জানো মোক সুধিবা কেনে আছা বুলি? সকলো আশা-ভৰসা শেষ হৈ গ'ল। মোৰ উকা কপালত ৰামধেনুৰ ৰং বোলোৱাও নহ'ল। নিৰৱতাৰ পদুলিত বাট চাই ৰওঁ তোমালৈ। মৌনতাই জীপাল কৰি তুলে মোৰ বেদনা আৰু যান্ত্ৰণাক। সকলো আশা-ভৰশা বুকুত বান্ধি ৰৈ আছোঁ অপেক্ষাৰ পথত মাথোঁ তোমাৰ বাবে .....

প্ৰান্তত

—তোমাৰ নীলিমা

*নীলা খামৰ চিঠি*



## গীতাশ্ৰী শইকীয়া

পঞ্চম যাণ্মাসিক

প্ৰতি মৰমৰ জোনাক

পত্ৰৰ প্ৰাৰম্ভতে হৃদয়ৰ নিভৃত কোণৰ অযুত মৰম গাঁঠি দি পঠালোঁ। সাচি ৰখা সপোনৰ টুকুৰাবোৰ অনাদৰ নকৰি হিয়াৰ মণিকোঠাত সযতনে ৰাখিবা বুলি মই আশাবাদী।

সপোনৰ দিকচৌ বনৰ সোণোৱালী দলিচা গচকি দিক্‌ৰুদ্ধ হোৱা মই এটি যাযাবৰী পক্ষী। ভগ্নপ্ৰায় দুপাখিত গাভৰু নিশা দুখবোৰে আগুৰি ধৰে। মই যে নিসঙ্গ হৃদয়ৰ পথিক। হৃদয়ৰ সজাত যাৰ বাবে গোটাওঁ মৰমৰ নৈবেদ্য, সিয়ে বিনিময়ত দিয়ে অশ্ৰুঅঞ্জলি। গুপুত বেদনাবোৰে বুকুখনত দুখৰ বোজা জমা কৰিছে। জমা হৈছে চকুলো নসৰা দুখৰ এসাগৰ ডাৱৰ। অকলশৰীয়া নিশাবোৰত কি ভাবোঁ জানা, হৃদয়খন যেন পখালি পেলাম মৰমৰ বোৱতী সুঁতিত। কিন্তু মোৰ যে ৰাস্তাবোৰ শতযোজন দূৰৈত। এখন সাঁকোবিহীন নৈৰ দুটিপাৰে বিচৰণ কৰে। চেনেহৰঙী কল্পনা আৰু মৰম নামৰ বাস্তৱ।

জোনাক তোমাৰ সুবাসত মতলীয়া আবেলিবোৰক খামুচি ধৰি ৰাখিব বিচাৰোঁ হৃদয়ৰ চোতালত। তোমাৰ চাগে মোলৈ খং উঠিছে নাইবা অভিমান। নীলা খামৰ ভিতৰত অহা বগা কাগজৰ ভাঁজ খুলি নীলাভ চিয়াঁহীৰ প্ৰতিটো শব্দৰ ধুমুহাই কোঙা কৰি পেলাইছে তোমাৰ হৃদয়। পশ্চিমৰ বেলি আৰু পূবৰ ৰূপালী জোনে ঢৌ খেলা আকাশলৈ চাই ভাবোঁ তোমাৰ কথাই। পত্ৰৰ জৰিয়তে মোৰ কলিজাৰ টুকুৰা টুকুৰ মৰবোৰ গ্ৰহণ কৰিবা। আশা কৰোঁ তোমাৰ হিয়াৰ বাতৰিও পঠাবা। শেষত তোমালৈ অশেষ মৰমেৰে মোৰ কলমৰ যতি পেলাইছোঁ। ইতি

—তোমাৰ পপী

*নীলা খামৰ চিঠি*

**নয়নজ্যোতি হাজৰিকা,** পঞ্চম ষাণ্মাসিক

মৰমৰ মন,

প্ৰথমে মোৰ হিয়াৰ নিভৃত কোণত সাঁচি ৰখা বুকুভৰা মৰমবোৰ আঁকোৱালি ল'বা। নিয়ৰ সিক্ত দূবৰিত পুৱাৰ ৰাঙলী আভাই উদ্ভাসিত কৰি তোলাৰ দৰেই মোৰ একাকী হৃদয়তো এদিন ফুলিছিলা প্ৰেমৰ ৰজনীগন্ধা হৈ। মোৰ আজিও মনত আছে সেই কথা। ৰাতিপুৱাৰ বেলিটোৰ ৰঙা পোহৰৰ লগতে ৰঙা ভালপোৱাবোৰো সাৰ পাই উঠিছিল তোমাৰ সান্নিধ্যত। মৰম নামৰ চৰাইজনী হৈ মোৰ কাণত সুৰীয়া গীত গাই মোৰ হৃদয়লৈ এদিন সোমাই আহিছিলা...। তোমাৰ স্বপ্নচঞ্চল আকাশৰ এটুকুৰা ক'লা ডাৱৰ বিজুলী হৈ জিলিকিছিলোঁ যদি কেতিয়াবা আকৌ বৰষা হৈ নামিছিলোঁ টোপাল টোপাল, কিন্তু হঠাৎ অহা বতাহজাকৰ তুলনাত হয়তো মই পাতল আছিলোঁ, উৰুৱাই সকলোবোৰ লৈ গ'ল...। আজি নিৰিবিলি জোনাক নিশা ৰূপোৱালী নদীৰ ঘাটত বহি একেলগে জীৱনৰ ৰংবোৰ বিচৰাৰ প্ৰতিশ্ৰুতিবোৰে বাৰে বাৰে আহি মোৰ হৃদয়ত আমনি কৰিছেহি।

বৰ্তমান জীয়াই আছো Non-degredable স্মৃতিবোৰ বুকুত বান্ধি লৈ। জানা প্লাষ্টিকতকৈও ভয়ংকৰ এইবোৰ। একোকেচোন শিপাবলৈ নিদিয়ে। তোমাৰ চাগে মংগল। আজি বহুদিনৰ মূৰত তোমালৈ বুলি কলম তুমি ল'লোঁ। তোমাৰ কেনে লাগে বাৰু! মনত পৰেনে? পাহৰিয়েই পেলালা চাগৈ।... এতিয়া হয়তো কাৰোবাৰ দুবাহুৰ উমত ৰঙীণ সপোন দেখিছা, গুলপীয়া হাঁহি মুখত লৈ হাতে হাত মেলি কোনোবা ডেকাৰ বিহুৰ কলিত নাচিছা। অধিকাৰ সকলোৰে আছে, পিচে মই নিৰুপায়, কাৰণ তোমাৰ দৰে যে মই শাওণৰ মতলীয়া 'বা'ত উটি-ভাহি ফুৰিব পৰা নাই, তিতিব পৰা নাই বাৰিষাৰ বৰষুণজাকত ..

জানানে মন, তোমাৰ আঙুলিৰ পৰশত সমাজ-সভ্যতাৰ প্ৰাচীৰ ভাঙি স্বাধীনতাৰ ডেউকা মেলি উৰিব খোজা অকণমানি সপোনটো আজিও বুকুৰ উমেৰে জীৱন্ত কৰি ৰাখিছোঁ হৃদয়ৰ কোনোবা কোঠালীত। সোঁৰৰণিৰ পাতত এৰি যোৱা তোমাৰ প্ৰতিটো অনুভূতিয়ে সাৰ পানী দিয়ে এতিয়া তাক ....।

প্ৰান্তত তোমাৰ পৰিত্যক্ত

"মই"

ঃঃঃ

*নীলা খামৰ চিঠি*

**ৰিমিৰেখা গগৈ,** পঞ্চম ষাণ্মাসিক

মৰমৰ প্ৰিয়া,

হৃদয়ৰ নিভাঁজ কোণত তোমালৈ বুলি সযতনে সাঁচি ৰখা কেঁচা কলিজাৰ অশ্ৰুসিক্ত মৰম আলফুলে আকোঁৱালি ল'বা। নাজানো মোৰ এই অসংযমী লিপিকাখনৰ তোমাৰ হৃদয়স্পৰ্শত মূল্য কিমান?

পাৰে জানো পাহৰি থাকিব অন্তৰে অন্তৰক আৰু মৰমে মৰমক? মই পাহৰিব পৰা নাই অ' প্ৰিয়া তোমাৰ সেই অকৃত্ৰিম ভালপোৱাক। প্ৰতিটো উজাগৰী নিশা তোমাক পোৱাৰ দুৰ্বাৰ হেঁপাহত বুকুখন দুৰু-দুৰুকৈ কঁপি উঠে, স্পন্দিত শৰীৰত অনুভৱ হয় এক অজান শিহৰণ। আশাৰ আশ্বাসত তোমাৰ নিশ্বাস মোৰ বাবে জীৱন গভীৰ সুমধুৰ স্বপ্ন আছিল। কি কৰিবা? এজাক অলৌকিক কাল ধুমুহাই পলকতে চিঙি-মোহাৰি অস্তিত্বহীন কৰিলে আমাৰ সৰ্বকালৰ মৰমৰ এনাজৰী।

মই জানো প্ৰিয়া তুমি মোক পাহৰিব পৰা নাই। তুমি আশাবাদী মই তোমাক মোকলাই অনাৰ আশ্বাসত। কিন্তু কি কৰিম? মই যে অসহায়...। তুমি যি মুহূৰ্ততে সেই অধৰ্মী হৃদয়হীন নৰপিশাচহঁতৰ বান্ধোনত বন্দী হ'লা, সেই মুহূৰ্তৰ পৰাই মই চিৰদিনৰ বাবে পংগু হৈ ৰ'লো। মোৰ দুবাহুৰ মাজৰ পৰা সিঁহতে তোমাক কাঢ়ি লৈ গ'ল কোনোবা অচিন দেশলৈ... চিৰদিনৰ বাবে তোমাৰ সতীত্বক বিসৰ্জন দি তুমি হৈ ৰ'লা মানৱ সৰবৰাহ নামৰ নাটৰ এক চৰিত্ৰ ... আৰু মই? তোমাক হত্যা কৰি ক'ৰবাত পুতি থোৱাৰ সন্দেহত কাৰাগাৰত আবদ্ধ। মই নিৰুপায়, কোনেও নুবুজিলে মোক। সকলোৰে দৃষ্টিত মই তোমাৰ হত্যাকাৰী। নাজানো তোমাৰ ছবি বুকুত বান্ধি আৰু কিমান দিন অপেক্ষা কৰিম! হয়তো কেতিয়াবা নিয়তিৰ কোলাত চিৰদিনলৈ শুই পৰিম...

তোমাক লগত পাব কৰা সোণাৰুফুলীয়া স্মৃতিবোৰে বৰকৈ আমনি কৰিছে। মন গৈছে সেই নৰপিশাচহঁতে বন্দী কৰি ৰখা ৰুদ্ধ দুৱাৰ ভাঙি তোমাক মুক্ত কৰি মেঘবিহীন জোনাক নিশাৰ আকাশৰ তলত মোৰ দুবাহুৰ মাজত তোমাক সাবটি ল'বলৈ... অ' প্ৰিয়া তুমি নৰপিশাচহঁতৰ চকুত ধূলি মাৰি এদিন গুচি আহিবা মোৰ উমাল বুকুৰ মাজলৈ। তোমাৰ শপত মই উন্মুক্তভাৱে তোমাক আঁকোৱালি ল'ম। তুমি মাথোঁ উভতি আহিবা ...তাৰে অপেক্ষাত...

তোমাৰ প্ৰীতম ঃঃঃ

## *Love Letter*

**Sneha Gogoi**, *B.Sc. 6th Sem, Dept. of Botany*

To my dear,
John,

My Darling, Sinu the time that I met you. I've experienced things that I have never thought I was capable of experiencing. You have showed me the beauty of spring. the joy of getting wet in the rain, the silent joy that autumn brings and I know that everything in the world seems much better because I have you. You have helped me realize my true potential, helped me push my limits and made me feel truly alive. All the I really want from you now is the care and protection your always showered on me and the promise that you will be by my side forever. "Love is like the wind we can't see it we can only feel it.

From your love

Dia Milla.

২০১৭-২০১৮ বৰ্ষ

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

## উপ-সভাপতিৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই যিসকল স্বনামধন্য ব্যক্তিৰ অশেষ কষ্ট ত্যাগ আৰু প্ৰচেষ্টাৰ ফলশ্ৰুতিত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয় বৰ্তমান সমগ্ৰ অসমৰ ভিতৰতে এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে তথা গোলাঘাট বাসীৰ বুকুত স্বৰ্ণময় যাত্ৰাৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে, সেইসকল স্বনামধন্য বক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ।

উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে এই জ্ঞান মন্দিৰৰ পদূলিত খোজ থৈছিলোঁ। মহাবিদ্যালয়খনত খোজ থৈয়ে নিৰ্বাচনৰ বতাহজাক যেন বলিছিল সেয়া বাৰুকৈয়ে অনুভৱ কৰিছিলোঁ। অনিচ্ছাসত্ত্বেও ছাত্ৰ-ছাত্ৰীসকলৰ বিপুল দাবীত উপসভাপতিৰ আসন অলংকৃত কৰি মোক এক সবল নেতৃত্বৰ গৰাকী কৰি তোলা সমূহ দেৱৰাজীয়ান তথা ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

দেৱৰাজ ৰয় মহাবিদ্যালয় দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ উপ সভাপতিৰ পদত অধিষ্ঠিত হ'বলৈ পোৱাটো মোৰ বাবে আছিল পৰম সৌভাগ্য আৰু অতিকৈ গৌৰৱৰ কথা।

হে', দেৱৰাজীয়ানসকল মোৰ মহাবিদ্যালয়ৰ পদূলিত ছাত্ৰ একতা সভাৰ নেতৃত্ব বহন কৰি সবল ভূমিকা গ্ৰহণ কৰিব পাৰিলোঁনে নাই সেয়া আপোনালোকৰ হাতত ন্যস্ত ৰাখিলোঁ। বিগত এটা বছৰ উপ-সভাপতিৰ আসনৰ পৰা ছাত্ৰ একতা সভাৰ সবল নেতৃত্বৰ সৈতে একাত্ম হৈ কৰণীয়খিনি কৰাৰ প্ৰয়াস কৰিছিলোঁ। যিমানখিনি কৰিব পাৰিলোঁ সেয়া হয়তো এখন মহাবিদ্যালয়ৰ বাবে সামান্য মাথোঁ। মহাবিদ্যালয়খনৰ শৈক্ষিক সাংস্কৃতিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ-অভিযোগ সকলো দিশ সামৰি মোৰ দায়িত্ব আৰু কৰ্তব্য বুলি মহাবিদ্যালয়খনৰ সন্মান অক্ষুন্ন ৰখাৰ মই পাৰ্যমানে চেষ্টা চলাইছিলোঁ।

হে' জ্ঞানপিপাসু, জ্ঞানৰ পূজাৰী দেৱৰাজীয়ানসকল, আপোনালোকৰ মৰম, ভালপোৱা আৰু সাহসে মোক দুগুণ কৰ্মোদ্যমী কৰি তুলিলে তাৰ বাবে আপোনালোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

**কৃতজ্ঞতাৰ একলম ঃ** মোৰ কাৰ্য কালত মোক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া ছাৰ, উপাধ্যক্ষ প্ৰয়াত ড° অঞ্জলি দেৱী বাইদেউৰ ওচৰত মই চিৰঋণী। মোৰ সকলো কামতে সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ লগতে চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ ওচৰতো মই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ।

মোক প্ৰতিটো খোজতে কাম কৰাত সাহস দিয়া ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, সহঃসাধাৰণ সম্পাদককে ধৰি আটাইকেইজনৰ ওচৰত মই চিৰকৃতজ্ঞ। বিপুল ভোটত মোক জয়লাভ কৰোৱাই মহাবিদ্যালয়ৰ এখন আসন অলংকৃত কৰোৱাৰ বাবে মোৰ অগ্ৰজ-অনুজ সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত যদিহে অজানিতে কেতিয়াবা শিক্ষাগুৰুসকলৰ অবাধ্য হৈছিলোঁ, ছাত্ৰ-ছাত্ৰীসকলক বেয়াকৈ কৈছিলোঁ সেইসকলৰ ওচৰত মই ক্ষমাৰ প্ৰাৰ্থী।

সদৌ শেষত মহাবিদ্যালয়খনৰ অনাগত ভৱিষ্যৎ যেন আশাৰ সপোন হওক। ফুলি উঠক প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে একোপাহি সুবাসিত পুষ্পৰ দৰে।

মহাবিদ্যালয়ৰ আলোচনী দেৱৰাজীয়ান সৰ্বাংগসুন্দৰ হওক, মহাবিদ্যলয়খনৰ গৌৰৱ তথা উন্নতি, সাফল্যতাৰে আঁজুৰি আনক, তাৰে কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"।

"জয়তু ছাত্ৰ একতা সভা"

**—সুজাতা হাতীবৰুৱা**
উপ-সভাপতি, ছাত্ৰ একতা সভা
২০১৭-১৮ বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সম্পদকীয় প্ৰতিবেদন লিখিবলৈ বাৰে বাৰে থমকি ৰৈছোঁ কি লিখা হ'ব, ক'ৰ পৰা আৰম্ভ কৰোঁ। এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ এবছৰীয়া কাৰ্যকাল সময়ৰ লেখেৰে চমু যদিও কাৰ্যক্ষেত্ৰত ই বৰ গুৰুত্বপূৰ্ণ। তদুপৰি অনাগত সময়বোৰৰ বাবে কাম-কাজবোৰ কেতিয়াবা বৰ দিকনিৰ্ণয়কাৰী হৈ পৰে।

প্ৰতিবেদনৰ আৰম্ভণিতে ২০১৭-২০১৮ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে ছাত্ৰ একতা সভাই মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ সুবিধা প্ৰদান কৰাৰ বাবে মই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে সকলো শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

২০১৮ চনৰ ১১ ছেপ্টেম্বৰ তাৰিখে মই ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈ আপোনালোকৰ ইচ্ছাক কিমান দূৰ বাস্তৱত ৰূপ দিব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। কাৰ্যকালৰ সময়ছোৱাত কি কৰিলোঁ, কি কৰিবলৈ বাকী থাকিল তাৰ বিচাৰৰ ভাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুৰ হাতত। সাধাৰণ সম্পাদকৰ গুৰুভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা বিভিন্ন সমস্যাৰ মাজতো নিজৰ দায়বদ্ধতা আৰু কৰ্তব্যৰ প্ৰতি অৱহেলা কৰা নাছিলোঁ।

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী হিচাপে আহি পৰিছিল বিগত বছৰবোৰৰ দৰে পালন কৰি অহা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। ছাত্ৰ একতা সভাৰ উপদেষ্টামণ্ডলীৰ দিহা-পৰামৰ্শ আৰু সহকৰ্মীসকলৰ সহযোগত ৮ জানুৱাৰীৰ পৰা ১১ জানুৱাৰী ২০১৮ লৈকে মহাবিদ্যালয় সপ্তাহভাগ উদ্‌যাপন কৰা হয় আৰু গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে কাৰ্যসূচীভাগ বাৰুকৈয়ে সাফল্যমণ্ডিত কৰে।

মোৰ কাৰ্যকালৰ দ্বিতীয় কাৰ্যসূচী আছিল বিগত বছৰবোৰৰ দৰে পালন কৰি অহা সৰস্বতী পূজা। মহাবিদ্যালয়ৰ প্ৰাঙ্গণত মুকলিকৈ এটি অস্থায়ী মণ্ডপ সাজি জানুৱাৰী মাহৰ ২২ তাৰিখে জাকজমকতাৰ মাজেৰে সৰস্বতী পূজাভাগ আয়োজন কৰা হয়। ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ লগতে বিশেষভাৱে মোৰ তত্বাৱধায়ক বেদান্ত কুমাৰ বৰা ছাৰক পূজা ভাগ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে মোৰ ফালৰ পৰা ধন্যবাদ থাকিল।

মোৰ কাৰ্যকালৰ তৃতীয় কাৰ্যসূচী হিচাপে আহি পৰিছিল ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদায় সভা। পূৰ্বৰ তুলনাত আমাৰ ছাত্ৰ একতা সভাৰ হাতত এটা নতুন অনুষ্ঠান আহি পৰিছিল। কাৰণ এই অনুষ্ঠানটি পূৰ্বতে ছাত্ৰ একতা সভাৰ দ্বাৰা অনুষ্ঠিত নহৈ মহাবিদ্যালয়ৰ ফালৰ পৰাহে অনুষ্ঠিত হৈছিল। আমি নথৈ আনন্দিত হৈছিলোঁ, কাৰণ বিদায় পৰত দাদা-বাইদেউসকলক এটা মিঠা স্মৃতি যাচি দিব পাৰিম। সেই মৰ্মে এপ্ৰিল মাহৰ ২০ তাৰিখে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠানটি অনুষ্ঠিত কৰা হৈছিল। আমি আশা কৰাৰ দৰে প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়ে কলেজীয়া শিক্ষা জীৱনৰ শেষ স্মৃতিটো নিবলৈ অনুষ্ঠানটিলৈ আহি সফল কৰি তুলিছিল।

মোৰ কাৰ্যকালৰ চতুৰ্থ কাৰ্যসূচী আছিল নৱাগত আদৰণী সভাখনি। জুন মাহৰ ২৯ তাৰিখ সভাখনি অনুষ্ঠিত কৰা হৈছিল। নৱাগতসকলক ঢোলে-দগৰে, চন্দনৰ তিলক লগাই দেৱৰাজ ৰয় মহাবিদ্যালয় নামৰ মায়াময় পৃথিৱীখনলৈ আদৰণি জনোৱা হৈছিল। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়াদেৱে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াদেৱ। মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতাত নৱাগত আদৰণী সভাখন সুচাৰুৰূপে পালন কৰা হয়।

মোৰ কাৰ্যকালৰ পঞ্চম আৰু অন্তিমটো কাৰ্যসূচী আছিল ১ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ উদ্‌যাপন সমিতিয়ে অনুষ্ঠানটি অনুষ্ঠিত কৰে।

মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ দি কাৰ্যভাৰ চলাই নিয়াত সহায় কৰা ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয় অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া ছাৰ প্ৰমুখ্যে শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মহাবিদ্যালয়সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ।

অজানিতে যদি কেতিয়াবা মোৰ চিৰনমস্য শিক্ষাগুৰুসকলৰ ওচৰত অনিচ্ছাকৃত ভুল কৰিছোঁ তাৰবাবে মই ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰতো ক্ষমা বিচাৰিছোঁ। আশা কৰিছোঁ মোৰ এবছৰীয়া কাৰ্যকালত থাকি যোৱা কামসমূহ পৰৱৰ্তী ছাত্ৰ একতা সভাই পূৰণ কৰাত সফল হ'ব পাৰিব।

শেষত মোৰ কাৰ্যকালত সহায়-সহযোগ আৰু বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়কৰ অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া ছাৰ আৰু মোৰ তত্বাৱধায়ক বেদান্ত কুমাৰ বৰা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ লগতে ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকল — মৃদুপৱন দত্ত, প্ৰিয়ম শৰ্মা, ভাস্কৰ জ্যোতি গগৈ, পলাশ শইকীয়া, নীকিতা উৰাং, বিংকী কোঁৱৰ, বৰ্ণালী কলিতা, গীত বৰুৱা, সুজাতা হাতীবৰুৱা, পলাশ বৰতামুলী, আকাংক্ষা দত্ত আৰু মোৰ সকলো কামতে সহায় আগবঢ়োৱা মোৰ বন্ধুসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অনিচ্ছাকৃত দোষৰ বাবে ক্ষমা বিচাৰিছোঁ। শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নয়নৰ কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

**— প্ৰিয়াংকুৰ বৰা**

সাধাৰণ সম্পাদক, ২০১৭-২০১৮ বৰ্ষ

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

আমিও আহিছোঁ দেৱৰাজী হৈ
আশাৰ দুবাহু মেলি
আমাৰ ৰিঙত জাগিব লাগিব
নতুন পুৱাৰ বেলি।

সৰ্বপ্ৰথমে মই দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গৰ হৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে প্ৰত্যেকজন দেৱৰাজীয়ানক আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ হৈ আমাৰ ছাত্ৰ একতা সভাই অতি নিষ্ঠাৰে কৰ্তব্যসমূহ পালন কৰিছিল।

ছাত্ৰ একতা সভাৰ হৈ আমাৰ প্ৰথমটো কাৰ্যসূচী আছিল। মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহৰ সকলো প্ৰতিযোগিতা আন্তঃবিভাগীয় হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণো যথেষ্ট পৰিমাণে হৈছিল। কিছুমান অসুবিধাবশতঃ মহাবিদ্যালয় সপ্তাহত এখন মুকলি সভা অনুষ্ঠিত কৰি বঁটা বিতৰণ কৰিব নোৱৰাৰ বাবে সকলো দেৱৰাজীয়ানৰ ওচৰত আমি ক্ষমা প্ৰাৰ্থী।

মহাবিদ্যালয়ৰ প্ৰাঙ্গণত একোটা মণ্ডপ সাজি জাক-জমকতাৰে সৰস্বতী পূজা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ লগতে ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা নৱাগত আদৰণী সভাত সকলো নৱাগতক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহলৈ আদৰি নিয়া হৈছিল আৰু সেইখন সভাৰ মুখ্য অতিথিৰূপে প্ৰতিদিন টাইমৰ নিতুমণি শইকীয়া ছাৰক আমন্ত্ৰণ জনোৱা হৈছিল।

সৰ্বপ্ৰথমে মই মোক মনোনয়নৰ প্ৰস্তাৱক আৰু সমৰ্থক হিচাপে সহায় কৰা মোৰ বন্ধুসকল, তথা দাদা-বাইদেউসকলক কৃতজ্ঞতা জনালোঁ। আমাৰ প্ৰতিটো কাৰ্যতে সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, বেদান্ত কুমাৰ বৰা ছাৰ, দুলেন গগৈ ছাৰ আৰু দেৱজিৎ ফুকন ছাৰৰ ওচৰত চিৰকৃতজ্ঞ। লগতে ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যতে সহায় আগবঢ়োৱা মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত মোৰ কাৰ্যকালত হৈ যোৱা ভুল-ভ্ৰান্তিসমূহৰ ক্ষমা প্ৰাৰ্থনা বিচাৰি দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নয়ন কামনা কৰি মোৰ প্ৰতিবেদন ইয়াতেই সামৰণি মাৰিলোঁ।

"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"
"জয়তু দেৱৰাজীয়ান"

— **মৃদুপৱন দত্ত**
সহকাৰী সাধাৰণ সম্পাদক

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

"সাহিত্য এটা জাতিৰ ৰূপৰেখা" সাহিত্যৰ বুকুতে প্ৰাণ পাই কৃষ্টি সংস্কৃতি, জীপাল হৈ উঠে ব্যক্তিসত্তা। মহাবিদ্যালয় মুখপত্ৰত উন্মেষিত হয় সাহিত্যিক ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতিভা। নিগৰিত হয় ভিন্ন স্বাদৰ সাহিত্য। যাত্ৰা কৰে শিল্পীসত্তাই উত্তৰণৰ পৰা উত্তৰণলৈ। নৱ-চেতনাৰ, নৱ-উন্মেষণ, নৱ আলোকেৰে আলোকিত প্ৰতিজন দেৱৰাজীয়ানৰ কৰকমলত তুলি দিব বিচাৰিছোঁ 'দেৱৰাজীয়ান'। আলোকময় যাত্ৰাৰ পথত 'দেৱৰাজীয়ান' হওক পাথেয়। গুণগত মানেৰে উদ্ভাসিত হওক 'দেৱৰাজীয়ান', তাৰেই অনবদ্য প্ৰয়াস আমাৰ।

জয়তু 'দেৱৰাজীয়ান'। প্ৰথিতযশা উচ্চশিক্ষাৰ অনুষ্ঠান দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভা ২০১৭-১৮ বৰ্ষৰ সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে প্ৰতিজন দেৱৰাজীৰ বাবে সেৱা আগবঢ়োৱাৰ সুবিধা পোৱাৰ এই শুভক্ষণত শ্ৰদ্ধাৰে সুঁৱৰিলোঁ প্ৰতিজন দেৱৰাজীক, যিসকলে মোক সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা হিচাপে আপোনাসবৰ সেৱা কৰাৰ সুযোগ প্ৰদান কৰিলে। আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা মান্য অনুসাৰে নিৱেদন কৰিছোঁ। ধন্য মানিছোঁ আজি নিজকে খ্যাতিসম্পন্ন আমাৰ অতি মৰমৰ মহাবিদ্যালয়খনিত প্ৰতিজন দেৱৰাজীৰ সেৱা কৰিবলৈ সুবিধা পোৱাৰ বাবে। যিসকল মহানুভৱৰ পবিত্ৰ চিন্তাত সৃষ্টি হ'ল জ্ঞানৰ এই মহাদ্ৰুম। এই মহাদ্ৰুমৰ ছত্ৰ-ছায়াতে জ্ঞানৰ আলোকেৰে আলোকিত হ'ল কত শতজন দেৱৰাজীয়ান।

**এবছৰীয়া কাৰ্যকাল ঃ**

এবছৰীয়া কাৰ্যকালৰ প্ৰতিটো কৰ্মই সম্পাদনা কৰাত আমি সকলোৰে যিমান জানিবলৈ চেষ্টা কৰিছিলোঁ আৰু কামবোৰ কৰি গৈছিলোঁ ঠিক সেইদৰে বহুতো নাজানিছিলোঁও। যাৰ বাবে অজানিতে ক'ৰবাত ভুল হৈ যোৱাটো স্বাভাৱিক। বাৰ্ষিক ক্ৰীড়া-সমাৰোহৰ সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ বাবে বিপাঙত পৰিছিলোঁ, কিয়নো সময় আছিল তাকৰীয়া কিন্তু প্ৰতিযোগিতা আছিল বহুতো। সি যি নহওক, যিমান পাৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ সম্পাদনা কৰাত গুৰুত্ব দিছিলোঁ আৰু সফল হৈছিলোঁ। এই ক্ষেত্ৰত চন্দোপল শইকীয়া দাদাই যথেষ্টখিনি সহায় কৰিছিল। আলোচনী বিভাগৰ সম্পাদিকা আছিলোঁ হয়, কিন্তু যুৱ মহোৎসৱৰ মহাবিদ্যালয়ৰ পৰা দলীয় নৃত্য নিয়াৰ ক্ষেত্ৰতো সমানে চেষ্টা কৰিছিলোঁ আৰু লগতে ব্যক্তিগতভাৱে প্ৰতিযোগিতাসমূহত নিৰ্বাচিত অনুসাৰে অংশগ্ৰহণো কৰিছিলোঁ। যুৱ মহোৎসৱৰ সেই দিনবোৰ স্মৃতিৰ দলিচাত সদায় জিলিকি ৰ'ব। লগতে সেই চিৰাও নৃত্য (মিজোৰামৰ বাঁহ নৃত্য) নাচিবলৈ কৰা যো-জাখিনি।

প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ সমূহ বিভাগৰ মাজত প্ৰাচীৰ-পত্ৰিকা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ আৰু প্ৰতিটো অনুষ্ঠান অনুষ্ঠিত কৰাৰ উখল-মাখলতাত সুচাৰুৰূপে সম্পাদনা কৰাত ভুল হৈ যাব নেকি সেই কথাক লৈ ভয় আছিল।

**'দেৱৰাজীয়ান'ৰ আঁৰৰ কাহিনী ঃ**

সম্পাদিকাৰ হিচাপে মনোনীত হোৱাৰ সময়তে মনত পুহিছিলোঁ যে বছৰৰ শেষতে অৰ্থাৎ কাৰ্যকালৰ অন্তত আলোচনীখনো যাতে প্ৰকাশ কৰাত সফল হওঁ। সেই মতে কামো আৰম্ভ কৰা হৈছিল। কিন্তু দুই তিনিখন জাননী দিয়াৰ পাছতো উপযুক্ত লেখা নোপোৱাত হতাশ হৈ পৰিছিলোঁ। কিন্তু, পৰৱৰ্তী কিছুদিন পাছতে সকলোকে ব্যক্তিগতভাৱে লগতে পুনৰবাৰ জাননী দিয়াৰ পাছত লেখাসমূহ আহি আমাৰ হাতত পৰিছিলহি। সাহিত্যৰ প্ৰতিটো শিতানেই আলোচনীখনত অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিছিলোঁ। সাক্ষাৎকাৰৰ নতুন এটা শিতানো অন্তৰ্ভুক্ত কৰাৰ চেষ্টা কৰিছিলোঁ, যিসকল আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অথবা মহাবিদ্যালয়খনৰ লগত ওত প্ৰোতভাৱে জড়িত আছিল। মুখপত্ৰখন প্ৰকাশ কৰাত বিশেষভাৱে সহায় আগবঢ়োৱা মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ দেৱজিৎ ফুকন ছাৰৰ লগতে সমূহ শিক্ষাগুৰুৰ ওচৰত আৰু বিশিষ্ট চিত্ৰশিল্পী মনজিৎ দা তথা ছাৰ্ভিছ এণ্ড ছাৰ্ভিছৰ সমূহ কৰ্মকতাৰ ওচৰত আমি চিৰ কৃতজ্ঞ। বিভিন্ন সময়ত সু-পৰামৰ্শ প্ৰদান কৰা মৃগাংক শেখৰ দা, চন্দোপল দা, অনুৰাগ দা, চইদ দা, পৰিস্মিতা বা আৰু আলোচনীখনৰ লগত জড়িত ৰশ্মি বা, যজুৰ্বেদ দাদা, মৃদুপৱন, পলাশ, নিকিতা, প্ৰীতিৰ লগতে ছাত্ৰ একতা সভাৰ সকলো সদস্যকে এই ছেগতে মোৰ ফালৰ পৰা শ্ৰদ্ধা আন্তৰিক মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

'দেৱৰাজীয়ান'ৰ পৃষ্ঠাত লেখাসমূহ সুন্দৰকৈ উপস্থাপন কৰাৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে আমি চেষ্টা কৰিছিলোঁ। কিন্তু ইয়াৰ পাছতো যদি আমাৰ অজানিতে কিবা ভুল-ত্ৰুটি থাকি গৈছে তাৰ বাবে প্ৰথমে মাৰ্জনা বিচাৰিছোঁ আৰু গঠনমূলক সমালোচনাৰে আমাৰ 'দেৱৰাজীয়ান'খন আগুৱাই নিয়াত হাত আগবঢ়াই যেন। এই মানসেৰেই দেৱৰাজীয়ানখন আপোনাসৱৰ হাতত অৰ্পণ কৰিলো।

— **বৰ্ণালী কলিতা**

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

"সত্যম শিৱম সুন্দৰম্ / বিদ্যা দদাতি বিনয়ম।"

উজনি অসমৰ মফচলীয় চহৰ গোলাঘাটৰ অভিমানস্বৰূপ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান দেৱৰাজ ৰয় মহাবিদ্যালয় অসমৰ ভিতৰত এখন অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান। যিসকল ব্যক্তিৰ প্ৰচেষ্টা আৰু ত্যাগৰ বলত স্বাধীনতাৰ পাছতে আমাৰ মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে তেওঁলোকলৈ পোন প্ৰথমেই এই প্ৰতিবেদনৰ জৰিয়তে প্ৰণিপাত জনাইছোঁ।

উজনি অসমৰ অন্যতম, নাকৰ 'এ' গ্ৰেড প্ৰাপ্ত শিক্ষানুষ্ঠান এই দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ এজন ছাত্ৰ হিচাপে অধ্যয়ন তথা ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ পাই মই সঁচাকৈয়ে গৌৰৱান্বিত। এই এবছৰীয়া কাৰ্যকালত মই মহাবিদ্যালয়খনিৰ প্ৰতি সেৱা কৰাত কিমান দূৰ সফল হ'লো নাজানো, ভুল নিশ্চয় হৈছে। সেইসমূহ আঙুলিয়াই দি আমাৰ সাংস্কৃতিক যাত্ৰাক এক গতি দিলে বাধিত হৈ ৰ'ম।

**পৰম্পৰাগত অনুষ্ঠান ঃ**

২০১৭-১৮ বৰ্ষৰ আমাৰ এই ছাত্ৰ একতা সভাখনে প্ৰতিটো পদক্ষেপতে ঐক্যবদ্ধভাৱে আগবাঢ়িছিল। প্ৰতিজন সদস্যই নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য অতি সততা আৰু নিষ্ঠাৰে পালন কৰিছিল লগতে পৰস্পৰে-পৰস্পৰক সহায়-সহযোগিতা আগবঢ়াইছিল। ময়ো মোৰ বিভাগীয় অনুষ্ঠান, প্ৰতিযোগিতাসমূহ কোনো ত্ৰুটি নৰখাকৈ কৰিবলৈ চেষ্টা কৰিছিলোঁ।

২০১৭-১৮ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ আমি ৮ জানুৱাৰীৰ পৰা ১১ জানুৱাৰীৰ ২০১৮ তাৰিখলৈকে উদ্‌যাপন কৰিছিলোঁ। এই মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহত মহাবিদ্যালয়খনৰ যথেষ্ট ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল— যিটো মহাবিদ্যালয়খনৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে অতি গুৰুত্বপূৰ্ণ দিশ। এই বৰ্ষৰ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহত মহাবিদ্যালয়ৰ 'শ্ৰেষ্ঠ নৃত্যশিল্পী'ৰ সন্মান লাভ কৰে ঋতুপৰ্ণা শইকীয়াই, শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰে শ্ৰেয়া সেনে। আনহাতে অনুৰাগ কল্যাণ বৰগোহাঁই আৰু আশীস খাউণ্ডে যথেষ্ট উন্নতমানৰ প্ৰদৰ্শনেৰে সকলোকে মুগ্ধ কৰে।

জয়মতীৰ স্মৃতি বিজৌত শিৱসাগৰৰ প্ৰতি মোৰ আকৰ্ষণ আছিল সুতীব্ৰ। মোৰ কাৰ্যকালতেই জয়া নগৰীৰ ঐতিহ্যমণ্ডিত শিৱসাগৰ মহাবিদ্যালয়ত ১৮ পৰা ২০ জানুৱাৰীৰ, ২০১৮ লৈকে অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে অংশ গ্ৰহণ কৰে। দলটিৰ অনুৰাগ কল্যাণ বৰগোহাঁয়ে তবলা বাদন আৰু বৰগীতত দ্বিতীয় স্থান আৰু পাৰ্বতীপ্ৰসাদ বৰুৱা গীতত বিচাৰকৰ বিশেষ বঁটা, যজুৰ্বেদ ৰাজখোৱাই ইংৰাজী কবিতা আবৃত্তিত দ্বিতীয় স্থান আৰু মন আকাশ শইকীয়াই গীটাৰ বাদনত তৃতীয় স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনে।

ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ বাকৰিত খোজ পেলোৱা সপোনসন্ধানী নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুষ্ঠিত কৰা নৱাগত আদৰণী সভা এটি আকৰ্ষণীয় অনুষ্ঠান। এইবছৰো জাক জমকতাৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হৈছিল। ধূপ-দীপ, ঢোল-ডগৰে, চন্দনৰ তিলক সানি নৱাগতসকলক আদৰণি জনোৱা হৈছিল। নৱাগতসকলৰ মাজত সম্পৰ্ক মধুৰ কৰাৰ উদ্দেশ্যে এক অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল।

**বিশেষ কাৰ্যসূচী ঃ**

আমাৰ ছাত্ৰ একতা সভাৰ সহযোগত সাংস্কৃতিক দিশৰ লগত সংগতি ৰাখি ২২ ছেপ্টেম্বৰ ২০১৭ তাৰিখে প্ৰতিদিন টাইমৰ বিশিষ্ট

সংবাদকৰ্মী অমৰেন্দ্ৰ ডেকাৰ সৈতে প্ৰতিদিন ডায়েৰী নামৰ জনপ্ৰিয় অনুষ্ঠানটি মহাবিদ্যালয়ৰ বাকৰিত অনুষ্ঠিত কৰা হৈছিল। এই অনুষ্ঠানত বিশেষভাৱে উপস্থিত আছিল জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ। অনুষ্ঠানটিত ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সৈতে সংবাদ কৰ্মীজনে কৰা মত বিনিময় তথা ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত গীত নৃত্য কবিতাৰে এক জীপাল আড্ডা অনুষ্ঠিত কৰে।

**কিছু পুৰণি সমস্যা ঃ**

সাংস্কৃতিক ক্ষেত্ৰখনত নিজে প্ৰত্যক্ষভাৱে জড়িত নহ'লেও সাংস্কৃতিক মনোভাবেৰে মহাবিদ্যালয় সাংস্কৃতিক ক্ষেত্ৰখনত কিছু সমস্যা থকা অনুধাৱন কৰিছিলোঁ। দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ দৰে এখন আগশাৰীৰ মহাবিদ্যালয়ে শৈক্ষিক দিশত যিদৰে অগ্ৰগতি লাভ কৰি আছে, তেনেকৈ সাংস্কৃতিক দিশত সেই গতি যেন কিছু পৰিমাণে স্থবিৰ হৈ পৰা দেখা গৈছে।

ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত কেৱল মহাবদ্যিালয়ৰ ক্ৰীড়া সপ্তাহেই পৰ্যাপ্ত নহয় বুলি মই অনুভৱ কৰোঁ। কিয়নো এই মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহত প্ৰতিযোগীসকলৰ ভুল-ক্ৰটিসমূহ আঙুলিয়াই দিয়াৰ বিশেষ সুযোগ নাথাকে, যাৰ বাবে প্ৰতিযোগীসকলে তেওঁলোকৰ প্ৰতিযোগিতাত অসফলতাৰ কাৰণসমূহ অনুধাৱন কৰাত অসমৰ্থ হয়। ছাত্ৰ-ছাত্ৰীৰ সাংস্কৃতিক প্ৰতিভা বিকাশ আৰু সাংস্কৃতিক ৰুচিবোধ জন্মোৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ত কিছুমান অনুষ্ঠান তথা আলোচনা চক্ৰ, কৰ্মশালা আদি আয়োজন কৰা প্ৰয়োজন। সাংস্কৃতিক সম্পাদক হিচাপে মহাবিদ্যালয়খনত এটি পৰিৱেশ্য কলা বিভাগৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছোঁ। এই প্ৰচেষ্টাসমূহ ফলপ্ৰসূ কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

**ক্ষমা প্ৰাৰ্থনা ঃ**

দায়িত্বভাৰ গ্ৰহণ কৰিয়েই শিক্ষাগুৰুসকল আৰু বন্ধু-বান্ধৱৰ উপদেশ, অনুপ্ৰেৰণাত যি উদ্যম লাভ কৰিছিলোঁ, সেই উদ্যমেই মোক সম্পূৰ্ণ কাৰ্যকাল নিয়াৰিকৈ সমাপ্ত কৰাত সহায় কৰিলে। মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটোৰ উন্নতিৰ ক্ষেত্ৰত যিমানখিনি কৰিম বুলি থিৰাং কৰিছিলো সেয়া সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ। এবছৰীয়া কাৰ্যকাল তথা ছাত্ৰ পৰ্যায়ৰ এজন প্ৰতিনিধি হিচপে মই ইচ্ছা থকা সত্বেও কিছু আনুষংগিক অন্যান্য সুবিধা অথবা অধিকাৰৰ অভাৱত সেয়া দিঠকত পৰিণত কৰিব নোৱাৰিলোঁ। সাংস্কৃতিক ক্ষেত্ৰখনৰ আনুষংগিক দিশসমূহ বিশেষ উন্নতিকৰণ কৰিবৰ নোৱৰাৰ বাবেও মই ক্ষমা প্ৰাৰ্থী।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

আমাৰ ছাত্ৰ একতা সভাৰ প্ৰতিটো পদক্ষেপত উৎসাহ, প্ৰেৰণা, সহায়-সহযোগিতা আগবঢ়াই সফল ৰূপ প্ৰদান কৰাত অৱদান আগবঢ়োৱা বন্ধু-বান্ধৱ, সকলো ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষীলৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ। কাৰ্যকালৰ প্ৰত্যেক মুহূৰ্ততে বিশেষভাৱে সহায় কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰী দিগন্ত দা, টুনী কাই, কুশল দা আৰু পংকজ দাৰ ওচৰত আমি কৃতজ্ঞ। প্ৰতি মুহূৰ্ততে দায়িত্বৰ কথা সোঁৱৰাই দিয়া মোৰ তত্বাৱধায়ক লক্ষী প্ৰসাদ ৰাভা ছাৰৰ লগতে ড° পৱন বৰুৱা ছাৰ, ড° যদুমণি দাস ছাৰৰ ওচৰত মই কৃতজ্ঞ। মোৰ কাৰ্যকালত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ জ্যেষ্ঠ ভাতৃসম অনুৰাগ কল্যাণ বৰগোহাঁইলৈও অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত প্ৰতিজন দেৱৰাজীয়ানৰ নিষ্ঠা আৰু সততাৰ জৰিয়ত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি হৈ থাকক তাৰে কামনা কৰিলোঁ। 'দলদোপ হেন্দোলদোপৰে আমিও আহিছোঁ দেৱৰাজী হৈ আশাৰ দুবাহু মেলি, আমাৰ ৰিঙত জাগিব লাগিব নতুন পুৱাৰ বেলি।'
"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়", "জয়তু ছাত্ৰ একতা সভা"

— **পলাশ শইকীয়া**

# সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে প্ৰতিবেদন আৰম্ভ কৰাৰ প্ৰাকক্ষণত এজন দেৱৰাজীয়ান হিচাপে, আমাৰ মহাবিদ্যালয় নামাকৃত প্ৰাতঃস্মৰণীয় পুৰুষ দেৱৰাজ ৰয়দেৱৰ পবিত্ৰ স্মৃতিত মোৰ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু স্বনামধন্য মহান শিক্ষাগুৰুলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ — যিসকলৰ ত্যাগ আৰু অশেষ প্ৰচেষ্টাৰ ফলত দেৱৰাজ ৰয় মহাবিদ্যালয়খন বৰ্তমান অসমৰ এখন আগশাৰী উচ্চ শিক্ষানুষ্ঠান হিচাপে স্বীকৃতি পাইছে।

তোৰে মোৰে আলোকৰে যাত্ৰা। অব্যৰ্থ, অব্যৰ্থ।।
আমি পালোঁ জীৱনৰ অৰ্থ অভিনৱ।।
স্বাগত স্বাগত সতীৰ্থ ...

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ আলোকযাত্ৰীৰ দৰেই ২০১৬ চনৰ ১ আগষ্ট তাৰিখে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ বাকৰিত খোজ দিছিলোঁ। ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত নামভৰ্তি কৰৱা পাছৰ পৰাই মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ প্ৰবল ইচ্ছা আছিল। সেই সুযোগটো আহি পৰে ২০১৭-১৮ বৰ্ষত। ২০১৭-১৮ বৰ্ষত মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদকত হিচাপে নিৰ্বাচিত হৈ আপোনালোকক সেৱা কৰিবলৈ সেই সুবিধাটো পালোঁ।

সাধাৰণ ক্ৰীড়া সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ দায়িত্ব সমূহক পূৰ্ণাংগ ৰূপ দিয়াৰ প্ৰচেষ্টা কৰিছিলোঁ। মই যদি কোনোবাখিনিত কৃতকাৰ্য হৈছোঁ, সেই কৃতকাৰ্যতা নিৰ্ভৰ কৰিছে মোৰ শিক্ষাগুৰুসকলৰ সহায়-সহযোগিতা, সজ উপদেশ আৰু মোৰ বন্ধু-বান্ধৱীসকলৰ সহায়-সহযোগৰ ওপৰত। কিন্তু কিমানদূৰ সফল হ'ব পাৰিলোঁ সেয়া আপোনালোকৰ বিচাৰৰ বিষয়।

প্ৰতিখন ছাত্ৰ একতা সভাৰে এটা গুৰু দায়িত্ব হ'ল 'মহাবিদ্যালয় সপ্তাহ'। বিগত বৰ্ষৰ পৰম্পৰা অটুত ৰাখি আমাৰ কাৰ্যকালতো ২০১৮ চনৰ ৮পৰা ১১ জানুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈ যায়। মোৰ তত্বাৱধায়ক আছিল শ্ৰদ্ধাৰ পৱন চন্দ্ৰ দত্ত ছাৰ। সাধাৰণ ক্ৰীড়া সম্পাদক হিচাপে মোৰ ওচৰত যথেষ্ট কামৰ বোজা

থকাৰ সত্ত্বেও মহাবিদ্যালয়ৰ সপ্তাহৰ সাধাৰণ ক্ৰীড়া বিভাগৰ আটাইকেইটা খেল অনুষ্ঠিত কৰাৰ লগতে এই খেলসমূহ অতি নিষ্ঠা আৰু সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ৰাজীৱ বসুমতাৰী ছাৰ, তৰুণ গগৈ ছাৰ, ধ্ৰুতিমান তালুকদাৰ ছাৰ, পৱন চেত্ৰী ছাৰ, ৰৌচন শৰ্মা ছাৰ, বিদেশ্বৰ কুলী ছাৰ, মৃদুল চেতিয়া ছাৰ, অমল কুমাৰ শৰ্মা ছাৰ, লক্ষ্মীনাথ ৰাভা ছাৰ, দুলেন গগৈ ছাৰ, হেমন্ত শইকীয়া ছাৰ, দেৱজিৎ ফুকন ছাৰ, ধ্ৰুৱ কুমাৰ চৰ্দাৰ ছাৰ, বিপ্লৱ তৰুণ ছাৰ আৰু ক্ষিৰোদ দেড়ী ছাৰৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী দিগন্ত দা, কুশল দা, চুনী কাই আদি সকলোকে বিশেষভাৱে মোৰ কৃতজ্ঞতা আগবঢ়াই ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয় সপ্তাহৰ সকলো বিভাগৰ খেল অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক বঁটা আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়।

"A Sound mind in a Sound body" এই বাক্য ফাঁকি সৰ্বজনবিদিত। মানুহৰ দেহত শক্তি আৰু সুস্থ শৰীৰ এটা থাকিলেহে মন প্ৰফুল্লিত আৰু সবল হয়। ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ বাবে ক্ৰীড়া আৰু শাৰীৰিক শিক্ষাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। প্ৰতিখন মহাবিদ্যালয়তে ক্ৰীড়া প্ৰতিভা বিকাশ আৰু বন্ধু সুলভ আচৰণ বৃদ্ধিৰ বৰে মহাবিদ্যালয় সপ্তাহৰ আয়োজন কৰা হয়।

২০১৮ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ জানুৱাৰী মাহৰ ৮, ৯, ১০ আৰু ১১ তাৰিখে অনুষ্ঠিত কৰা হয় এই প্ৰতিযোগিতা উদ্বোধন আৰু খেলুৱৈসকলৰ মাৰ্ছপাষ্টৰ অভিনন্দন গ্ৰহণ কৰে।

মোৰ কাৰ্যকালত পোন প্ৰথমবাৰৰ এটি হেণ্ডবল দলে আন্তঃমহাবিদ্যালয় হেণ্ডবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি যথেষ্ট ভাল প্ৰদৰ্শন কৰে।

প্ৰতিবেদনৰ সামৰণিত পুনৰবাৰ এখন এ' গ্ৰেড প্ৰাপ্ত পবিত্ৰ শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়াবলৈ যিসকল দেৱৰাজীয়ানৰ মহান অনুপ্ৰেৰণাই মোক এই কাৰ্যভাৰ চলাই নিয়াত সহায় কৰিলে, তেখেতসকললৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালৰ প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ, উৎসাহ-উদ্দীপনা যোগোৱা মাননীয় অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া ছাৰ, দুলেন গগৈ, দেৱজিৎ ফুকন ছাৰকে প্ৰমুখ্য কৰি সকলো শিক্ষাগুৰু, মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল ভাতৃপ্ৰতীম ৰিয়াজ, দ্বীপজ্যোতি, লীলা, চাইদ দা, বেদান্ত, আবুল, ৰাহুল, ৰবি, দীপক দা, অনুৰাগ দা, ধ্ৰুৱ দা, তন্ময় দা, ৰশ্মি, ৰেহনা, বিতোপন, কাবেৰী তথা সমূহ দেৱৰাজীয়ান, কাৰ্যকালত সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যালৈ আৰু গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়ালৈ মোৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনাইছোঁ।

শেষত মোৰ কাৰ্যকালৰত শ্ৰদ্ধেয় শিক্ষাগুৰুসকল আৰু সমূহ দেৱৰাজীয়ানকৰ ওচৰত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। এই ধনশিৰিপৰীয়া মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি সকলোৰে ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"

— **গীত বৰুৱা।**

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিভাগীয় দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰথম কাৰ্যসূচী হিচাপে পাইছিলোঁ আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা। এই প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত প্ৰত্যেকটো কাৰ্যতে সহায়-সহযোগিতা আগবঢ়োৱা দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰিয়ালৰ ওচৰত মই চিৰকৃতজ্ঞ। এওঁলোকৰ অবিহনে এই প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তোলাটো সম্ভৱপৰ নহ'ল হয়।

কাৰ্যকালৰ দ্বিতীয়টো কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহৰ বিভাগীয় খেলসমূহ আৰু এই খেলসমূহ সূচাৰুৰূপে পৰিচালনা কৰি যোৱা হৈছিল। মোৰ বিভাগীয় তত্বাৱধানতেই 'টেবুল টেনিছ' প্ৰতিযোগিতাত দুজন ছাত্ৰই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দলত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

মোক দিহা-পৰমৰ্শ আগবঢ়াই যোৱা শ্ৰদ্ধাৰ দুলেন গগৈ ছাৰক ধন্যবাদ জ্ঞাপন কৰিলোঁ। অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী। শেষত মহাবিদ্যালয়খনৰ সৰ্বোত্তৰ উন্নয়ন কামনা কৰি বিভাগীয় প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"

— **মৃদুপৱন দত্ত**

# শৰীৰচৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শ্ৰদ্ধেয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, তথ্য ছাত্ৰ-একতা সভাৰ সমূহ বিষয়ববীয়া আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনালোঁ।

দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ দৰে এখন আগশাৰীৰ শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়াবলৈ পাই নিজকে ধন্য মানিছোঁ। ২০১৭-১৮ বৰ্ষত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিলোঁ। মই মোৰ এবছৰীয়া কাৰ্যকালত বিভাগীয় কৰ্তব্য আৰু দায়িত্বসমূহত কিমান দূৰ আগুৱাব পাৰিলোঁ সেয়া আপোনসৱৰ হাতত।

মই বিভাগীয় কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে "আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা"ৰ আধৰুৱা কামভাগ তুলি ধৰিলোঁ। 'Zone'ৰ চূড়ান্ত খেলখন অনুষ্ঠিত হৈছিল ফৰকাটিং কলেজত ১২ ছেপ্টেম্বৰত। সভাৰ সদস্যসকলৰ মাজত হোৱা প্ৰীতি ফুটবল খেলখন

অনুষ্ঠিত কৰা হৈছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত। খেলখন বেছ ৰোমাঞ্চকৰ আছিল। কিয়নো বিভিন্ন বিভাগৰ শিক্ষকসকলৰ লগতে দুভৰিৰ যাদু প্ৰদৰ্শন কৰিছিল অধ্যক্ষ মহোদয়ে। এদিনো অনুশীলন নকৰাকৈয়ে খেলপথাৰত নামিছিলোঁ মই নিজেও। প্ৰায় ৩৫-৪০ উৰ্দ্ধৰ ছাৰহঁতৰ লগত খেলখন পৰাজিত হ'লোঁ যদিও কোনো দুখ নাই। সঁচাকৈ স্মৃতিৰ পাতত সদায় জিলিকি ৰ'ব এই খেলখন।

অৱশেষত মোৰ অন্তিম কাৰ্য হিচাপে পুনৰ আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাখন আগবঢ়াই নিলোঁ। বোকাখাতৰ জে.ডি.এছ.জি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা এই খেলখনত শোভাবৰ্দ্ধন কৰিলে ঘৰুৱা দলটিৰ নতুন জাৰ্চীবোৰে। দুৰ্বল প্ৰদৰ্শনৰ বাবে দলটিয়ে পৰাজয়ৰ মুখ দেখিব লগা হ'ল, কাৰণ মানিলোঁ নতুনকৈ অন্তৰ্ভুক্ত কৰা দলৰ সদস্যসকল।

মোৰ কাৰ্যকালৰ প্ৰতিটো সফলতাৰ বাবে মই ড° ক্ষীৰোদ দেউৰী ছাৰৰ ওচৰত চিৰ কৃতজ্ঞ, লগতে মহাবিদ্যালয়ৰ শিক্ষকবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সদস্যসকল, যিয়ে প্ৰতিটো ক্ষেত্ৰতে মোক দিহা-পৰামৰ্শ আগবঢ়াইছিল আৰু প্ৰত্যেক দেৰৱাজীয়ানক এইখিনিতে ধন্যবাদ জ্ঞাপন কৰিছোঁ। শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। দেৰৱাজ ৰয় মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ বিভাগীয় প্ৰতিবেদন ইয়াতে সামৰিলো।

— **ভাস্কৰ জ্যোতি গগৈ**

# ছাত্ৰ জিৰণি কোঠা আৰু আন্তঃখেলবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

যিসকল মহান ব্যক্তিৰ অসীম প্ৰচেষ্টাত গোলাঘাটৰ ঐতিহ্যমণ্ডিত দেৰৱাজ ৰয় মহাবিদ্যালয়খন প্ৰতিষ্ঠা হ'ল, পোন প্ৰথমে সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া, শিক্ষাগুৰু তথা মহাবিদ্যালয়ৰ কৰ্তৃপক্ষলৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম জনালোঁ।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে ২০১৭-১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠা আৰু আন্তঃখেলবিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত চিৰ কৃতজ্ঞ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বিভিন্ন দায়িত্বসমূহ সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। প্ৰথমে মই ছাত্ৰ জিৰণি কোঠাৰ বিভিন্ন সমস্যাসমূহ দূৰ কৰিবৰ বাবে চেষ্টা কৰিছিলোঁ। অধ্যক্ষ মহোদয়ক কৈ ছাত্ৰ জিৰণি কোটাটো পৰিষ্কাৰ কৰাইছিলোঁ। লগতে ৰং কৰি জিৰণি কোঠাটো নতুন ৰূপত সজোৱা হৈছিল। জিৰণি কোঠাটোৰ মজিয়াত টাইলছ্ লগোৱা হৈছিল। সন্মুখভাগত এখন নামফলক লগোৱা হৈছিল। ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত আন্তঃ খেল বিভাগৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। মোৰ বিভাগীয় খেলসমূহ আছিল কেৰম, দবা। এই খেলসমূহত প্ৰায় সংখ্যক ছাত্ৰই অংশগ্ৰহণ কৰিছিল। খেলসমূহ পৰিচালনা কৰাত বিশেষকৈ সহায় কৰিছিল মোৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° তপন বৈশ্য ছাৰে। ছাৰে মোৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ ছাত্ৰসকলেও মোক খেলসমূহ পৰিচাৰলনা কৰাত সহায় কৰিছিল।

শেষত মোৰ কাৰ্যকালত বিভিন্ন পৰামৰ্শৰে সহায় কৰা মোৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ শিক্ষাগুৰু ড° তপন বৈশ্য ছাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া ছাৰ তথা মোৰ কাৰ্য সুচাৰুৰূপে পালন কৰি নিয়াত সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্যসকল, মোৰ বন্ধুসকল তথা দাদা আৰু ভাইটি সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

— **পলাশ বৰতামূলী**

# ছাত্ৰী জিৰণি কোঠা আৰু আন্তঃখেল বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

পোনপ্ৰথমে ঐতিহ্যমণ্ডিত দেৰৱাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষকবৃন্দৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু ছাত্ৰ একতা সভাৰ সদস্যসকলৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে দেৰৱাজ ৰয় মহাবিদ্যালয়ৰ দৰে এখন আগশাৰী অনুষ্ঠানত সেৱা আগবঢ়াবলৈ পাই বৰ গৌৰৱ অনুভৱ কৰিছোঁ।

ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰি ছাত্ৰী জিৰণি কোঠা আৰু আন্তখেল বিভাগৰ দায়িত্ব তুলি লৈছিলোঁ। মোৰ বাবে ই এক নতুন অভিজ্ঞতা যদিও এই বিভাগৰ দায়িত্বসমূহ সুচাৰুৰূপে পৰিচালনা কৰিছিলোঁ। কাৰ্যকালত প্ৰায় সকলোবোৰ আন্তঃখেলেই অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত ডবা আৰু কেৰম অন্যতম। একক আৰু দ্বৈত দুয়োটা শাখাত এই খেলসমূহ অনুষ্ঠিত কৰা হৈছিল। কাৰ্যকালত আয়োজন কৰা আন এক বিশেষ অনুষ্ঠান আছিল 'মিছ দেৰৱাজীয়ান' প্ৰতিযোগিতা। প্ৰতিযোগিতাখন দ্বিতীয়বাৰৰ বাবে আয়োজন কৰা হৈছিল আৰু ই অত্যন্ত আকৰ্ষণীয় আছিল।

বিশেষকৈ মোৰ কাৰ্যকালত তত্বাৱধায়ক হিচাপে থকা জয়া কলিতা বাইদেউ আৰু মোক সহায়-সহযোগ আগবঢ়োৱা সতীৰ্থসকল আৰু দাদা ভাইটি, ভণ্টিৰ ওচৰত মই চিৰকৃতজ্ঞ। সদৌ শেষত, সাহিত্য, সংস্কৃতি, ক্ৰীড়া সকলো দিশতে দেৰৱাজ ৰয় মহাবিদ্যালয় আগুৱাই যাওক তাৰে কামনাৰে মই মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

— **ৰিংকী কোঁৱৰ**

# সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ চমু প্ৰতিবেদনৰ পাতনিতে অতিকে আপোন দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শ্ৰদ্ধেয় শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। অকৃত্ৰিম কৃতজ্ঞতা যাচিছোঁ সেই সকল ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু-বান্ধৱীসকললৈ যাৰ একান্ত আস্থা আৰু বিশ্বাসক মূলধন কৰিয়েই ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদিকাৰ দৰে পদবী ল'বলৈ সাহস কৰিলোঁ আৰু মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধা পালোঁ। বিশেষ কৃতজ্ঞতা আগবঢ়াইছোঁ মোৰ কাৰ্যকালৰ সময়ছোৱাত মোৰ তত্বাধায়িকা হিচাপে যথেষ্ট সহযোগিতা আগবঢ়োৱা ৰুমা হাজৰিকা বাইদেউলৈ।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়খনৰ চৌপাশৰ সমগ্ৰ এলেকা চাফাই আৰম্ভ কৰা হৈছিল। মহাবিদ্যালয়খনৰ লগতে নিজৰ চৌপাশ পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ বঢ়াবৰ বাবে মহাবিদ্যালয়ত চাফাই অভিযান আদি অনুষ্ঠিত কৰা হৈছিল।

মোৰ কাৰ্যকালত মোক সহায় কৰা বহুমূলীয়া পৰামৰ্শ আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যালৈ আৰু মোৰ বন্ধু-বান্ধৱী সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়খনৰ বাবে বহুতো কাম কৰাৰ ইচ্ছা থাকিলেও এটা বছৰতে সকলোবোৰ সম্ভৱ নহয়। কাৰ্যকালৰ সময়ছোৱাত অজ্ঞাতে ৰৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। আশা কৰোঁ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ধাৰমান হ'ব প্ৰগতিৰ কুসুম দলিছা গচকি প্ৰাপ্তিৰ চূড়ান্ত শিখৰলৈ।

শেষত সকলোৰে ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ। "জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"।

— **আকাংক্ষা দত্ত**

# ক্ৰিকেট খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, তথা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ প্ৰতি শ্ৰদ্ধা জনালোঁ। ইয়াৰ উপৰি যিসকল দেৱৰাজীয়ানে মোক ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা ক্ৰিকেট সম্পাদকৰূপে দায়িত্ব পালন কৰাৰ সুযোগ দিলে সেইসকলক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।

নাকৰ এখন 'এ' গ্ৰেডপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ প্ৰতি সেৱা আগবঢ়াবলৈ পায় মই নিজকে ধন্য মানিছোঁ। ২০১৭-১৮ বৰ্ষত মই মোৰ সম্পাদকীয় কাৰ্যভাৰ গ্ৰহণ কৰি সকলো কৰ্ম নিয়মীয়াকৈ কৰিবলৈ নিজকে প্ৰস্তুত কৰিবলৈ যত্ন কৰিছিলোঁ, কিমান দূৰ সফল হ'ব পাৰিলোঁ তাক বিচাৰ কৰাৰ অধিকাৰ আপোনালোকৰ হাতত।

মই বিভাগীয় দায়িত্ব গ্ৰহণ কৰিয়েই প্ৰথম কাৰ্যসূচী হিচাপে পাইছিলোঁ মহাবিদ্যালয় বাৰ্ষিক ক্ৰীড়া সপ্তাহ। মহাবিদ্যালয়ৰ বৰ্ষিক ক্ৰীড়া সপ্তাহত সকলো দেৱৰাজীয়ানক খেলিবলৈ সুবিধা দিছিলোঁ। যাৰ জ্বলন্ত প্ৰমাণ মহাবিদ্যলায়ৰ বিভিন্ন বিভাগৰ মাজত অনুষ্ঠিত হোৱা 'আন্তঃবিভাগ ক্ৰিকেট প্ৰতিযোগিতা'। এয়া মোৰ কাৰ্যকালৰ প্ৰথম সফলতা।

মোৰ দ্বিতীয় কাৰ্যসূচী আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত অনুষ্ঠিত হোৱা আন্ত মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা। এই প্ৰতিযোগিতাখন অনুষ্ঠিত হৈছিল মাৰ্ঘেৰিটা মহাবিদ্যালয়ত। এই ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ক্ৰিকেট দলটোৱে ছেমি-ফাইনেল পৰ্যন্ত উপনীত হ'বলৈ সক্ষম হৈছিল। এয়া আছিল মোৰ কাৰ্যকালৰ দ্বিতীয়টো সফলতা।

মোৰ কাৰ্যকালৰ আন এটা তথা মুখ্য সফলতা হ'ল ২০১৭-১৮ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰিকেট দলটোত আমাৰ মহাবিদ্যালয়ৰ দুজন ছাত্ৰ সঞ্জীৱ হাজৰিকা (জান) আৰু পাৰ্থপ্ৰতীম দাসে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি আমাৰ মহাবিদ্যালয় ছাত্ৰ সঞ্জীৱ হাজৰিকাই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰিকেট দলটোৰ অধিনায়ক হিচাপে দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিল।

সদৌ শেষত মোৰ বিভাগীয় প্ৰতিবেদন সামৰণি মৰাৰ প্ৰাক্‌মুহূৰ্তত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, মোৰ পৰামৰ্শদাতা ৰাজীৱ বসুমতাৰী ছাৰ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি মোৰ কাৰ্যকালত প্ৰতিটো খোজত মোক সহায়-সহযোগিতা আৰু অনুপ্ৰেৰণা আগবঢ়োৱা ধ্ৰুৱ দা, ৰবি দা, দীপক দা, মৃদুপৱন, প্ৰিয়াংকুৰ, ভাস্কৰ, পলাশ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াসকল, মোৰ প্ৰতি যি সহায়-সহযোগিতা আগবঢ়াইছিল তাৰ বাবে তেওঁলোকলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত মোৰ কাৰ্যকালত শ্ৰদ্ধেয় শিক্ষাগুৰু সকল আৰু সমূহ দেৱৰাজীয়ানৰ ওচৰত অজ্ঞাতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। দেৱৰাজ ৰয় মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন ইয়াতে সামৰিলোঁ। ধন্যবাদ।

"জয়তু দেৱৰাজ ৰয় মহাবিদ্যালয়"

"জয়তু দেৱৰাজীয়ান"

— **প্ৰিয়ম শৰ্মা**

# REPORT OF DEBATING AND SYMPOSIUM SECRETARY

For good ideas and true innovation, you need human interaction, conflict, argument, debate. Margaret Heffernan Reminiscing the contribution and sacrifice of the great people towards D. R. College it is my utmost pleasure to work for the development of the college as a member of the Students' Union 2017-18. Not everyone gets a chance to do so but I was lucky enough to be the Debating and Symposium Secretary of the college in its 68th year.

Public Speaking is an art. This skill is of great importance.It has always been a dream for me to do something for the institute in which I study and I got a fair chance to do so. I am very much interested in literature field and I feel grateful to have been able to work in this field.

Being the debate secretary of the college it was my duty to send interested students for participation in different competitions. Through my portfolio I was in-charge of debate, quiz, speech, group discussions and such. The students from our college participated in various competitions and I had to ensure that they participated in the events. The various events in which the students were able to hold a position are-

1.Rashmi Rekha Nath - Best Debater All Assam Debate Competition (Athkhelia Odibekhon)

2. SayedNekib– 2nd prize All Assam Quiz Competition (Athkhelia Odibekhon)

3. Mridupaban Dutta & Mausam Dutta - 3rd prize Rajeev Lochan Borah Memorial Inter Institutional Prize Money Quiz Competition

4. Mridupaban Dutta &Mausam Dutta -3rd prize Swargiya Numal Dutta Memorial Quiz Com.

Special applause to Yojurved Rajkhowa Baruah who was able to win the position in English Recitation in the Youth Fest 2018 which was hosted by Joysagar College, Sivsagar.

Apart from participating in competitions all aroundthe year the annual college week also held an important part in my college life. I had four events under me – Debate, Quiz, Extempore Speech & Group Discussion. It was a challenge for me to organise these competitions smoothly and effectively. I whole-heartedly thank the teachers, Mridul Chetia, Jyoti Prasad Dutta, Hemanta Saikia Santanu Acharjya, Bhaskar Bora, Dr.Umme Jamil, Dhritiman Talukdar, Devojit Phukan, Nitumoni Saikia who helped me in my events by agreeing to judge at the various competitions.

Arranging all the events might have been nearly impossible without my teacher in-charge, Dr. Pawan Chetri. I thank him for guiding me kindly and patiently. He has been a great support for me during my entire tenure helping me in making every decision and work through that. I would also like to thank my fellow secretaries, ex-union members and every Debrajian for supporting and helping me throughout.

As the Debate Secretary I had some plans to work on and bring light to the literature sector. I along with my teacher in charge planned to organise small debate and speech competitions inside the college campus so that the talent of the students never go unnoticed but due to shortage of time and our tight schedule I was only able to organise the screening before sending students to the competitions. I am extremely sorry for that and I hope that the next debate secretaries would do some of the work which I was unable to do.

Last but not the least I would like to thank all the Debrajians for their co-operation, Chandopal da, Sayed Da who helped me at each and every step that I took. I also thank the college non-teaching staff, Diganta Da, Tuni Da for their help and support in arranging my events specially during college week.

Hoping for a brighter future of the college.
Long live Debraj Roy College.

–Neekita Urang

# চিত্র বীথিকা

# দেবরাজীয়ান

## ২০১৭-২০১৮ বৰ্ষৰ
## ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



সুজাতা হাতীবৰুৱা
উপ সভাপতি



প্ৰিয়াংকুৰ বৰা
সাধাৰণ সম্পাদক



মৃদুপৱন দত্ত
সহঃ সাধাৰণ সম্পাদক
আৰু লঘু ক্ৰীড়া বি. সম্পাদক



বৰ্ণালী কলিতা
আলোচনী বিভাগৰ সম্পাদিকা



গীত বৰুৱা
সাধাৰণ ক্ৰীড়া বিভাগৰ সম্পাদক



প্ৰিয়ম শৰ্মা
ক্ৰিকেট সম্পাদক



পলাশ শইকীয়া
সাংস্কৃতিক সম্পাদক



আকাংক্ষা দত্ত
সমাজ সেৱা বিভাগৰ সম্পাদিকা



বিংকী কোঁৱৰ
ছাত্ৰী জিৱণি কোঠাৰ সম্পাদিকা



পলাশ বৰতামুলী
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক



ভাস্কৰজ্যোতি গগৈ
ফুটবল আৰু
শৰীৰ চৰ্চা বিভাগৰ সম্পাদক



নীকিতা ওৰাং
তৰ্ক আৰু
আলোচনা বিভাগৰ সম্পাদিকা

# জেউতিৰে চাকি

স্নাতক চূড়ান্ত পৰীক্ষাত
প্ৰথম শ্ৰেণীৰ প্ৰথম দহটা স্থান
লাভ কৰা দেবৰাজীয়ান



পৰিস্মৃতা গোস্বামী
প্ৰথম স্থান, অৰ্থনীতি বিভাগ



তৃষালী শৰ্মা
তৃতীয় স্থান, অৰ্থনীতি বিভাগ



লোচনীতা হাজৰিকা
চতুৰ্থ স্থান, শিক্ষাতত্ত্ব বিভাগ



ৰক্তিম নাথ
প্ৰথম স্থান, ৰসায়ন বিজ্ঞান বিভাগ
আৰু
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
শ্ৰেষ্ঠ স্নাতক



সুৰজিতা বৰা
পঞ্চম স্থান, শিক্ষাতত্ত্ব বিভাগ



কাশ্মিৰী মৰাং
নৱম স্থান, ইতিহাস বিভাগ



পুতলি বেগম
দশম স্থান, দৰ্শন বিভাগ



শ্ৰীমন্ত গগৈ
ষষ্ঠ স্থান, ৰসায়ন বিজ্ঞান বিভাগ



কবীৰ বাঢ়ৈ
প্ৰথম স্থান, গণিত বিজ্ঞান বিভাগ



কংকনা তামুলী
দ্বিতীয় স্থান, গণিত বিভাগ



শ্যামলিমা শইকীয়া
দ্বিতীয় স্থান, প্ৰাণীবিজ্ঞান বিভাগ



নৈমিষা কাশ্যপ
চতুৰ্থ স্থান, প্ৰাণীবিজ্ঞান বিভাগ



অনন্যা গগৈ
ষষ্ঠ স্থান, প্ৰাণীবিজ্ঞান বিভাগ



সঞ্জীৱ হাজৰিকা
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ক্ৰিকেট দলত অধিনায়কৰ স্থান



অপু দাও
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ফুটবল দলত স্থান



পাৰ্থ প্ৰতিম দাস
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ক্ৰিকেট দলত স্থান



বিকাশ গুৰুং
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
ফুটবল দলত স্থান



নিবিৰ কৌশিক
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ
মহোৎসৱত টেবুল টেনিছত
তৃতীয় স্থান আৰু
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
টেবুল টেনিছ দলত স্থান



মৃদুপৱন দত্ত
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ
মহোৎসৱত টেবুল টেনিছত
চতুৰ্থ স্থান আৰু
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ
টেবুল টেনিছ দলত স্থান



কীৰ্তিচন্দ্ৰ গগৈ
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ
মহোৎসৱৰ দেহশ্ৰী প্ৰতিযোগিতা
শ্ৰেষ্ঠ স্থান



যজুৰ্বেদ ৰাজখোৱা বৰুৱা
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত
ইংৰাজী কবিতা আবৃত্তিত দ্বিতীয় স্থান



মন আকাশ শইকীয়া
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত
তৃতীয় শ্ৰেষ্ঠ গীতাৰিষ্ট



অনুৰাগ কল্যাণ বৰগোহাঁই
ডিব্ৰুগড় বিশ্ববিদ্যালয় যুৱ মহোৎসৱত
বৰগীত, তবলা বাদনত দ্বিতীয় স্থান

# নৱ জোৱাৰৰে বান

## মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিভা

২০১৭-২০১৮ বৰ্ষ



শ্ৰেয়া সেন, শ্ৰেষ্ঠ কণ্ঠশিল্পী



চাইদ নেকিব, শ্ৰেষ্ঠ সাহিত্যিক



কস্তুৰী কৌশিক, শ্ৰেষ্ঠ খেলুৱৈ (মহিলা)



বিক্ৰম ফুকন, শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ



ৰশ্মিৰেখা নাথ, শ্ৰেষ্ঠ তাৰ্কিক




শ্ৰেষ্ঠ বিভাগ, প্ৰাণী বিজ্ঞান বিভাগ



ঋতুপৰ্ণা শইকীয়া
শ্ৰেষ্ঠ নৃত্যশিল্পী



বিপাশা শইকীয়া
মিছ দেৱৰাজীয়ান







মহাবিদ্যালয়ত অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানসহ কেইটামান মুহূৰ্ত









# ভিন্ন সময়
# ভিন্ন কাম
# ভিন্ন ৰং















# ভিন্ন সময়
# ভিন্ন কাম
# ভিন্ন ৰং





















priyanuz hazarika




©Rishabh Baruah


©RISHABH BARUAH




©ANSHUMAN GOGOI

# ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফল

১) ঠাইতে লিখা কবিতা 1st : Raj Kishore Gogoi(Chemestry )
2nd : Yojurbed Rajkumar Boruah (Zoology)
3rd : Kaberi Chatia (Economics Dept)

২) কবিতা সংকলন 1st : Raj Kishore Gogoi (Chemestry )
2nd : Kaberi Chatia (Economics )
3rd : Rashmi Rekha Nath (Zoology)

৩) জমা দিয়া কবিতা উদগনিঃ Kaberi Chatia (Economics ) Ass.
Raj Kishore Gogoi (Chemestry ) English

৪) নীলাখামৰ চিঠি 1st : Sneha Gogoi (Botany)
2nd : Pronoti Kalita (Zology)
3rd : Sarat Chetia (Zoology)

৫) জমা দিয়া গল্প 1st : Sayad Nekeb (Zoology)
2nd : Vday Das (Assamese)
3rd : Hritooiz Thakur (1st year Arts)

৬) প্ৰবন্ধ 1st : Sayad Nekeb (Zoology)
2nd : Pronoti Kalita (Zology)

৭) ঠাইতে লিখা প্ৰবন্ধ 1st : Sayad Nekeb (Zoology)
2nd : Kaberi Chatia (Economics )
3rd : Raj Kishore Gogoi (Chemestry )
Sarat Chetia (Zoology)

৮) ............ 1st : Aparajita Sharma (Philosophy)
2nd : Sima Barla
3rd : Sumit Dey ( Botany)

৯) বেটুপাত অংকন 1st : Yojurbed Rajkumar Boruah (Zoo.)
2nd : Salabdi Kashyap (Zoology)
3rd : Gopika Nandan Kutum (Eng)
Sumit Dey (Botany)

১০) কবিতা আবৃত্তি (অসমীয়া) 1st : Bedanta Kolita (Pol. Sci Dept)
2nd : Bitopu Bhuyan (Eco. Dept)
3rd : Sarat Chetia (Zoology)

১১) কবিতা আবৃত্তি (ইংৰাজী) 1st : Yojurbed Rajkumar Boruah (Zoo.)
2nd : Rashmi Rekha Nath (Zoology)
3rd : Sonam Kalwar (Phy Dept)

১২) বাতৰি লিখা প্ৰতিযোগিতা 1st : Sumit Dey (Botany)
2nd : Sarat Chetia (Zoology)
3rd : Kaberi Chatia (Economics Dept)

১৩) সম্পাদকলৈ চিঠি 1st : Kaberi Chatia (Economics Dept)
2nd : Sayad Nekeb (Zoology)
3rd : Hritik Thakur (1st Year)

১৪) ঠাইতে লিখা গল্প 1st : Sima Gogoi (Assamese)
2nd : Swastika Saikia (Chemistry)
3rd : Shymalima Saikia (Zoology)

## সংগীত প্ৰতিযোগিতাৰ ফলাফলসমূহ

১) বৰগীত 1st : Asish Khound (H.S 1st year)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Shreya Sen (Chemestry)

২) ৰাভা সংগীত 1st : Shreya Sen (Cemistry)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Asish Khound (H.S 1st year)

৩) জ্যোতি সংগীত 1st : Shreya Sen (Cemistry)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Asish Khound (H.S 1st year)

৪) পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত 1st : Anurag Kalyan Borgohain (Botany)
2nd : Shreya Sen (Cemistry)
3rd : Asish Khound (H.S 1st year)

৫) লোক গীত 1st : Asish Khound (H.S 1st year)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Shreya Sen (Cemistry)

৬) ভূপেন্দ্ৰ সংগীত 1st : Shreya Sen (Cemistry)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Asish Khound (H.S 1st year)

৭) জয়ন্ত সংগীত 1st : Anurag Kalyan Borgohain (Botany)
2nd : Asish Khound (H.S 1st year)
3rd : Shreya Sen (Cemistry)

৮) ভজন 1st : Anurag Kalyan Borgohain (Botany)
2nd : Shreya Sen (Cemistry)
3rd : Asish Khound (H.S 1st year)

৮) আধুনিক গীত 1st : Shreya Sen (Cemistry)
2nd : Anurag Kalyan Borgohain (Botany)
3rd : Asish Khound (H.S 1st year)

১) আধুনিক নৃত্য 1st : Samarjit Saikia (Botany)
2nd : Pubali Das (History)
Rituparna Saikia (Philosophy)
3rd : Bornali Kalita (Economics)
Dibyashri Rajkhowa (Education)

২) শাস্ত্ৰীয় নৃত্য 1st : Rituparna Saikia (Philosophy)
2nd : Pronoti Kalita (Zoology)
3rd : Himadri Gogoi (economics)

৩) বিহুনাম 1st : Dhrubajyoti Kalita (Economics)
2nd : Pronoti Kalita (Zoology)
3rd : Sudeshna Chetia Phukon (Chem.)

**Inter Dept. Football Competition**

Winner : Economics Dept.
Runner up : English Dept.
Semi Final : Botany Dept.

**Marchpast Competition**

1st Position - History Dept.
2nd Position - Economics Dept.
3rd Posititon - Chemistry Dept

**4oo Meter Race (Boys)**

1st - Sri Narayan Thakur (Zoology)
2nd - Sri Rintumoni Pator (Economics)
3rd - Sri Bidyut Bora (H.S. 2nd Year, Science)

**4oo Meter Race (Girls)**

1st - Miss Kosturi Kaushik (Philosophy)
2nd - Miss Punam Prasad (H.S. 1st Year, Arts)
3rd - Miss Sunali Hazarika (History)

**Geveline Throw (Boys)**

1st - Sri Debajit Das (Philosophy)
2nd - Sri Bhaskor jyoti Bora (Chemistry)
3rd - Sri Chandan Jyoti Thengal (Philosophy)

**Geveline Throw (Girls)**

1st - Miss Rimirekha Gogoi (History)
2nd - Miss Himashri Borah(Philosophy)
3rd - Miss Bitopi Bhuyan (Conomics)
- Miss Junmoni Saikia (Assamese)

**Shot put (Boys)**

1st - Sri Sasanka Ranjan Sarma (Economics)
2nd - Sri Nandan Gogoi (Physic)
3rd - Sri Pankaj Bora (Economics)

**Shot put (Girls)**

1st - Miss Sunali Hazarika (History)
2nd - Miss Punam Prasad (H.S. 1st Year)
3rd - Miss Rasmirekha Gogoi (Economis)

**Disc Cast Throw (Boys)**

1st - Sri Nandan Gogoi (Physic)
2nd - Sri Rintumoni Pator (Economics)
3rd - Sri Paban Gogoi (Pol. Science)

**Disc Cast Throw (Girls)**

1st - Miss Trishali Sarmah (Economics)
2nd - Miss Rasmirekha Gogoi (Economis)
3rd - Miss Sunali Hazarika (History)

**2oo Meter Race (Boys)**

1st - Sri Aditya Shosh
2nd - Sri Rintumoni Pator (Economics)
3rd - Sri Bidyut Bora (H.S. 2nd Year, Science)

**2oo Meter Race (Girls)**

1st - Miss Sunali Hazarika (History)
2nd - Miss Kosturi Kaushik (Philosophy)
3rd - Miss Punam Prasad (H.S. 1st Year)

**100 Meter Race (Boys)**

1st - Sri Aditya Shosh
2nd - Sri Rintumoni Pator (Economics)
3rd - Sri Bidyut Bora (H.S. 2nd Year, Science)

**100 Meter Race (Girls)**

1st - Miss Kosturi Kaushik (Philosophy)
2nd - Miss Sunali Hazarika (History)
3rd - Miss Punam Prasad (H.S. 1st Year)

**1500 Meter Race (Boys)**

1st - Sri Narayan Thakur (Zoology)
2nd - Sri Nabaram Gogoi (Physiscs)
3rd - Sri Rintumoni Pator (Economics)

**800 Meter Race (Boys)**

1st - Sri Rintumoni Pator (Economics)
2nd - Sri Narayan Thakur (Zoology)
3rd - Sri Kaustav Bora (Chem)

**800 Meter Race (Girls)**

1st - Miss Kosturi Kaushik (Philosophy)
2nd - Miss Sunali Hazarika (History)
3rd - Miss Anu Khaklari (Maths)

**Long Jump (Boys)**

1st - Sri Aditya Shosh
- Sri Kaustav Bora (Chem)
2nd - Sri Naborun Gogoi (Physics)
3rd - Sri Tikendrajit Pegy (Botany)

**Long Jump (Girls)**

1st - Miss Poonam Prasad (H.S. 1st Year)
2nd - Miss Rebea Bosumatary (H.S. 2nd Year)
- Miss Kosturi Kaushik (Philosophy)
3rd - Miss Anu Khaklari (Maths)

**Triple Jump (Girls)**

1st - Miss Kosturi Kaushik (Philosophy)
2nd - Miss Rimirekha Gogoi (History)
3rd - Miss Poonam Prasad (H.S. 1st Year

**Triple Jump (Boys)**

1st - Sri Aditya Shosh
2nd - Sri Tikendrajit Pegy (Botany)
3rd - Sri Narayan Thakur (Zoology)
- Sri Rakesh Saikia (Botany)

**GIRLS COMMON ROOM**

**Carrom (Girls Single)**

1st - Miss Easther Nengminja Sangma (Eng.)
2nd - Miss Martha Doley (Botany)
3rd - Miss Annanya Pegu (Philosophy)

**Chess (Girls )**

1st - Miss Miijyomai Pathori (Statistics)
2nd - Miss Sonam kalar (Phisics)
3rd - Miss Kosturi Kaushik (Philosophy)

**BOYS COMMON ROOM**

**Chess (Boys )**

1st - Rishi Boruah (English)

| | | |
|---|---|---|
| 2nd | - | Tanmay Jyoti Dutta (English) |

**Carrom (Boys Single)**

| | | |
|---|---|---|
| 1st | - | Rajikul Islam (Economics) |
| 2nd | - | Jagrat Protim Saikia (Assamese) |

**Carrom (Boys Double)**

| | | |
|---|---|---|
| 1st | - | Rajikul Islam, Milon Bora |
| 2nd | - | Dimpol Bora , Bedanga Tamuly |

**টেকেলী ভঙা**

| | | |
|---|---|---|
| 1st | - | Pritantika Gogoi (Eco) |
| 2nd | - | Shymalima saikia (Zoo), Debarshooa Saikia (Zoo) Rosjmirekha Nath (Zoo), Ishyesha Begum (eco) |

**Music Chair**

| | | |
|---|---|---|
| 1st | - | Miss Pritantika Gogoi (Eco) |
| 2nd | - | Miss Angelica Gogoi (Zoo) |
| 3rd | - | Miss Poly Hazarika (Bot) |

ভেশচন প্ৰতিযোগিতা

| | | |
|---|---|---|
| 1st | - | Sayed Nekib (Zoo) |
| 2nd | - | Gitashree Saikia (Zoo) |
| 3rd | - | Somar Saikia (Botany) |

**Tag of War**

| | | |
|---|---|---|
| 1st | - | Economics |
| 2nd | - | Chemistry |

**DEBATING AND SYMPOSIUM DEPT.**

| | | |
|---|---|---|
| **Quiz** | 1st - | Zoology Dept. |
| | 2nd- | Physics Dept. |
| | 3rd- | Physics Dept. |
| **Extempore** | 1st - | Zoology Dept. |
| | 2nd- | Education Dept. |
| | 3rd- | Zoology Dept |
| **Debate** | 1st - | Zoology Dept. |
| | 2nd- | Zoology Dept. |
| | 3rd- | Zoology Dept |
| **Group Discussion** | 1st - | Zoology Dept. |
| | 2nd- | Zoology Dept. |
| | 3rd- | Zoology Dept |

**Boys Double**

| | | |
|---|---|---|
| **Winner** | : | Himangshu Tamuly, Debopratim Saikia (Eng) |
| **Runner's up** | : | Sadik Ahmed, Fardeen Rahman (Eng) |
| **Semi Final** | : | Mridupaban Dutta, Debanga Batch (Chem) Dhrubogyoti Kalita, Bikram Phukan (Eco) |

**Mix Double**

| | | |
|---|---|---|
| **Winner** | : | Dhubajyoti Kalita, Rumi (Eco) |
| **Runner's up** | : | Himangshu Tamuly, Panchami Bhuyan (Eng) |
| **Semi Final** | : | Bikram Phukon , Kabyoshree (Eco) Mridupaban Dutta , Priti Talukdar (Chem) |

**Girls Doubles**

| | | |
|---|---|---|
| **Winner** | : | Puja Sikdar, Pronali Das (Phy) |
| **Runner's up** | : | Easther N. Sangma, Shilpika Gogoi (Eng) |
| **Semi Final** | : | Sonam Kalwar, Yurish (Phy) Nikita Hazarika , Niki Das (1st year) |

**Boys Singles**

| | | |
|---|---|---|
| Winner | – | Bikram Phukan |
| Runner's up | – | Dhrubojyoti Kalita |

**Girls Singls**

| | | |
|---|---|---|
| Winner | – | Tinamoni Das (Zoology) |
| Runner's up | – | Puja Sikdar (Physics) |

**Miss DR Contest**

| | | |
|---|---|---|
| Miss DR | - | Bipasha Saikia |
| 1st Runner's up | - | Ritushna Baruah |
| 2nd Runner's up | - | Bornali Kalita |
| Best Smile | - | Parishmita Turung |
| Best Attire | - | Rinki Kalita |
| Best Personality | - | Rashmi Rekha Nath |
| Best Cat Walk | - | Rituparna Saikia |
| Judges Special Prize | - | Himadrirekha Gogoi |

**Hair Style**

| | | |
|---|---|---|
| 1st | - | Anju Begum (Zoology Dept.) |
| 2nd | - | Sneha Gogoi ( Botony Dept.) |
| 3rd | - | Bitopi Bhuyan (Economics Dept) |
| | - | Satabdi Kashyap (Zoology Dept) |

**মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিভা**

| | | |
|---|---|---|
| (১) চাইদ নেকিব | ঃ | শ্ৰেষ্ঠ সাহিত্যিক |
| (২) শ্ৰেয়া সেন | ঃ | শ্ৰেষ্ঠ কণ্ঠশিল্পী |
| (৩) ৰশ্মিৰেখা নাথ | ঃ | শ্ৰেষ্ঠ তাৰ্কিক |
| (৪) বিক্ৰম ফুকন | ঃ | শ্ৰেষ্ঠ বেডমিণ্টন খেলুৱৈ |
| (৫) কস্তুৰী কৌশিক | ঃ | শ্ৰেষ্ঠ খেলুৱৈ ( মহিলা) |
| (৬) আদিত্য ঘোষ | ঃ | শ্ৰেষ্ঠ খেলুৱৈ (পুৰুষ) |
| (৭) ঋতুপৰ্ণা শইকীয়া | ঃ | শ্ৰেষ্ঠ নৃত্যশিল্পী |

**ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দলত স্থান লাভ কৰা খেলুৱৈসকল**

| | | |
|---|---|---|
| (১) সঞ্জীৱ হাজৰিকা | ঃ | ক্ৰিটেক (অধিনায়ক) |
| (২) অপু দাও | ঃ | ফুটবল |
| (৩) পাৰ্থ প্ৰতিম দাস | ঃ | ক্ৰিকেট |
| (৪) বিকাশ গুৰুং | ঃ | ফুটবল |
| (৫) কীৰ্তিচন্দ্ৰ গগৈ | ঃ | দেহশ্ৰী প্ৰতিযোগিতা |
| (৬) নিবিৰ কৌশিক | ঃ | টেবুল টেনিছ |
| (৭) মৃদুপৱন দত্ত | ঃ | টেবুল টেনিছ |

***

**Editors of DEBRAJIAN**

| | |
|---|---|
| 1952 | Amulya Handique (Assamese Section) |
| | Shiva Khatoniar (English Section) |
| 1954 | Gunin Dutta |
| 1955 | Deheeram Bhoi |
| 1956 | Shrinath Rajbanshi |
| 1958 | Kumud Ch. Gogoi |
| 1959 | Mohendra Baruah |
| 1960 | Anantaram Chutia |
| 1961 | Nabin Gogoi |
| 1964-65 | Hem Baruah |
| | Phani Hazarika |
| 1966 | Puranda Gogoi |
| 1968 | Satyen Gogoi |
| 1969 | Nagen Borah |
| 1970 | Golap Gogoi |
| 1971 | Gunaram Gogoi |
| 1972-73 | Prasenjit Goswami |
| 1973-74 | Arupa Patangia |
| 1974-75 | Shishuram Chutia |
| 1975-76 | Mainu Borgohain |
| 1976-77 | Bikash Buragohain |
| 1977-78 | Hem Phukan |
| 1981 -82 | Ratneswar Sakia |
| 1983-84 | Jayanta Kumar Saikia |
| 1985-86 | Parag Hazarika |
| 1986-87 | Ajit Kakoty |
| 1988-89 | Bharat Phukan |
| 1989-90 | Rintu Gohain |
| 1990-91 | Bhaben Jyoti Borah |
| 1992-93 | Bitupan Talukdar |
| 1993-94 | Yugal Jyoti Borah |
| 1994-95 | Khireswar Saikia |
| 1995-96 | Rajkishore Dutta |
| 1996-97 | Dipak Nath |
| 1997-98 | Kaustav Moni Hazarika |
| 1998-99 | Monoj Bora |
| 1999-2000 | Rajib Saikia |
| 2000-01 | Pranjit Sarma |
| 2001-02 | Bhabani Kr. Bora |
| 2002-03 | Abinash Hazarika |
| 2003-04 | Samudrajit Sharma |
| 2004-05 | Prafulla Saikia |
| 2005-06 | Kaku Bora |
| 2006-07 | Santosh Kr Sandilya |
| 2007-08 | Achinta Bora |
| 2008-09 | Porag Bora |
| 2009-10 | Partha Protim Mahnta |
| 2010-11 | Bornali Mahnta |
| 2011 -12 | Aneekhya Bora |
| 2012-13 | Dipankar Bortamuly |
| 2013-14 | Kushal Saikia |
| 2014-15 | Monalisha Devi |
| 2015-16 | Parismita Bora |
| 2016-17 | Kaberi Chetia |
| 2017-18 | Bornali Kalita |

ৰং
আৰু
ৰূপ



চিত্ৰ
বন্দনা







